ষষ্ঠদশ অসম বিধানসভাৰ

বাজেট অধিবেশন

কাৰ্যবিৰৰণী (অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

তাৰিখ ঃ ২৪/০৭/২০২৬ শুকুৰবাৰ

**আজি ইংৰাজী ২৪-০৭-২০২৬ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাৰ পৰা মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত পুনৰ সদনৰ কাম কাজ আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ২০১ , জয় প্ৰকাশ দাস।

**শ্ৰীঅশোক সিংহল, মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, চিকিৎসা শিক্ষা আৰু গৱেষণাঃ** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মেজত দিয়া আছে।

**ড° জয় প্ৰকাশ দাস, নাওঁবৈচাঃ** মাননীয় অধ্যক্ষ মহোদয়,প্ৰশ্নৰ উত্তৰ পাইছো, মাননীয় অধ্যক্ষ মহোদয় নাওঁবৈচা সমষ্টিৰ মাত্ৰ এখন মডেল হস্পিতাল আছে বুলি কৈছে, সেইখন তেলাহী মডেল হস্পিতাল। তাত যি পৰিসংখ্যা দিয়া হৈছে Doctor, senior doctor সম্পূৰ্ণ খালী বুলিয়েই কোৱা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, Borgola MPHC, Bahgora MPHC, Gorchiga SD, Panigaon SHC, Azad SD, Gharmora MPHC, Jergrai-Singimari RPHC ডাক্তৰ আছে যদিও মাজে মাজে ডাক্তৰৰ সংখ্যাটো কমি যায় । সেই কাৰণে মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো যে এই তেলাহী মডেল হস্পিতালত ডাক্তৰ কেতিয়া সম্পূৰ্ণকৈ দিয়া হ'ব ? যিহেতু ৩ লাখ মানুহৰ এইখন এখন এক মাত্ৰ মডেল হস্পিতাল। এইখন মডেল হস্পিতালক FRU লৈ উন্নীত কৰাৰ কিবা ব্যৱস্থাপনা আছে নেকি ? লগতে মাননীয় অধ্যক্ষ মহোদয় এইটোও জানিব বিচাৰিছো যে আমাৰ তাত বহুত চৰ অঞ্চল আছে। যিবিলাক অঞ্চলত আমি সততে আমি দেখা পাওঁ যে মহিলাই নাৱত ল'ৰা-ছোৱালী জন্ম দিয়া। সেই কাৰণে আমি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে পূৱ তেলাহী, ঘুণাখুটি, কানীয়াজান, পুংফু যিবিলাক চৰ অঞ্চল পাভভেকুলী আউনীবাৰী সেই বিলাকত এখন এখন boat ambulance দিব পাৰিব নেকি

এইখিনি কথা মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো লগতে তেলাহী মডেল হস্পিতালত সম্পূৰ্ণ ডাক্তৰ কেতিয়া দিব ? এইখিনি মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীঅশোক সিংহল, মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, চিকিৎসা শিক্ষা আৰু গৱেষণাঃ** মাননীয় অধ্যক্ষ মহোদয়, তেলাহী মডেল হস্পিতালত ডাক্তৰৰ ৮ টা পদ খালী হৈ আছে। যেতিয়া ডাক্তৰ ভৰ্ত্তি হ'ব NHM ৰ ডাক্তৰ আমি পাম, তেনেকে আমি দি যাম। আৰু মই বিশেষ ভাৱে আপোনাক জনাবলৈ পাই সুখী হৈছো যে যোৱা প্ৰায় ৭-৮ দিন হ'ল দুখন দুখন জিলাক লৈ আমি বহি আছো। প্ৰত্যেক বিধায়কৰ লগত সমষ্টিৰ স্বাস্থ্য ক্ষেত্ৰত থকা সমস্যা আৰু তেওঁলোকৰ দিহা পৰামৰ্শৰে কেনেকৈ ব্যৱস্থাটো ভাল কৰা যায় বা স্বাস্থ্যখণ্ডটো ভাল কৰা যায় এই কাৰ্য্যক্ৰম আমি হাতত লৈছো আৰু ইতিমধ্যে কেইবাটাও জিলা হৈ গ'ল। আজি লক্ষীমপুৰ জিলা ৫ বজাত মোৰ তাত বহিব। বিধায়ক ডাঙৰীয়াক আপোনাৰ মাধ্যমত আকৌ নিমন্ত্ৰণ দিছো। এনেয়ে আনুষ্ঠানিক নিমন্ত্ৰণ দিয়া হৈছে। আজি আকৌ তেখেত আহক। আহিলে যিমান পাৰো আমি সহায় কৰিম। তেখেতৰ সমষ্টিত যাতে ভাল এটা স্বাস্থ্য সেৱা হওঁক।

**ড° জয় প্ৰকাশ দাস, নাওঁবৈচাঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আৰু এটা প্ৰশ্নৰ উত্তৰ মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো আমি সততে দাবী কৰো যে আমাৰ child mortality rate কমিছে, প্ৰসূতিৰ মৃত্যুৰ হাৰ কমিছে, কিন্তু যি সকল আচল যোদ্ধা, NHM ৰ কৰ্মচাৰী সকল, তেওঁলোকৰ ক্ষেত্ৰত সমকামৰ সম দৰমহা কেতিয়াৰ পৰা প্ৰযোজ্য হ'ব আৰু তেওঁলোকৰ provident fund ৰ ব্যৱস্থা কৰিব নেকি ? লগতে আমি আশাকৰ্মী সকলৰ কথা সততে কওঁ তেওঁলোকৰ incentive টোৰ কথা জানে আপোনালোকে, পুতৌলগা। সেই কাৰণে incentive নহয় আশা কৰ্মী সকলক দৰমহাৰ ব্যৱস্থা কৰি তেওঁলোকক এই noble profession টোত আৰু আমি উৎসাহিত কৰিব পাৰো নেকি তাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰীঅশোক সিংহল, মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, চিকিৎসা শিক্ষা আৰু গৱেষণাঃ** মাননীয় অধ্যক্ষ মহোদয়,তেনেকুৱা কোনো প্ৰস্তাৱ বিভাগত বিচাৰাধীন নহয়।

**মাননীয় অধ্যক্ষঃ** পৰৱৰ্তী প্ৰশ্ন ২০২ . মাননীয় অখিল গগৈ । তেখেত অনুপস্থিত। এতিয়া প্ৰশ্ন নং ২০৩ সঞ্জয় কিষাণ।

**শ্ৰীঅশোক সিংহল, মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, চিকিৎসা শিক্ষা আৰু গৱেষণাঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজত দিয়া আছে।

**শ্ৰী সঞ্জয় কিষাণ, মাকুমঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ মাকুম বিধান সভা সমষ্টি, একেবাৰে নতুনকৈ গঠন হোৱা এটা বিধান সভা সমষ্টি। ইয়াতে প্ৰায় ১৫ টা গাওঁ পঞ্চায়ত আছে আৰু এই পঞ্চায়তত প্ৰায় ১০০ খনতকৈও অধিক গাওঁ আছে, আৰু প্ৰায় ৩০ খনতকৈও অধিক চাহবাগিচা আছে। অধ্যক্ষ ডাঙৰীয়া মই উত্তৰ পাইছো , মন্ত্ৰী মহোদয়ক মই ধন্যবাদ জনাইছো । কিন্তু অধ্যক্ষ ডাঙৰীয়া হাবজান খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আছে । তাতে জ্যেষ্ঠ স্থায়ী চিকিৎসক নাই। ফিল'বাৰীৰ যিজন চিকিৎসক আছে, তেখেতকে তাত attach কৰি ৰখা হৈছে আৰু আচলতে যিবিলাক এবছৰীয়া চিকিৎসক থাকে, তাৰে দুজন দেখুৱা হৈছে, কিন্তু দৰাচলতে তাতে এজনহে চিকিৎসক আছে। তাৰে এজন ইতিমধ্যে পঢ়িবৰ কাৰণে গুচি গৈছে। এই বৃহৎ অঞ্চলটোত নতুনকৈ গঠিত সমষ্টি। অধ্যক্ষ ডাঙৰীয়া ৩ টা বছৰ আগতে এই নতুন সমষ্টিটো গঠন কৰা হ'ল। কিন্তু তাতে চৰকাৰী ভাৱে বা বিধায়ক নথকাৰ বাবে বিভিন্ন চৰকাৰী সা-সুবিধাৰ পৰা আমি বঞ্চিত হৈ ৰ'লো। গতিকে ইয়াত যাতে স্থায়ী ভাৱে ইয়াত যিজনক attach কৰি থকা হৈছে তেখেতক যাতে স্থায়ী ভাৱে ইয়াতে দি দিয়ে তাৰ কাৰণে মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো। মই একে লগতে কৈ দিব বিচাৰিছো যে অধ্যক্ষ ডাঙৰীয়া আমাৰ আচলতে মাকুম সমষ্টিটো কেইবাটাওঁ সমষ্টিৰ পৰা কিছু অংশ আহিহে নতুন সমষ্টি গঠন হ'ল। যেনেকৈ চাবুৱাৰ পৰা আহিলে ৭ টা পঞ্চায়ত, তিনিচুকীয়াৰ পৰা গ'ল ৩ টা পঞ্চায়ত, ডিগবৈৰ পৰা আহিলে ৩ টা পঞ্চায়ত আৰু ডুমডুমাৰ পৰা আহিলে,

তেনেকৈয়ে হ'ল। ঠিক তেনেকৈ অধ্যক্ষ ডাঙৰীয়া আমাৰ বগাপানী আদৰ্শ চিকিৎসালয় বহু আগতে চেংশ্যন হৈছিল। কিন্তু মাটিৰ অভাৱত তাতে চিকিৎসালয়খন কৰিব পৰা ন'গল। ইতিমধ্যে ডিগবৈ সমষ্টিৰ প্ৰায় ৩ টা পঞ্চায়ত মাকুম সমষ্টিৰ অনৰ্ভুক্ত হ'ল। এই যিটো মই চিকিৎসাৰ কথা কৈছো, তাত কিন্তু ইতিমধ্যে চিকিৎসক, চতুৰ্থ বৰ্গ ৰ কৰ্মচাৰী, নাৰ্চ সকলো বিলাক নিযুক্তি হৈ গৈছে। কিন্তু মাটিৰ অভাৱত চিকিৎসালয়খন হৈ নুঠিল। মই আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যাতে এই চিকিৎসালয়খন কেৱল নতুন এটা সমষ্টি, একোৱে নাই, তাতে এই মডেল হস্পতালখন যদি নিৰ্মাণ কৰি দিয়ে তেতিয়া হ'লে মোৰ মাটি আছে, তাতে আমি নিৰ্মাণ কৰিব পাৰিম। যিহেতু আজি আমি মন্ত্ৰী ডাঙৰীয়াক পাম, তেখেতৰ লগত সভাও আছে, গতিকে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ক মই আপোনাৰ জৰিয়তে অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী মহোদয়।

**শ্ৰীঅশোক সিংহল, মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, চিকিৎসা শিক্ষা আৰু গৱেষণাঃ** মাননীয় অধ্যক্ষ মহোদয়,ডাক্তৰৰ অভাৱ লাহে লাহে কমি আহিছে। প্ৰত্যেক বছৰে আমি প্ৰায় ডেৰ হাজাৰ ডাক্তৰ আমি পাই আছো। সমানে আমি আৰু মেডিকেল কলেজ আৰম্ভ কৰি গৈ আছো। আপোনাৰ মাধ্যমেৰে মই জনাব বিচাৰিছো যে কিছু দিনৰ ভিতৰতে আমি বঙাইগাওঁ মেডিকেল কলেজো আৰম্ভ কৰি আছো। তাৰ পাছত বিশ্বনাথ আৰু তেনেকৈয়ে মেডিকেল কলেজবোৰ দি আছো। তিনিচুকীয়াত খুব ভাল মেডিকেল কলেজ হৈ গ'ল। বিধায়ক ডাঙৰীয়াক আশ্বাসন দিব বিচাৰিছো, কমেও ৪০ জন ডাক্তৰ মাকুম বিধান সভাত দিম, এই আশ্বাসনটো আপোনাৰ জৰিয়তে তেখেতক দিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** পৰৱৰ্ত্তী প্ৰশ্ন নং ২০৪, শ্ৰী জুবেইৰ আনম মজুমদাৰ।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী, ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা ইত্যাদি বিভাগ):** অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী জুবেইৰ আনম মজুমদাৰ, কাটলিচেৰাঃ** অধ্যক্ষ মহোদয়, মই উত্তৰটো পাইছো। মই ক'ব লাগিব যে মোৰ সমষ্টিত ৫২২ ঘৰ eviction কৰিছিল আৰু eviction কৰি এই কেইজন মানুহ ১৯৬৫ চনৰ পৰা সেই ঠাইতে আছিলে আৰু যেতিয়া eviction ৰ notice কৰিছে, একেবাৰে শান্তিপূৰ্ণভাৱে eviction হৈছে, যেতিয়া eviction ৰ notice পাইছে সিহঁতে নিজে ঘৰ এৰি থৈ গুচি গৈছে। কিন্তু আজিলৈ প্ৰায় ৬ মাহ হৈ গ'ল, এই ৬ মাহত কোনো rehabilitation পোৱা নাই, আৰু যেতিয়া rehabilitation ৰ কথা সুধিলো, তেতিয়া উত্তৰটো আহিছে যে there is no provision policy for providing settlement and rehabilitation to the person evicted from unauthorized occupation of Government land. এতিয়া কথাটো হ'ল যে এতিয়া Government য়ে কৈছে এটা কথা আৰু ক'ৰ্টে কৈছে আৰু এটা কথা । এতিয়া ক'ৰ্টে কৈছে যে The welfare State even one enforcing lawful eviction must ensure that the actions are informed by foreigners dignity and consideration for rehabilitation consistent with the directive principle of State policy particularly Article-38, 39 of the constitution of India which mandate equitable resources and protection of weaker section. কিন্তু ইয়াতে আমি তেনেকুৱা ক'ৰ্টৰ নিৰ্দেশকো পালন কৰা দেখা নাপালো, কাৰণ ইমান ৬ মাহৰ পৰা কোনো ঘৰ নাই, খাবলৈ একো খানা নাই কাৰণ এইকেইজন মানুহ একেবাৰে poorest of the poorest section ৰ পৰা আহে। তাৰ পাছতো একো পোৱা নাই আজিলৈকে। এতিয়া ক'ৰ্টে মিছা কথা কৈছে নে চৰকাৰে মিছা কথা কৈছে, কোনোবা এজনেতো কথাটো মানা নাই।

**মাননীয় অধ্যক্ষঃ** সন্মানীয় মন্ত্ৰী।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী, ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা) :** অধ্যক্ষ মহোদয় তেখেত যিখিনি মাটি বা ভূমিৰ কথা কৈছে eviction ৰ কথা, এইখিনি হৈছে আমাৰ সংৰক্ষিত বনাঞ্চল, এইটো আছিল সংৰক্ষিত বনাঞ্চল। এই বনাঞ্চলৰ পৰা এই সকল বেদখলকাৰী হিচাপে মানে বনভূমি বেদখল হিচাপে উচ্ছেদ কৰা হৈছে। এতিয়া বনভূমি বেদখলকাৰী হিচাপে উচ্ছেদ কৰাৰ পিছত

ইয়াত পৰিয়াল আছিল, ৫১৬ ঘৰ। ৫১৬ ঘৰ মানুহৰ ভিতৰত ২৮৩ ঘৰ লোকে তাত DC ৰ ওচৰত তেখেতসকলৰ হয়তো আৰু মাটি নাই, সেইবুলি application দিছে যে, আমাৰ আৰু মাটি নাই, গতিকে আমাক সংস্থাপন কৰি দিয়ক, বাকী সকলৰ হয়তো ক'ৰবাত ক'ৰবাত হয়তো আছে মাটি সেইকাৰণে তেওঁলোকে বিচৰা নাই এইখিনিয়ে বিচাৰিছে, কিন্তু যিকোনো মানুহক লেণ্ডলেছ যদি হয়, তেওঁলোকক উচ্ছেদ কৰা নকৰা বুলি বিষয় নহয়, মাটি দিয়াৰ provision আইনমতে আছে। তেখেতে প্ৰশ্নটো কৰিছে, উচ্ছেদিতসকলক পুনৰ সংস্থাপন, উচ্ছেদিতসকলক পুনৰ সংস্থাপনৰ বিষয়টোত আমি উত্তৰটো সেইটোৱে দিব লাগিব যে, উচ্ছেদিত হ'ল, বনভূমিৰ পৰা উচ্ছেদ হ'ল গতিকে তেখেতসকলক আমি এনে policy নাই যে সেইটো provision ত তেওঁলোকক আমি rehabilitate কৰিম। গতিকে এই কথাখিনি আমাৰ দৃষ্টিগোচৰ হৈছে, আৰু এইখিনি কথা এই যদি ২৮৩ ঘৰ মানুহৰ সঁচাকেই মাটি নাই বা তেখেতসকলে normal process ত বসুন্ধৰাত আমি দি আহি আছো বা অন্য ধৰণে দিয়াটো বেলেগ কথা। Three generation হ'ব লাগিব ইয়াত এইটো নিশ্চিত কৰিব লাগিব যে তিনি প্ৰজন্মৰ লোক ইয়াত আছে, তেতিয়াহ'লে তেখেতসকলে যিটো স্বাভাৱিক প্ৰক্ৰিয়া তাত মাটি পোৱাত অসুবিধা নাই।

**মাননীয় অধ্যক্ষঃ** Supplementary।

**শ্ৰী জুবেইৰ আনম মজুমদাৰ, (আলগাপুৰ)ঃ** অধ্যক্ষ মহোদয়, যিহেতু Indian citizen হয় আৰু Three generation মানে ১৯৬৫ ৰ পৰা যিহেতু তাতে থাকি আছে, যদি দিয়ে কিমান সময় লাগিব কাৰণ ইতিমধ্যে ইয়াতে বহুত মানুহে ইতিমধ্যে এপ্লাই কৰিছে DC অফিচত landless মানুহ, সকলোৰে বেলেগ ক'তো land নাই, সিহঁত সকলে ইতিমধ্যে এপ্লাই কৰিছে DC অফিচত। কিন্তু প্ৰায় ৬ মাহ হৈ গ'ল, কাৰণ এদিন এদিন সিহঁতৰ কাৰণে থকাটো বহুত কষ্ট হৈ আছে। এটা যদি time frame যদি পালো হয় যে ইমান সময় ভিতৰত ইমান সময় normally লাগে, এটা basic time frame যদি পালো হয় মন্ত্ৰী মহোদয়ৰ পৰা।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি বিভাগ):** অধ্যক্ষ মহোদয় এই বিষয়টো তেখেতে যিটো কৈছে, আমি সকলোৱে জানো একজন বিধায়কে Land Advisory Committee বা তাত আমি অংশীদাৰ, গতিকে তাত খালি মাটি ওলাব লাগিব আৰু তেওঁলোক ইয়াৰ কাৰণে eligible হ'ব লাগিব। এই কথাকেইটা ঠিকে থাকিলে এইটোৰ কাৰণে বেলেগ প্ৰক্ৰিয়া ল'ব লগা নাই সাধাৰণ প্ৰক্ৰিয়াতে তেখেতসকলে ভূমিহীন হিচাপে ৱাৰ্ড আমাৰ যিটো আইনগত সুবিধা আছে এনেদৰে পোৱাত কোনো অসুবিধা নাই।

**মাননীয় অধ্যক্ষঃ** পৰৱৰ্তী প্ৰশ্ন নং ২০৫, শ্ৰী লুংছিং টেৰণ।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি বিভাগ) :** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী লুংছিং টেৰণ, হাওঁৰাঘাটঃ** অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীৰ পৰা উত্তৰটো পালো, কিন্তু ইয়াত এটা মোৰ বিশেষ অনুৰোধ যিহেতু যোৱা বিধানসভা নিৰ্বাচনত আমি ৰাইজক বিভিন্ন প্ৰতিশ্ৰুতি দি আহিছো, এই প্ৰতিশ্ৰুতিৰ ভিতৰত সেইটো প্ৰধান আৰু প্ৰথম মই প্ৰতিশ্ৰুতিৰ ৰাইজক দিছিলো, কিন্তু আজি এই পবিত্ৰ সদনত মাননীয় মন্ত্ৰীৰ পৰা উত্তৰ পালো, সেইটো হাওঁৰাঘাটটো তেনেকুৱা এটা কাৰ্যক্ষম নহয় এই উত্তৰটো পালো। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো যিহেতু কাৰ্বি আংলংৰ পাঁচটা বিধানসভাৰ সমষ্টিৰ ভিতৰত আটাইতকৈ ডাঙৰ আৰু জনসংখ্যাৰ হিচাপেও বেছি, ভৌগোলিক সীমাৰ হিচাপেও ডাঙৰ, গতিকে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক লগতে আমাৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যিহেতু এইটো হাওৰাঘাট ৰাইজৰ দীৰ্ঘদিনীয়া প্ৰায় এইটো দাবী আছিল, সেই দাবী সম্পূৰ্ণ কৰিবৰ কাৰণে ২০১৬ চনত ২৫ ফেব্ৰুৱাৰী তাৰিখে তাত শুভ উদ্বোধনীও কৰিছিল, PWD guest house ত সেই সময়ৰ অসমৰ মাননীয় মন্ত্ৰী আমাৰ খৰচিং ইংতি ডাঙৰীয়া, লগতে বৰ্তমান আমাৰ বিধায়ক তথা আমাৰ কাৰ্বি আংলং Autonomous Council ৰ CEM তুলিৰাম ৰংহাং ডাঙৰীয়া আছিল সেই সভাত। তাৰে পিছত এজন ADC হিচাপে নিযুক্তি দিয়া হৈছিলে তাৰে দুই তিনি বছৰমান চলিছিল কিন্তু ২০১৯ চনৰ পৰা

এইটো বন্ধ হৈ গৈছিল । গতিকে মই অধ্যক্ষ মহোদয় আপোনাৰ যোগেদি অনুৰোধ কৰিব বিচাৰিছো এই মহকুমাটো যাতে পুনৰ গঠন হয় । ধন্যবাদ ।

**মাননীয় অধ্যক্ষঃ** সন্মানীয় মন্ত্ৰী।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী, ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা ইত্যাদি বিভাগ ):** মাননীয় অধ্যক্ষ মহোদয়, এই মহকুমাৰ ক্ষেত্ৰত এটা কথা মই অকণমান আগৰ পৰা কৈ যাব লাগিব আৰু অধ্যক্ষ মহোদয়, আপুনি এই বিষয়টো পাই আহিছে GAD minister হিচাপে, গতিকে আমাৰ যেতিয়া ২০১৬ চনত ২৪ টা মহকুমা গঠনৰ ঘোষণা কৰিছিল তাৰ ভিতৰত হাওঁৰাঘাট আছিল হয়নে ? গতিকে হাওঁৰাঘাট আছিল আৰু এই ২৪ টা মহকুমা ঘোষণা কৰাৰ পিছত এখন কেবিনেট চাব কমিটি কৰিলে এই মহকুমা ক'ত ক'ত visible কি কি হ'ব লাগিব এই ধৰণৰ কথা। এই Cabinet Sub-committee ৰ পিছত এই গোটেই কথাটো ঠিক তেনেধৰণে আগবাঢ়ি গৈ থকাৰ পিছত যিটো নতুন concept আহিল আমাৰ সমজিলা, মানে সমষ্টি ভিত্তিত পুৰণি কথা পুৰণি ধৰণে ক'বলে গ'লে তাত Civil sub-division আৰু নামাকৰণ হ'ল সমজিলা। গতিকে এই সমজিলা যিটো concept আহিল, সমজিলা concept টো যেতিয়া আহিল তেতিয়াই আমি তাৰ পৰা Sixth Schedule বাদ দিব লগা হ'ল। মানে BTAD বা কাৰ্বি আংলং আৰু আমাৰ ডিমা হাচাও । গতিকে Sixth Schedule ৰ বাহিৰত এই কথাখিনি কৰিবলগা হ'ল। এতিয়া Sixth Schedule ৰ যিখিনি পুৰণা আমাৰ আগৰমতে যি কেইটা মহকুমা আছে পুৰণা চলি আছে, কিন্তু বাকী এই যিখিনি আছে নতুনকৈ প্ৰস্তাৱ হৈছিল সেই প্ৰস্তাৱটো এতিয়া নাকচ হৈছে এইটো Sixth Schedule ৰ লগত তেখেতসকলৰ authority ৰ লগত এইবিলাক কথা মাননীয় মুখ্যমন্ত্ৰীয়ে পাতিহে এই স্থান কেইটাত মহকুমা বা সমজিলা নিৰ্মাণ কৰাৰ কথাটো খাতাং কৰিব পাৰিব আৰু সেই নিৰ্দেশনা মতেহে আমি আজি ৰৈ থাকিবলগা আছে।

**মাননীয় অধ্যক্ষ ঃ** পৰৱৰ্তী প্ৰশ্ন নং ২০৬, ড° পৰমানন্দ ৰাজবংশী।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা) :** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**ড° পৰমানন্দ ৰাজবংশী (ছিপাঝাৰ) :** সন্মানীয় অধ্যক্ষ মহোদয়, মই যিটো প্ৰশ্ন উত্থাপন কৰিছিলো, সেই সন্দৰ্ভত মাননীয় ৰাজহ মন্ত্ৰীৰ তৰফৰ পৰা যিখিনি উত্তৰ পাইছো সেই উত্তৰ যথাযথ হোৱা নাই, স্ব-বিৰোধী হৈছে আৰু উত্তৰটো দিওঁতে কিছু-কিছু ক্ষেত্ৰত মোৰ যিটো প্ৰশ্ন যে আমাৰ ছিপাঝাৰ সমষ্টিৰ গৰুখুঁটি গাঁও পঞ্চায়তত অন্তৰ্গত হৈছে  আন এখন গাঁও পঞ্চায়ত- হানোৱা গাঁও পঞ্চায়ত, এই দুখন গাঁও পঞ্চায়তক লৈ আমাৰ গৰুখুঁটি কৃষি প্ৰকল্প সংঘটিত হৈছে। প্ৰথম প্ৰশ্নটো আছিল যে এই গৰুখুঁটি গাঁও পঞ্চায়ত এলেকাৰ কিমান বিঘা মাটি গৰুখুঁটি কৃষি প্ৰকল্পক আৱন্টন দিয়া হৈছে- এই সম্পৰ্কত যিখিনি কথা কোৱা হৈছে সেইখিনি উপযুক্ত হোৱা নাই। কাৰণ আৰম্ভণিৰে পৰা এই মাটিখিনিৰ আৱন্টন বা আন আন ক্ষেত্ৰসমূহৰ সৈতে মই জড়িত হৈ আছো কিন্তু এই প্ৰশ্নটোৰ উত্তৰৰ ক্ষেত্ৰত আন এটা দিশ জড়িত হৈ আছে। সেইটো হৈছে যে স্বয়ং গৰুখুঁটি প্ৰকল্পৰ নামত মাটি নাই। অথচ যিখিনি মাটি আৱন্টন দিয়া হৈছে সেইখিনি আন কোনোবা লোকৰ নামত আছে আৰু কোৱা হৈছে যে আশে-পাশে থকা মাটি পঞ্চায়তৰ নামত থকা দেখা যায়। কিন্তু আজি গৰুখুঁটি প্ৰকল্পৰ পূৱ পিনে বা উত্তৰ দিশে তাত কমেও ১০০০ বিঘাৰো অধিক চৰকাৰী মাটি বেদখল হৈছে আৰু এই বেদখল কৰা মাটিখিনিত আমাৰ পঞ্চায়তৰ দ্বাৰা তাত কিবা ভাল কাম যেনে এখন বজাৰৰ ব্যৱস্থা কৰিব পাৰি নেকি যি বজাৰ গৰুখুঁটি প্ৰকল্পৰ বাবে অত্যন্ত প্ৰয়োজনীয়। সেই ক্ষেত্ৰত এটা আলোচনা কৰোতে মই মন কৰিলো যে সেই মাটিখিনি বিভিন্ন ধৰণে বেদখল হৈ আছে। কিন্তু উত্তৰটোত বেদখলৰ কথাটো নসাৎ কৰা হৈছে। গতিকে এই বিষয়ত মই মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াৰ সৈতে বহিম কাৰণ এইটো অত্যন্ত স্পৰ্শকাতৰ বিষয়। মই এইক্ষেত্ৰত এটা কথাই ক'ব বিচাৰিছো যে গৰুখুঁটিৰ দৰে এখন গুৰুত্বপূৰ্ণ পঞ্চায়তৰ নামত মাটি নাই, অথচ পঞ্চায়তখন চলি আছে আৰু তাৰ আশে-পাশে থকা যিখিনি মাটি বেদখল হৈ আছে সেইখিনি বেদখল মুক্ত কৰি কমেও যদি ৫০০ বিঘা মাটি আজি পঞ্চায়তখনক দিয়া হ'লহেতেঁন তেনেহ'লে গৰুখুঁটি প্ৰকল্পটোৰ সৈতে পঞ্চায়তখনেও নিজাববীয়াকৈ স্বনিৰ্ভৰশীল কিছুমান

কাম কৰিব পাৰিলেহেতেঁন কাৰণ গৰুখুঁটি প্ৰকল্পটো তেওঁলোকৰ পঞ্চায়তৰ অধীনত বুলি ক'লেও ভুল নহয়। গতিকে সেইটো ক্ষেত্ৰত মই তেখেতৰ দৃষ্টি আকৰ্ষণ কৰিলো। মোৰ আনটো প্ৰশ্ন মই অলপ পিছত আগবঢ়াম।

**মাননীয় অধ্যক্ষ :** Hon'ble Minister.

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা) :** অধ্যক্ষ মহোদয়, এই যিটো বিষয় তেওঁ আনিছে, প্ৰশ্নটো যিধৰণৰ হ'ব উত্তৰটোও তেনেধৰণেই দিব লাগিব। প্ৰশ্নটো আছিল যে ছিপাঝাৰ সমষ্টিৰ গৰুখুঁটি গাঁও পঞ্চায়তৰ কিমান বিঘা মাটি বেদখল মুক্ত কৰি গৰুখুঁটি কৃষি প্ৰকল্পক আৱন্টন দিয়া হৈছে ? উত্তৰটো হৈছে ছিপাঝাৰ সমষ্টিৰ গৰুখুঁটি গাঁও পঞ্চায়তৰ কোনো মাটি বেদখল মুক্ত কৰি গৰুখুঁটি কৃষি প্ৰকল্পক আৱন্টন দিয়া হোৱা নাই। তেনেহ'লে এতিয়া গৰুখুঁটিত প্ৰকল্পটো ক'ৰ পৰা হ'ল সেই কথাটো শুনক যে গৰুখুঁটি প্ৰকল্পটো হ'ল আমাৰ শানোৱা আৰু বাজানা পথাৰ গাঁও পঞ্চায়তৰ অধীনত থকা ১২,৩৪৬ বিঘা ৩ কঠা ১৮ লেচা মাটি এই গৰুখুঁটি প্ৰকল্পত দিয়া হ'ল। তেখেতে প্ৰশ্নটো শুধিছে গৰুখুঁটিৰ পৰা দিয়া হৈছে নেকি? উত্তৰটো হ'ল নাই দিয়া। লগতে তেখেতে যি পঞ্চায়তৰ কথা ক'লে, মই বহলকৈ ক'ব বিচৰা নাই। তেওঁলোকে হয়তো গৰুখুঁটি পঞ্চায়তখনৰ অফিচটোৰ নামত মাটি বিচৰা নাছিল আৰু সেইকাৰণে চৰকাৰে মাটি allot কৰা নাছিল । কিন্তু এটা সময়ত সেই পঞ্চায়তৰ লগত থকা ফিল্ডখন পঞ্চায়তৰ নামত allot কৰা হৈছিল, allotment হে কৰা আছে, তাৰপিছত তেওঁলোকে হয়তো পিছৰ নথি-পত্ৰসমূহ নাই কৰা। এই কথাখিনিত পঞ্চায়তে নিজাববীয়াকৈ জড়িত নহোৱা বাবে হয়তো সেইখিনি হোৱা নাই। লগতে আৰু এটা কথা শুধা হৈছে যে বেদখলমুক্ত হৈছে নে নাই ? এতিয়া বেদখল কৰা মানুহ সেই ঠাইত আছে নে নাই ? ইতিমধ্যে আমি সেই ঠাইখিনি চালো আৰু ৭ ঘৰ মানুহক তাৰ পৰা যাবলৈ জাননী দিয়া হ'ল আৰু এই প্ৰক্ৰিয়াটো চলি আছে। ইয়াৰ উপৰিও এই গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্পটোৰ দক্ষিণ, পশ্চিম আৰু উত্তৰ দাঁতিত ২০ হাজাৰ বিঘা মাটি চৰকাৰী গৰাবাট বা উক্ত অঞ্চলটোত প্ৰায় ৫০০০ পৰিয়ালে ঘৰ-দুৱাৰৰ লগতে খেতি- বাতি কৰি

বেদখল কৰি থকা দেখা গৈছে। গতিকে  দুটা সমবায় ক্ৰমে মলুৱাচৰ সমবায় আৰু শ্ৰী শ্ৰী মা লক্ষ্মী সমবায়ে উক্ত অঞ্চলত খেতি-বাতি কৰি থকা  আমি দেখিবলৈ পাইছো। সেই সমবায় দুটাৰ নামত সেই অঞ্চলৰে ২৫০ বিঘা মাটি আৱণ্টনৰ বাবে প্ৰস্তুতি কৰি থকা হৈছে। গতিকে অধ্যক্ষ মহোদয়, প্ৰশ্নটো যি ধৰণে শুধা হৈছে উত্তৰটো সেইমতেই দিয়া হৈছে আৰু বাকী যিখিনি কথা কৈছে- 'আশে-পাশে আছে', সেইখিনিও মই সদনৰ বুজাত অসুবিধা নহ'বলৈ  পৰিষ্কাৰ কৰি দিছো।

**ড° পৰমানন্দ ৰাজবংশী (ছিপাঝাৰ) :** সন্মানীয় অধ্যক্ষ মহোদয়, দৰাচলতে মই যিটো প্ৰশ্ন উত্থাপন কৰিছিলো তাৰ উত্তৰটো অলপ বেলেগ ধৰণে দিছে, মোৰ হয়তো প্ৰশ্নটো শুধোতেও অলপমান পোনপটীয়া হ'ল। কিন্তু মই আপোনাক জনাব বিচাৰিছো যে গৰুখুঁটি পঞ্চায়তৰ  নামত যিখিনি মাটি আছে সেইখিনি মাটি এজন ব্যক্তিৰ নামত আবন্টন হৈ আছে, এইটো এটা গুৰুত্বপূৰ্ণ কথা । কিন্তু তাৰ আশে-পাশে থকা প্ৰায় ১০০০ বিঘা মাটি যিখিনিক ৰূপহীকাষ বুলি কয় সেইখিনি চৰকাৰী মাটিত আজি বেদখল হৈ আছে। গতিকে প্ৰশ্নটো যে যথাযথ হোৱা নাই সেয়েহে মই ক'ব খুজিছিলো যে এইটো কথা খাটাং যে গৰুখুঁটি পঞ্চায়ত এলেকাৰ যিখিনি মাটিত প্ৰথমে গৰুখুঁটি প্ৰকল্প আৰম্ভ কৰা হৈছিল, পিছত তাৰ পূৱ অংশত উচ্ছেদ কৰা হৈছিল। ঘটনাটো মই সবিশেষ ক'বলৈ নাযাঁও কিন্তু মই আকৌ কৈছো যে বেদখলমুক্ত কৰাৰ ক্ষেত্ৰত মই ভাবো যে ৰূপহীকাষৰ মথাউৰিৰ আশে-পাশে বহু মানুহে বেদখল কৰি আছে, হিন্দীয়েই হওঁক, মুছলমানেই হওঁক। মথাউৰিৰ মাটিতে যদি দোকান-পোহাৰ পাতে তেতিয়াহ'লে আমাৰ কি অৱস্থা হ'ব  সেই প্ৰশ্নটো মই এই পৱিত্ৰ সদনত উত্থাপন কৰিছিলো। দ্বিতীয়তে  মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে নাৰিকলিৰ ঐতিহ্যমণ্ডিত এটা মন্দিৰৰ আশে-পাশে থকা চৰকাৰী ভূমিৰ কিছু কিছু ভূমি আবন্টন হৈ গৈছে। কিন্তু তাত এটা গুৰুত্বপূৰ্ণ দিশ হ'ল যে তাৰ কেইবাটাও স্থানীয় পৰিয়ালে   নিজৰ মাটি হেৰুৱাব লগীয়া হৈছে। নৱ শৰ্মা নামৰ এজন ব্যক্তিয়ে তেওঁৰ পিতৃৰ মাটিখিনি উদ্ধাৰ কৰিবৰ বাবে যিধৰণে এক প্ৰচেষ্টা গ্ৰহণ

কৰিছিল সেই সন্দৰ্ভত মাননীয় মুখ্যমন্ত্ৰীৰ তদাৰকী বিভাগে এটা কেচ ৰুজু কৰিছিল, কিন্তু সেই কেচটোৰ ফলাফল এতিয়ালৈ ওলোৱা নাই বাবে মই এই প্ৰশ্নটো উত্থাপন কৰিছো। মই ভাবিছো যে সেই মাটিখিনিৰ যি গণ্ডগোল তাৰ বিষয়ে মই আমাৰ ৰাজহ মন্ত্ৰী ডাঙৰীয়াক ব্যক্তিগতভাৱে ক'ম যে সাংঘাতিকভাৱে খিলঞ্জীয়া মানুহৰ মাটি আমাৰ বহু খিলঞ্জীয়া মানুহেই দখল কৰিছে। এইখিনি কথাৰ প্ৰতি মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো আৰু কেচ নম্বৰ আৰু বাকী গোটেইখিনি তথ্য মই তেখেতৰ হাতত অৰ্পণ কৰিম।

**মাননীয় অধ্যক্ষ :** ঠিক আছে, আপুনি যিহেতু আলোচনা কৰিম বুলি কৈছেই গতিকে আৰু ৰিপ্লাইৰ প্ৰয়োজন নাই।

**ড° পৰমানন্দ ৰাজবংশী (ছিপাঝাৰ) :** নাই, মই এতিয়া ৰিপ্লাই বিচৰা নাই।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা) :** অধ্যক্ষ মহোদয়, এইক্ষেত্ৰত মই স্পষ্টিকৰণ দিয়াটো উচিত হ'ব যে প্ৰশ্নটোৰ উত্তৰ সম্পূৰ্ণ যথাযথ হৈছে। যিটো কথা তেখেতৰ লগত বহি আলোচনা কৰিলে হয়তো তেখেতে ক'ব এইটো , মই ক'ম এইটো , আচল কথাটো ওলাব৷ কিন্তু , প্ৰশ্ন চাইহে ইয়াত উত্তৰ হ'ব । মনত ভাৱি থকা কথাৰ উত্তৰটো আমি ইয়াত লিখি দিব নোৱাৰিম । তেখেতে মনত কি ভাৱি আছে মই গ'ম পাইছো। কিন্তু এই উত্তৰটো ইয়াত দি দিয়াতো অসুবিধা। গতিকে মই এটা কথা কৈছো। তেখেতে যিখিনি কথা কৈছে সেইখিনি সমস্যা আছে, আৰু যদি আবণ্টন আজি কেইবছৰমান ভিতৰত দিছে তেতিয়া হ'লে তেখেত বিধায়কৰ দিনতে দিছে। আগতে যদি দিছে তেতিয়া হ'লে আৰু কোনোবা বিধায়কৰ দিনতে দিছে তাতে। আজি বিধায়ক এজনে কয় মোৰ তাত আমুকে allotment পালে, তেখেতেই যদি কোনোবা সেইটো সমষ্টিৰ Land revenue Committee ৰ main মানুহ। গতিকে সেইখিনি ইয়াত দোষ দি লাভ নাই। গতিকে ক'ৰবাত আৱণ্টন হৈছে যদি বিধায়কে তাৰ হৰ্তাকৰ্তা। গতিকে, সেইখিনি সমস্যা আছে সমাধান কৰিব লাগে, তাৰ কাৰণে আমি প্ৰস্তুত আছো।

আমাৰ বিষয়াসকল,  আমি জিলা আয়ুক্তৰ লগত তেখেত বহি আমি যিমানখিনি পাৰো সেইখিনি সমাধান কৰি দিম।

**মাননীয় অধ্যক্ষঃ-** Thank You .

**ড° পৰমানন্দ ৰাজবংশী, ( ছিপাঝাৰ)ঃ-** এটা কথা ক'ব বিচাৰিছো মাননীয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষঃ-** এইটো কৈ আহিল।

**ড° পৰমানন্দ ৰাজবংশী, ( ছিপাঝাৰ)ঃ-** নহয়  অধ্যক্ষ মহোদয়, মই সেইকাৰণে তেওঁলোক কৈছো যে যিহেতু মই এই  অঞ্চলৰ ল'ৰা আৰু তাৰ পৰা মই গোটেইখিনি কথা আজি ক'ব খোজা নাই, ইয়াত বহু কথা । গতিকে তেওঁলোকে যি উত্তৰ দিছে,এই উত্তৰটো কিন্তু মিছা । মই সেইখিনি কথা ক'ব খুজিছো।

**মাননীয় অধ্যক্ষঃ-** ঠিক আছে।

**শ্ৰী কেশৱ মহন্ত,(ৰাজহ আৰু দুৰ্য্যোগ বৱস্থাপনা মন্ত্ৰী)ঃ-** অধ্যক্ষ মহোদয়, এই উত্তৰটো কৰিছো । আপুনি আজি সদনত এটা এটাকৈ ইয়াত এতিয়া আলোচনা কৰক, মই এটা এটাকৈ উত্তৰ দিম কিমান সঁচা। প্ৰশ্ন চাইহে উত্তৰ হ'ব। মনত ভাৱি থাকা কথাটোৰ ওপৰত ইয়াত লিখি দিব নোৱাৰো নহয়। যিটো প্ৰশ্ন, সেইটোৰ  একদম পোনপটীয়া উত্তৰ দিয়া হৈছে।

**মাননীয় অধ্যক্ষ :** ঠিক আছে।

**ড° পৰমানন্দ ৰাজবংশী,(ছিপাঝাৰ)ঃ-** গৰুখুঁটি পঞ্চায়তৰ আশে-পাশে থকা প্ৰায় ১০০০ হাজাৰৰো অধিক মাটি বে-দখল হৈ আছে। এইটো আপুনি চাওঁক।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে।

**শ্ৰী কেশৱ মহন্ত,(ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা মন্ত্ৰী)ঃ-** মই লিখি দিছো যে ৫০০ বিঘা মাটি বেদখলৰ কথা আছে, Notice দিয়া হৈছে । তাৰ ভিতৰত কাৰোবাৰ ম্যাদীও পাইছো, কাৰোবাৰ আবন্টিতও পাইছো। গতিকে নিৰ্দিষ্ট কথা নাই। আশে-পাশে থকা, আমাৰ সন্মানীয় বিধায়কে particular কৰি দিব লাগে এইখিনি মাটিত বেদখল আছে নেকি ? এতিয়া আশে–পাশে বিচাৰি ফুৰিব লগা

হৈছে আমি আশে-পাশে দূৰ কিমান হ'ব ? কিমান দূৰলৈকে আমি আশে-পাশে বুলি ল'ম। গতিকে কথা বতৰা পাতি আমি ঠিক কৰি ল'ম।

**ড° পৰমানন্দ ৰাজবংশী,(ছিপাঝাৰ)ঃ-** সেইখিনিয়ে বেদখল হৈ আছে। মই কি ক'ম আপোনাক অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষঃ-** ঠিক আছে। পৰৱৰ্তী সময়ত ঠিক আছে। আপুনিতো আলোচনা কৰিবই। মন্ত্ৰীয়েও আলোচনা কৰিম বুলি কৈছে। আমাৰ সময়তো কিয় নষ্ট কৰে ? নুৰুল ইছলামৰ প্ৰশ্ন আছে। এইটো আলোচনা কৰিব নালাগে। শাসকীয় বিধায়ক আৰু শাসকীয় মন্ত্ৰীয়ে আলোচনা কৰিব। ..

**শ্ৰী মজিবুৰ ৰহমান, (দলগাঁও):** মাননীয় অধ্যক্ষ মহোদয়, গোটেই মানুহ মোৰ তাত সোমাই দি আছে। ছিপাঝাৰৰ পৰা উচ্ছেদ হোৱা মানে কি মোৰ তাত বিপদ আহা। গতিকে মোক কথাটো ক'বলৈ সুযোগতো দিয়ক ছাৰ। ছাৰ, ছাৰ, এক মিনিট ক'বলৈ দিয়ক।

**মাননীয় অধ্যক্ষঃ-** হৈছে হৈছে। নুৰুল ইছলাম।

**শ্ৰী মজিবুৰ ৰহমান, (দলগাঁও):** বহুত ডাঙৰ সমস্যা ছাৰ, মোৰ তাত dustbin ৰ নিচিনা হৈ গৈছে, ছাৰ। ছাৰ,গোটেই মানুহ বৰপেটা, ধুবুৰী, গোৱালপাৰা, নগাঁৱৰ পৰা আনি সকলোবোৰ দলগাওঁত দি দিয়ে ছাৰ। এইটো ডাঙৰ কথা হৈছে ছাৰ। গোটেই ৰাইজে মোক বেয়া পাই আছে, ছাৰ। মোৰ সমষ্টিৰ ৰাইজে মোক বেয়া পাইছে। সদনত আলোচনা কৰিবলৈ মোক দিয়ক ছাৰ।

**মাননীয় অধ্যক্ষঃ-** বৰপেটা মানুহ কেনেকৈ দিব ? নাই, এইটো বিষয়লৈ আপোনালোকৰ আজি কিবা আছে নহয়, Private Members Business নাই ? আজি Private Members Regulation আছে। আজি আপোনাৰ ৩ নম্বৰ Regulation ত এইটো আছেই। তাতে আপোনালোকে আলোচনা কৰিব পাৰিব। ঠিক আছে পৰৱৰ্তী প্ৰশ্ন ২০৭।

**মোঃ নুৰুল ইছলাম, (সৃজনগ্ৰাম)ঃ-**মাননীয় অধ্যক্ষ মহোদয়, বানপানী আৰু গৰাখহনীয়া সমস্যা সৃজনগ্ৰাম সমষ্টিৰ এটা গুৰুত্বপূৰ্ণ সমস্যা। যোৱা এমাহমান আগত বানপানী হয় আৰু গৰাখহনীয়া আৰম্ভ হয়, আৰু সেই গৰাখহনীয়াৰ

সময়ত কেণ্টেনপুৰ কাচাৰীপেটী,ধলাগাছা,ঘোৰামাৰা,সন্তোষপুৰ,ভৰালীপাৰা, তিনকোনীয়া, ডুবাচুৰী সেইবিলাক অঞ্চলত ব্যাপক ভাৱে গৰাখহনীয়া আৰম্ভ হয় আৰু যেতিয়া জিলা প্ৰশাসনক খবৰ কৰাত জিলা প্ৰশাসনে এই গৰাখহনীয়াৰ কাৰণে তাৎক্ষণিকভাৱে কোনো ব্যৱস্থা তেওঁলোকে কৰিব নোৱাৰে বুলি কৈ দিলে। এতিয়া সেইখিনি ঠাইত ব্যাপকভাৱে গৰাখহনীয়া হৈ আছে। চৰকাৰৰ ফালৰ পৰা কোনোধৰণৰ কানসাৰ নাই। এতিয়া ৰাইজৰ লগত মিলি পেলাই আমি machine ৰে বাহ পুতি সেইখিনি ঠাইত পানীৰ যি সোত, এই সোত divert কৰাৰ কাৰণে আমি চেষ্টা কৰি আছো।

**माननीय অধ্যক্ষঃ** প্ৰশ্নটো কওঁক।

**মোঃ নৰুল ইছলাম ,(সৃজনগ্ৰাম)ঃ-**মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হৈছে যে জিলা প্ৰশাসনৰ হাতত কিছু পৰিমাণৰ ধন আগতীয়াকৈ মজুত ৰাখিব পাৰি নে নাই ? যদি পাৰি, আছেনে নাই আৰু যদি নাই, তেতিয়াহ'লে ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** কি ব্যৱস্থা কৰিব লাগে, মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত,(ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা মন্ত্ৰী)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰৰ ক্ষেত্ৰত ইয়াত গোটেই তালিকাখনেই দি দিছো , যে আগতীয়াকৈ কোন জিলাত, কোন Sub-division বা সমজিলাত কিমান টকা দিয়া হৈছে। এইটো আমি এপ্ৰিলৰ মাহতে দি দিছো , যে প্ৰত্যেখন ঠাইতে টকা দিয়া আছে। প্ৰত্যেকটো ঠাইতে FCI ৰ চাউল allotment কৰা আছে। প্ৰত্যেক ঠাইতে পানীত পৰি কাৰোবাৰ মৃত্যু হ'লে তৎকালীনভাৱে সাহায্য কৰিব পৰাকৈ অন্তত এটা পইচা তাত জমা থোৱা হৈছে। গতিকে সকলোধৰণৰ কথা দিয়া হৈছে, আৰু immediateকিবা restoration সৰু-সুৰা, বৰ ডাঙৰ নহয় সেইখিনি কৰিবলৈও তাত এটা টকা আমি থৈছো। গতিকে তালিকাখন সদনত গালে দীঘলীয়া হ'ব। ইয়াতে উত্তৰত দিয়া আছে, এইখিনি চাই ল'ব।

**माननीय অধ্যক্ষঃ –** মন্ত্ৰী ডাঙৰীয়া, তেখেতে সুধি আছে যে এইটোৰ কিবা repairing বা restoration বা protection ৰ কিবা immediate fund দিব পৰা আছে নেকি ?

**শ্ৰী কেশৱ মহন্ত,(ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা মন্ত্ৰী)ঃ-** Immediate fund টো দিয়া আছে। খুব কম, খুব কম পৰিমাণ মানে immediate যদি কৰবাত ৰাস্তা অকণমান বেয়া হৈছে সেইখিনি ঠিক কৰি লৈ যাব পাৰিব । কম কম পৰিমাণৰ সেইখিনি টকা, ডাঙৰ এটা Bridge হ'লে তেতিয়া Water Resource Department আৰু P.W.D য়ে কৰিব। কিন্তু বাকী সৰু–সুৰা কামখিনি কৰিবলৈ জিলা আয়ুক্তৰ ওপৰত দায়িত্ব দিয়া হৈছে আৰু টকাও তাত দিয়া হৈছে।

**মাননীয় অধ্যক্ষ ঃ-** Please, Supplementary

**মোঃ নুৰুল ইছলাম, (সৃজনগ্ৰাম):** মাননীয় অধ্যক্ষ, বিগত সময়ছোৱাত বহুতো পৰিয়াল এই গৰাখহনীয়াৰ কবলত পৰি তেওঁলোকে গৃহহীন হৈছে।

**মাননীয় অধ্যক্ষঃ-** সেইটো জানো। আপোনাৰ প্ৰশ্নটো কওঁক।

**মোঃ নুৰুল ইছলাম, (সৃজনগ্ৰাম):** তাৰে মাজত বহুতে ক্ষতিপূৰণ পাইছে আৰু বহুতে ক্ষতিপূৰণ পোৱা নাই । যি সকল পৰিয়ালে ক্ষতিপূৰণ পোৱা নাই, তেওঁলোকক ক্ষতিপূৰণ দিয়া হ'বনে নাই ? আৰু লগতে এটা কথা যিহেতু চৰকাৰৰ হাতত বহুত চৰকাৰী জমিন আছে , এই সমূহ পৰিয়ালৰ কাৰণে, যি সকলে গৰাখহনীয়াৰ কৱলত পৰি গৃহহীন হৈছে , তেওঁলোকৰ কাৰণে অলপমান ভূমি allotment দি পেলাই তেওঁলোকক থকাৰ ব্যৱস্থা কৰি দিয়া যাবনে নাই ?

**মাননীয় অধ্যক্ষ ঃ** Minister reply Please.

**শ্ৰী কেশৱ মহন্ত,( ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা মন্ত্ৰী )ঃ-** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো বিষয় কৈছে যে ক্ষয়-ক্ষতি হোৱা লোকক বা গৰাখহনীয়াত গৃহহীন হোৱা বা ভূমিহীন হোৱা লোকক সহায় কৰিব পৰা যাবনে নাযায় । প্ৰথম কথা, তেখেতসকলৰ তাৰ পৰা যদি তাৰ Circle Officer,বা উপায়ুক্তৰ জৰিয়তে আমালৈ সেই ক্ষয়-ক্ষতিৰ তালিকা নিয়মমতে আহিছে , আমি টকা পইচা দি আছো । কিবা কথাত যদি কোনোবা ঠাইত Pending আছে,

আমাৰ ইতিমধ্যে পুনৰ আলোচনা হৈছে যে সেই কথাখিনি আমি অতি সোনকালে দি দিম আৰু তেখেতৰ তাত তেনেকুৱা Pending কেচ হ'লে, যদি পৰি থকা কথা আছে মোক অকণমান জানিবলৈ দিলে মই অতি সোনকালে তেখেতে দিয়াৰ এক সপ্তাহৰ  ভিতৰত এই পইচা ৰিলিছ কৰি দিম।  এক নম্বৰ কথা হৈছে এইটো। যদি Pending আছে। দ্বিতীয়টো মই ক'ম যে গৰাখহনীয়াৰ লোকক পুনৰ মাটি দিয়াৰ নিয়ম আছে। নাই বুলি মই নকও, যদি গৃহহীন হয়, নিয়ম আছে। গতিকে,  যদি তেনেকুৱা গৃহহীন হৈছে তেনে লোকে আবেদন কৰিলে চৰকাৰী মাটি  landless  নিয়ম মতে দিয়াৰ সা-সুবিধা থাকিব।

**মাননীয় অধ্যক্ষ : ধন্যবাদ।** এতিয়া মাননীয় সদস্য জাকিৰ হুছেইন শিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (পাকাবেতবাৰী) :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কাৰণে advance পুঁজি বিভিন্ন জিলালৈ পঠিয়াই দিছে। তেওঁ স্পষ্টভাৱে guide line খিনিও ইয়াত দি দিছে। GR ৰ ক্ষেত্ৰত exgratia agro pediyy, minor works এইবোৰৰ ক্ষেত্ৰত দিছে। কিন্তু তেওঁ শিক্ষা বিভাগ, লোকনিৰ্মাণ বিভাগ, শক্তি বিভাগ, সমাজ কল্যাণ বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰণে কিমান পুঁজি দিছে এই গোটেইখিনি ইয়াত উল্লেখ কৰিছে। মোৰ প্ৰশ্নটো হ'ল যে জিলাসমূহত এনেকুৱা টকা থকাৰ পিছতো সাধাৰণতে জিলা প্ৰশাসনে টকা নাই বুলি সততে কয়। এই কথাটো অন্য সন্মানীয় বিধায়ক সকলেও ক'ব। সেয়েহ মই জিলা প্ৰশাসনলৈ এটা নিৰ্দ্দেশনা বিচাৰিছো যে অলপ কম পৰিমাণৰ টকাৰে হলেও যাতে তেওঁলোকে এই কামখিনি কৰে।  ইয়াত কিমান কৰিব পাৰে সেই বিষয়ে ধৰি দিয়া আছে। কিন্তু সাধাৰণতে তেওঁলোকে কামবোৰ নকৰে। সেয়েহ যিখিনি টকা আছে প্ৰয়োজন সাপেক্ষে কামত ব্যৱহাৰ কৰাৰ বাবে জিলা প্ৰশাসনক এটা নিৰ্দ্দেশনা জাৰি কৰাৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম। মোৰ প্ৰশ্নটো হৈছে যে যোৰহাট, শিৱসাগৰ, চৰাইদেউ  আৰু উজনিৰ অন্য জিলাত প্ৰাকৃতিক দুৰ্য্যোগ হৈছে আমি সকলোৱে জানো। ইয়াত মাননীয় মন্ত্ৰী ডাঙৰীয়াই উল্লেখ কৰিছে যে যোৰহাট জিলাত আগতীয়াকৈ ৬৬ লাখ টকা আৰু শিৱসাগৰত ৯৭ লাখ টকা

আগতীয়াকৈ দিছিল । মোৰ প্ৰশ্নটো হ'ল যে উজনিৰ এই জিলাকেইখনত এইকেইদিনত পুঁজিৰ কিবা অভাৱ হৈছে নেকি ? পুঁজি এই কেইদিনত মোকলাই দিছে নেকি আৰু যদি দিছে কিমান পুঁজি মোকলাই দিছে। এই কথাখিনি মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ :** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী কেশৱ মহন্ত, ( মন্ত্ৰী, ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা ইত্যাদি):** মাননীয় অধ্যক্ষ মহোদয়, মোৰ মনত থকা মতে মই কৈ গৈছো যে যোৰহাট জিলাত হয়তো ৬৬ লাখ আছিল আৰু দুদিন আগতে আমি তাত থাকোতে আৰু অতিৰিক্ত ১ কোটি টকা মোকলাই দিয়া হৈছে। শিৱসাগৰ জিলাত ১.৯ কোটি টকা দিয়া হৈছিল তাত আৰু অতিৰিক্ত ৪ কোটি টকা মোকলাই দিয়া হৈছে। চৰাইদেউ জিলাত হয়তো ৫৬ লাখ টকা advance দিয়া হৈছিল আৰু এতিয়া অতিৰিক্ত ৪ কোটি টকা দিয়া হৈছে । ইতিমধ্যে আমি টকাখিনি মোকলাই দিছো আৰু তেওঁলোকে টকাখিনি পাইছে । ইয়াৰোপৰি আমাৰ চাউলৰ আৱণ্টনৰ ক্ষেত্ৰত FCI ত আগতে যিমান দিয়া হৈছিল এতিয়া ১০০০ মেট্ৰিকটনকৈ দিয়া হৈছে আৰু এতিয়া অতিৰিক্তভাৱে চাউলৰ আৱণ্টন বঢ়াই দিয়াৰ বাবে আমি কালি সিদ্ধান্ত লৈছো। তাৰোপৰিও মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তেখেতসকলৰ সাহাৰ্য্যৰ কাৰণে এটা বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে । আমি এতিয়া গুৱাহাটী, ডিব্ৰুগড়, তিনিচুকীয়াত সাহাৰ্য্যৰ সামগ্ৰীসমূহ পেকিং কৰি আছো যাতে পোনপটীয়াকৈ তাত সাহাৰ্য্যখিনি ভালকৈ দিব পৰা যায়। তাত বিষয়াসকলকো অতিৰিক্তভাৱে নিয়োজিত কৰিছে । ইয়াৰোপৰি মাননীয় মন্ত্ৰী সুশান্ত বৰগোঁহাই ডাঙৰীয়া চৰাদেউ জিলাত আছে, শিৱসাগৰত বিমল বৰা ডাঙৰীয়া আছে আৰু যোৰহাটত অজন্তা নেওঁগ ডাঙৰীয়ানী আছে। ইয়াৰ লগতে অন্য মন্ত্ৰী সকলকো বিভাগৰ কামখিনি চোৱা-চিতা কৰাৰ বাবে তাৰ্লৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে নিৰ্দ্দেশ দিছে। এইখিনি কথা সুধাৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো। বৰ্তমানৰ এইখিনি পৰিস্থিতি মই সকলোকে জনালো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ। এতিয়া মাননীয় সদস্য সঞ্জয় কিষাণ ডাঙৰীয়া।

**শ্ৰী সঞ্জয় কিষাণ, (মাকুম) :** মাননীয় অধ্যক্ষ মহোদয়, মই এটা চমু প্ৰশ্ন কৰিব বিচাৰিছো। জলসম্পদ বিভাগে সিদ্ধান্ত লৈছে যে তেওঁলোকে কৰ'বাত যদি protection ৰ কাম কৰে তাত তেওঁলোকে ক্ষতি পূৰণ নিদিয়ে। মোৰ মাকুম সমষ্টিত বৃহৎ গড়িজান, ৰঙাগড়া অঞ্চলত গৰাখহনীয়া হৈছে আৰু তাত যি ৰঙাগড়া চাহ বাগিছা আছে তাৰ চাহ ফেক্টৰীটো যিকোনো সময়তে পানীত জাঁহ যাব পাৰে। মাননীয় পীযুষ হাজৰিকা ডাঙৰীয়া মন্ত্ৰী হৈ থাকোতে protection ৰ কাৰণে ১৮ কোটি টকাৰ আৱণ্টন দিছিল। কিন্তু ক্ষতি পূৰণ নোপোৱাৰ কাৰণে মালিক পক্ষই তাত মাটি নিদিয়াৰ বাবে নহ'লগে। এই ফেক্টৰীটো যিহেতু যিকোনো মূহুৰ্তত জাঁহ যাব পাৰে গতিকে বিশেষভাৱে দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ ফালৰ পৰা কিবা ক্ষতি পূৰণৰ ব্যৱস্থা আছে নেকি ? ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ। তাত কিবা ক্ষতি পূৰণ দিয়াৰ ব্যৱস্থা আছে নেকি ?

**শ্ৰী কেশৱ মহন্ত, ( মন্ত্ৰী, ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা ইত্যাদি) :** মাননীয় অধ্যক্ষ মহোদয়, আমি ক'ত ক'ত ক্ষতি পূৰণ দিওঁ তাৰ তালিকাখন আজি দিয়া হৈছে। আমাৰ স্কুল, কলেজ ,অংগনৱাড়ী কেন্দ্ৰ আদিৰ কথা উল্লেখ আছে . কিন্তু চাহ ফেক্টৰী বুলি উদ্যোগৰ তালিকা নাই। গতিকে এই কথাটো আমাৰ নৰ্মচত পৰা বুলি ক'ব নোৱাৰিম। যিহেতু মাননীয় সদস্য গৰাকীয়ে protection ৰ কথা সুধিছে জলসিঞ্চন বিভাগে নিশ্চয় নদীৰ protection দিব। হয়তো কেতিয়াবা আমি আমাৰ ফালৰ পৰা পুঁজি আগবঢ়াব পাৰো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ। এতিয়া মাননীয় সদস্য ভূপেন বৰা ডাঙৰীয়া।

**শ্ৰী ভূপেন বৰা, (বিহপুৰীয়া) :** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে যে জিলা উপায়ুক্তসকলৰ ওচৰত পুঁজি ৰখা হৈছে ইয়াৰ বিষয়ে মোৰ অনুমান আছে। কাৰণ যোৱা ১ মাহত ৩ টা ঘটনা আমাৰ সমষ্টিত ঘটিছিল। ২ টা বিহপুৰীয়া ৰাজহ চক্ৰত আৰু এটা নাৰায়ণপুৰ ৰাজহ চক্ৰত হৈছিল। বিহপুৰীয়াত বজ্ৰপাত পৰি যতীন বৰা নামৰ এজন লোকৰ মৃত্যু হৈছিল। সেই বিষয়ে আয়ুক্তক জনালো আৰু সন্ধিয়া ৪ বজাত চাৰ্কোল অফিচাৰৰ জৰিয়তে ৪ লাখ টকাৰ চেক প্ৰদান কৰিলে। মোৰ খুব ভাল লাগিল

আৰু ফোন কৰি মই তেখেতক ধন্যবাদ ও জনালো। কিন্তু একেখন পথাৰতে ওচৰৰে গাওঁ ৰাজবাৰীৰ এগৰাকী মহিলাৰ বজ্ৰপাতত তলছোৱা জ্বলি গ'ল। তেওঁৰ কাৰণে ৫ হাজাৰ টকা দিব বুলি ক'লে। কেইদিনমান আগতে য'ত বজ্ৰপাত পৰিছিল তাৰ পৰা ২ কিলোমিটাৰ দূৰৈত গছ পৰি সঞ্জীৱ কোঁৱৰৰ মৃত্যু হৈছিল। মই এই বিষয়ে কথা পাতোতে ২ লাখ টকা দিব বুলি জনালে। এতিয়া মই মাননীয় মন্ত্ৰী মহোদয়ক ক'ব বিচৰা বিষয়টো হৈছে যে আপুনি কোৱা কথাটো সঁচা যে আমাৰ জিলা আয়ুক্তৰ ওচৰত টকা থাকে আৰু ১২ ঘণ্টাৰ ভিতৰত পইচা দিছে। কিন্তু গাইড লাইনৰ ক্ষেত্ৰত চৰকাৰে পুনৰ বিবেচনা কৰিব নেকি ? কাৰণ যি ৫ হাজাৰ টকা দিছে সেইটোৰে চিকিৎসা কৰা সম্ভৱ নহয়। দ্বিতীয়তে, বজ্ৰপাত পৰি মৃত্যু হোৱা বা গছ পৰি মৃত্যু হোৱা, মৃত্যুৰ ক্ষেত্ৰত classification হোৱাটো ভাল হৈছে জানো। এই গাইড লাইনখনৰ সংশোধন হ'ব লাগে বুলি মই অনুভৱ কৰো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ। গাইড লাইনৰ ক্ষেত্ৰত কিবা আছে নেকি ?

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী, ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা ইত্যাদি) :** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়বোৰ আমাৰ দৃষ্টিগোচৰ হৈছে আৰু গাইডলাইন খনৰ কিছু সংশোধনী কৰিব পাৰি নেকি এই বিষয়টো বিৱেচনা কৰি আছো। আগতকৈ এতিয়া যথেষ্টখিনি সহজো হৈছে। গোটেই বিষয়টোত আমি ইতিমধ্যে সংশোধনী কৰিবলৈ ঠিক কৰিছো। উদাহৰণ স্বৰূপে আমাৰ ঘৰ এটা সম্পূৰ্ণ ধ্বংস হ'লে ১ লাখ ২০ হাজাৰ টকা পাওঁ আৰু আংশিকভাৱে ধ্বংস হ'লে মাত্ৰ ৬,৫০০ টকা পাওঁ। যিটো খুব কম হৈ আছে। পথ দুৰ্ঘটনা, গছ পৰি মৃত্যু হ'লে ২ লাখ টকা পায় আৰু বজ্ৰপাত পৰি মৃত্যু হ'লে ৪ লাখ টকা পায়। এই সকলোবোৰ কথা গাইড লাইন মতে আছে। আপোনালোকে এটা কথা শুনি ভাল পাব যে যিহেতু হাতী আৰু মানুহৰ সংঘাত বাঢ়িছে, সেয়েহে হাতী আৰু মানুহৰ সংঘাতৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লৈছে। সেইদিনাখন বনমন্ত্ৰী মহোদয়ৰ আহ্বানত আমাৰ বিধায়ক সকলৰ এখন মিটিং হৈছে। হাতীয়ে যদি মানুহ মাৰে আমি তেওঁলোকক ৪ লাখ

আৰু ২ লাখ মুঠ ৬ লাখ টকা দিম। এই ৪ লাখ যিটো আমি অন্য সকলক দিছো আৰু বাকী ২ লাখ টকা ৰাজ্য চৰকাৰে বেলেগকৈ দিব বুলি ঠিক কৰিছে। হাতীয়ে মাৰিলে এতিয়াৰ পৰা ৬ লাখকৈ টকা পাব বুলি ঠিক হৈছে। কালি বাজেট পাচ হৈছে। গতিকে পৰৱৰ্তী বাজেটৰ পৰা ৬ লাখ টকাকৈ দিয়াৰ এটা সিদ্ধান্ত লোৱা হৈছে। ইয়োৰাপৰিও কিছুমান অন্যান্য সা-সুবিধা আছে। বহু লোক এসপ্তাহতকৈ বেছি চিকিৎসালয়ত থাকিবলগীয়া হয়। তেওঁলোকক ১৬ হাজাৰকৈ টকা দিব পৰাৰ নৰ্মচ আছে। কিন্তু মানুহ এজনে চিকিৎসা লবলগীয়া হ'লে প্ৰথম ৫ হাজাৰ টকা দিয়াৰ ব্যৱস্থা কৰা হৈছে। এতিয়া আমাৰ যি গৃহ মন্ত্ৰণালয় আছে তেওঁলোকৰ লগত এই বিষয়ে যোগাযোগ কৰা হৈছে আৰু অতি সোনকালে এই গাইডলাইনখন সলনি কৰিব পাৰিম বুলি ভাৱিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ। মাননীয় সদস্য ভূপেন বৰা ডাঙৰীয়াই যিটো কথা কৈছে যে বজ্ৰপাত পৰি আঘাত প্ৰাপ্ত হৈছে আৰু তেখেতক ৫ হাজাৰ টকা দিয়া হৈছে। এইটো দেখাত বেয়া দেখি। কাৰণ এখন চৰকাৰে যদি মাত্ৰ ৫ হাজাৰ টকা দিয়ে। তেনেক্ষেত্ৰত চৰকাৰৰ ছবিখন বেয়া হয়। সেয়েহ এই ৫ হাজাৰ টকাটো বৃদ্ধি কৰাৰ কাৰণে আপোনালোকে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এতিয়া পৰৱৰ্তী প্ৰশ্ন ২০৮। মাননীয় সদস্য নুৰুল হুদা ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত ৰখা আছে৷

**শ্ৰী নুৰুল হুদা, ৰূপহীহাটঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন আছিল যে, ২০২১ চনৰ পৰা ২০২৬ চনত গড়াখহনীয়াত কিমান পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে আৰু কিমান পৰিয়ালক সংস্থাপন দিয়া হৈছে? উচ্ছেদ, এই পাঁচটা বছৰত উচ্ছেদ কিমান পৰিয়ালক কৰা হৈছে আৰু কিমান পৰিয়ালক সংস্থাপন দিয়া হৈছে? গতিকে ইয়াৰ উত্তৰত যিটো দেখিবলৈ পালোঁ, ২০২১ চনৰ পৰা ২০২৬ চনৰ ভিতৰত মুঠ খহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়ালৰ সংখ্যা হৈছে ১১,৮৩০।

**মাননীয় অধ্যক্ষঃ** সেইটোতো আছে। আমাৰ তাতো আছে, সকলোৰে তাত আছে। আপুনি প্ৰশ্নটো কৰক।

**শ্ৰী নুৰুল হুদা, ৰূপহীহাটঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো ক'ব বিচাৰিছোঁ, সংস্থাপিত মাত্ৰ ১২৯ জন কৰিছে। উচ্ছেদ কৰিছে ২০,০০৭ পৰিয়াল আৰু তাত সংস্থাপনৰ কথা উল্লেখ কৰা নাই। আমাৰ নগাঁও জিলাত, ১৫২৪ টা পৰিয়াল উচ্ছেদ হৈছে। ইয়াত কৈছে ভূমিহীন ১৬ টা পৰিয়াল আৰু ভূমি থকা ১৭৬ টা পৰিয়াল। তেন্তে মোৰ প্ৰশ্নটো হ'ল, এই যে ১৬ টা পৰিয়াল ভূমিহীন আৰু ১৭৬ টা পৰিয়াল ভূমি থকা, বাকী ১৩৩২ টা পৰিয়াল কি? তেখেতসকল ভূমিহীনত আছে নে ভূমি থকাত আছে? এইটো কোনো উল্লেখ কৰা নাই। এই খহনীয়াত যিসকল ক্ষতিগ্ৰস্ত হৈছে, বাকী যিসকলে ক্ষতিপূৰণ পোৱা নাই, সেই ক্ষতিগ্ৰস্ত পৰিয়ালক কেতিয়া তেওঁলোকক ক্ষতিপূৰণ দিব? মাননীয় মন্ত্ৰী মহোদয়ে আগৰ সমষ্টি যিটো আছিল, এতিয়া ডিলিমিটেচনৰ পিছত সমষ্টি হৈছে বৰঘূলি, তাতো বহুতো মানুহ গৰাখহনীয়াত ক্ষতিগ্ৰস্ত হৈ ঘৰ-বাৰী হেৰুৱাইছে। কেইজন মান মানুহে  মাত্ৰ সংস্থাপন পাইছে, বাকী বহুতেই পোৱা নাই। গতিকে এই লোকসকলে কেতিয়া সংস্থাপন পাব? এই নগাঁৱৰ যিসকল  উচ্ছেদিত পৰিয়াল, এই ১৩৩২ টা পৰিয়াল এতিয়া ক'ত আছে আৰু তেওঁলোকে ক্ষতিপূৰণ পাবনে নাই, এই কথাখিনি জানিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে তেখেতে সংখ্যা কেইটামান কৈছে যে কিমান এইটো সংখ্যা মই পুনৰ ক'বলৈ বিচৰা নাই। কিন্তু ইয়াৰে আমি যেতিয়া চাওঁ, ৮১৮ টা ভূমিহীন পৰিয়াল আৰু ১০,৩৫৭ টা পৰিয়ালৰ নিজা ভূমি পাইছোঁ। গড়াখহনীয়াত গ'লেও নিজৰ বেলেগ ঠাইত মাটি আছে। গতিকে নিজৰ যিহেতু মাটি আছে, ৮১৮ টাৰ। তাৰে ৭৭৫ টা পৰিয়ালক ক্ষতিপূৰণ দিয়া হৈছে। এই ১১,৪৩০ ৰ পৰা সেইটো হিচাপ কৰিলে হিচাপটো বেলেগ ওলাব। মানে এইখিনি নিজা মাটি আছেই আৰু তাৰ ভিতৰত ৮১৮ টা নাছিল, তাৰে ৭৭৫ টা পৰিয়ালক চৰকাৰীভাৱে ক্ষতিপূৰণ দিয়া হৈছে আৰু ১২৯ টা পৰিয়ালক পুনৰ সংস্থাপিত কৰা হৈছে। গতিকে গোটেই কথাটো মানে সদনৰ বেলেগ ধৰণে গুচি গ'লে বেয়া হয়, গতিকে মই এইটো ব্যাখ্যা আপোনালোকক

শুদ্ধভাৱে দিছোঁ। সংখ্যা কেইটা একে কেইটাই, কিন্তু তাৰ ব্যাখ্যাটো হৈছে এইটো। এতিয়া অসম ভূমিনীতি ২০১৯ ৰ অনুসৰি আমি গড়াখহনীয়া বা অন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ ফলত যিবিলাকে নিজৰ সৰ্বস্ব হেৰুৱাই ভূমিহীন হৈ পৰে, খিলঞ্জীয়া পৰিয়ালসমূহক চৰকাৰী খাস ভূমি বা চিলিঙ চাৰপ্লাছ ভূমি বা অন্য ঠাইত সংস্থাপিত কৰাৰ বিশেষ ব্যৱস্থা আছে। গতিকে এইক্ষেত্ৰত চৰকাৰী নিয়ম আছে, ব্যৱস্থা আছে। আমি চৰকাৰী মাটি কত য'ত আছে, উলিয়াই পেলাই সংস্থাপিত কৰাত কোনো আপত্তি নাই।

**মাননীয় অধ্যক্ষঃ** Next supplementary.

**শ্ৰী নুৰুল হুদা, ৰূপহীহাটঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছোঁ, তেওঁ নিজেই জানে যে বৰঘূলিটো আগতে তেখেতৰ তাত আছিলে, এতিয়া মোৰ ৰূপহী সমষ্টিলৈ আহিছে। কিমান পৰিয়াল যে ক্ষতিগ্ৰস্ত হৈছে, সেই কথা তেখেতে নিজেই জানে। মই অনুৰোধ কৰিম, সেই বাদপৰা বৰঘূলি বা বুৰবান্ধাৰ ক্ষতিগ্ৰস্ত পৰিয়ালৰ যাতে পুনঃসংস্থাপনৰ ব্যৱস্থা কৰে। আমাৰ কেইখনমান জিলাৰ লগতে নগাঁৱতো আছে, টোটেল ১৫৭ খন গাঁৱত কেডেষ্ট্ৰেল ছাৰ্ভে সম্পূৰ্ণ কৰিবলৈ বাকী আছে। গতিকে মোৰ সমষ্টিতো এন.চি. ভিলেজ চেনীমাৰী, এন.চি চিতলমাৰী গাঁও আছে। গতিকে এইখিনি কেতিয়া, কিমান দিনৰ ভিতৰত ছাৰ্ভে কৰি পট্টা দিয়াৰ ব্যৱস্থা কৰিব, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী):** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো বৰঘূলিৰ কথা কৈছে, মই সকলোৱে বুজিবৰ কাৰণে কৈ দিওঁ। আপোনালোক যেতিয়া কলিয়াভোমোৰা দলংখনেৰে যায়, এইফালৰ পৰা গ'লে বাওঁহাতে ব্ৰহ্মপুত্ৰৰ গোটেই কাষৰ সেইখিনিৰ পৰা আৰম্ভ হোৱা অঞ্চলটোৱেই হৈছে বৰঘূলি। তাত জলসম্পদ বিভাগে প্ৰায় ১০০ কোটি টকা খৰচ কৰি প্ৰটেকশ্বনৰ কাম কৰিছে সেই অঞ্চলটো গোটেইটো ৰক্ষা কৰিবৰ কাৰণে। সেই ঠাইত যিসকল লোকৰ গৃহহীন বুলি কৈছে মাটিৰ কথা, তাত এটা ডাঙৰ চৰ আছিল। এই মানুখিনিয়ে

সেই চৰটোত সাধাৰণতে বাস কৰিছিল। তাৰমানে বৰঘুলিৰ ভিতৰত মাটি আছে যদিও চৰতোও মাটি লৈ বাস কৰিছিল। চৰটো প্ৰায় খহাই নিলে। নিয়াৰ পিছত ইয়াত যি মাটি আছিল ভাই-ককাই বেলেগ বেলেগ আছিল, ইয়াত মাটিৰ সংখ্যাটো কমিল আৰু এইফালেও বৰঘুলিৰ যথেষ্ট সংখ্যক খহনীয়া হ'ল। প্ৰটেকশ্বন হ'ল, কিন্তু খহনীয়া হৈ প্ৰটেকশ্বন হ'ল। গতিকে তেখেতসকলৰ মাটি-বাৰীৰ কথা মই ভালকৈ জানো। অলপ-চলপ মানুহ অলপ মাটি নাপোৱাকৈ আছে। গতিকে এই যিখিনি মাটি নাপোৱাকৈ আছে, এইখিনি মাটি আমি চৰকাৰী যিটো নিয়ম, সেই নিয়মমতে আমি লৈ যোৱাত কোনো অসুবিধা নাই। কিন্তু মই এইটো কথা ইয়াত কৈ দিব নোৱাৰোঁ যে তেওঁলোকক আমি বৰঘুলিত চৰকাৰী মাটি কিন্তু কতো নাই। মই যিটো জানো তাতে নাই। গতিকে তেখেতৰ সমষ্টি এতিয়া তালৈকে পৰিছে, ডাঙৰ হৈছে, যদি আহল-বহল ক'ৰবাত মাটি দেখুৱাই দিয়ে, আমি তেওঁলোকক যিয়ে গৃহহীন হৈছে, তেখেতসকলৰ ক্ষেত্ৰত আমি ২০১৯ নিয়মত পেলাই, লেণ্ড পলিচিত পেলাই আমি আগবাঢ়িব পাৰিম।

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট):** মাননীয় অধ্যক্ষ মহোদয়, তাৰমানে এই পট্টা থকা মাটি বিলাকো ক্ষতিগ্ৰস্থ হৈছে । গতিকে মই পট্টাসহ তালিকা মন্ত্ৰী মহোদয়ক দি দিম। যিসকল পট্টা আছে, পট্টাদাৰসকলৰ নাম আৰু পট্টাসহ মই দি দিম, সেইখিনি যাতে ব্যৱস্থা কৰে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে । এতিয়া মাননীয় সদস্য শ্ৰী আব্দুৰ ৰহিম আহমেদ।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, (চেঙা):** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই উত্তৰত কৈছে যে যিসকল সম্পূৰ্ণ ভাৰতীয় মানুহ, এটা বেলেগ প্ৰশ্নৰ উত্তৰত কৈছিলে, তেওঁলোকে যথায়থভাৱে apply কৰিলে উচ্ছেদিত মানুহখিনিয়ে ভূমি পাব, নম্বৰ ১ । খহনীয়াত সৰ্বস্বান্ত হোৱা, গড়াখহনীয়াৰ কবলত পৰি সকলো হেৰুৱা যিখিনি মানুহ, তেওঁলোকে বহুক্ষেত্ৰত আমি দেখা পাওঁ, land policy ২০১৯ ৰ মতে কিছু প্ৰভিজন যদিও আছে, মানে এইখিনি rehabilitation ৰ কাৰণে, কিন্তু গাওঁবুঢ়া বা লাট মণ্ডল বা ছাৰ্কোল অফিচাৰে চাৰ্টিফিকেট টোৱেই

নিদিয়ে  বহুক্ষেত্ৰত। মই নিজে যোগাযোগ কৰি ব্যৰ্থ হৈছোঁ।  এটা অসুবিধা আছে, ইয়াতে যিখিনি land policy চৰকাৰী ক্ৰাইটেৰিয়া আছে, এইখিনি  সকলো ক্ষেত্ৰতে অতি সহজে প্ৰযোজ্য কৰিব নোৱাৰি, তাৰ কাৰণে কিবা বিশেষ ব্যৱস্থাই হওক, amendment হওক, আনিব লাগিব। এইকাৰণেই, কাৰণ মই প্ৰতিনিধিত্ব কৰা চেঙা সমষ্টিৰ চৰ, তাতে চৰৰ মাটিৰ পট্টাই নাই। ইয়াতে ফাৰ্ষ্ট ক্ৰাইটেৰিয়া টোৱেই হৈছে মাটিৰ পট্টা দিব লাগে। গতিকে মন্ত্ৰী ডাঙৰীয়াৰ পৰা মই সুধিছোঁ যে সৰ্বস্বান্ত হেৰুৱা এইসকল পৰিয়াল বা একেবাৰে ঘৰ-বাৰী জ্বলি যায়, বজ্ৰপাত পৰে, তেওঁলোকৰো ছাৰ চাৰ্টিফিকেট পোৱাৰ ক্ষেত্ৰত বহু অসুবিধা। এটা এনেকুৱা procedure কৰিব পাৰি নেকি যে অতি সহজে এই মানুহখিনিয়ে যাতে ক্ষতিপূৰণখিনি লাভ কৰিব পাৰে চৰকাৰৰ পৰা? তাৰ কাৰণে মন্ত্ৰী ডাঙৰীয়াই কি ব্যৱস্থা ল'ব মই জানিব বিচাৰোঁ।

**মাননীয় অধ্যক্ষঃ** অতিশীঘ্ৰে চাৰ্টিফিকেট পোৱা।

**শ্ৰী কেশৱ মহন্ত, ( মন্ত্ৰী):** মাননীয় অধ্যক্ষ মহোদয়, দুৰ্যোগত কোনোবা পতিত হোৱা লোকৰ আমি কেতিয়াও information বিচৰা নাই। কিন্তু এজন মানুহক মাটিৰ নিচিনা এটা স্থায়ী সংস্থাপন বা স্থায়ী rehabilitate কৰিবলৈ হলে সেই মানুহজনৰ নিশ্চয় তেওঁৰ ৩ টা generation ইয়াত আছে নাই, এইটো চোৱাটো দৰকাৰ। ইয়াত অন্য কোনো সমস্যা নাই।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, (চেঙা):** মাননীয় অধ্যক্ষ মহোদয়, সম্পূৰ্ণ ভাৰতীয় তথ্য যদি থাকে, তিনি জেনৰেচনৰ কেনেকৈ তথ্য দিব ছাৰ? ৫১ৰ এনআৰচি ইনকমপ্লিট। এনে কিবা এটা ডকুমেণ্ট দেখুৱাই দিয়ক ছাৰ, যে আমাৰ পৰিয়ালে তিন জেনৰেচনৰ আগৰ কাগজ-পত্ৰ দেখুৱাব পাৰিব, যিটো চৰকাৰে সেই নথি যোগান ধৰিছে আগতে। এইকাৰণে ৭১ সকলো পক্ষই মানি লৈছে ছাৰ।

**মাননীয় অধ্যক্ষঃ** এইটো ডিবেট নহয়, বহক।

**শ্ৰী কেশৱ মহন্ত, ( মন্ত্ৰী) :** মাননীয় অধ্যক্ষ মহোদয়, মই আইনখনত যিটো আছে সেইটোহে ক'ব পাৰিম। এইটো বিবেচনাৰ বিষয়। কিন্তু আইনত থকাটো

আজিলৈকে এইটো বিষয়। গতিকে এইধৰণে আমি আগবাঢ়ি আছোঁ আৰু নিশ্চয় যথেষ্টখিনি এইধৰণেই সংস্থাপিত হ'ব।

**মাননীয় অধ্যক্ষঃ** পৰৱৰ্তী প্ৰশ্ন ২০৯ মাননীয় সদস্য শ্ৰী অৰূপ কুমাৰ দে । সদনত অনুপস্থিত। এতিয়া পৰৱৰ্তী প্ৰশ্ন ২১০। মাননীয় সদস্য শ্ৰী সুৰেন ফুকন।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আইনখনত যিখিনি উল্লেখ আছে, সেইখিনি হে ক'ব পাৰিম। এইটো বিবেচনাৰ আৰু আইনত থকা বিষয়। গতিকে এইধৰণে আমি আগবাঢ়ি আছো আৰু যথেষ্টখিনি এইদৰে সংস্থাপিত হ'ব।

**মাননীয় অধ্যক্ষঃ** পৰৱৰ্তী প্ৰশ্ন নং ২০৯, শ্ৰী অৰুপ কুমাৰ দে।

(মাননীয় সদস্য শ্ৰী অৰূপ কুমাৰ দে সদনত উপস্থিত নাই)

**মাননীয় অধ্যক্ষঃ** পৰৱৰ্তী প্ৰশ্ন নং ২১০, শ্ৰী সুৰেন ফুকন।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দাখিল কৰা হৈছে।

**শ্ৰী সুৰেন ফুকন, ডিগবৈঃ** মাননীয় অধ্যক্ষ মহোদয়, বিভাগীয় মন্ত্ৰীৰ পৰা ইতিমধ্যে মই উত্তৰটো পাইছো, তথাপিটো এটা কথা জানিবলৈ বিচাৰিছো, যিহেতু ৩৮ নং ৰাষ্ট্ৰীয় ঘাই পথৰ মোৰ ডিগবৈ সমষ্টিৰ গোলাই অঞ্চলত প্ৰায় ১.৫ কিলোমিটাৰ দীঘল এটা নলা বনাইছিল আৰু সেই নলা বনোৱাৰ ফলত প্ৰায় ২০০ খন স্থানীয় খিলঞ্জীয়াৰ দোকান উচ্ছেদিত হৈছে আৰু তেওঁলোকৰ তাত প্ৰায় ১২০ টা মান ঘৰৰ নিজৰ মাটি নাই। তেওঁলোকৰ প্ৰায় ৮০ টা মান ঘৰ ভূমিহীন। গতিকে তেওঁলোকক ভূমি দিয়াৰ ব্যৱস্থা বা পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিব নেকি ? এই বিষয়টোৰ ওপৰত মই মাননীয় মন্ত্ৰীৰ পৰা উত্তৰটো বিচাৰিছো। গোলাইত, তেওঁলোকৰ প্ৰায় ২০০ টা ঘৰৰ ভিতৰত ৮০ টা মান ঘৰ ভূমিহীন হৈ আছে। তেওঁলোকে তাত দোকান দি খাই আছিলে আৰু তেনেকৈ জীৱন নিৰ্বাহ কৰি আছিল।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ হাতত সময় একেবাৰে নাই, সেইয়েহে উত্তৰটো ইয়াতে দি শেষ কৰিব নোৱাৰিম। National Highway ত যিখিনি মাটি গৈছিল, তাত চোৱাৰ পাছত আমি গ'ম পালো যে, তাত তেওঁলোকৰ অসুবিধা হৈছে গতিকে বিকল্প কথাটো আমি আলোচনা কৰিম।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, ( বিৰোধী দলপতি):** মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি শিৱসাগৰত বিধায়ক শ্ৰী অখিল গগৈয়ে যিটো Adjournment Motion আনিছিল সেইটো হয়তো নিয়মত অহা নাই বা অন্য কিবা কাৰণৰ কাৰণে আপুনি allow কৰিব পৰা নাছিল। কিন্তু  বাহিৰত আৰু Social Media ত এই কথাটো এনেকৈ প্ৰচাৰ হৈছে যে, কংগ্ৰেছে ইয়াৰ বিৰোধিতা কৰিছে। আমি তেওঁ পক্ষত ঠিয় হৈ আপোনাক অনুগ্ৰহ কৰিছিলো যে, তেওঁক ক'বলৈ ২ মিনিট সুযোগ দিয়ক । কিন্তু কথাটো বেলেগ ধৰণে প্ৰচাৰ হৈছে যে, আমি তেওঁৰ বিৰোধিতা কৰিছো। গতিকে এই বিষয়টোৰ ওপৰত আপোনাৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মোকো এই বিষয়টোৰ ওপৰত accused কৰিছো। আমি বিধানসভাখন নিয়মত চলিব লাগে বুলি কওঁ আৰু তেওঁ সদায় অনিয়মৰ মাজেৰে যায়। নিয়মৰ কথা ক'লে তেওঁ বাহিৰত গৈ accused কৰে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত এটা সিদ্ধান্ত ল'ব লাগে।

**মাননীয় অধক্ষঃ** সামাজিক মাধ্যমত কোনোবাই কিবা ক'লে সেইটো অসম বিধানসভাত আবদ্ধ নহয়। গতিকে এতিয়া সামাজিক মাধ্যমত কোনে কি কয় সেই বিষয়টোৰ ওপৰত বিধানসভা দায়ী নহয় । পৰহি আমি আপোনালোকৰ অনুপস্থিতত সভা স্থগিত প্ৰস্তাৱ আনিছিলো । আপোনালোকক কৈছিলো যে, বাজেটৰ কথা আছে। কাৰণ বাজেটখন ইয়াত পাৰিত কৰাৰ পাছত, মই গধূলি ৫.৩০ বজাত, চহী কৰি চৰকাৰলৈ পঠাইছো । আজি বানপানীৰ ফলত প্ৰত্যেকখন জিলাত মানুহে ক'ক বকাই আছে আৰু যদি বাজেটখন পাৰিত নহয়, তেতিয়া হ'লে টকা-পইচাৰে আমি সাহায্য আগবঢ়াব নোৱাৰিম। গতিকে

বাজেট পাৰিত হোৱা পিছত চৰকাৰলৈ পঠাইছো আৰু চৰকাৰে মাননীয় Governor ৰ তাত পঠাব। সেইকাৰণে মই আপোনালোককো অনুমতি দিয়া নাছিলো আৰু তেখেতকো দিয়া নাছিলো। তথাপিও তেখেত শিৱসাগৰৰ বিধায়ক হোৱাৰ কাৰণে মোক আগদিনা কাৰ্য্যালয়ত গৈ কৈছিলে যে, just raise কৰিব দিব। তাৰ পাছত মই বিষয়টো উত্থাপন কৰাৰ সুযোগ এটা দিছিলো। তাৰ পাছত তেওঁ বাহিৰত কি কয় কওঁক। সেইটো বিষয়ৰ ওপৰত আমি আলোচনা কৰিব নালাগে।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এনেকে বাহিৰত Message টো বেয়াকৈ যায়।

**মাননীয় অধ্যক্ষঃ** তেওঁ মোক বহুত বাৰ অনুৰোধ কৰিছিল আৰু আপুনি recording ত দেখিলে গম পাব যে, তেখেতে মোৰ ওচৰত আহি কৈছিলে যে, মোক বিষয়টো অকল উত্থাপন কৰিব দিয়ক। তেখেতে ২ মিনিট ৪৬ ছেকেণ্ড পাৰ কৰাৰ পিছত মই তেওঁক হস্তক্ষেপ কৰিছিলো। তাৰ পাছত তেখেতে desk ত উঠিছিল। আমি সেইবোৰ video দেখুৱা নাই। মই ২০১১ চনৰ পৰা বিধায়ক হিচাপে আছো, কিন্তু আজিলৈ অসম বিধানসভাত এনেকুৱা বিধায়ক কেতিয়াও দেখা নাছিলো। মই আজি সচিবক আহ্বান জনাম যাতে এই video টো release কৰি দিব লাগে যাতে অসমৰ ৰাইজেও জানক যে, তেখেতে desk ত উঠি যিটো ধৰণে চিঞৰ বাখৰ কৰিলে বা যেনেকুৱা কথা ক'লে তেনেকুৱা পৰিস্থিতি আমি অসম বিধানসভাত কেতিয়াও দেখা নাই। আপোনালোকেও এইখন চকীৰ পৰাই বিধায়ক হৈছে, কিন্তু তেনেকুৱাকৈ ওপৰত উঠি চিঞৰ –বাখৰ কৰা কোনো কালে দেখা নাই। মানুহে অসম বিধান সভাৰ গৰিমা ভাল হোৱাটো বিচাৰো। কোনোবা এজনৰ কাৰণে গৰিমা বেয়া হোৱাটো কেতিয়াও থমকি নৰওঁ।

**শ্ৰী ঋতুবৰণ শৰ্মা, বৰচলাঃ** মাননীয় অধ্যক্ষ মহোদয়, তেওঁৰ এই নিৰৱচ্ছিন্ন যিটো ব্যৱহাৰ, এই ব্যৱহাৰে সকলো সন্মানীয় বিধায়কৰ সন্মান লাঘৱ কৰায়ে

নহয়, এই পৱিত্ৰ সদনৰ লাঘৱ কৰিছে। আমি তেখেতৰ বিৰুদ্ধে গৰিহণা প্ৰস্তাৱ আনিব পাৰো নেকি?

**মাননীয় অধ্যক্ষঃ** সেইটো বিষয়ৰ ওপৰত ইতিমধ্যে যি ৰুলিং আনিব লগীয়া আছিল সেইটো দিছোয়েই। তেখেতক সদনৰ পৰা নিলম্বিত কৰা হৈছে। এতিয়া কাৰ্য্যসূচী নং ২ । এতিয়া অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলিৰ 30(B) দফাৰ অধীনত নিম্নলিখিত সদস্য কেইগৰাকীয়ে বিভাগ সমূহৰ মাননীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব। শ্ৰী সুৰুজ দিহিঙ্গিয়া- তেওঁৰ বিভাগ হৈছে স্বাস্থ্য আৰু পৰিয়ালকল্যাণ । শ্ৰী আমিনূৰ ৰসিদ চৌধুৰী- তেওঁৰ বিভাগ হৈছে জনস্বাস্থ্য কাৰিকৰী, প্ৰাথমিক শিক্ষা আৰু লোকনিৰ্মাণ বিভাগ। আৰু ডং তপন দাস- তেওঁৰ বিভাগ হ'ল কৃষি, পৰ্যটন আৰু জনস্বাস্থ্যকাৰিকৰী বিভাগ। এতিয়া মাননীয় সদস্য শ্ৰী সুৰুজ দিহিঙ্গিয়া।

(মাননীয় সদস্য শ্ৰী সুৰুজ দিহিঙ্গিয়া বানপানীৰ কাৰণে সদনত অনুপস্থিত )

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী আমিনূৰ ৰসিদ চৌধুৰী।

**শ্ৰী আমিনূৰ ৰসিদ চৌধুৰী, দক্ষিণ কৰিমগঞ্জঃ** মাননীয় অধ্যক্ষ মহোদয়, Members' Hour ৰ ওপৰত মোক ক'ব দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, আমি দক্ষিণ করিমগঞ্জ থেকে বিধায়ক হয়ে এসেছি। আমি দৃষ্টি আকর্ষণ করে বিভাগীয় মন্ত্রী মহোদয়ের কাছে বলতে চাই দক্ষিণ করিমগঞ্জে PWD road এর অবস্থা অতি শোচনীয়। স্কুলের ছাত্র-ছাত্রীরা স্কুলে যেতে পারছেনা, ইউনির্ফম নেই । আমি মাননীয় মুখ্যমন্ত্রী মহোদয়কে ধন্যবাদ জানাবো গত ৫ বছর দক্ষিণ করিমগঞ্জের রাস্তা উন্নয়নের জন্য সরকার প্রায় ১০০ কোটি টাকা দিয়েছেন। এই রাস্তাগুলোর কাজ মাননীয় মুখ্যমন্ত্রীর তত্ত্বাবধানে ভালোভাবে কাজ হয়েছে। তার জন্য সরকারকে আমি ধন্যবাদ জানাচ্ছি। মাননীয় অধ্যক্ষ মহোদয়, যে রাস্তাগুলো সরকার এত কষ্ট করে টাকা দিয়ে বানিয়েছিল দক্ষিণ করিমগঞ্জের উন্নয়নের জন্য আজকে ৫ বছর না যেতেই এই  রাস্তাগুলোর অবস্থা অতি শোচনীয়। কেন এত শোচনীয় ?

আমি আমার সমষ্টিতে ঘুরে যা বুঝলাম, তা আমি মনে করি সদনে আপনার মাধ্যমে সবাইকে জানানোর প্রয়োজন।

মাননীয় অধ্যক্ষ মহোদয়, আমি প্রথমে বলছি যে PMGSY রাস্তাগুলোতে maintenance এর জন্য টাকা থাকে। কিন্তু ঠিকাদাররা কাজ করে যাওয়ার ৫ বছর পর কোন maintenance এর কাজ করছে না, কেন করছে না ? অধ্যক্ষ মহোদয় সেটা আমাদের দেখা অত্যন্ত জরুরী।

দ্বিতীয়তঃ PMGSY র যে টেণ্ডারগুলো হচ্ছে সেই Tender value থেকে ১৫ থেকে ১৬ শতাংশ below tender মেরে contractor রা কাজ নিচ্ছেন। তাতে কি হচ্ছে contractor রা below standard এর কাজ করছেন। কাজ নিয়ে sublet করে দিচ্ছে অন্যের কাছে এটা একটা গুরুত্বপূর্ণ বিষয়। আমি আজকে আপনার মাধ্যমে মাননীয় মুখ্যমন্ত্রী ও বিভাগীয় মন্ত্রীর কাছে অনুরোধ রাখবো যে আমার মনে হয় অধ্যক্ষ মহোদয় আমাদের এটা বিবেচনা করা দরকার। Tender value র নিচে যারা ১৫, ১৬ শতাংশ below মেরে কাজ নিচ্ছে এবং খারাপ কাজ করছে সেটা আপনাদের দেখা দরকার।

আমি সমষ্টি ঘুরে দেখলাম ৰাস্তার কাজে PWD র যে নিয়ম আছে ড্রেনের ব্যবস্থা করা হচ্ছে না। করিমগঞ্জ জেলায় খুব বেশী বৃষ্টি হয় আপনারা জানেন। সেই বৃষ্টি হওয়ার জন্য জলগুলো রাস্তার উপরে থাকে, drain না থাকার জন্য জল রাস্তার উপর থেকে যাচ্ছে না এবং রাস্তা খারাপ হচ্ছে। তাই আমি আপনার মাধ্যমে অনুরোধ রাখবো PWD রাস্তাগুলোতে যে project নেওয়া হচ্ছে তাতে drainage system এর কোন system Tender এর সময় নেওয়া যায় কিনা, সেটা একটু চিন্তা করে দেখার দরকার আছে।

ভারতমালা project দক্ষিণ করিমগঞ্জে অনেক কাজ হচ্ছে, ভারতমালা project এর কাজ হওয়াটা ভালো আমরাও চাই, কিন্তু সেই কাজের জন্য যে মাল ভারতমালা নিচ্ছে PWD road ব্যবহার করছে। আজ PWD road র সেই strength নেই যার জন্য রাস্তাগুলো খারাপ হচ্ছে NHIDCL কিন্তু maintenance করছেনা। আজকের তারিখে আমার সমষ্টিতে অনেক রাস্তা একদম বড় বড়

গর্ত হয়ে গেছে , লোকজন চলাফেরা করতে পারছেনা। ছাত্র-ছাত্রীরা স্কুলে যেতে পারছেনা। অটো উল্টে যাচ্ছে তাই স্যার এই জিনিসগুলো দেখা দরকার।

**মাননীয় অধ্যক্ষঃ** আপনার তিনটা বিষয় আছে, তিনটাতে ৩ মিনিট করে ৯ মিনিট বলতে পারেন। অতিরিক্ত ১ মিনিট বলতে পারেন।

**শ্রী আমিনূর রসিদ চৌধুরী (দক্ষিণ শ্রীভূমি)** সেই সঙ্গে ভারতমালা project এ আপনার দৃষ্টি আকর্ষণ করবো আমার সমষ্টিতে প্রায় ৫০ থেকে ৬০ কোটি টাকার একটা land scame হয়েছে। Agriculture land কে Industrial land দেখানো হয়েছে। Circle থেকে যে কাগজ বেরিয়ে আসছে সেখানে বলছে এটা Agriculture land কিন্তু Industry department Agriculture department সেটাকে certified করছে যে এটা Industry land কিন্তু সেখানে কোন Industry নেই। এই যে scame particularly আলমকালি পার্ট ওয়ানে ৫০ থেকে ৬০ কোটি টাকার scame হয়েছে আমি আজকে আপনার মাধ্যমে মাননীয় মুখ্যমন্ত্রীকে বলতে চাই উনার হস্তক্ষেপ চাই, তদন্ত চাই। কারণ জনগণের টাকা আমাদের টাকা এই টাকা দিয়ে জনগণের উন্নয়ন হোক তাই আপনার মাধ্যমে আমার সমষ্টিতে ৫০ থেকে ৬০ কোটি টাকার যে scame টা হয়েছে তার একটা বিশেষ তদন্তের জন্য আপনার মাধ্যমে মাননীয় মুখ্যমন্ত্রীর দৃষ্টি আকর্ষণ করছি।

মাননীয় অধ্যক্ষ মহোদয়, আমার সমষ্টিতে একটা lifeline রাস্তা ফকিরা বাজার নিলাম বাজার PWD road সেই রাস্তার অবস্থা এমন হয়েছে আপনি বিশ্বাস করতে পারবেন না যে চলাফেরার একদম উপযোগী নয়। এখানে একটা সমস্যা হচ্ছে যে নদীর পাশে ভেঙ্গে চলে যায় রাস্তা PWD বলছে water resource করবে আর water resource বলছে PWD করবে। তাই আপনার কাছে আমি বিনীত অনুরোধ রাখবো আমাদের ফকিরা বাজার নিলাম বাজার যে lifeline রাস্তাটা আছে সেটা দয়া করে একটু দেখে দেওয়ার জন্য। আমি বিভাগীয় মন্ত্রী ও মুখ্যমন্ত্রীর কাছে অনুরোধ রাখবো।

মাননীয় অধ্যক্ষ মহোদয়, আমার সমষ্টি দক্ষিণ করিমগঞ্জ সমষ্টি স্যার আপনি শুনে আশ্চর্য্ হবেন ২লাখ ৯৫ হাজার ভোটার আমার সমষ্টিতে এত বড়

সমষ্টি আমি মুখ্যমন্ত্রীর কাছে অনুরোধ রাখবো যে উন্নয়নের জন্য,দক্ষিণ করিমগঞ্জের  রাস্তা-ঘাট বানানোর জন্য উনি যেন আমাকে সাহায্য করে পূঁজি দেন। বিগত দিনেও মুখ্যমন্ত্রী মহোদয় দক্ষিণ করিমগঞ্জের জন্য কাজ করেছেন সেইজন্য উনাকে অশেষ ধন্যবাদ জানাচ্ছি। আমি আশা রাখছি যে মাননীয় মুখ্যমন্ত্রীর কাছ থেকে দক্ষিণ করিমগঞ্জের উন্নয়নের জন্য সাহায্য আমি পাব।

PMGSY এর রাস্তায়  maintenance টাকা আছে কিন্তু ঠিকাদাররা কাজ করে যাচ্ছে যে maintenance package যেটা আছে সেই কাজ হচ্ছে না। যার জন্য রাস্তাগুলোর কাজ হচ্ছে না, সেটা দেখার জন্য অনুরোধ রাখবো।

মাননীয় অধ্যক্ষ মহোদয়, আজকে আমরা গর্বিত যে আমাদের জেলা থেকে মাননীয় মুখ্যমন্ত্রী PHE minister কৃষ্ণেন্দু পাল মহাশয়কে উ দিয়েছেন। উনি দক্ষ মন্ত্রী। আমি উনাকে শুভেচ্ছা ও আন্তরিক অভিনন্দন জানাচ্ছি। তিনি

PHE minister হওয়ার পর সঙ্গে সঙ্গে করিমগঞ্জ গিয়ে আমাদের সঙ্গে বসে জেলার যেগুলো সমস্যা আছে আমাদের সঙ্গে উনি review করেছেন। উনি আমাদের কথা দিয়েছেন কাজগুলো খুব তাড়াতাড়ি হবে। আজকে এই পবিত্র সদনে আপনার মাধ্যমে কয়েকটি জিনিস উনার দৃষ্টি আকর্ষণ করতে চাই যে আমার সমষ্টিতে জল-জীবন মিশন সরকার এনেছিল যে জনগণ ঘরে ঘরে জল পাবে এবং স্বাস্থ্য সন্মত পরিশুদ্ধ জল জল জীবন মিশন দেবে। কিন্তু দক্ষিণ করিমগঞ্জের জে জে এম এর সব প্রকল্প নষ্ট  হয়ে পড়ে আছে। maintenance নেই, কোন কাজ হচ্ছে না এবং জনগণ দক্ষিণ করিমগঞ্জে জল পাচ্ছে না। তাই মন্ত্রী মহাশয়ের দৃষ্টি আকর্ষণ করে বলছি যে এই কাজগুলো একটু দেখে দিলে ভালো হয়।

মাননীয় অধ্যক্ষ মহোদয় আমার সমষ্টিতে ২টা project একটা covering on PWSS   আরেকটা Defola PWSS under JJM ঠিকাদার  আধা কাজ করে project ছেড়ে চলে গেছে। কেন চলে গেছে ? বা কেন এই কাজটা সম্পূর্ণ হচেছে না আমি আপনার মাধ্যমে মাননীয় মন্ত্রী কৃষ্ণেন্দু পাল মহাশয়ের দৃষ্টি

আকর্ষণ করবো এবং আশা রাখবো উনি আমাদের জেলার মন্ত্রী সেই বিষয়টা দেখে দেবেন।

মাননীয় অধ্যক্ষ মহোদয় দক্ষিণ করিমগঞ্জের চন্দনপুর PWSS সেই চন্দনপুর PWSS এ আজকে লাষ্ট ৬ মাস থেকে ট্রেন্সফর্মার নেই। এখানে মন্ত্রী মহোদয়ের কার্য্যভার গ্রহন করেছেন মাত্র ২ মাস হয়েছে, কিন্তু ২ মাস থেকেই ট্রেন্সর্ফমার নেই জনগণ চন্দনপুরে জল পাচ্ছে না, তার জন্য আপনার দৃষ্টি আকর্ষণ করে মাননীয় মন্ত্রী মহোদয়ের কাছে অনুরোধ রাখবো যে এই কাজগুলো যেন জেজে এমের মাধ্যমে করে দেন। অনেক JJM project নল লাগানো আছে কিন্তু জল নেই এবং পাইপগুলোর মেরামতি করা হয় না, পাইপগুলো ভঙ্গে পড়ে আছে জল পাওয়া যাচেছ না । মাননীয় অধ্যক্ষ মহোদয় আপনার মাধ্যমে এই বিষয়গুলোর উপর দৃষ্টি গোচর করলাম এবং আগামী দিনে দক্ষিণ করিমগঞ্জর জনগণ যেন জল পায় সেজন্য দৃষ্টি আকর্ষণ করলাম। মাননীয় মন্ত্রী মহোদয় আমাদের জেলার মন্ত্রী উনি আমাদের সাথে বসে বলেছেন তাই উনাকে আবার ধন্যবাদ দিচ্ছি।

মাননীয় অধ্যক্ষ মহোদয়, আমাদের দক্ষিণ করিমগঞ্জ সমষ্টিতে গত কালকেও স্বাস্থ্য বিভাগ বিস্তারিত আলোচনা হয়েছে। মন্ত্রী মহোদয় ছিলেন। তিনটা department PWD, PHE Education এর বিষয়ে লিখে আমি জমা দিয়েছি , আবারও আমি আপনার মাধ্যমে উনাকে দেব। শুধু এটাই বলতে চাই শিক্ষা বিভাগে আমার সমষ্টিতে যেসব, স্কুলে সিলিং নেই ফ্লোর নেই, টয়লেট নেই, বাউণ্ডারী ওয়াল নেই এবং শিক্ষক নেই অনেক স্কুলেই শিক্ষক নেই, যেখানে ৪ জন শিক্ষক লাগে সেখানে ১ জন আছে সেই সমস্যাগুলোর সমাধান করার জন্য দৃষ্টি আকর্ষণ করবো মাননীয় মন্ত্রীর কাছে। আজকে PM Poshon board survey তে midday mil এর মানদণ্ড নিয়ে কথা হয়েছে। আমি midday mil এ অনুরোধ রাখবো যে সোয়াবিন, ডিম, কলা পুষ্টিকর খাদ্য যাতে ছাত্ররা পায় তাহলে ভালো হয়।

সব শেষে আরও একটি কথা বলতে চাই আমার সমষ্টিতে ড্রাগসের যে অবস্থা আপনি শুনে অবাক হবেন, খুবই বাজে অবস্থা। মাননীয় মুখ্যমন্ত্রী মহাশয় অনেকবার ড্রাগসকে নিঃশেষ করার জন্য অনেক কিছু বলেছেন আমরাও উনার সঙ্গে আছি। আমার জেলাতে ড্রাগসকে নিঃশেষ করার জন্য যে যে পদক্ষেপ সরকার নেবে আমি উনাদের সঙ্গে থাকবো এবং আমি আপনার মাধ্যমে এটা জানতে চাই যে ড্রাগসকে অসম থেকে শেষ করার জন্য এবং করিমগঞ্জ জেলা থেকে শেষ করার জন্য সরকার কি কিছু প্লেন করেছেন কিনা যদি করে থাকেন তাহলে সদনকে জানালে খুশী হবো। এই বলে আমার জেলাকে ড্রাগসমুক্ত করার জন্য সবার দৃষ্টি আকর্ষণ করে এই members' hour আমাকে বলার সুযোগ দেওয়ার জন্য আপনাকে ধন্যবাদ ও কৃতজ্ঞতা জানাই। যে সমস্যাগুলো আমি তুলে ধরলাম আগামী দিনে দক্ষিণ করিমগঞ্জের উন্নয়নের জন্য আমি মাননীয় মন্ত্রী মহোদয়, ও মুখ্যমন্ত্রীর কাছে অনুরোধ রাখবো যে আমাকে সাহায্য করার জন্য। আপনাদের সবাইকে ধন্যবাদ জানাচ্ছি।

**মাননীয় অধ্যক্ষঃ** আপনি যে Land scame এর কথা বললেন এই ব্যাপারে আপনি কি কোন জায়গায় complain করেছেন?

**শ্রী আমিনূর রসিদ চৌধুরী (দক্ষিণ শ্রীভূমি)** স্যার এই বিষয়ে আমি D.C.র সঙ্গে কথা বলেছি। উনিও আমাকে বলেছেন লিখিতভাবে দেওয়ার জন্য।

**মাননীয় অধ্যক্ষঃ** আপনি Details টা D.C. কে দিয়ে দেবেন।

**শ্রী আমিনূর রসিদ চৌধুরী (দক্ষিণ শ্রীভূমি)** স্যার আপনাকেও একটা কপি দিয়ে দেব।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই লোক নিৰ্মাণ সন্দৰ্ভত বক্তব্য ৰাখিব।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা ইত্যাদি মন্ত্ৰী):** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, সন্মানীয় সদস্য শ্ৰী আমিনুৰ ৰশিদ চৌধুৰী ডাঙৰীয়াই Under Rules 23 Rules of Procedure of Conduct and Business of Assam Legislative Assembly ৰ যোগেদি তেখেতৰ সমষ্টিৰ যিকেইটা সমস্যাৰ কথা উল্লেখ কৰিছে

সেই সমস্যাৰ বিষয়ে আমি অৱগত । সন্মানীয় অধ্যক্ষ মহোদয়, দক্ষিণ কৰিমগঞ্জ সমষ্টিৰ পথ সমূহৰ বহু ঠাইত গাঁত আদিৰ সৃষ্টি হৈ যথেষ্ট মেৰামতিৰ প্ৰয়োজন হোৱাটো দৃষ্টিগোচৰ হৈছে আৰু মুখ্যমন্ত্ৰীৰ পকীপথ উন্নত আঁচনি, মুখ্যমন্ত্ৰীৰ উন্নত পকীপথ নিৰ্মাণ আঁচনি, PDNA মুখ্যমন্ত্ৰী পথ নবীকৰণ ইত্যাদি আঁচনিৰ জৰিয়তে যথাসম্ভৱ নিৰ্মাণ উন্নীতকৰণ আৰু মেৰামতিৰ কাম হাতত লোৱা হৈছে। অধ্যক্ষ ডাঙৰীয়া সমষ্টিটোত PMGSY 1, PMGSY 3 ৰ অধীনত নিৰ্মিত পথ সমূহৰ প্ৰয়োজনীয় মেৰামতি কৰি থকা হৈছে । Routine maintenance ৰ অধীনত থকা পথৰ মেৰামতিৰ কামত বিলম্ব কৰা ঠিকাদাৰ সকলক নিবিদা চুক্তি অনুসৰি জাননী জাৰি কৰি থকা হৈছে আৰু পথবোৰ MQMSQM ৰ দ্বাৰা পৰ্য্যবেক্ষনো চলি আছে। PMGSY ৰ অধীনত দুখন নিবিদা চুক্তি বাতিলো কৰা হৈছে আৰু বাকী থকা মেৰামতিৰ কামখিনি অন্য ঠিকাদাৰক অৰ্পণ কৰা হৈছে। অধ্যক্ষ ডাঙৰীয়া, অৱশ্যে উপৰ্যপুৰি বানপানীত ক্ষতিগ্ৰস্ত হোৱা কিছু পথৰ মেৰামতিৰ কাম এতিয়াও কৰিবলৈ বাকী আছে। সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, ভাৰত মালাৰ প্ৰকল্প ঠিকাদাৰৰ লগত উত্তৰ কৰিমগঞ্জ আৰু দক্ষিণ কৰিমগঞ্জ সমষ্টিৰ পথৰ ৰক্ষণাবেক্ষনৰ বাবে MOU চুক্তিও কৰা হৈছে আৰু এই ব্যৱস্থাৰ অধীনত নীলামবজাৰ বালিয়া পথৰ মেৰামতি ইতিমধ্যে কৰোৱা হৈছে বুলি কাৰ্য্যবাহী অভিযন্তাৰ পৰা জনা গৈছে। সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, লংগাই নদীৰ গড়াখহনীয়াৰ বাবে ফকিৰাবজাৰ, নীলামবজাৰ পথৰ ক্ষতি হৈছে আৰু তাৰ মেৰামতিৰ বাবে লোক নিৰ্মাণ পথ বিভাগৰ সংশ্লিষ্ট সংমণ্ডলত এটা প্ৰাককলীন প্ৰস্তুত কৰা হৈছে যদিও এতিয়ালৈকে অনুমোদন হোৱা নাই । অধ্যক্ষ ডাঙৰীয়া ৮ নং ৰাষ্ট্ৰীয় ঘাইপথ বিদ্যানগৰ সংযোগী মথাউৰিৰ ওপৰত দুই কিলোমিটাৰ পকীপথ নিৰ্মাণৰ এক আঁচনি লোৱা হৈছিল, যদিও তাৰে এটা ৬০ মিটাৰ দৈৰ্ঘ্যৰ অংশ বানপানীত ক্ষতিগ্ৰস্ত হোৱাত জলসম্পদ বিভাগে মেৰামতি কৰি দিয়ালৈ অপেক্ষা কৰিব লগা হৈছে। সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, সমষ্টিটোৰ নিৰ্মাণ কৰিবলগীয়া পথসমূহ PMGSY, PM Divine, RIDF ইত্যাদি আঁচনি সমূহৰ অধীনত সেই আঁচনিৰ guideline এ সমৰ্থিত কৰাৰ

সাপেক্ষে পৰ্য্যায়ক্ৰমে অন্তৰ্ভুক্ত কৰা হ'ব  লগতে ৰাজ্য চৰকাৰৰ SOPD ৰ আঁচনি সমূহৰ অধীনতো যথাসম্ভৱ পথৰ কাম অন্তৰ্ভুক্ত কৰা হ'ব। সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, অতি নিম্ন হাৰত নিবিদা দাখিল কৰাৰ প্ৰৱনতা অসম আৰু অন্যান্য ৰাজ্যতো পৰিলক্ষিত হৈছে যদিও নিবিদা সংক্ৰান্তীয় চৰকাৰী ব্যৱস্থাত এনে নিবিদাকাৰীক আইনমতে বাধা দিব নোৱাৰি । তাৰ পৰিৱৰ্তে বিভাগে ঠিকাদাৰজনৰ ওপৰত অতিৰিক্ত **forfeiting security** আৰোপ কৰিব পাৰে আৰু এই ব্যৱস্থাই বিভাগক নিম্ন মানদণ্ডৰ কামৰ পৰা পুঁজি অপচয় হোৱাৰ পৰা সুৰক্ষিত কৰিব পাৰে। তদুপৰি লোক নিৰ্মাণ বিভাগত নিম্ন হাৰত স্বাক্ষৰিত চুক্তিৰ অধীনত হোৱা কামৰ মানদণ্ড বজাই ৰখাৰ বাবে অতিৰিক্ত পৰ্য্যবেক্ষণৰ ব্যৱস্থা কৰা হয়। সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, PMGSY 4 ৰ অধীনত নিৰ্মাণ হ'বলগীয়া পথৰ ICBP ৰ বাবে লগা অতিৰিক্ত ব্যয়খিনি ভাৰত চৰকাৰে বহন নকৰে, এই ব্যয়খিনি ৰাজ্য চৰকাৰে বহন কৰিবলগীয়া হয়। সেয়েহে  ICBP ব্যৱস্থা কোনো কোনো পথৰ বাবে কৰিলেও সেয়া অতি সীমিত হয়। আনহাতে কংক্ৰিট পথৰ নিৰ্মাণ কৰিবলৈ সম্পূৰ্ণ পথটো দীঘলীয়া সময়ৰ বাবে যাতায়তৰ বাবে বন্ধ কৰিবলগীয়া হয়। অৱশ্যে সীমিত সংখ্যক পথত final কংক্ৰিট ব্যৱস্থা অধ্যক্ষ ডাঙৰীয়া হ'ব পাৰে। অধ্যক্ষ ডাঙৰীয়া পথৰ নিৰ্মাণ বা উন্নীতকৰণৰ আঁচনি সমূহত ড্ৰেইন অন্তৰ্ভুক্ত কৰিলে ব্যয় বহুখিনি বাঢ়ি যায় বাবে ড্ৰেইন ব্যৱস্থা অত্যাৱশ্যকীয় ক্ষেত্ৰত সীমিত কৰা হয়। তথাপিও সমষ্টিটোৰ পথসমূহ ড্ৰেইনৰ প্ৰয়োজনীয়তা বিষয়টো পৰীক্ষা কৰি চোৱা হ'ব আৰু প্ৰয়োজনীয় ব্যৱস্থা লোৱা হ'ব অধ্যক্ষ মহোদয় । ইতিমধ্যে কৈছো গোটেইখিনি আমি গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছো পৰৱৰ্তী সময়ত নিয়মীয়াকৈ বা পৰ্য্যায়ক্ৰমে কামখিনি কৰিবলৈ ব্যৱস্থা লোৱা হ'ব।

**শ্ৰী আমিনুৰ ৰশিদ চৌধুৰী (দক্ষিণ কৰিমগঞ্জ)ঃ** ধন্যবাদ মন্ত্ৰী মহোদয়।

**মাননীয় অধ্যক্ষঃ** এতিয়া জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী কৃষ্ণেন্দু পাল ডাঙৰীয়া।

**শ্রী কৃষ্ণেন্দু পাল (মন্ত্রী) :-** সম্মানীয় বিধায়ক আমিনুর রশিদ চৌধুরী সাহেব, Under Rule 23 sub-section 2 of Rules of Procedure and Conduct of Business of Assam Legislative Assembly. উনি যে কথাগুলো তুলে ধরেছেন, সবার প্রথমে বলতে চাই যে আমাদের সবার শ্রদ্ধার যশস্বী প্রধানমন্ত্রী নরেন্দ্র মোদীজির একটা স্বপ্ন ছিল, যে সবার ঘরে ঘরে বিশুদ্ধ পানীয় জল পৌঁছে দেওয়া। এবং ২০১৯ ইংরাজীর ১৫ই আগস্ট এই প্রকল্পের সূচনা হয়েছিল। অধ্যক্ষ মহোদয়, আপনিও তখন দায়িত্বে ছিলেন এবং সমগ্র ভারতবর্ষের সঙ্গে আসামেও সমানভাবে 'জল জীবন মিশন'-এর কাজ শুরু হয়েছিল। এবং তার সময়সীমা ২০২৪ ইংরাজীতে ছিল এবং ২০২৪ ইংরাজীর পর আবার 'জল জীবন মিশন ২' সূচনা হয়েছে। প্রধানমন্ত্রীজির লক্ষ্য ছিল, সবার ঘরে ঘরে বিশুদ্ধ পানীয় জল পৌঁছে দেওয়ার মহান কাজ "হর ঘর নল, হর ঘর জল"। তারপর আমাদের শ্রদ্ধার ফাইনান্স মিনিস্টার জয়ন্ত মল্ল বড়ুয়া মহাশয়ও এই দফতরের দায়িত্বে ছিলেন এবং সমগ্র আসামের প্রায় ৮১% এলাকায় বিশুদ্ধ পানীয় জল পৌঁছে দেওয়ার ব্যবস্থা হয়েছে। খুব ভালো কাজ হয়েছে, ডিপার্টমেন্ট এক্সিকিউটিভ ইঞ্জিনিয়ার, এমডি-র থেকে আরম্ভ করে টোটাল টিম এই মহৎ কাজ খুব সুন্দরভাবে, সুচারুভাবে সম্পন্ন করার প্রয়াস করেছেন।তার মধ্যে কিছু কথা আছে, আমি বিগত কিছুদিন আগে ২০ তারিখ সম্মানিত বিধায়ক আমিনূর রশিদ চৌধুরী সাহেবকে এবং সব বিধায়কদেরকে নিয়ে ডিস্ট্রিক্ট কমিশনার অফিসে মিটিং করেছিলাম। মিটিং করার মূল উদ্দেশ্য ছিল, সবাই বলছেন যে প্রকল্পগুলো বন্ধ। কিন্তু ছোট ছোট কাজ, যেমন পাইপলাইন নষ্ট হয়েছে বা ট্রান্সফর্মার নষ্ট হয়েছে বা কোন জায়গায় দেখা গেছে যে মোটর নষ্ট হয়েছে, তার জন্য এই প্রজেক্টটা বন্ধ বা পার্শিয়ালি রান করছে। তো এটার উদ্দেশ্য ছিল যে ৯/২/২০২২ ইংরাজীতে যে নোটিফিকেশন হয়েছিল, আমাদের মাননীয় মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মা মহাশয় যে নির্দেশ দিয়েছিলেন যে প্রত্যেকটা প্রজেক্ট জল জীবন মিশনে যাতে সুন্দরভাবে আমরা পরিচালনা করতে পারি, তার কারণে টাইড ফান্ড থেকে আপটু ৫ লাখস যাতে মেইনটেনেন্সে আমরা

লাগাতে পারি এবং পরিচালনা করতে পারি। আমি দেখেছি অনেকটা প্রজেক্ট বন্ধ ছিল। ২০ তারিখে মিটিং করা হয়েছে এবং তারপর ডিস্ট্রিক্ট কমিশনার ফান্ড রিলিজ করেছেন, আমার কাছে এখন অর্ডার কপিও আছে, আপনাকে আমি দিয়ে দেবো। আপনার কন্সটিটিউয়েন্সিতে প্রায় ২৩২টি প্রকল্প রয়েছে। তার মধ্যে ১৭টি প্রকল্প আংশিক কার্যকরী, পার্শিয়ালি রান করছে, ৩৮টি প্রকল্প অকার্যকর। এইগুলা কিভাবে রান করা যায়, তার কারণে ব্যবস্থা হাতে নেওয়া হয়েছে। অ্যাভাব ৫ লাখস যেগুলা  রিপেয়ারিং করার জন্য প্রয়োজন, ওইটা আমার কাছে পাঠানো হয়েছে। আমি আমার চিফ ইঞ্জিনিয়ার মহোদয়কে দিয়েছি এবং অতি সত্ত্বর এই কাজ সম্পন্ন হবে। আপনি বলেছেন যে কাবারিবন্দের কথা, এটা রেট্রোফিটিং এর ছিল, রেট্রোফিটিং এখনো স্ট্যান্ডস্টিল অবস্থায় আছে। যেদিন স্ট্যান্ডস্টিল  উইথড্র হয়ে যাবে, তারপর  আমরা কাজ সম্পন্ন করে দেবো । যেগুলো অর্ধসমাপ্ত কাজ আছে, সেন্ট্রাল গভর্মেন্টের নির্দেশ এসেছে টাইম ফ্রেম দেওয়া আছে, যাতে অতি সত্ত্বর ওই টাইম ফ্রেমের মধ্যে আমরা জল জীবন মিশনের প্রজেক্টগুলো  সম্পন্ন করি। এবং 'জল জীবন মিশন ২', এটার মূল উদ্দেশ্য হচ্ছে জনভাগিদারী। সবাইকে নিয়ে, জনতাকে নিয়ে আমরা যাতে সবার ঘরে ঘরে বিশুদ্ধ পানীয় জল পৌঁছানোর যে মহান যজ্ঞ, এটা সম্পন্ন করতে পারি ২০২৮ ইংরাজীর ৩১ ডিসেম্বরের মধ্যে। তাই মাননীয় অধ্যক্ষ মহোদয়, আপনার মাধ্যমে সব বিধায়কদেরকেও আমি আহ্বান করব, সবাই আপনারা রিভিউ করবেন এবং রিভিউর মাধ্যমে ইঞ্জিনিয়ার, ডিস্ট্রিক্ট কমিশনার, চিফ এক্সিকিউটিভ অফিসার, জিলা পরিষদ সবাইকে নিয়ে রিভিউ করলে আমাদের যেগুলো  বিলো ৫ লাখস-এর প্রজেক্ট সেগুলো লোকালি আমরা  সমস্যার সমাধান  করতে পারব। এবং বিগত দিনে আমরা ২০ তারিখের মিটিংয়ে অলরেডি আপনার অনেক সমস্যার সমাধান হয়েছে, তাই আপনাকে ধন্যবাদ জানাই। নমস্কার, অধ্যক্ষ মহোদয়, আমার বক্তব্য এতটুকুই।

**মাননীয় অধ্যক্ষঃ** শিক্ষা মন্ত্রী।

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী):** মাননীয় অধ্যক্ষ মহোদয়, দক্ষিণ কৰিমগঞ্জৰ মাননীয় বিধায়ক শ্ৰী আমিনুৰ ৰশিদ চৌধুৰী ডাঙৰীয়াই তেখেতৰ বক্তব্যত শিক্ষাৰ গোটেইখিনি কথা উল্লেখ নকৰিলে কিন্তু লিখিতভাৱে দিছে। তেখেতে মোক যিখিনি লিখিতভাৱে দিছে সেইখিনি সমষ্টিটোৰ কোনো নিৰ্দিষ্ট সমস্যা বা সমষ্টিটোৰ কোনো নিৰ্দিষ্ট বিদ্যালয়ৰ সমস্যা বা সমষ্টিটোৰ কোনো নিৰ্দিষ্ট Education Blockৰ কথা নিৰ্দিষ্ট কৰি দিয়া নাই আৰু নিদিয়াৰ বাবে মোৰ নিৰ্দিষ্টভাৱে উত্তৰ দিয়াত অসুবিধা। তথাপিতো তেখেতৰ সমষ্টিৰ অধীনত সমগ্ৰ শিক্ষাৰ অধীনত বা ৰাজ্য চৰকাৰৰ অধীনত যিখিনি civil construction ৰ কাম কৰিছো সেই civil construction ৰ বিতং তথ্য আমি তেখেতক প্ৰদান কৰিছো। মাননীয় বিধায়ক গৰাকীলৈ মোৰ অনুৰোধ যে নিৰ্দিষ্ট কোনো বিদ্যালয়ৰ specific সমস্যাৰ যেনে PTR related সেই স্কুলৰ নাম যদি মোক কৈ দিয়ে তেতিয়াহ'লে আমি ব্যৱস্থা গ্ৰহণ কৰিম । তেখেতে কৈছে যে আন্ত:গাঁথনিৰ quality construction হোৱা নাই। কোনখন বিদ্যালয়ত quality construction হোৱা নাই, সেই বিদ্যালয়খনৰ নাম দিলে আমাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰাত সুবিধা হ'ব। শিক্ষকৰ rationalization বা কোন কোন বিদ্যালয়ত শিক্ষকৰ নাটনি আছে, এনেধৰণে নিৰ্দিষ্টকৰণ কৰি specific সমস্যাসমূহ যদি মোৰ দৃষ্টিলৈ আনে তেন্তে মই সেইখিনি সমস্যা সমাধান কৰাৰ বাবে চেষ্টা কৰিম। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে পবিত্ৰ সদনৰ সকলো সদস্যক মই জনাবলৈ পাই সুখী যে ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ে বিদ্যালয় পৰিচালনা কৰাৰ বাবে পূৰ্বৰ যি পদ্ধতি আছিল সেইয়া এতিয়া কিছু সংশোধন কৰিছে। আগতে Class I ৰ পৰা Class VIII লৈ থকা বিদ্যালয়সমূহত School Management Committee আছিল আৰু যিবোৰ হাইস্কুল আৰু হায়াৰ ছেকেণ্ডাৰী স্কুল আছিল তাত School Management and Development Committee ( SMDC) আছিল। এতিয়া যি নতুন গাইডলাইন আহিছে সেই অনুসৰি সকলো বিদ্যালয়ত Class I ৰ পৰা Class XII লৈ, L.P, M.E, High and Higher Secondary সকলো বিদ্যালয়তে School Management Committee (SMC) হ'ব। এই School Management

Committee ৰ গঠন প্ৰণালীত ৭৫% সদস্য ছাত্ৰ-ছাত্ৰীৰ পিতৃ-মাতৃ আৰু ২৫% স্থানীয় educationist আৰু স্থানীয় পঞ্চায়ত বা municipality ৰ প্ৰতিনিধি বা Alumni Association ৰ প্ৰতিনিধি থাকিব। মই সকলোকে অনুৰোধ জনাম যে আমি SMC সমূহক শক্তিশালী কৰিব লাগে ।SMC সমূহক শিক্ষক-ছাত্ৰৰ উপস্থিতিৰ পৰা আৰম্ভ কৰি এক বহুত ডাঙৰ দায়িত্ব দিয়া হৈছে। প্ৰতিখন SMC ৰ কাৰ্য্যকাল ২ বছৰ হ'ব অৰ্থাৎ দুবছৰৰ মূৰে মূৰে নতুনকৈ SMC গঠন কৰিব লাগিব । যদি বিদ্যালয়খনৰ SMC শক্তিশালী হয় তেন্তে নিশ্চিতভাৱে বিদ্যালয়খনৰ পৰিচালনাও শক্তিশালী হ'ব আৰু বিদ্যালয়খনৰ যি অভাৱ-অভিযোগ আছে সেইখিনি চৰকাৰৰ বা জিলা প্ৰশাসনৰ দৃষ্টিগোচৰ কৰাৰ কাৰণে আটাইতকৈ competent authority য়েই হ'ব SMC। মই যোৱাকালিয়েই কৈছো শিক্ষাৰ অধিকাৰ আইন বলৱৎ কৰিব লাগে। যদি ৩০ জন ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়ত এজন শিক্ষক আছে তেন্তে it is violation of Right to Education Act. ৩০ জনতকৈ ছাত্ৰ-ছাত্ৰী কম থকা বিদ্যালয়ত যদি এজন শিক্ষক থাকে তেন্তে তাত Right to Education Act violate নহয়। ৩০ জন বা তাতোকৈ অধিক ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়ত যদি এজনেই শিক্ষক আছে তেন্তে তাৰ বাবে জিলা বা Block ৰ শিক্ষা বিষয়া জৱাবদিহী। কাৰণ ইয়াত আইনখনৰ উলংঘা হৈছে। এই আইনখন যাতে যথাযথ ভাৱে ৰূপায়ণ হয় তাৰ বাবেও SMC গুৰুত্বপূৰ্ণ। দক্ষিণ কৰিমগঞ্জৰ মাননীয় বিধায়কগৰাকীক মই অনুৰোধ কৰিছো যে তেখেতে তেখেতৰ সমষ্টিৰ SMC সমূহক শক্তিশালী কৰক আৰু আন্তঃগাঁথনি, PTR, শিক্ষকৰ rationalization ইত্যাদি যিসমূহ গুৰুত্বপূৰ্ণ বিষয় তেখেতে উত্থাপন কৰিছে তাৰ নিৰ্দিষ্ট বিদ্যালয়কেইখন identify কৰি আৰু সমষ্টিটোৰ সমস্যাসমূহ উল্লেখ কৰি যদি মোক জনায় তেনেহ'লে আমি এইখিনি সমাধান কৰিবলৈ চেষ্টা কৰিম। ধন্যবাদ।

**শ্ৰী আমিনুৰ ৰশিদ চৌধুৰী, ( দক্ষিণ কৰিমগঞ্জ)ঃ** মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক দক্ষিণ কৰিমগঞ্জৰ যিখিনি সমস্যা আছে তাৰ details জমা দিম আৰু মই তিনিওগৰাকী মন্ত্ৰী মহোদয়কে ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া ড° তপন দাস। কৃষি, পৰ্য্যটন আৰু জনস্বাস্থ্য কাৰিকৰীৰ ওপৰত ১০ মিনিট ক'ব।

**ড° তপন দাস, (ডিমৰীয়া)**ঃ মাননীয় অধ্যক্ষ মহোদয়, ষষ্ঠদশ বিধান সভাৰ Members' Hours ত আপুনি মোক ক'বলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। Starred Questionত বহুত প্ৰশ্ন দিছিলো কিন্তু Star হ'ব পৰা নাছিলো। আজি আপুনি আমাক Star কৰি দিলে। ডিমৰীয়াবাসী ৰাইজৰ হৈ মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। যদিও Starred Question আহে, অখিল দাই মাজতে মাত দি দিয়াৰ ফলত আমাৰ সময়খিনি পাৰ হৈ যায়। আজি আপুনি Star বনোৱাৰ বাবে ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত অসমত NDA য়ে যি বৃহৎ সাফল্য লাভ কৰিলে সেই সাফল্য লাভ কৰাৰ ফলশ্ৰুতিত আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৰা উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি ডিমৰীয়াৰ ৰাইজে মোক ভোটদান কৰি ডিমৰীয়াৰ প্ৰতিনিধি হিচাপে আগবঢ়াই দিলে। আজি বৃহত্তৰ ডিমৰীয়া অঞ্চলত ১৫ টা পঞ্চায়ত আৰু ৫ টা ৱাৰ্ডক লৈ উজনি অসমৰ ফালে যোৱা আৰু নামনি অসমৰ ফালে অহা এই দুয়োটা পথৰে মূল অঞ্চল হ'ল সোনাপুৰ। সোনাপুৰৰ নামটো আহিছিল সোণালী ৰঙৰ পৰা আৰু এই সোণালী ৰংটো আছিল সোনাপুৰৰ কমলাৰ। সোনাপুৰৰ এই বিখ্যাত কমলা বৰ্তমান সময়ত কালক্ৰমে কমি কমি আহি আছে। আমাৰ অসম- মেঘালয় সীমান্তত ডিমৰীয়া অঞ্চলৰ আম্প্ৰি ভেলীত এই বিখ্যাত কমলা পোৱা যায়। এই অঞ্চলত মাৰকাং, বান্দৰগোগ, মাগুৰচিলা, ফংআদপ, মাৰলাপ, দন্দাৰাই, পিঠাগোগ, পেছামসৰু, বৰকাচাৰাং, কলংপুৰ, কাছমলা, আমেৰিগোগ, আপাৰকিলিং আদি গাঁও সমূহত বৰ্তমানেও কমলা খেতি কৰা আমি দেখিবলৈ পাওঁ। ইয়াৰ আগতে কমাৰকুছি, পাটৰকুছি, ভদাইকুছি, ক্ষেত্ৰীৰ আপাৰ টেপেচীয়া, ঘগুৱা, ডিগাৰু, নামগাওঁ, মৰঙাবাৰী, মৈৰাকুছি, দৌলগুৰি, ৰংদলৈ, তপাতলীৰ আপাৰ কিমিয়কৰে আৰম্ভ কৰি প্ৰত্যেকটো অঞ্চলতে বৃহত্তৰ সোনাপুৰত এই কমলাৰ খেতি কৰা হৈছিল। কিন্তু বৰ্তমান সময়ত এই কমলা খেতি কম হৈ আহি আছে। তাৰ মূল কাৰণ

হ'ল- Stemborer নামৰ এবিধ পোকৰ উপদ্ৰৱত dieback বুলি এটা বেমাৰ এই কমলা গছবোৰত লাগে ফলত উৎপাদন কমি যায়। যাৰ ফলত খেতিয়কসকল ক্ষতিগ্ৰস্ত হৈছে। স্থানীয় নিয়ম মতে কমলাৰ গুটিৰ পৰা গছ হয় আৰু এই গুটিৰ পৰা গছ হৈ ফল দিওঁতে ৭ বছৰমান সময় লাগে। আমাৰ সুদক্ষ কৃষি মন্ত্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই আমাৰ সমষ্টিত গৈ জলসিঞ্চন আৰু কৃষিৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। তেখেতে আমাক আপেল, বগৰী, আনাৰসৰ খেতি কৰাৰ বাবে পুলি বিতৰণ কৰিব বুলি ইতিমধ্যে আশ্বাস দিছে। মাননীয় কৃষি মন্ত্ৰী ডাঙৰীয়াৰ বিভাগত উচ্চ মানৰ grafting পুলি যদি দিয়া হয় তেন্তে এই grafting পুলিৰ পৰা দুবছৰৰ ভিতৰতেই কমলা ফল হ'ব আৰু তেতিয়াহে কৃষক বা খেতিয়কসকল উপকৃত হ'ব। মাননীয় অধ্যক্ষ মহোদয়, ভাল Entomologist এ পৰ্যবেক্ষণ কৰিলে সেই অঞ্চলসমূহত যথেষ্ট কমলা খেতি হ'ব বুলি আমি আশাবাদী। ইয়াৰোপৰিও আম্প্ৰি ভেলীত আনাৰসৰ খেতি হয়। এই আনাৰসৰ খেতিয়কসকলেও যথেষ্ট পৰিমাণে খেতি কৰি আছে। আমি ভৱিষ্যতৰ দিনত সোনাপুৰৰ কমলা বুলি যি ব্ৰেণ্ড যেনেদৰে তেজপুৰৰ লিচু, সোনাপুৰৰ কমলা বৰ্তমান কমি গৈছে, সেইয়া উৎপাদনৰ পিছত ফল-মূলৰ অপচয় ৰোধ, উপযুক্ত মূল্য নিশ্চিতকৰণ কৃষকৰ আয় বৃদ্ধিৰ বাবে cold storage, pack house, food processing unit, value addition centre লগতে ফল-মূল ভিত্তিত processing cluster বা agro processing hub গঢ়ি তোলাৰ বাবে আমি ডিমৰীয়াবাসী ৰাইজৰ হৈ কৃষিমন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাইছো। আমি ভাবো, সুদক্ষ কৃষিমন্ত্ৰী শ্ৰীপীযুষ হাজৰিকা ডাঙৰীয়াৰ গাতে লাগে থকা আমপ্ৰিভেলীত খেতিয়কসকল যথেষ্ট উপকৃত হ'ব। সেই অঞ্চলত আমাৰ যুৱ বন্ধুসকলে orange festival ও পাতে, যাৰ ফলত এই কমলাটোৰ বেছি প্ৰচাৰ প্ৰসাৰ হ'ব পাৰে সেই বিষয়ো তাত প্ৰচাৰ কৰা হয় লগতে মই আৰু এটা আহ্বান জনাব বিচাৰিছো আমাৰ এই অঞ্চলৰ যিবিলাক পাহাৰ অঞ্চলৰ পৰা organic শাক-পাচলি আছে, এই organic শাক-পাচলি সমূহ বিক্ৰী কৰিবলৈ ভৈয়ামলৈ আহে। আমাৰ বেলতলা বজাৰ গুৱাহাটীত, গণেশগুৰি বজাৰ, যোৰাবাট বজাৰ, চন্দ্ৰপুৰ, পানীখাইটী এই

সকলো অঞ্চলত তেওঁলোকে আগনিশা ৰাতিৰ পৰা আহি ইয়াতে আমাৰ যি সমূহ organic শাক-পাচলি কলডিলেই হওঁক, কচুৱে হওঁক এইবিলাক বিক্ৰী কৰিবলৈ আহে। কিন্তু বিক্ৰী কৰিবলৈ আহোতে তেওঁলোকৰ সঠিক যাতায়াত নাথাকে। দ্বিতীয়তে, তেওঁলোকে য'ত বজাৰ দিয়ে, সেই বজাৰৰ ভাল set নাই। মই ভাবো আমি সোনাপুৰত, ক্ষেত্ৰী , চন্দ্ৰপুৰত, পানীখাইটীত বা যোৰাবাটত আমি যদি আমাৰ এই খিলঞ্জীয়া ভূমিপুত্ৰ সকলৰ বাবে ভাল organic শাক-পাচলি বিক্ৰী কৰাৰ বাবে খুব সুন্দৰকৈ যদি আমি set বনাই দিওঁ, তেতিয়াহ'লে যথেষ্ট উপকৃত হ'ব। আজি ২০২৬ চন, ২০২৯ চনত যাতে ২ বা ৩ বছৰ ধৰি আমি সোনাপুৰৰ কমলাক পুনৰ উদ্ধাৰ কৰি যাতে আমি ৰপ্তানি কৰিব পাৰো, এনেকুৱা এটা দিন আহিব বুলি আমি আশাবাদী আৰু কৃষিমন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাম। দ্বিতীয়তে, মই এতিয়া পৰ্য্যটনলৈকে আহিছো। আমাৰ অঞ্চলৰ আমাৰ পৰ্য্যটন বিভাগৰ মন্ত্ৰী শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানিক মই আহ্বান জনাম, আমাৰ ডিমৰীয়া অঞ্চলত চন্দ্ৰপুৰত খামৰেঙা বিল আছে, যিখন বিল, আমি যদি তাতে খুব সুন্দৰভাৱে বিলখন সংৰক্ষণ কৰি ইতিমধ্যে তাৰ থলুৱা যুৱক-যুৱতী আত্মনিৰ্ভৰ হৈছে। আমাৰ সেই বিলখন যদি আমি সংৰক্ষণ কৰি তাতে house boat কে আৰম্ভ কৰি বিভিন্ন থলুৱা খাদ্য boating আদি আমি যদি আৰম্ভ কৰি খামৰেঙা বিলখন সংৰক্ষণ কৰো, আমি নিশ্চত যে আমাৰ গুৱাহাটীৰ গাতে লাগে থকা চন্দ্ৰপুৰৰ এই খামৰেঙা বিল পৰ্য্যটনৰ এক অন্যতম স্থলী হিচাপে গঢ় লৈ উঠিব। আমাৰ তেতেলীয়াৰ মীটনীৰ জগন্নাথ মন্দিৰ, এই জগন্নাথ মন্দিৰৰ বিষয়ে বহুতে নাজানে। যদি পৰ্য্যটন বিভাগে এই জগন্নাথ মন্দিৰকো খুব সুন্দৰভাৱে আগবঢ়াই লৈ যায় আমি যথেষ্ট আনন্দিত হ'ম। মাননীয় অধ্যক্ষ মহোদয়, বগীবাৰী সত্ৰ আমাৰ গুৰুজনাৰ বগীবাৰী সত্ৰ আছে কলঙৰ পাৰতে, এই বগীবাৰী সত্ৰও যদি আমাৰ সংৰক্ষণ কৰা হয়, আমি নিশ্চিতভাৱে আনন্দিত হ'ম আৰু পৰ্য্যটনৰ এক অন্যতম স্থলী হিচাপে আমি দেখিবলৈ পাম। ক্ষেত্ৰীৰ মা কামাখ্যা দেৱালয় আমাৰ সেই অঞ্চলৰ লগতে অসমৰ বিভিন্ন স্থানৰ পৰা ইতিমধ্যে পৰ্য্যটক আহে, ধৰ্মীয় লোকসকল আহে আৰু মই ভাবো পৰ্য্যটন স্থলী

হিচাপে যদি গঢ়ি লোৱা হয়, নিশ্চিতভাৱে ক্ষেত্ৰীৰ কামাখ্যা দেৱালয়ো এক উল্লেখনীয় স্থান৷ ১২ শ শতিকাৰ ঘোমগাৰ শিৱমন্দিৰ, সেই শিৱমন্দিৰটো ইতিমধ্যে Archaeology Department য়ে কাম কৰিছে, সেই শিৱমন্দিৰৰ বিষয়েও আমাৰ চন্দ্ৰপুৰৰ কিছুমান মানুহেই নাজানে একেটাই সমষ্টিত। তাৰ কাৰণটো হ'ল প্ৰচাৰ আৰু প্ৰসাৰ কমকৈ হৈ আছে। আমি ভাবো পৰ্যটন স্থলীত খুব সুন্দৰকৈ কৰিলে চন্দ্ৰপুৰৰ নৰসিংহ থান, হাতীশিলাৰ গণেশমন্দিৰ, নাজিৰাখাটৰ গণেশ মন্দিৰ ইয়াৰ উপৰিও বিভিন্ন শিলালিপি আছে । সেই শিলালিপি সমূহ যদি খুব সুন্দৰকৈ আমি পৰ্য্যটন বিভাগে লওঁ, তেতিয়া কেৱল মাত্ৰ পৰ্যটন স্থলী সমূহৰ চিনাক্তই নহয়, আমি অৰ্থনৈতিক ভাবেও যথেষ্ট শক্তিশালী হ'ব পাৰিম । লগতে আমাৰ যিসকল যুৱক-যুৱতী আছে, তেখেতসকলক পৰ্য্যটন খণ্ডৰ জৰিয়তে আত্মনিৰ্ভৰশীল কৰি তোলাৰ উদ্দেশ্যে tourist guide, eco-tourism, river tourism, adventure tourism আদি দক্ষতা বিকাশৰ প্ৰশিক্ষণ ৰাজ সাহায্য আদি ৰেহাই মূল্যৰ ঋণ আৰু অন্যান্য বিত্তীয় সাহায্য প্ৰদানত চৰকাৰে বিশেষ আঁচনি ল'ব নেকি ? মই পৰ্য্যটন বিভাগৰ মন্ত্ৰী ডাঙৰীয়ানীৰ পৰা জানিব বিচাৰিছো আৰু এটা কথা ক'ব বিচাৰিছো মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ডিমৰীয়া সমষ্টিৰ ফালে গ'লে ন-মাইলৰ যি গণেশমন্দিৰ আছে, আঠ মাইলৰ গণেশমন্দিৰ পাৰ হৈ সেই বাটতোৱেদি আমি উজনি অসমলৈ যাও আৰু আমাৰ শ্বিলঙৰ ফালে যাওঁ। আমাৰ যদি পৰ্য্যটন বিভাগৰ ফালৰ পৰা আমাৰ যি বিভিন্ন জাতি জনগোষ্ঠী আছে, যিসকলে শ্বিলঙৰ ফালে যায়, বিভিন্ন ৰাজ্যৰ পৰা অহা পৰ্য্যটক বা যিসকলে উজনি অসমৰ ফালে যায় বা বেলেগ বেলেগ ৰাজ্যলৈ যায়, আমি যদি তাতে অঞ্চল এটা স্থিৰ কৰি আমাৰ বিভিন্ন থলুৱা খাদ্য, থলুৱা কাপোৰ লগতে আমাৰ বিভিন্ন মই যোৱাকালিও ক'ম বুলি ভাবিছিলো বিভিন্ন মানে আমাৰ গুৰুজনাৰ যদি আমি এখন ভাল পাৰ্ক কৰিব পাৰো যদিও গুৰুজনাই মূৰ্তি পূজা মানা নাছিল, আমি যদি গুৰুজনাৰ এটা মূৰ্তি থ'ব পাৰো বিভিন্ন ৰাজ্যৰ পৰা অহা পৰ্যটক আৰু আমাৰ যুৱ প্ৰজন্মই গুৰুজনাৰ মূৰ্তিটোও দেখিলে, আমি যেনেকৈ জোঙাল

বলহুৰ মূৰ্তি দেখা পাওঁ, আমাৰ গুৰুজনাৰ মূৰ্তি কমকৈ আছে, গুৰুজনাৰ প্ৰচাৰ প্ৰসাৰৰ কাৰণে আপুনিও কৰিছে, মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াইও যথেষ্ট আগভাগ লৈছে। কিন্তু গুৰুজনাৰ মূৰ্তি খুব কমকৈ আছে আমাৰ অসমত। আমি ভাবো, যদি আমি শংকৰদেৱৰ পাৰ্ক এখন কৰাৰ লগতে থলুৱা খাদ্যসমূহ সকলোখিনি আমি যদি পাৰ্ট পাৰ্ট কৰি কৰিব পাৰো, পৰ্যটকৰ এটা খুব সুন্দৰ স্থলী হ'ব বুলি আমি আশা কৰো। মাননীয় অধ্যক্ষ মহোদয়, মই আৰু এটা কথা ক'ব বিচাৰিছো। আমাৰ চন্দ্ৰপুৰত ঠাকুৰকুছি আদৰ্শ গাওঁ আছে। ঠাকুৰকুছি আদৰ্শ গাওঁৰ নিচিনা আমি নৰকাপুৰত যদি অসম মেঘালয় বোৰ্ডাৰত আমি যেনেকা শ্বিলঙত cleanest village চাব যাওঁ, আমি অসম মেঘালয় সীমান্তত বৰকাচাং এৰা, কলংপুৰ হওঁক, বান্দৰদো হওঁক, যিকোনো এখন গাওঁলৈ cleanest village লগতে আদৰ্শ গাওঁক লৈ কামটো যদি কৰিব পাৰো, নিশ্চিতভাৱ পৰ্যটক যথেষ্ট যাব আৰু এই পৰ্যটক সকলৰ জৰিয়তে আৰ্থ-সামাজিক দিশটো যথেষ্ট আগবাঢ়িব বুলি আমি আশাবাদী। মাননীয় অধ্যক্ষ মহোদয়, মোৰ শেষৰ যিটো আমাৰ PHE Department জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক মই দৃষ্টিগোচৰ কৰিব বিচাৰিছো আপোনাৰ জৰিয়তে যে আমাৰ ডিমৰীয়া সমষ্টিত, ডিমৰীয়া ব্লকত ১২ টা পঞ্চায়ত, চন্দ্ৰপুৰ ব্লকত ৩ টা পঞ্চায়ত আৰু গুৱাহাটীত ৫ টা ৱাৰ্ড আৰু ২ টা আংশিক ১২ নম্বৰ ৱাৰ্ড, ৫৫ নম্বৰ ৱাৰ্ড, ৫৬, ৫৭, ৫৮ আৰু ৫৯ আংশিক ৱাৰ্ড এই সমষ্টিটোত পৰে। এই সমষ্টিটোত আমি বিভিন্ন সময়ত ৰাইজৰ মাজত যাওঁতে নিৰ্বাচনৰ আগতেই হওঁক, নিৰ্বাচনৰ সময়তেই হওঁক, ৰাইজে খোৱাপানীৰ কথাটো বহু বাৰ কৈছিল। ৫৬ নং ৱাৰ্ডত প্ৰায় ২২ হাজাৰ লোক বসবাস কৰে আৰু যিটো অঞ্চল এতিয়াও জলজীৱন মিছনৰ অন্তৰ্ভুক্ত নহয়। সেই অঞ্চলত সম্পূৰ্ণ খোৱা পানীৰ যোগান ব্যৱস্থা স্থাপন কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা কৰিছে আমাক জনালে আমি নথৈ আনন্দিত হ'ম। মাননীয় অধ্যক্ষ মহোদয়, ৫৭ নং ৱাৰ্ডৰ ৰামনগৰ, বাপুজী নগৰ, শ্বহীদ নগৰ আদি অঞ্চললৈকে ADB ৰ অধীনত চলি থকা পানী যোগান প্ৰকল্পৰ কাম খৰতকীয়া কৰি শীঘ্ৰে পানী যোগান নিশ্চিত কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা

গ্ৰহণ কৰিছে ? বল্লগুৰিত PHE Department য়ে নিৰ্মাণ কৰা water tank ৰ পৰীক্ষণ সম্পূৰ্ণ হোৱাৰ পিছতো যোগান ধৰা হোৱা নাই। ৫৮ নং ৱাৰ্ডত কলিতাকুছি, বীৰকুছি, নাৰেংগী, সাতগাওঁ অঞ্চলত স্থৱিৰ হৈ থকা পানীযোগান আঁচনি পুনৰ কাৰ্য্যক্ষম কৰিবলৈ আহ্বান জনাইছো। আমাৰ গুৱাহাটীৰ সকলোতকৈ বেছি জনসংখ্যা থকা ৱাৰ্ড হ'ল ৫২ নং ৱাৰ্ড। ৫২ নং ৱাৰ্ডত খোৱাপানী ইতিমধ্যে ৮০ শতাংশই পাইছে। কিন্তু ২০ শতাংশই পোৱা নাই। এই ২০ শতাংশই কেতিয়া পাব এই কথাটো মই জানিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, নীৰ নিৰ্মল আঁচনিৰ যোগেদি আমাৰ পঞ্চায়তত পানী দিয়াৰ কথা আছিল। মই জনপ্ৰতিনিধি হোৱাৰ পিছত উপায়ুক্ত মহোদয়ৰ লগত ৰিভিউ মিটিং ও কৰিছিলো। আমি পঞ্চায়তৰ সভাপতি আৰু জিলা পৰিষদক লগত লৈয়ো এখন ৰিভিউ মিটিং কৰিছিলো। কিন্তু Fifteenth Finance ত পইচা পোৱাত কিছু বাধা আছে বুলি কৈ কামটো ৰৈ আছে। ইতিমধ্যে কিন্তু Fifteenth Finance ৰ ৫০% টকা release কৰা হৈছে। কাম আৰম্ভ হোৱা আমি দেখিবলৈ পোৱা নাই। মই আহ্বান জনাইছো যে যিহেতু আমাৰ পানীয়ে প্ৰাণ, পানী নহ'লে আমাৰ যথেষ্ট অসুবিধা হয়, মানুহ যথেষ্ট কষ্টত চলে। কিছু ক্ষেত্ৰত বৰিং কৰিছে যদিও কিছুমান বৰিং বেয়া হৈছে, কৰ'বাত পাইপ চুৰি হৈছে। বিভিন্ন ক্ষেত্ৰত মই আহ্বান জনাম যাতে মাননীয় মন্ত্ৰী মহোদয়ে এই আঁচনি সমূহ সুচল কৰি খোৱাপানী খিনি যাতে আমাৰ ডিমৰীয়াবাসী ৰাইজে পায়,এই কথাই মই আহ্বান জনাই পুনৰবাৰ মাননীয় অধ্যক্ষ মহোদয়ক মোৰ Members hour খিনি দিয়া বাবে ধন্যবাদ জ্ঞাপন কৰিছোঁ। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়।

**শ্ৰীপীয়ুষ হাজৰিকা, কৃষি মন্ত্ৰীঃ** সন্মানীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে তেখেতৰ সমষ্টিত কমলা খেতিৰ বিষয়ে বিস্তৃতভাৱে সদনত কেইটামান প্ৰশ্ন উপস্থাপন কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, মই যেতিয়া জাগীৰোডলৈ বা মোৰ গাঁৱৰ ঘৰলৈ যাওঁ বা আগতেও যেতিয়া সৰুতে গুৱাহাটীলৈ আহো, প্ৰত্যেক দিনাই ঠাণ্ডাৰ দিনত যথেষ্ট কমলা আমি সোনাপুৰ,

যোৰাবাট অঞ্চলত দেখা পাওঁ। আজিকালি তাৰ অলপ পৰিসৰ কমিছে। এতিয়া তাৰ ঠাই লৈছে বহুত বেছি আনাৰসে। কিন্তু এই অঞ্চলটো যিহেতু কমলা খেতিৰ কাৰণে উপযোগী গতিকে এইক্ষেত্ৰত আমাৰ নিশ্চয়কৈ কৰণীয় আছে বা কৰিবলগীয়া আছে। মাননীয় অধ্যক্ষ মহোদয়, মই technical কথাখিনি অলপ বিতং কৈ কোৱাৰ আগতে মই ক'ব খুজিছো যে সাধাৰণতে আমি যিখিনি ফলমূলৰ খেতি কৰো, ফলমূলৰ খেতিত প্ৰফিট অন্য খেতিতকৈ বেছি। কিন্তু ফলমূলৰ খেতিৰ কাৰণে আমি চাৰি-পাঁচবছৰ অপেক্ষা কৰিব লাগে। আমি ধান খেতি কৰিলে যিমান লাভ পাওঁ তাতকৈ বহুত বেছি আমি শাক-পাচলিৰ খেতি কৰিলে পাওঁ। শাক-পাচলিতকৈ আমি ফলমূলৰ খেতি কৰিলে বেছি লাভ পাওঁ। কিন্তু চাৰিৰ পৰা পাঁচ বছৰ অপেক্ষা কৰিব লাগে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, বহুত ক্ষেত্ৰত দেখা যায় আমাৰ কৃষকসকলে  কৰে যে – এডাল গছৰ যিখিনি আয়ুস, ধৰি ল'লো এডাল নাৰিকল গছৰ আয়ুস ৩০ বছৰ। আমাৰ খেতিয়কসকলে কি কৰে যে ৩০ বছৰ যে নাৰিকল এডাল হ'ল তাৰ পাঁচবছৰ আগতে নাৰিকল পুনৰ ৰোপণ কৰিব লাগিছিল সেইটো নকৰে। সেইটো নকৰাৰ ফলত তেওঁলোকে কয় যে এতিয়া নাৰিকলৰ প্ৰডাকশ্যন কমি গ'ল বা কমলাৰ প্ৰডাকশ্যন কমি গ'ল। মাননীয় অধ্যক্ষ মহোদয়, এইটো আমাৰ অসমৰ ক্ষেত্ৰত এটা অতি বেয়া লক্ষণ বুলি মই উপলব্ধি কৰো। মই তামোলৰ বিষয়েও আলোচনা কৰিছো, নাৰিকলৰ বিষয়েও আলোচনা কৰিছো। বহুতে কয় যে আমাৰ যি ফোনৰ টাৱাৰ থাকে তাৰ বাবে নাৰিকল নহয়। কিন্তু টাৱাৰটো বহুত দূৰত দূৰত থাকে। কিন্তু আপুনি যদি গৈ ভালকৈ চায় দেখিব যে ২০-২৫ বছৰ হোৱাৰ বাবে সেই গছ কেইডালৰ উৎপাদন ক্ষমতা কমি আহিছে। ঠিক তেনেকৈ কমলাৰ খেতিত ও হৈছে। তথাপিও মাননীয় অধ্যক্ষ মহোদয়, আমি কিছু কাম কৰিছো আৰু কৰিব লাগিব। তাৰবাবে  আমি সাজু আছো। কৃষি আৰু উদ্যান শস্য বিভাগৰ বিভিন্ন আঁচনিৰ অধীনত সোনাপুৰ অঞ্চলৰ কৃষকসকলক উচ্চ উৎপাদনক্ষম কমলা আৰু আনাৰসৰ উন্নতজাতৰ ৰোপণ সামগ্ৰী planting materials, basically Septic সময়ে সময়ে যোগান ধৰা হয়। চলিত বিত্তীয় বৰ্ষত

ডিমৰীয়া সমষ্টিত ৪৩,৩১০ টা আনাৰসৰ পুলিৰ আবন্টন জনোৱা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, distribution ও হৈছে কিজানি। কৃষক প্ৰশিক্ষণৰ প্ৰযুক্তি সংমিশ্ৰণ, আধুনিক কৃষি পদ্ধতি আৰু টোপাল জলসিঞ্চন(Drip Irrigation), সুষম সাৰ প্ৰয়োগ আৰু কীট-পতংগ নিয়ন্ত্ৰণৰ ওপৰত কৃষকসকলক মহকুমা, জিলা পৰ্য্যায়ত নিয়মিত প্ৰশিক্ষণ আৰু ক্ষেত্ৰ প্ৰদৰ্শনী , Field demonstration প্ৰদান  কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, কৃষকসকলক উচিত মূল্য প্ৰদান কৰাৰ উদ্দেশ্যে Farmer Producer Company , FPOC বা FPO গঠনৰ জৰিয়তে স্থানীয় আৰু ৰাজ্যিক বজাৰৰ সৈতে পোনে পোনে সংযোগ স্থাপনৰ ব্যৱস্থা কৰা হৈছে। কমলাৰ উৎপাদন বৃদ্ধি কৰাৰ বাবে ২০২৪-২৫ বৰ্ষত কামৰূপ মহানগৰ জিলাত কমলাৰ ১০৯৭৫ টা উন্নতমানৰ পুলি যোগান ধৰা হৈছে। কামৰূপ মহানগৰ জিলাত ২০২৫-২৬ বৰ্ষত ৮৪,৬১৫ টা আৰু ২০২৬-২৭ বৰ্ষত ৫৬,৪১০ উন্নতমানৰ সোনাপুৰ অঞ্চলৰ কমলা বাগান সমূহ পুনৰ উজ্জীৱিত কৰিবৰ বাবে উন্নতমানৰ ভাইৰাচ মুক্ত পুলি দিয়াৰ পৰিকল্পনা কৰা হৈছে। ইতিমধ্যে সোনাপুৰ অঞ্চলত ভাৰত-ইজৰাইল উৎকৰ্ষ সাধন কেন্দ্ৰত কৃষি বিভাগৰ ফালৰ পৰা ৰাজ্যৰ অন্যান্য অঞ্চলৰ কৃষকৰ লগতে সোনাপুৰ অঞ্চলৰ কৃষকসকলকো প্ৰশিক্ষণ দিয়া হৈছে আৰু ভৱিষ্যতেও ইয়াৰ প্ৰশিক্ষণ দিয়াৰ পৰিকল্পনা আছে। আধুনিক কৃষি প্ৰযুক্তি আৰু বজাৰ সংযোগ নিশ্চিত কৰাৰ বাবে চৰকাৰে এই অঞ্চলতেই ৰাজ্যৰ কৃষকসকলৰ বাবে ভাৰত-ইজৰাইল উৎকৰ্ষ সাধন কেন্দ্ৰটো স্থাপন কৰিছে। বজাৰ সংযোগ কৰাৰ বাবে বিভিন্ন পৰ্য্যায়ত ক্ৰেতা-বিক্ৰেতাৰ সন্মিলন পাতি বিভিন্ন ৰপ্তানি গ্ৰাহকৰ সৈতে যোগাযোগৰ সুবিধা কৰি দিছে। উৎপাদিত ফলমূলৰ অপচয় ৰোধ আৰু উপযুক্ত মূল্য নিশ্চিত কৰি কৃষকৰ আয় বৃদ্ধিৰ বাবে Cold Storage, Pack House, Food Processing Unit আৰু Value Addition Centre স্থাপনৰ বাবে উত্তৰ-পূব আৰু হিমালয়ৰ পাদ্ দেশৰ আদি ৰাজ্য সমূহৰ বাবে উদ্যান শস্য অভিযান আঁচনিৰ জৰিয়তে উদ্যোগী কৃষক উৎপাদক গোটে ৫০ শতাংশ ৰাজসাহাৰ্য্য লাভ কৰিব পাৰে। সোনাপুৰ অঞ্চলত ইতিমধ্যে উত্তৰ-পূৰ্ব্বাঞ্চলৰ বাবে জৈৱিক মূল্য শৃঙ্খল

উন্নয়ন অভিযান MOVCDNER আঁচনিৰ অধীনত তেতেলীয়া কৃষক উৎপাদক কোম্পানী গঠন কৰা হৈছে। এই আঁচনিৰ জৰিয়তে তেতেলীয়াৰ মূল সংযোজন উদ্যোগ স্থাপন কৰা হৈছে। ভৱিষ্যতেও আগ্ৰহী কৃষকে উত্তৰ-পূব আৰু হিমালয় পাদ্ দেশৰ ৰাজ্য সমূহৰ বাবে উদ্যান শস্য অভিযান আঁচনিৰ অধীনত অগ্ৰিম গোট স্থাপন কৰাৰ বাবে আবেদন কৰি আঁচনিৰ সুবিধা গ্ৰহণ কৰিব পাৰে। মই সন্মানীয় বিধায়ক গৰাকীক আহ্বান জনাম যে যিসকল কমলা খেতিয়ক তেওঁলোকে যদি এখন সভাৰ ব্যৱস্থা কৰি দিব পাৰে তেতিয়াহ'লে মই বিভাগৰ সকলো বিষয়া-কৰ্মচাৰীক লৈ যোৱাৰ ব্যৱস্থা কৰিম আৰু তাত কি কি কৰিব লাগে তাৰবাবে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিম। তেওঁলোকক যদি আৰু Sapling দিব লাগে, কেনেকৈ দিব লাগে তাৰ নিশ্চিত ব্যৱস্থা কৰিম। কিন্তু এটা কথা মই আকৌ কৈছো যে পুৰণা গছবোৰৰ ঠাইত নতুন গছ লগোৱাৰ বাবে কৃষকসকল সাজু হ'ব লাগিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়া।

**শ্ৰীমতী অজন্তা নেওঁগ, পৰ্য্যটন মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক তপন দাস ডাওঁৰীয়াই তেখেতৰ ডিমৰীয়া সমষ্টিৰ পৰ্য্যটনৰ বিকাশৰ ক্ষেত্ৰত কিছু কথা সদনত অৱগত কৰিছে । মই প্ৰথমতে মাননীয় সদস্য গৰাকীক ধন্যবাদ জ্ঞাপন কৰিছো। প্ৰথমবাৰৰ বাবে তেখেত নিৰ্বাচিত হৈ নিজৰ সমষ্টিটোক পৰ্য্যটনৰ এখন ঠাই হিচাপে গঢ়িবৰ বাবে তেখেতে যিখিনি পৰিকল্পনা কৰিছে, সেই পৰিকল্পনা অতি সৎ পৰিকল্পনা যাৰ বাবে মই শুভেচ্ছা জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আমি জানো যে ডিমৰীয়া সমষ্টিটো প্ৰাকৃতিক সৌন্দৰ্য্য, ধৰ্মীয় তীৰ্থস্থান, ঐতিহাসিক নিদৰ্শন, ঐতিহ্য, নদ-নদী, বনাঞ্চল এক অপূৰ্ব সমন্বয়ৰে গঠিত অসমৰ এক অন্যতম সম্ভাৱনাময় পৰ্য্যটন অঞ্চল। গুৱাহাটী মহানগৰীৰ নিকটৱৰ্তী অৱস্থান, উন্নত পথ যোগাযোগ ব্যৱস্থা আৰু বৈচিত্ৰময় পৰ্যটন সম্পদে এই অঞ্চলটোক ৰাজ্যৰ এক উল্লেখযোগ্য পৰ্যটন গন্তব্যস্থান হিচাপে গঢ়ি তোলাৰ যথেষ্ট সম্ভাৱনা সৃষ্টি কৰিছে। এই সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি বিভাগৰ দ্বাৰা বহনক্ষম আৰু পৰিকল্পিত পৰ্যটন

বিকাশৰ বাবে প্ৰয়োজনীয়তা আছে। তাৰ কাৰণে আমি আন্তৰিক প্ৰচেষ্টা গ্ৰহণ কৰিম। চন্দ্ৰপুৰৰ থামৰেঙা বিল, তেতেলীয়া মিতনিৰ জগন্নাথ মন্দিৰ, বগীবাৰীত অৱস্থিত বগীবাৰী সত্ৰ, ক্ষেত্ৰীৰ কামাখ্যা দেৱালয়, ১২০০ শতিকাৰ ভোমগাঁও শিৱ মন্দিৰ, চন্দ্ৰপুৰস্থিত নৰসিংহ খান আৰু হাতীশিলাৰ গণেশ মন্দিৰৰ উপৰিও বিভিন্ন পৰ্যটন অঞ্চল সমূহ উন্নত কৰাৰ বাবে আমি প্ৰচেষ্টা গ্ৰহণ কৰিম। অধ্যক্ষ মহোদয় মই সদস্য গৰাকীক আশ্বস্ত কৰিবলৈ কৈছো যে মই নিজে গৈ তেখেতৰ লগত তেখেতৰ সমষ্টিটো ভ্ৰমন কৰিম। আমি গোটেইখিনি চাই আগন্তুক সময়চোৱাত ইয়াত Eco-Tourism, Religious- Tourism ৰ সম্ভাৱনীয়তা আছে আৰু পৰ্যটনৰ বিকাশৰ কাৰণে আমি সেই গোটেই অঞ্চলটো কেনেকৈ বিকাশ কৰিব পাৰো তাৰ কাৰণে মই বিধায়ক ডাঙৰীয়াৰ লগত আলোচনাত বহিম আৰু এই আলোচনাত আমাৰ বিষয়া সকলো থাকিব আৰু আমি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনিৰে এই অঞ্চলটোক কেনেকৈ পৰ্যটনৰ এক আকৰ্ষিত অঞ্চল হিচাপে পৰিগণিত কৰিব পাৰো তাৰ বাবে মই চেষ্টা কৰিম। বৰ্তমান সময়ত গুৱাহাটী খন উত্তৰপূবৰ এক Hub হিচাপে পৰিগণিত হৈছে। অকল ভাৰতৰে নহয় বিশ্বৰ বিভিন্ন ঠাইৰ পৰা ইয়ালৈ অন্তঃৰাষ্ট্ৰীয় পৰ্য্যটক, ৰাষ্ট্ৰীয় পৰ্য্যটক আৰু ঘৰুৱা পৰ্য্যটক সকলো আহিছিল। আৰু এই পৰ্য্যটক সকলে গুৱাহাটীত যদি কেইদিনমান থাকিব বিচাৰে তেতিয়া ইয়াৰ দাতি কাষৰীয়া অঞ্চল বোৰত পৰ্য্যটনৰ বিকাশ কৰিব লাগিব। গতিকে মই ভাৱো যে ডিমৰীয়া অঞ্চলত বাহিৰৰ পৰা অহা যথেষ্ঠ খিনি পৰ্য্যটক ৰখাৰ সমল আছে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া জনস্বাস্থ্য কাৰীকৰি বিভাগৰ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কৃষ্ণেন্দু পাল, (মন্ত্ৰী):** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ডিমৰীয়া সমষ্টিৰ বিধায়ক ডাঃ তপন দাসে নিয়ম ২৩(২) অধীনত কেইটামান গুৰুত্বপূৰ্ণ কথা দাঙি ধৰিছে। ডিমৰীয়া সমষ্টিত ১৫ খন গাওঁ পঞ্চায়ত আৰু ৫ টা ৱাৰ্ডত বিশুদ্ধ খোৱা পানীৰ সমস্যাটো নোহোৱা কৰাৰ বাবে জলজীৱন আঁচনিৰ জৰিয়তে আমি বহু কেইটা আঁচনি লৈছো। ইয়াৰ কিছুমান সম্পূৰ্ণ হৈছে। বৰুৱাবাৰী গাওঁ পঞ্চাতৰ অৰ্ন্তগত সোনাপূৰ চাহ বাগিছা পানী যোগান আঁচনি কাৰ্য্যকৰী হৈ আছে।

মালৈবাৰী গাওঁ পঞ্চায়তৰ অৰ্ন্তগত পূৰ মালৈবাৰী পানী যোগান আঁচনি কাৰ্য্যক্ষম হৈ আছে। আমচিং গাওঁ পঞ্চায়তৰ অন্তৰ্গত জৰ্নাবষ্ঠী পানী যোগান আঁচনি কাৰ্য্যক্ষম হৈ আছে। আমচিং গাওঁ পঞ্চায়তৰ অৰ্ন্তগত ১ নং আমচিং পানী যোগান আঁচনিৰ নিৰ্মাণৰ কাম চলি আছে SOPD ৰ জৰিয়তে। চন্দ্ৰপুৰ আৰু ডিমৰীয়া খণ্ডৰ বাবে সংমিশ্ৰন পানী যোগান আঁচনি আংশিকভাৱে কাৰ্য্যক্ষম হৈছে আৰু এই আঁচনিটো ২০১৫ চনতে অনুমোদিত হৈছিল। এই আঁচনিটোৰ ব্যয় আছিল ২২৬.৭৬ কোটি টকা আৰু পিছত ইয়াক বৃদ্ধি কৰি তাত কেইটামান আঁচনি সংযোগ কৰা হৈছিল। তাৰ কাৰণে নিবিদা দিয়া হৈছিল ৩৫৮.৬৮ কোটি টকা। ডিমৰীয়া সমষ্টিত বৰ্তমান দুখন পানীযোগান আঁচনি নিৰ্মীয়মান অৱস্থাত আছে। আমাৰ এই সংমিশ্ৰন আঁচনিৰ এতিয়ালৈকে ৩৮ হেজাৰ ৫৩ ঘৰ মানুহৰ ভিতৰত ৫১৪১ টা পৰিয়াললৈ পানী যোগান ধৰা হৈছে। বাকী থকা কামখিনি ২০২৬ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত কৰিম বুলি স্থিৰ কৰা হৈছে। আৰু আমাৰ অধিবেশনৰ পিছত এই আঁচনিখন চাবলৈ মই নিজে যাম লগতে বিভাগৰ সকলো বিষয়া বিশেষকৈ আমাৰ MD থাকিব আৰু মুখ্য অভিযন্তাকো আমি মাতিছো। 15th Finance Commission ৰ পইছা খৰছৰ ক্ষেত্ৰত নিৰ্বাচনৰ আগতে কেবিনেট সিদ্ধান্ত হৈছিল। আৰু ডিচেম্বৰ ২০২৬ ভিতৰত আমি যাতে এই আঁচনিটো শেষ কৰিব পাৰো তাৰ কাৰণে আমি সিদ্ধান্ত লৈছো। ডিমৰীয়া সমষ্টিত যদি আৰু কিবা কাম কৰিবলগিয়া আছে মই বিধায়কক লগত লৈ সেই কামখিনি কৰাৰ বাবে ব্যৱস্থা লম।

**ডঃ তপন দাস, ( ডিমৰীয়া ) :** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয় সকলক ধন্যবাদ দিছো। লগতে কৃষি মন্ত্ৰী মহাশয়ক ডিমৰীয়া অঞ্চলত মৌ পালনৰ বাবে ব্যৱস্থা লবলৈ অনুৰোধ জনাম।

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং ৩, সংকল্প প্ৰস্তাৱ নিয়ম ১১৫ অধীনত শ্ৰী ওৱাজেদ আলী চৌধুৰী, মঃ নুৰুল হুদা আৰু শ্ৰী আব্দুৰ ৰহিম আহমেদ। তেওঁলোকৰ সংকল্প প্ৰস্তাৱৰ বিষয় বস্তু একে হোৱাৰ বাবে তেওঁলোকৰ সংকল্প

প্ৰস্তাৱটো সদনত উত্থাপন কৰি ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো। লগতে প্ৰতিগৰাকীয়ে যাতে ১০ মিনিট কৈ বক্তব্য ৰাখে।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, (বিৰসিং জৰুৱা)**ঃ মাননীয় অধ্যক্ষ মহোদয়, ফল ১১৫ ৰ অধীনত এটা সংকল্প প্ৰস্তাৱ উত্থাপন কৰাৰ সুযোগ দিয়াৰ বাবে আপোনালৈ আন্তৰিক ধন্যবাদ যাচিছো। সংকল্প প্ৰস্তাৱটো হল- "অসমত স্থায়ীভাৱে বসবাস কৰি থকা ভূমিহীন গৰাখহনীয়াগ্ৰস্থ, বানপীড়িত, দুৰ্যোগপীড়িত আৰু উচ্ছেদিত বৈধ ভাৰতীয় নাগৰিকসকলক চৰকাৰী নীতি-নিয়ম অনুসৰি মাটিৰ বন্দোবস্ত তথা আৱণ্টন দি স্থায়ী ৰূপত পুনৰ সংস্থাপনৰ ব্যৱস্থা গ্ৰহণৰ উদ্দেশ্যে এই সদনে চৰকাৰক উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনাই এই সংকল্প প্ৰস্তাৱ গ্ৰহণ কৰা হওঁক"।অধ্যক্ষ মহোদয়,

অসমত বৰ্তমান এঠাইৰ পিছত আন এক এঠাইত উচ্ছেদ কাৰ্য চলি আছে। সংৰক্ষিত বনাঞ্চল, ধৰ্মীয় অনুষ্ঠান, পি জি আৰ, ভি জি আৰ আৰু চৰকাৰী ভূমি বেদখলকাৰীসকলক উচ্ছেদ কৰা হৈছে। বেদখল হৈছে কাৰণে উচ্ছেদ কৰা হৈছে। বেদখল নহ'লে উচ্ছেদ কৰাৰ প্ৰশ্নই নাহে। বেদখল কিয় হ'ল, সেয়া আমি নিশ্চয় ফঁহিয়াই চোৱা উচিত। মাননীয় অধ্যক্ষ মহোদয়, অসমত এক বৃহৎ নদী নেটৱৰ্ক আছে। প্ৰধান নদী ব্ৰহ্মপুত্ৰ আৰু বৰাক আৰু ইয়াৰ পঞ্চাশটামান উপনদী আছে। এই উপনদীসমূহেদি চুবুৰীয়া পাহাৰীয়া ৰাষ্ট্ৰ ভূটান আৰু চুবুৰীয়া পাহাৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম আদিৰ পানী বৈ আহি ব্ৰহ্মপুত্ৰ আৰু বৰাকত পৰে। বাৰিষা কালত এই নদীৰ নেটৱৰ্কে ব্যাপক বানপানীৰ সৃষ্টি কৰে। প্ৰতিবছৰে একাধিকবাৰ বানপানীৰ সৃষ্টি হয়। প্ৰতিবছৰে অসমত ভাৰতৰ আইন ৰাজ্যৰ তুলনাত অধিক সময়ৰ বাবে আৰু অধিক তীব্ৰতাৰে বানপানী হয়। এই বানপানীয়ে অসমৰ সম্পত্তিৰ বিস্তৰ ক্ষতি সাধন কৰে আৰু উন্নয়নত ব্যাপক বিৰূপ প্ৰভাৱ পেলায়।অসমৰ মুঠ মাটিকালি 78.523 লাখ হেক্টৰ। তাৰে 31.05 লাখ হেক্টৰ অঞ্চলেই বানৰ কবলত পৰে। ই অসমৰ মুঠ মাটিকালিৰ শতকৰা 39.58 ভাগ অৰ্থাৎ মুঠ মাটিকালিৰ শতকৰা প্ৰায় 40 ভাগ। লগতে অইন ৰাজ্যৰ তুলনাত অসমত অধিক সময়ৰ বাবে আৰু

অধিক তীব্ৰতাৰে বানপানী হয়। মাননীয় উপাধ্যক্ষ মহোদয়, আনহাতে, ৰাজ্যখনৰ ভূতৰ ওপৰত দানৱ পৰাদি গৰাখহনীয়াই কালৰূপ ধাৰণ কৰে। ৰাজ্যখনৰ গৰাখহনীয়া সমস্যাৰ দৰে গভীৰ সমস্যা দেশৰ অইন ৰাজ্যত নাই। গৰাখহনীয়াত প্ৰতিবছৰে গড়ে ৮ হাজাৰ হেক্টৰ অৰ্থাৎ প্ৰায় ৬০ হাজাৰ বিঘা ভুমি নদীৰ বুকুত জাহ গৈ আছে। ১৯৫০ চনৰ পৰা সৰ্বমুঠ ৪.২৭ লাখ হেক্টৰ অৰ্থাৎ প্ৰায় ৩২ লাখ বিঘাতকৈ অধিক ভূমি নদীৰ বুকুত জাহ গৈছে। প্ৰায় এটা দশক পুৰণি ৰিপোৰ্ট মতে ২, ৫০০ তকৈ অধিক গাঁও সম্পূৰ্ণৰূপে আৰু ৫০০ তকৈ অধিক গাঁও আংশিকভাৱে নদীৰ বুকুত বিলীন হৈ গৈছে। এই তথ্যৰ ওপৰত ভিত্তি কৰি অনুমান কৰিব পাৰি যে প্ৰায় ৩০ লাখ লোক এই গৰাখহনীয়াৰ ফলত আশ্ৰয়হীন হৈ পৰিছে। নদীত জাহ যোৱা গাঁওসমূহৰ সৰহসংখ্যকেই সংখ্যালঘু বসতি প্ৰধান আছিল যদিও একাংশ গাঁও সংখ্যাগুৰু সম্প্ৰদায়ৰো আছিল। আশ্ৰয়হীন হোৱা লোকৰ তথ্য চৰকাৰৰ হাতত মজুত নাই যদিও আনুমানিক ২০ ৰ পৰা ২৫ লাখ লোক সংখ্যালঘু সম্প্ৰদায়ৰ আৰু ৫ ৰ পৰা ৭ লাখ লোক সংখ্যাগুৰু সম্প্ৰদায়ৰ হ'ব বুলি ঠাৱৰ কৰিব পাৰি। উদাহৰণ স্বৰূপে আমাৰ বিৰসিং জৰুৱা বিধানসভা সমষ্টিৰ গৰাখহনীয়াৰ ভয়াবহতা দাঙি ধৰিব বিচাৰিছো। এই সমষ্টিৰ অন্তৰ্গত বুঢ়াবুঢ়ীৰ পৰা ফকিৰগঞ্জলৈ; নীলখীয়া, মুটাখোৰি, মহামায়া, ফুলকাকাটা, মহৰিৰ চৰ, পোৰাৰ চৰ, আৰিমাৰী, বৰিসিং, চলাকুৰা, পদ্মেৰ আলগী, ফুলকাটাৰী, মাছিপাৰা, বন্দীহানা, বয়েজেৰ আলগা, বয়েজেৰ আলগা দক্ষিণ, বয়েজেৰ আলগা উত্তৰ, বাহিৰ শালমাৰা, মায়াৰ চৰ, কাঠালদি, বাহিৰ চুৱাপাতা, মাশেনেৰ আলগা আৰু ভূতনাথ আদি বহু অঞ্চলত ব্ৰহ্মপুত্ৰ আৰু টিপকাই নদীয়ে সৃষ্টি কৰা বানপানী আৰু গৰাখহনীয়াই প্ৰতি বছৰে জনজীৱন সম্পূৰ্ণ বিপৰ্য্যস্ত কৰি আহিছে। এই গৰাখহনীয়াৰ ফলত এটা সমষ্টিতে ২০ পৰা ২৫ হাজাৰ পৰিয়াল আৰু লক্ষাধিক লোক আশ্ৰয়হীন তথা ভূমিহীন হৈ পৰিছে। ৰাজ্য চৰকাৰে বানপানী আৰু গৰাখহনীয়া সমস্যা সমাধান কৰাৰ বাবে চেষ্টা কৰি আছে। RIDF, SOPD, FMBAP, AIRBMP, SDRF আদিৰ অধীনত কিছু আঁচনি হাতত লৈছে যদিও সেয়া এপাচি শাকত এটা জালুক সদৃশ।

গতিকে ৰাজ্য চৰকাৰে কেন্দ্ৰ চৰকাৰক হেচা প্ৰয়োগ কৰি এই সমস্যা ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাটো প্ৰয়োজনীয় হৈ পৰিছে। যাতে ৰাজ্য আৰু কেন্দ্ৰ চৰকাৰৰ পুজিৰ পৰা যথা-প্ৰয়োজনীয় ধন বানপানী আৰু গৰাখহনীয়া প্ৰতিৰোধ কৰাৰ সময় সীমাবদ্ধ আচনি গ্ৰহণ কৰিব পাৰে আৰু ৰাজ্যখনৰ অমূল্য ভূমি সম্পদ ৰক্ষা কৰিব পাৰে। মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে উল্লেখ কৰা 30 লক্ষাধিক আশ্ৰয়হীন হৈ পৰা লোকসকলৰ সংস্থাপনৰ ব্যৱস্থা চৰকাৰে কৰা নাই বুলি ক'লেও ভুল কোৱা নহ'ব। এই ভূমিহীন লোকসকলে অনাই-বনাই ঘূৰি ফুৰি য'তে খালী মাটি পাইছে, তাতেই আশ্ৰয় গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। তেওঁলোকে কিন্তু কোনো ব্যক্তিগত মালিকানাধীন ভূমি বেদখল কৰা নাই। আনফালে সামান্য সংখ্যক লোক ভূমি থকা সত্ত্বেও বেদখলকাৰীৰ ৰূপত ভূমি বেদখল কৰিছে। তাৎপৰ্যপূৰ্ণ বিষয় যে ভূমি থকা সত্ত্বেও বেদখলকাৰীৰ ৰূপত অগ্ৰসৰ হোৱা লোকসকলৰ একাংশৰ ভূমি নদীৰ বুকুত ইতিপূৰ্বে জাহ গৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, ভূমি বেদখল হ'লে প্ৰয়োজনবশতঃ চৰকাৰে উচ্ছেদ কৰিব পাৰে। আমি তাৰ বিৰোধিতা নকৰো। কিন্তু উচ্ছেদ কাৰ্য সম্পাদন কৰাৰ সময়ত কোনো লোকৰ যাতে সংবিধান প্ৰদত্ত আশ্ৰয়ৰ অধিকাৰ (Right to Shelter), জীৱনৰ অধিকাৰ (Right to Life) আৰু মানৱ অধিকাৰ খৰ্ব কৰা নহয়, তাৰ প্ৰতি চৰকাৰে দৃষ্টি ৰখা উচিত। আমি দেখা পাইছো যে অতি কম সময়ৰ ভিতৰত উচ্ছেদ কাৰ্য সম্পাদন কৰি নাগৰিকসকলক মুকলি আকাশৰ তললৈ খেদি পঠিওৱা হৈছে। জীৱনৰ নিৰাপত্তা, খাদ্য আৰু শিক্ষা-দীক্ষা আদিৰ কথাটো বাদেই, এটুপি পানীৰ বাবেও হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। এনে এক ভয়াৱহ ঘটনাই সংবিধানৰ অনুচ্ছেদ 21 আৰু 19 (1) (E) মতে প্ৰদান কৰা আশ্ৰয়ৰ অধিকাৰ (Right to Shelter), জীৱনৰ অধিকাৰ (Right to Life) উলংঘন কৰে। এয়া মানৱ অধিকাৰ উলংঘনৰো এক জ্বলন্ত উদাহৰণ হিচাপে বিবেচিত হৈছে। আনহাতে, ১০ ডিচেম্বৰ ১৯৪৮ চনতে ভাৰত চৰকাৰ Universal Declaration of Human Rights ত স্বাক্ষৰ কৰিছে। গতিকে এনেকুৱা বলপূৰ্বক উচ্ছেদে সংবিধান প্ৰদত্ত অধিকাৰ Right to Shelter আৰু Right to Life ভংগ কৰাৰ লগতে

Universal Declaration of Human Rightsৰ চৰ্তসমূহ অমান্য কৰে। আনফালে মহামান্য উচ্চতম ন্যায়ালয় আৰু দিল্লী উচ্চ ন্যায়ালয়ে কেইবাটাও গোচৰ, যেনে- উচ্চতম ন্যায়ালয়ৰ ৰাজেশ যাদৱ বনাম ষ্টেট অৱ ইউ পি আৰু দিল্লী উচ্চ ন্যায়ালয়ৰ অজয় মাকেন বনাম ইউনিয়ন অৱ ইণ্ডিয়া আদি গোচৰৰ ৰায়যোগে চৰকাৰক আশ্ৰয়ৰ অধিকাৰ ভংগ নকৰিবলৈ আদেশ দি থৈছে আৰু আগতীয়াকৈ বিকল্প সংস্থাপনৰ ব্যৱস্থা গ্ৰহণৰ কথাও উল্লেখ কৰিছে।

মাননীয় উপাধ্যক্ষ  মহোদয়, এনেহেন পৰিস্থিতিত আমি চৰকাৰক অনুৰোধ জনাওঁ যে জধেমধে বলপূৰ্বক উচ্ছেদ কৰি সাংবিধানিক আৰু মানৱ অধিকাৰ ভংগ কৰি মানৱীয় দুৰ্যোগ সৃষ্টি নকৰে যেন। উচ্ছেদ কাৰ্য সম্পাদন কৰোতে মানৱ অধিকাৰ উলংঘন লাঘৱ কৰা, নাগৰিকৰ সংবিধান প্ৰদত্ত আশ্ৰয়ব অধিকাৰ ৰক্ষা কৰা আৰু শিশুসকলৰ শিক্ষাৰ অধিকাৰ ৰক্ষা কৰাৰ স্বাৰ্থত ৰাজ্যখনত চলি থকা উচ্ছেদ কাৰ্য সম্পাদন কৰাৰ বাবে যথোপযুক্ত কৰ্মপদ্ধতি SOP উদ্ভাৱন আৰু প্ৰয়োগেৰে উচ্ছেদ কৰিবলগীয়া নাগৰিকক আগতীয়া সংস্থাপনৰ ব্যৱস্থা কৰে যেন। এই কৰ্মপদ্ধতি SOP উদ্ভাৱন আৰু প্ৰয়োগ নকৰা পৰ্যন্ত বৰ্তমানে চলি থকা উচ্ছেদ কাৰ্য বন্ধ ৰাখিবলৈ অনুৰোধ জনালো। সেয়েহে এই গুৰুত্বপূৰ্ণ সংকল্প প্ৰস্তাৱটো সদনে পাৰিত কৰিব বুলি বিশ্বাস ৰাখি সদনত উপস্থাপন কৰিলো। লগতে দাবী জনাব বিচাৰিছো যে ইতিমধ্যে যিবিলাক স্থানত উচ্ছেদ কৰা হৈছে যেনে ধলপুৰ, শিলসাকো, পাইকান, হাচিলাবিল, বিলাসীপাৰা, উৰিয়ামঘাট, বুঢ়াচাপৰি, লক্ষীমপুৰ, হোজাই, ছিপাঝাৰ, কাৰ্বিআংলং আদি স্থান সমুহৰ পৰা উচ্ছেদিত সকলক কি ধৰণে সংস্থাপন দিয়া হৈছে; তাৰ বুজ লবলৈ বিধান সভাৰ এক সৰ্বদলীয় সমিতি গঠন কৰা হওক। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য মঃ নুৰুল হুডা।

**মঃ নুৰুল হুডা, ৰূপহীহাটঃ** মাননীয় উপাধ্যক্ষ মহোদয়, under Rule 115 মতে আমি যি সংকল্প প্ৰস্তাৱ দাখিল কৰিছিলোঁ, সেই সংকল্প প্ৰস্তাৱ উত্থাপন কৰিবলৈ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছোঁ।

মোৰ প্ৰস্তাৱটো হ'ল "অসমৰ স্থায়ীভাৱে বসবাস কৰি থকা ভূমিহীন, গৰাখহনীয়াগ্ৰস্থ, বানপীড়িত, দুৰ্যোগপীড়িত আৰু উচ্ছেদিত বৈধ ভাৰতীয় নাগৰিকসকলক চৰকাৰী নীতি-নিয়ম অনুসৰি মাটিৰ বন্দোৱস্ত তথা আবণ্টন দি স্থায়ীভাৱে পুনৰ সংস্থাপনৰ ব্যৱস্থা গ্ৰহণৰ উদ্দেশ্যে এই সদনে চৰকাৰক উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনাই এই সংকল্প প্ৰস্তাৱ গ্ৰহণ কৰা হওক।" মাননীয় উপাধ্যক্ষ মহোদয়, গৰাখহনীয়াৰ সমস্যাটো যুগ যুগ ধৰি ক্ৰমাগতভাৱে চলি আহিছে আৰু ব্ৰহ্মপুত্ৰকে আদি কৰি অন্যান্য বিভিন্ন নদীৰ গৰাখহনীয়াত লাখ লাখ মানুহ গৃহহাৰা, সম্পত্তিহাৰা হৈছে। যোৱা ২০১৬ চনৰ পৰা বৰ্তমানলৈকে গৰাখহনীয়াগ্ৰস্থ পৰিয়ালৰ সংখ্যা হৈছে ২,৩১,১০০ বিঘা। গতিকে এই যে ২,৩১,১০০টা পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে, এই ক্ষতিগ্ৰস্ত পৰিয়ালক পুনঃসংস্থাপন দিয়াৰ দায়িত্ব চৰকাৰে ল'ব লাগিব। আজি গোটেই অসমৰ লগতে মোৰ সমষ্টিতো বৰগলি ২নং, বৰগলি ৩ নং, বুৰবান্দা-১, ২, ৩ আৰু ৪, বগামুখ ১, ২ আৰু ৩, বুৰবান্দা বজাৰগাঁও, শীতলমাৰী পথাৰকে আদি কৰি প্ৰায় ২০,০০০ বিঘা মাটি নদীৰ বুকুত জাহ গৈছে। আজিৰ সদনত প্ৰশ্নোত্তৰ কালত মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াই তাত পট্টা মাটি নহয় বুলি কৈছে। উপাধ্যক্ষ মহোদয়, এইবিলাক সকলো পট্টাৰ মাটি। ( সকলো বিলাক পট্টা মোৰ হাতত আছে ) এই পট্টা থকা হাজাৰ হাজাৰ বিঘা মাটি ব্ৰহ্মপুত্ৰ নদীয়ে খহাই নিয়াৰ পিছতো চৰকাৰে গা এৰা মনোভাৱ দিছে। মই আপোনাৰ জৰিয়তে মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াক এই পট্টাসমূহৰ তালিকাসমূহ প্ৰদান কৰিম। আজিৰ সদনত প্ৰশ্নোত্তৰ কালত মাননীয় Revenue Ministerয়ে তাত ম্যাদি মাটি দখল হয় বুলি কৈছে। উপধ্যক্ষ মহোদয়, এইবিলাক সকলো ম্যাদি মাটি। এই সকলো বিলাক পট্টা মোৰ হাতত আছে। এই পট্টা থকা হাজাৰ হাজাৰ বিঘা মাটি ব্ৰহ্মপুত্ৰ নদীয়ে খহায় লৈ যোৱাৰ পিছত চৰকাৰে গা এৰাৰ মনোভাৱ দিছে। মই আপোনাৰ জৰিয়তে Revenue Minister ডাঙৰীয়াক এই পট্টাসমূহৰ তালিকা মই প্ৰদান কৰিম যাতে এই যিসকল পট্টাদাৰৰ মাটি নদীৰ বুকুত জাহ গৈছে, তেওঁলোকক উপযুক্ত ক্ষতিপূৰণ দিয়ে। এইটো আইনত আছে। সেইখিনিও কম, ছাৰ। ইয়াৰ

উপৰিও আমাৰ উচ্ছেদ চলায়। উচ্ছেদ চৰকাৰৰ প্ৰয়োজন হৈছে, বন বিলাক বেদখল হৈছে, উচ্ছেদ কৰক, আমাৰ কোনো আপত্তি নাই। কিন্তু উচ্ছেদ কৰা মানুহসকল লোক সকল ক'ৰ ? তেওঁলোক ভাৰতীয় নাগৰিক হয় নে নহয়, সেইটো প্ৰথমে চাব লাগিব। যদি ভাৰতীয় নাগৰিক হয়, তেওঁলোকৰ সংস্থাপন দিয়াৰ দায়িত্ব চৰকাৰৰ। আৰু চৰকাৰৰ নীতি আছে, আইন আছে। সেই আইন আৰু নীতিৰ অধীনত তেওঁলোকক সংস্থাপন দি তাৰপিছত উচ্ছেদ কৰিব লাগে। আজি এনেকৈ প্ৰায় ২০ হাজাৰতকৈ অধিক পৰিয়ালক এইকেইটা বছৰত উচ্ছেদ কৰা হৈছে। এই ভূমিহীন পৰিয়াল বিলাক ক্ষতিগ্ৰস্ত হৈ আজি যিবোৰ উচ্ছেদিত ঠাই Dhalpukhuri, Dhalpur, Garukhuti, Kaziranga, Chatia, Chandrapur, Henguliya pathar, Paikan, Hasila Beel, Chitalmari Pathar, Revenue Village, Bura Chapori,ৰ কাষৰীয়া বনাঞ্চল Kahoriya Bananchal, Hojai কে আদি কৰি অসমৰ বিভিন্ন ঠাইত প্ৰায় বিছ হাজাৰকৈ অধিক পৰিয়ালক উচ্ছেদ কৰিছে। গতিকে উচ্ছেদ কৰা বা গৰাখহনীয়াগ্ৰস্ত লোকসকলক সংস্থাপন দিয়াৰ বাবে চৰকাৰৰ কিছুমান নীতি আছে। গৰাখহনীয়াগ্ৰস্ত গৃহহীনৰ পুনঃস্থাপন সম্পৰ্কীয় চৰকাৰী আঁচনি নীতি মথাউৰী, ৰাস্তাৰ কাষত, চৰ, বনভূমি, শিক্ষানুষ্ঠান, ধৰ্মস্থান, চৰকাৰী খাচমাটি, PGR, VGR আদিত আশ্ৰয় গ্ৰহণ কৰা গৰাখহনীয় পীড়িত গৃহহীন আৰু ভূমিহীন পৰিয়ালক পুনঃসংস্থাপনৰ বাবে মাটি আৱন্টনৰ আৰ্থিক সাহাৰ্য্য প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰে ১২-৩-২০১৫ তাৰিখে, Chief Minister Special Scheme for Rehabilitation of Erosion Affected Families in Assam, নামেৰে এখন আঁচনি গ্ৰহণ কৰে। ২০১৪-১৫ চনৰ পৰা গৃহহীন, ভূমিহীন হোৱা, গৰাখহনীয়া পীড়িত পৰিয়ালক পুনৰ সংস্থাপনৰ বাবে আৰ্থিক সাহাৰ্য্য প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰে ৬ জানুৱাৰী, ২০২১ তাৰিখে Rehabilitation Policy for Erosion Affected Families of Assam, 2020 নামেৰে নীতি গ্ৰহণ কৰে। আবেদন বাছনি সমিতি, বাছনি প্ৰক্ৰিয়া আদি সম্পৰ্কে আঁচনি ২০১৬ আৰু ২০২০ৰ নীতি স্পষ্টকৈ উল্লেখ আছে। বান আৰু গৰাখহনীয়াগ্ৰস্ত গৃহহীনৰ পুনঃস্থাপনৰ

সম্পৰ্কে গুৱাহাটী উচ্চ ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থ জড়িত আবেদন, PIL No. 55/2020 দাখিল হয়। ৰাজ্য চৰকাৰে গ্ৰহণ কৰা নীতি সম্পৰ্কে অৱগত কৰি উচ্চতম ন্যায়ালয়ত এখন শপতনামা দাখিল কৰে। আৰু সেই শপতনামাত আবেদনকাৰী সন্তুষ্ট হৈ সন্তুষ্টি প্ৰকাশ কৰাত উচ্চ ন্যায়ালয়ে ২৩-০২-২০২১ তাৰিখে গোচৰটো বন্ধ কৰে। উপাধ্যক্ষ মহোদয়, শপতনামাত কি কৈছিল চৰকাৰে কি নীতি লৈছিল ? চৰকাৰে নীতি লৈছিল যে যিসকল গৰাখহনীয়াত ক্ষতিগ্ৰস্ত, উচ্ছেদিত, ভূমিহীন পৰিয়াল আছে, তেওঁলোকক সংস্থাপন দিয়াৰ বাবে চৰকাৰে কিছু নীতি প্ৰণয়ন কৰিলে। মোৰ হাতত আছে, এইটো চৰকাৰৰ ৬-১-২০২১ তাৰিখৰ Government ৰ Order. তাত কৈছে স্পষ্টভাৱে যে দুৰ্গত লোকসকলক সহায় কৰাৰ কাৰণে তিনিটা Category কৰিছে। প্ৰথম Category হ'ল, যিজনৰ থকা ঘৰ-বাৰী, খেতি-মাটি সম্পূৰ্ণ জাহ গৈছে, ক্ষতিগ্ৰস্ত হৈছে, তেওঁ Category One. যিজনৰ মাত্ৰ ঘৰ-বাৰী জাহ গৈছে, তেওঁ Category Two. যিজনৰ খেতি-মাটি জাহ গৈছে, তেওঁ Category Three. Category Oneত কি কৈছে, Category Oneত যি সকল আছে তেওঁলোকক আঢ়ৈ বিঘা মাটি ঘৰবাৰী বনাবৰ কাৰণে বা প্ৰতি বিঘা মাটিৰ মূল্য পাঁচ লাখ টকাকৈ, ১২,৫০,০০০.০০ টকা আৰু খেতি কৰাৰ কাৰণে তিনি বিঘা মাটি আৰু শৌচাগাৰ নিৰ্মাণ কৰাৰ কাৰণে ডেৰ লাখ টকা। এইখিনি দি Category Oneত পুনৰ সংস্থাপন দিব । এজন সম্পূৰ্ণ ঘৰ-বাৰী, খেতি-মাটি হেৰুওৱা এটা পৰিয়ালে আঢ়ৈ বিঘা মাটি ঘৰবাৰী বনোৱাৰ কাৰণে, তিনি বিঘা মাটি খেতি কৰাৰ কাৰণে আৰু যদি খেতি মাটি দিব নোৱাৰে এক লাখ টকাকৈ তিনি লাখ টকা আৰু ঘৰবাৰী বনোৱাৰ কাৰণে 2.5 বিঘা মাটি 5 লাখকৈ ১২,৫০,০০০.০০ টকা আৰু ঘৰৰ লগত শৌচাগাৰ নিৰ্মাণ কৰাৰ বাবে 1.5 লাখ টকা দিব লাগিব। চৰকাৰৰ যদি সম্পত্তি বেলেগত নাই, দিব মাটি নাই, কিন্তু চৰকাৰেই এই আইনটো কৰিছিল, চৰকাৰেই এই নীতি কৰিছে 2021 চনত। গতিকে চৰকাৰৰ নীতি চৰকাৰে কিয় পালন কৰা নাই? গতিকে Category Twoত কি কৈছে, ছাৰ, Category Twoত যি সকলৰ ঘৰবাৰী উটাই লৈ গৈছে তেওঁলোকৰ খেতিমাটি নিয়া নাই, তেওঁলোকক মাত্ৰ আঢ়ৈ বিঘা মাটি বা

প্ৰতি বিঘা মাটিৰ মূল্য পাঁচ লাখকৈ টকা দিব আৰু শৌচাগাৰ নিৰ্মাণৰ কাৰণে ডেৰ লাখ টকা দিব। যিহেতু খেতিমাটি তেওঁৰ নিয়া নাই গতিকে খেতিমাটি তেওঁ নাপায়। Category Threeত যিসকল খেতিমাটি গুচি গৈছিল, সেইসকলক তিনি বিঘাকৈ মাটি আৰু যদি মাটি দিব নোৱাৰে, তেতিয়াহ'লে এক লাখ টকাকৈ মাটিৰ দাম দিব। আৰু সেইটোৰ কাৰণে এইখিনিৰ কাৰণে 06 January 2021 তাৰিখে Governor য়ে এখন Committee দিছে। District Levelত এটা Committee দিছে, যে Deputy Commissioner ক Chairman, All MP and MLA Member, President, Zila Parishad Member, SDO (Civil), SDO Sadar Member, All Revenue Circle Officer Member, District Agriculture Officer Member, ADC Revenue Member Secretary. আৰু ৰাজ্যিক পৰ্যায়ত State Level তো এখন Committee কৰি দিছে, Chief Secretary Chairman, Additional Chief Secretary Revenue and Disaster Management Member, Principal Secretary Agriculture Member, Principal Secretary P&RD Member, CEO, ASDMA Member Secretary. State Levelত তেওঁলোক District Levelত Committee আছে। তাৰপিছত Circle Levelতো Committee এটা কৰি দিছে। Circle Levelত Committee আছিল, ADC (Revenue) Chairperson, All MLA Member, All BDO (Revenue Circleত থকা BDO) Member, AP President, Zila Parishad Member, Local GP President Member, Official, Agriculture & Water Resource Department ৰ Member আৰু Circle Officer থাকিব Revenue, Circle Officer Member Secretary. এই তিনি ধৰণৰ Committee Circle Levelত, District Levelত আৰু State Levelত। তিনি ধৰণৰ Committee বনাই দিয়াৰ পিছতো কিন্তু এই চৰকাৰখনে এই Committee খিনিৰ কোনো Committeeয়ে কোনো কাৰ্যব্যৱস্থা হাতত লোৱা নাই, কাম কৰা নাই। চৰকাৰৰ নীতি, চৰকাৰৰ ঘোষণা, চৰকাৰে কৰে, কিন্তু চৰকাৰে কোনো কাম কৰা নাই। গতিকে এই দূৰ্গত লোকসকলক আচলতে, আমাৰ যিবিলাক অগ্নিনিৰ্বাহ আছে, অগ্নিকাণ্ডৰ ফলতো বহুতো ক্ষতিগ্ৰস্ত হয়, তেওঁলোকেও সহায় নাপায়।

তেওঁলোকেও সাহাৰ্য্যটো পাব লাগে। বিভিন্ন ঠাইৰ লগতে মোৰ সমষ্টিত অগ্নিকাণ্ডৰ ফলত, জুৰীয়াত ১৪ খন দোকান, চতিয়াত আঠখন দোকান, বকোৱামাৰীত ৬ খন দোকান, Borguli কে আদি কৰি কেইবাঠাইতো যুৱ ব্যৱসায়ীসকলে দোকান দি তেওঁলোকে ব্যৱসায় কৰি আছিল আৰু সেই গোটেইবিলাক অগ্নিকাণ্ডত জাহ যোৱাৰ কাৰণে তেওঁলোকৰ আজি অৱস্থা সৰ্বশ্ৰান্ত হৈ পৰিছে। গতিকে চৰকাৰে তেওঁলোকক সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰিব লাগে । সেইবাবে মই আজি সদনত অনুৰোধ জনাইছো যাতে আমাৰ বিধানসভাৰ ১২৬ জন সদস্যই এনেকুৱা সংকল্প লওঁক যে এই গড়াখহনীয়াগ্ৰস্ত পীড়িত লোক সকলক সহায় কৰাৰ কাৰণে যাতে পৰ্য্যাপ্ত পৰিমাণৰ পুঁজি চৰকাৰে আবন্টন দিয়ে  আৰু চৰকাৰী৷ নিৰ্দেশনামতে যাতে কাম কৰে। আমি সকলোৱে একলগ হৈ এটা সংকল্প প্ৰস্তাৱ লওঁ, অসমখনৰ এই দূৰ্গত লোকসকলক, অসহায় লোকসকলক সকাহ দিয়াৰ  কাৰণে চিন্তা কৰো। আহক আমি এটা সংকল্প প্ৰস্তাৱ লৈ  এই দূৰ্গত লোকসকলক সহায় কৰো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী আব্দুৰ ৰহিম আহমেদ।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ , (চেঙা):** মাননীয় উপাধ্যক্ষ মহোদয়, এইটো অত্যন্ত এটা গম্ভীৰ বিষয়। অসমৰ বানপীড়িত বা গড়াখহনীয়াগ্ৰস্ত হৈ সম্পূৰ্ণ নিঃস্ব হোৱা আৰু যিসকল সম্পূৰ্ণ ভাৰতীয় নাগৰিক আৰু যিসকল উচ্ছেদিত হৈ সৰ্ব্বস্বান্ত হেৰুৱায়,তেওঁলোকক পুনৰাই সংস্থাপিত কৰাৰ কাৰণে আৰু এই দূৰ্গত মানুহখিনিক স্থায়ীভাৱে তেওঁলোকৰ কিবা সু-ব্যৱস্থা কৰিব পাৰি নেকি এই বিষয়টো লৈ আমি এটা সংকল্প প্ৰস্তাৱ আনিছো।

উপাধ্যক্ষ ডাঙৰীয়া, এইটো অত্যন্ত এটা জটিল বিষয়। সাংঘাতিক ধৰণে এই বিষয়টোৱে মানৱ অধিকাৰ ভঙ্গ কৰাই নহয়, আমাৰ জীয়াই থকাৰ অধিকাৰ, আমাৰ শিক্ষাৰ অধিকাৰ জানে যে ১ ৰ পৰা ১৪ বছৰ বয়সলৈকে লৰা-ছোৱালীৰ যি মৌলিক অধিকাৰ সন্নিবিষ্ট কৰা হৈছে, এই দূৰ্গত মানুহখিনি, যিখিনি উচ্ছেদিত ভাৰতীয় মানুহ, যিখিনি নদীৰ গড়াখহনীয়াৰ কৱলত পৰি  সৰ্ব্বস্বান্ত হেৰুৱা মানুহ, ইয়াৰ লৰা-ছোৱালী মৌলিক অধিকাৰৰ পৰা বঞ্চিত হৈছে। জীয়াই থকাৰ

অধিকাৰৰ পৰা আমি বঞ্চিত হৈছো। গতিকে এইটো এটা অত্যন্ত গম্ভীৰ বিষয়। মই data ত বেছি যাব নোখোজো, মাত্ৰ কেইটামান উদাহৰণ দিম যে-বৰাক আৰু ব্ৰহ্মপুত্ৰৰ প্ৰায় ৫০ টা উপনৈৰ ইতিমধ্যে ৩১.০৫ লাখ হেক্টৰ মাটি বানৰ কবলত পৰিছে । ইয়াৰে ৭৮,৫২৩ লাখ হেক্টৰ ভূমিত ৩৯.৫৮ শতাংশ । আনহাতে, আমাৰ দেশৰ বানপীড়িত অঞ্চলৰ মাত্ৰ ১০.০২ শতাংশ। অৰ্থ্যাৎ ৰাষ্ট্ৰীয় গড়তকৈ আমাৰ ৰাজ্যত বানপীড়িত অঞ্চল ৪ গুন অধিক। ৰাজ্যখনৰ গড়াখহনীয়া সমস্যাটো ৰাজ্যৰ ৪.২ লাখ হেক্টৰ ভূমি সম্পদ ইতিমধ্যে নদীত জাঁহ গৈছে আৰু ৰাজ্যখনৰ ভূমি সম্পদৰ ই হৈছে ৭.৪০ শতাংশ। বছৰি ৮০০০ হেক্টৰ ভূমি এতিয়াও নদীৰ বুকুত জাঁহ গৈ আছে। এই খহনীয়াৰ ফলত ব্ৰহ্মপুত্ৰ বোৰ্ডৰ ৰিপোৰ্টমতে ১৯৫০ চনৰ পৰা বৰ্তমানলৈকে ৰাজ্যৰ ৪০০০ খন গাওঁ প্ৰায় সম্পূৰ্ণৰূপে ব্ৰহ্মপুত্ৰৰ বুকুত জাঁহ গৈছে। ইয়াৰ ১০০০ খন গাওঁ মানচিত্ৰৰ পৰাই বিলুপ্তি হৈ গৈছে। ১ লাখৰো অধিক পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি ক্ষতিগ্ৰস্ত হোৱা লোকৰ সংখ্যা যদি কওঁ মিনিমাম ২০ ৰ পৰা ২৫ লাখ হ'ব। উদাহৰণস্বৰূপে মই প্ৰতিনিধিত্ব কৰা চেঙা সমষ্টিৰ কথা, মোৰ দুটা block ক ব্ৰহ্মপুত্ৰই দুটা ভাগত বিভক্ত কৰিছে । প্ৰায় প্ৰতিটো পঞ্চায়তে যিধৰণৰ খহনীয়াই তাণ্ডৱ সৃষ্টি কৰিছে এইটো এটা অৱৰ্ণনীয় অৱস্থা। আমি চৰৰ যিখিনি অঞ্চল ভাঙি গৈ আছে সেইখিনিৰ কথা কোৱা নাই। বাৰম্বাৰ বিভাগৰ engineer, chief engineer ক টেলিফোন কৰি সদায় যোগাযোগ কৰো। Atleast, যিমান পকী ৰাস্তা আছে, স্কুল আছে, চিকিৎসালয়, বজাৰ আদি ৰাজহুৱা অনুষ্ঠান- প্ৰতিষ্ঠানবোৰ কেনেকৈ ৰক্ষা কৰিব পাৰি তাৰকাৰণে temporary measurement হ'লেও ল'ব লাগে, এইটো বেলেগ বিষয়, সদায় কৈ আহিছো। কিন্তু পৰিতাপৰ বিষয় যে আমাৰ এই চেঙাৰ প্ৰায় প্ৰত্যেকটো, মই কলোৱে উল্লেখ কৰিব পাৰিব যে মাহচৰা, কাচমাৰা, কুলাবান্ধা, ভাটনাভাইটি,ৰঙাপাৰা, ধৰ্মপূৰ, উত্তৰ বৰত চেনিমাৰী, বহৰী, হৰিপূৰ, বোমাবুলবাৰী, হাতীমাৰা, পাজৰবান্ধা, পালহাজি, চোকাবাঞ্চি,কাঞ্চনপূৰ, পৰুৱা, ডোংৰা, ডিগিৰপামৰ পৰা একেবাৰে বাঘবৰ পাহাৰ, বৈঠাপূৰা সত্ৰলৈ যিধৰণৰ গড়াখহনীয়াৰ কবলত পৰি,

আগতে আপোনালোকে জানে যে যিধৰণৰ এক অৱৰ্ণনীয় অৱস্থাৰ সৃষ্টি হৈছে সেয়া স্ব-চক্ষুৰে নাচালে আমি অনুমান কৰিব নোৱাৰিম তাৰ ভয়াবহতা। এটা সময়ত তাৰাবাৰী, ব্ৰিটীছ পিৰিয়ডৰ সময়ৰ পৰা আমি সকলোৱে জানো বন্দৰ আছিলে, business hub আছিলে। এই অঞ্চল এতিয়া সম্পূৰ্ণৰূপে ব্ৰহ্মপুত্ৰৰ মাজত বিলীন হৈ গ'ল। এনেকুৱা ধৰণৰ এক ভয়াৱহ সমস্যাৰ কাৰণে যিসকল দূৰ্গত মানুহ, যিসকল সম্পূৰ্ণ ভাৰতীয় মানুহ, ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগৰ বৈধ নথি থকা ভাৰতীয় মানুহ, আজি অতি পৰিতাপৰ বিষয় যে তেওঁলোকে কোনো ন্যায় পোৱা নাই। চৰকাৰৰ যিমান নিয়ম থাকক, ২০০১ ৰ আইনৰ কথাই কওঁক, Land Policy of 2019, এইখন চৰকাৰেই Land Policy আনিছে, তাত কিছুমান সুবিধা দিছে কিন্তু এই সুবিধাবোৰ আমাৰ এই চৰ অঞ্চলৰ মানুহে ভোগ কৰিব পৰা নাই। তাৰ কাৰণ এক নম্বৰ, ইয়াতে মাটিৰ পট্টা দেখুৱাব লাগে কিন্তু চৰৰ লোকৰ মাটিৰ পট্টাই নাই। এটা ঠাইতে তিনি পুৰুষ থকাৰ কথা কৈছে। এতিয়া ভোটাৰ তালিকাৰ ঠাই ডোখৰ ভাঙি যোৱাৰ কাৰণে যেতিয়া বেলেগ ঠাইত বা মথাউৰিৰ পাৰত আশ্ৰয় ল'বলগা হয়, ভোটাৰ তালিকাত নাম সলনি কৰিব নোৱাৰি বা আধাৰ কাৰ্ড সলনি কৰিব নোৱাৰি, বা ঘৰৰ ঠিকনা সলনি কৰিব নোৱাৰি তেওঁলোকে আবেদনে কৰিব নোৱাৰে। লাট মণ্ডল আৰু SDC য়ে তেওঁলোকৰ ঘৰ-বাৰী যে হেৰুৱাইছে বা সৰ্বোচ্চ হেৰুৱাইছে, এই certificate টোৱে নিদিয়ে। আগৰ SDRF বৰ্তমান NDRF বিভাগে কিবা ব্যৱস্থা দিয়ে। আগৰ বক্তাই কৈছে ১,২০,০০০ টকা আৰু শৌচালয়ৰ কাৰণে ১.৫ লাখ টকা দিয়াৰ ব্যৱস্থাও আছে SDRF ত। কিন্তু এই সুবিধা এই মানুহখিনিয়ে নাপায় আৰু ভূতৰ ওপৰত দানৰ পৰাদি উচ্ছেদৰ নামত এক অৱৰ্ণনীয় পৰিস্থিতি। আমি সকলোৱে জানো অসমখনত যেতিয়া অসম আন্দোলন হৈছিল, ৬ বছৰীয়া অসম আন্দোলনত এক ভয়াৱহ অগ্নিগৰ্ভা পৰিস্থিতি, আজি আন্দোলনকাৰীৰ এটা পক্ষই বৰ্তমান শাসনৰ দায়িত্বত আছে। ১৯৭১ চনৰ ২৫ মাৰ্চ ভিত্তিবৰ্ষ বুলি সকলো পক্ষই মানি লৈছে। বৰ্তমান সন্মুখত মুখ্যমন্ত্ৰী ডাঙৰীয়া বহি আছে, তেখেতে নিজেও মানি লৈছে, Supreme Court ৰ verdict আছে। সেইমতে

Supreme Court ৰ নির্দেশনামতে NRC অসম চৰকাৰে কৰিলে। কিছু পক্ষই ১৯৭১ চনৰ বৈধতাক লৈ প্ৰশ্ন কৰিলে, Supreme Court ত বিষয়টো গৈ পালে। তাৰপিছত Supreme Court য়ে বৈধতা প্ৰদান কৰি ১৯৭১ চনৰ ২৫ মাৰ্চটো ভিত্তিবৰ্ষ বাহাল ৰাখিলে যে এইটো এটা concensus.অসমৰ প্ৰতিটো ৰাজনৈতিক-অৰাজনৈতিক দল-সংগঠন সকলো পক্ষই মানি লৈছে ১৯৭১ চনৰ ২৫ মাৰ্চ। তেনেহ'লে আজি আমি 2019 ৰ Land Policy ৰ কথাই কওঁক বা মুখ্যমন্ত্ৰী ডাঙৰীয়াই বৰ্তমান যিটো ঘোষণা কৰিছে চৰৰ মাটিৰ পট্টাৰ কথা, জৰীপ কৰাৰ কথা কিন্তু আমি সকলোৱে দেখিছো যে Land Policy ত কি আছে বা যিখন বাজেট বিত্তমন্ত্ৰীয়ে ঘোষণা কৰিছে তাত যিটো বসুন্ধৰা ৪.0 আৰম্ভ কৰিব, তাত লিখা আছে চৰ অঞ্চলৰ মাটি জৰীপ আৰম্ভ কৰিব প্ৰজেক্টৰ কামৰ কাৰণে তাত মাটি কোনসকলে আবেদন কৰিব পাৰিব-কিছু খিলঞ্জীয়া জাতি জনগোষ্ঠীৰ কথা উল্লেখ কৰিছে, আমি welcome জনাইছো যে তেওঁলোকক মাটিৰ পট্টা দিব লাগে কিন্তু লগতে তিনি পুৰুষ বুলি উল্লেখ কৰিছে। এটা পুৰুষৰ সময় ধৰিছে ২৫ বছৰ, তিনি পুৰুষ হ'লে সময় হ'ব ৭৫ বছৰ। এটা ঠাইতে ৭৫ বছৰ থকা প্ৰমান পত্ৰ ক'ৰ পৰা দিব ? আমি সকলোৱে জানো, এই বিধান সভাতো মই এইবাৰ প্ৰশ্ন আনিছো যে ১৯৫১ চনৰ আগত কি কি বৈধ নথি চৰকাৰে যোগান ধৰিছিল যিটো বৰ্তমান আমি আকৌ চৰকাৰে খুজিলে আমি ওভতাই দিব পাৰিম। ছাৰ, তাৰ উত্তৰ দিয়াই নাই। সেইটো প্ৰশ্নৰ উত্তৰৰ পৰা বিৰত আছে। কেবলমাত্ৰ ১৯৫১ চনৰ NRC ৰ কথা মই যেতিয়া প্ৰশ্ন আনিছো যে ১৯৫১ চনৰ NRC খন সম্পূৰ্ণনে? যদি হয়, জনাব আৰু যদি নহয়, কোন কোন জিলাত সম্পূৰ্ণ , কোন কোন জিলাত আধা হৈছে আৰু কোন কোন জিলাত নাই, তাৰ এটা তথ্য দিব। এইবাৰ বিধানসভাত তথ্যত আছে। উপাধ্যক্ষ ডাঙৰীয়া, ১৯৫১ চনৰ NRC complete document নহয়, এই কথা আগতেও কৈ আহিছো যেতিয়া ছাত্ৰ সংগঠনক প্ৰতিনিধিত্ব কৰিছিলো, NRC ৰ ক্ষেত্ৰত Supreme Court লৈ গৈছিলো। তেতিয়াও চৰকাৰখনক বুজাবলৈ চেষ্টা কৰিছিলো। আজি মুখ্যমন্ত্ৰী ডাঙৰীয়া তেতিয়া কংগ্ৰেছ দলৰে সদস্য আছিল। তেখেতৰ উদ্যোগতে আমি

sub-committee ৰ বৈঠক কৰিছিলো । তেখেতৰ নিশ্চয় মনত আছে , সেইকাৰণে কৈছো যে ১৯৭১ চনৰ ২৫ মাৰ্চ এইটো ভিত্তিবৰ্ষ সকলো পক্ষই মানি লৈছে । গতিকে ইয়াতে ৩ পুৰুষৰ কথা আমি যি সকল সম্পূৰ্ণ বৈধ ভাৰতীয় নাগৰিক যিসকল উচ্ছেদ হৈ আছে, যি সকলৰ বিকল্প কোনো ঠাইত মাটি নাই, তেওঁলোকৰ মৌলিক অধিকাৰ খৰ্ব হৈ আছে । গতিকে মানবীয় দৃষ্টিত নহয়, মৌলিক অধিকাৰ খৰ্ব কৰিব নোৱাৰে এখন কল্যাণকামী ৰাষ্ট্ৰই । গতিকে সেই কথাটো মনত ৰাখি, নিজৰ দায়িত্বৰ কথা মনত ৰাখি এইখন চৰকাৰে মই ভাবো এটা প্ৰস্তাৱ আনিব লাগে যে ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগৰ বৈধ ভাৰতীয় নথি থকা প্ৰত্যেকটো উচ্ছেদিত ভূমিহীন পৰিয়ালক আৰু প্ৰত্যেকজন গড়াখহনীয়াত সৰ্বস্বান্ত হোৱা প্ৰত্যেকটো পৰিয়ালক ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগৰ বৈধ নথি থকা একমাত্ৰ criteria হিচাপে গ্ৰহণ কৰি এই মানুহখিনিক চিৰদিনৰ কাৰণে পলিচি গঠন কৰি যাতে এই মানুহখিনিক re-habilitation কৰিব পাৰি তাৰ কাৰণে সকলো সদস্যকে হাতযোৰ কৰি অনুৰোধ জনাই এই সংকল্প প্ৰস্তাৱক সমৰ্থন কৰি এই উচ্ছেদিত ভাৰতীয় মানুহ আৰু গড়াখহনীয়াৰ কৱলত পৰি সৰ্বস্বান্ত হোৱা এই পৰিয়াল সমূহক আজি ন্যায় দিয়াৰ কাৰণে সকলোৰে সমৰ্থন বিচাৰি, সকলোকে ঐক্যবদ্ধভাৱে ১৯৭১ চনৰ ২৫ মাৰ্চত ভিত্তি কৰি এটা criteria তৈয়াৰ কৰি এই ভাৰতীয় দূৰ্গত মানুহ খিনিক সংস্থাপন কৰাৰ কাৰণে সকলোৰে সমৰ্থন বিচাৰি প্ৰস্তাৱ দি এই সমস্যাটো চিৰ দিনৰ কাৰণে সমাধান হৈ যাব বুলি আশা কৰি মোৰ সংকল্প প্ৰস্তাৱটো উত্থাপন কৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। জাকিৰ হুছেইন সিকদাৰ। আপুনি ৩ মিণিটত শেষ কৰিব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ ,পাকাবেতবাৰীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বিৰোধী দলৰ দলপতি ওয়াজেদ আলী চৌধুৰী ডাঙৰীয়া আৰু দুজন সতীৰ্থ বিধায়কে যি সংকল্প প্ৰস্তাৱ উত্থাপন কৰিছে তাৰ সমৰ্থনত মই দু আষাৰ ক'ব বিচাৰিছো আৰু ক'ব দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। ওয়াজেদ আলী চৌধুৰী ডাঙৰীয়া , নুৰুল হুদা ডাঙৰীয়া আৰু ৰহিম আহমেদ ডাঙৰীয়াই

ইতিমধ্যে বিধান সভা বা চৰকাৰে দিয়া তথ্য মতে গোটেই কথাখিনি সুন্দৰভাৱে উত্থাপন কৰিছে। তেওঁলোকৰ প্ৰতিটো কথাত পূৰ্ণ সমৰ্থন জনাই মই মাত্ৰ যিহেতু ৩ মিনিট সময় দিছে দুটামান কথা ক'ব বিচাৰিছো। উপাধ্যক্ষ ডাঙৰীয়া ব্ৰহ্মপুত্ৰ আৰু বৰাক দুখন নদী আৰু দুখন নদীৰ বহু উপ নৈ আছে, সমগ্ৰ ভাৰতবৰ্ষত গড়াখহনীয়াৰ সমস্যাৰ কথা নাজানিলেও আমি প্ৰত্যেকজন অসমীয়াই কি ধৰণে নদীয়ে গড়াখহনীয়াৰ সৃষ্টি কৰি গাওঁ গাওঁ নোহোৱা কৰি পেলায় আমি সকলোৱে জানো। উপাধ্যক্ষ ডাঙৰীয়া মোৰ মনত পৰিছে, যেতিয়া সৰু আছিলো, সৰু কালত ব্ৰহ্মপুত্ৰ নদী চাবলৈ গৈছিলো। ব্ৰহ্মপুত্ৰ নদী চাবলৈ এতিয়া চেঙা সমষ্টিৰ এখন গাওঁ তাতে আলহী মানুহ আছে। তাতে গৈ নদী চাব যাম বুলি গৈছিলো। সৰু থাকোতে যিমান দূৰ খোজ কাঢ়ি নদী চাবলৈ গৈছিলো, সেই এলেকা সমূহত যদি এতিয়া যাওঁ তাৰ পৰা ১০-১২ কিঃ মিঃ দূৰ নদী সোমাই আহিছে। নদীয়ে গাওঁ নোহোৱা কৰি পেলাইছে। ঠিক তেনেকৈ মই প্ৰতিনিধিত্ব কৰা সমষ্টিৰ মাজেৰে বেঁকী নদী বৈ গৈছে। এই নদী সমূহৰ কাষতেই বৰডাংগা, কামাৰপাৰা, চৰচৰিয়া, মিনিচিমলা, গুলিয়াজান, জেনিকুৰা, কুৰুপাহাৰ, থাপনা আদি গাওঁ আছিল। আজি সেই গাওঁবোৰ কিছুমান গাওঁ ১০০ শতাংশ নিচিহ্ন হৈ গৈছে। কিছুমান গাওঁ ৫০ শতাংশ নোহোৱা হৈ গৈছে। এই কথাখিনি এইকাৰণে কৈছো উপাধ্যক্ষ মহোদয়, যিসকলে নদী কাষৰীয়া নহয়, যিসকলৰ এইবিলাকৰ অভিজ্ঞতা নাই তেওঁলোকে এই কথাবিলাক বিশ্বাস কৰিবলৈ টান পাব। কিন্তু নদীয়ে এটাৰ পিছত এটা গাওঁ নোহোৱা কৰি দিয়ে, ৰাতিৰ ভিতৰতে ঘৰ দুৱাৰ নোহোৱা কৰি দিয়ে। এই কথাবিলাক আমি স্ব-চক্ষুৰে দেখিছো কাৰণ আমি নৈপৰীয়া মানুহ। সেই নৈপৰীয়া মানুহক যেতিয়া নদীয়ে তেওঁলোকৰ ঘৰ বাৰী লৈ যায়, নদীৰ বুকুত যেতিয়া তেওঁলোক গৃহহীন হৈ বেলগ অঞ্চললৈ যায় আৰু নতুনকৈ বসতি স্থাপন কৰে, সেই সকলক কিছুমানে সন্দেহত বাংলাদেশী বিদেশী বুলি কয়। বাংলাদেশী বিদেশী বুলি কৈ তেওঁলোকক তাশিল্য কৰে। কিছুমান সময়ত তেওঁলোকক বিভিন্ন ধৰণৰ নিৰ্যাতন কৰে আৰু এই নিৰ্যাতন কৰিবলৈ যাওঁতে ভাবি নাচায় যে এওঁলোক ভাৰতীয় মানুহ , ভাবি

নাচায় তেওঁলোক এইখন দেশৰ মাটিতেই ঘৰ-দুৱাৰ কৰিছিল । তেওঁলোকৰ দেউতা, ককা, আযোককা পৰ্য্যন্ত এইখন দেশতেই মাটিবাৰী  তেওঁলোকৰ আছিল। তেওঁলোকে সুখেৰে এটা পৰিয়াল চলাই আছিল। কিন্তু তেওঁলোকক নদীয়ে একেবাৰে সৰ্বস্বান্ত কৰি লৈ গৈছে। সৰ্বহাৰা কৰিছে তাৰ পাছত গৃহহীন হৈ তেওঁলোক অসমৰ বিভিন্ন প্ৰান্তলৈ গৈছে আৰু বিভিন্ন প্ৰান্তত যোৱা মানুহখিনিক এই চৰকাৰখনে যেতিয়া উচ্ছেদ কৰে, যেতিয়া কোনোবা এটা অঞ্চলত নতুনকৈ উচ্ছেদ কৰা আৰম্ভ কৰে, প্ৰথমতে চৰকাৰে নাম দিয়ে যে বিদেশী মানুহ ইয়াতে আহি ঘৰ দুৱাৰ বনাইছে। যেতিয়া উচ্ছেদ কৰাৰ পিছত বিভিন্ন সময়ত বিভিন্নজনে প্ৰশ্ন কৰে যে আপোনালোকে  বিদেশী বুলি কৈছে, বহিৰাগত বুলি কৈছে, উচ্ছেদ কৰিছে, তাৰ পৰা আপনালোকে কিমান মানুহক খেদিছে ? এই কথা বিলাকক বিচাৰ বিবেচনা কৰি উচ্ছেদিত মানুহ বিলাকৰ যেতিয়া নথি-পত্ৰবিলাক পৰীক্ষা কৰে তেতিয়া দেখে যে প্ৰত্যেকজন মানুহে ভাৰতীয় মানুহ।  ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগত এইখন অসমলৈ আহিছে। স্বাধীনতা আন্দোলনত তেওঁলোকৰ পূৰ্বপুৰুষ সকলে ভাগ লৈছে, স্বাধীনতা আন্দোলনত বৃটিছ পুলিছৰ লাঠিৰ কোব খাইছে। তেওঁলোকে আন্দোলনত ভাগ লৈ বিভিন্নজনে তেওঁলোকে স্বাধীনতা আন্দোলনত সমভাগী হৈছে। তাৰ পাছটো উপাধ্যক্ষ ডাঙৰীয়া এই মানুহখিনিক জগৰীয়া কৰে। শেষত চৰকাৰৰ হাতত কোনো ধৰণৰ তথ্য নাথাকে, উত্তৰ নাথাকে। উপাধ্যক্ষ ডাঙৰীয়া, সেই কাৰণে অনুৰোধ জনাইছো আজি যি সংকল্প প্ৰস্তাৱ আনিছে, আজি ভাৰতীয় মানুহখিনিৰ কথা কৈছে। আমি ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগত এইখন ভাৰতত অহা মানুহখিনিৰ কথা কৈছো, যিসকলক বৈধ বুলি ইতিমধ্যে অসমৰ এটা দীঘলীয়া আন্দোলন হৈছিল , অসম আন্দোলন হৈছিল। বহু মানুহ মৃত্যুবৰণ কৰিছিল। তাৰ পাছত কেন্দ্ৰীয় চৰকাৰৰ লগত যি চুক্তি হ'ল আজি আমি সকলোৱে মিলি জুলি অসমখনত বস-বাস কৰি আছো। সেইখন অসমৰ বাসিন্দা সকলৰ  কথা কৈছো, যি আজি উচ্ছেদ কৰিছে। উচ্ছেদ কৰিছে ভাৰতীয় মানুহখিনিক, ভাৰতীয় মানুহখিনিক উচ্ছেদ কৰাৰ পাছত অসম চৰকাৰৰ দায়িত্ব

থাকে কেনেকৈ তেওঁলোকক বাসস্থান দিব পাৰি, কেনেকৈ তেওঁলোকক খাদ্য দিব পাৰো , কেনেকৈ তেওঁলোকক বস্ত্র দিব পাৰো । সেই দায়িত্ব চৰকাৰৰ থাকে । চৰকাৰৰ দায়িত্বৰ ভিতৰত পৰে । কিন্তু বিগত সময়ত দেখা যায় যে বিজেপি চৰকাৰে যিধৰণে উচ্ছেদ কৰিছে , উচ্ছেদ কৰাৰ আগত বিদেশীক উচ্ছেদ কৰিলেও কিন্তু নথি-পত্ৰত তেওঁলোকে প্ৰমানিত কৰিব নোৱাৰে । প্ৰত্যেকজন মানুহে প্ৰমান কৰি দিয়ে যে এইখন ভাৰতৰে মানুহ। তেওঁলোকৰ ওপৰত যিখিনি দায়িত্ব, কৰ্তব্য চৰকাৰখনে পালন কৰিব লাগে, কোনো কৰ্তব্য পালন নকৰে। চুপ্ৰিম কোৰ্টত verdict আছে, মহামান্য হাইকোৰ্টৰ verdict আছে, অসম চৰকাৰৰ বিভিন্ন নীতি নিয়ম আছে, তাৰ পাছতো গোটেইখিনিক জলাঞ্জলি দি মানুহখিনিৰ লগত যিখিনি মানৱতাৰ ধৰ্ম পালন কৰিব লাগে, যিখিনি ৰাজ্য চৰকাৰখনে পালন নকৰে। উপাধ্যক্ষ ডাঙৰীয়া আপোনাৰ জৰিয়তে এটা কথা অনুৰোধ জনাওঁ যে এইখন অসমত বস-বাস কৰা নদীয়ে যিসকলৰ ঘৰ-মাটি লৈ গৈছে, নদীয়ে যিসকল মানুহক গৃহহীন কৰিছে, তেওঁলোকক যাতে বিভাগে এখন চাৰ্টিফিকেট দিয়ে, চাৰ্টিফিকেটৰ কোনো ব্যৱস্থাও নাই। গাওঁ গাওঁ নদীৰ বুকুত গৈছে কিন্তু চাৰ্কোল অফিচাৰৰ ওচৰত যায়, ডি চি ৰ ওচৰত যায় চাৰ্টিফিকেট দিয়াৰ কোনো ব্যৱস্থা নাই। আজি যদি প্ৰত্যেকজন মানুহক চাৰ্টিফিকেট দিয়াৰ ব্যৱস্থা থাকিল হেতেন, আজি কোনোৱে ক'ব নোৱাৰিলেহেতেন, তেওঁলোক বিদেশী মানুহ , ক'ৰ পৰা তেওঁলোক আহিছে । গতিকে যিসকল মানুহ গড়াখহনীয়াত পৰি বেলেগ অঞ্চললৈ গৈছে, এতিয়াওঁ গড়াখহনীয়াৰ কৱলত পৰি আছে, তেওঁলোকক চৰকাৰে চাৰ্টিফিকেট দিয়াৰ ব্যৱস্থা কৰিব লাগে যে নদীয়ে তেওঁলোকৰ ঘৰ মাটি লৈ গৈছে আৰু তেওঁলোকক উপযুক্ত ক্ষতিপূৰণ দিব লাগে, তেওঁলোকক এইখন অসমত ৰাজ্য চৰকাৰে বাছি উলিয়াব লাগে গড়াখহনীয়াৰ ফলত মানুহ কিমান ক্ষতিগ্ৰস্থ হৈছে, কোন কোন অঞ্চলত তেওঁলোক বসবাস কৰি আছে, তেওঁলোকৰ প্ৰতি মানৱতাৰ ধৰ্ম পালন কৰিব লাগে। ধৰ্মৰ ভিত্তিত কাৰোবাক অপৰাধী নসজায়, জাতিৰ ভিত্তিত কাৰোবাক অপৰাধী নসজাই এইখন অসমৰ বাসিন্দা, এইখন ভাৰতৰ বাসিন্দা, তেওঁলোকক যাতে উপযুক্ত

মান মৰ্য্যদা, সংবিধানে দিয়া অধিকাৰ  তেওঁলোকে যাতে পায় তাৰ কাৰণে ৰাজ্য চৰকাৰে ব্যৱস্থা লওঁক আৰু গড়াখহনীয়াত ক্ষতিগ্ৰস্থ হোৱা ভাৰতীয় মানুহখিনিক উপযুক্ত ক্ষতিপূৰন পাওঁক। ভূমিহীন মানুহে ভূমি পাওঁক তাৰে কামনা কৰি এই সংকল্প প্ৰস্তাৱক সমৰ্থন কৰি মোৰ বক্তব্য সামৰিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ, মজিবুৰ ৰহমান, ৩ মিনিট ক'ব।

**শ্ৰী মজিবুৰ ৰহমান, (দলগাওঁ):** মাননীয় উপাধ্যক্ষ মহোদয়, সংকল্প প্ৰস্তাৱৰ সমৰ্থনত দু আষাৰ কথা কোৱাৰ সুযোগ দিয়াৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, এই সমস্যা আজি নতুনকৈ হোৱা নাই। আজি ভাৰত স্বাধীন হোৱাৰ পাছৰ পৰা যেতিয়ালৈকে আমাৰ মানুহখিনি সেই ব্ৰহ্মপুত্ৰ নদীৰ, ধনশিৰি নদীৰ, কপিঁলী নদীৰ ওচৰে পাঁজৰে সাৰুৱা মাটিত খেতি কৰাৰ কাৰণে বসবাস কৰা আৰম্ভ কৰিছিল। কালক্ৰমত সেই মানুহখিনি ব্ৰহ্মপুত্ৰ নদীৰ গড়াখহনীয়াত পৰি বিভিন্ন ঠাইত হস্তান্তৰ হ'বলগীয়া হৈছিল। অতি দুখেৰে ক'ব লাগিব আজি কংগ্ৰেছ দলৰ মাননীয় বিধায়ক সকলে সংকল্প প্ৰস্তাৱ আনিছে। আজি সংকল্প প্ৰস্তাৱ অনাৰ কোনো কাৰণেই নাথাকিলহেঁতেন। এতিয়া মই যদি ক'ব যাওঁ তেতিয়া কংগ্ৰেছৰ বিধায়ক সকলে মোক ক'ব আপোনালোকে আমাৰ বিৰুদ্ধে কথা কিয় কয়, বি জে পিৰ বিৰুদ্ধে কওঁক। আজি বি জে পি পাৰ্টিও কংগ্ৰেছৰ এটা অংশ। সেই সময়ত যেতিয়া কংগ্ৰেছ চৰকাৰ আছিল ২০০১, ২০১১, ২০১৬  আৰু ২০০৬ ত যেতিয়া কংগ্ৰেছ চৰকাৰ আছিল, সেই সময়ত কংগ্ৰেছত আমাৰে ডাঙৰ ডাঙৰ মানুহ আছিল, নুৰজামাল সৰকাৰ, ওৱাজেদ আলী চৌধুৰী, ৰকিবুল হুছেইন চাহাব আছিল, এতিয়া তেখেত সাংসদ, তেখেতসকল আছিল। সেই সময়ত যদি সেই দুখীয়া মানুহৰ কথাখিনি যদি চিন্তা কৰিলহেতেন, সেই মিঞা মনুহৰ কথাখিনি চিন্তা কৰিলহেতেন, তেতিয়াহ'লে আজিৰ এই চৰকাৰে সাম্প্ৰদায়িকতা কৰিব নোৱাৰিলহেঁতেন। মাটিৰ পৰা আমাৰ মানুহক উচ্ছেদ কৰিব নোৱাৰিলেহেতেন। আজি আপোনালোকে হাত চাপৰি দি লাভ নাই। কাৰণ আপোনালোকও তাৰেই product, সেই congressৰ এ product ২০১৫ চনৰ। সেই সময়ত আজিৰ

মাননীয় মুখ্যমন্ত্ৰী তেতিয়া ডাঙৰ ডাঙৰ মন্ত্ৰী পদত আছিল। শ্ৰী ৰকিবুল হুছেইন চাহাব তেখেতৰ এজন ভাল বন্ধু আছিল । দুয়োজন সেই সময়ৰ মুখ্যমন্ত্ৰীৰ সোঁহাত আৰু বাওঁহাত আছিল। কিন্তু সেই সময়ত যেতিয়া আইন প্ৰণয়ন কৰা হ'ল, ২০১১ চনত মাননীয় উপাধ্যক্ষ মহোদয়,, মাটি দিব লাগিব। অতি দুখেৰে ক'ব লাগিব প্ৰাক্তন আমছুৰ নেতা, সভাপতি আব্দুৰ ৰহিম চাহাবে কংগ্ৰেছ দলত গৈছে, সেইকাৰণে কংগ্ৰেছ দলৰ কথামতে মাত মাতি আছে। যেতিয়া তেখেত আমছুত আছিল, তেওঁক আন্দোলন কৰা দেখা পাইছিলো। সেই কথা কিন্তু শুনা নাছিল কংগ্ৰেছ দলে। আজি আপোনালোকে কংগ্ৰেছৰ বিধায়ক হৈ কৈছে মাটিৰ পট্টা দিব লাগে। এই মাটিৰ পট্টা দিব লাগে বুলি যে কৈছে , এইটো ঘঁৰিয়ালৰ চকুপানী।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, চেঙাঃ** সংগঠনত থাকোতে কৈছিলো আৰু এতিয়াও কম আৰু ভৱিষ্যতেও ক'ম।

**মাননীয় উপাধ্যক্ষঃ** সন্মানীয় বিধায়ক, আপুনি বহক। তেখেতক ক'ব দিয়ক।

**শ্ৰী মজিবুৰ ৰহমান, দলগাওঁঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ঘঁৰিয়ালৰ চকুপানী টুকাৰ বাবে আজি মুছলমান মানুহ এই অৱস্থালৈ গুচি আহিছে। আজি মুছলমান মানুহৰ মাটিৰ পট্টা নাই, ইয়াৰ কাৰণে জগৰীয়া কংগ্ৰেছ আৰু eviction কৰাৰ কাৰণে জগৰীয়া বি. জে.পি । গতিকে দুয়োটা পাৰ্টি সমানে জগৰীয়া । মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম যে আপোনাৰ অন্তৰখন দিনে দিনে বহল হৈছে, সেইটো দেখা পাইছো। এতিয়া অন্তৰ বহল হৈছে। যি কাম কংগ্ৰেছত থকাৰ সময়ত আপুনি মুছলমানক মাটিৰ পট্টা দিব পৰা নাই, এতিয়া আপুনি বি.জে.পি ত থাকি যদি মুছলমান মানুহখিনিক মাটিৰ পট্টা দিয়ে, আপোনাৰ নিচিনা ভাল মানুহ এই পৃথিৱীত বিচাৰি নাপাম ছাগে। মাননীয় মুখ্যমন্ত্ৰী, মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰীক মই এই সদনৰ পৰাই অনুৰোধ কৰিম আপুনি survey আৰম্ভ কৰক। চৰৰ মাটিৰ পট্টাৰ survey ৰ কথা কৈছে এইবাৰ বিধান সভাৰ মজিয়াত, এই কথাখিনিৰ আজি সংকল্প প্ৰস্তাৱ নাহিলহেতেন । মই যোৱা বাজেট অধিবেশনত মুছলমান মানুহখিনিক, চৰ-

চাপৰিত বসবাস কৰা মানুহখিনিক মাটিৰ পট্টা দিব লাগে, survey কৰিব লাগে, এই কথাখিনি মই উপস্থাপন কৰাৰ কাৰণে এই সদনত  মাননীয় মুখ্যমন্ত্ৰীয়ে মোৰ নাম লৈ কথাখিনি কোৱাৰ কাৰণে ...........হুলস্থুল..........

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট)** : যোৱা বিধান সভাতো আমি কৈছিলো।

**শ্ৰী মজিবুৰ ৰহমান, দলগাওঁঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই ইয়াত আপোনালোকৰ লগত যুদ্ধ কৰিবলৈ অহা নাই । মই মুছলমান মানুহৰ অধিকাৰৰ কথাটো কৈছো। মই Minority মানুহৰ অধিকাৰৰ কথাটো কৈছো। যিসকল মানুহে.

........... সদনত হুলস্থুল.............

**শ্ৰী নুৰুল হুদা, ৰূপহীহাট :** আপোনালোকে ঠিকা লৈছেতো

**শ্ৰী মজিবুৰ ৰহমান, দলগাওঁঃ** মোৰ মুখ নুখুলিব কংগ্ৰেছী ভাই  সকলে। ২০০৮ চনৰ কথা মনত আছে নে নাই ? যেতিয়া আপোনালোকে একেলগে চৰকাৰ চলাইছিল হাগ্ৰামা মহিলাৰীৰ লগত। তেতিয়া হাজাৰ হাজাৰ লাখ লাখ পৰিয়ালৰ ঘৰ মোৰ সমষ্টিৰ পৰা নোহোৱা হৈ গৈছে , BTAD ৰ পৰা এই কথাবিলাক নক'ব। আজি প্ৰতিবাদ নকৰো আপোনালোক আমাৰ লগত থাকক। আমি সকলোৰে মিলি বি জে পিৰ মন্ত্ৰীসকলক অনুৰোধ কৰো মাটিখিনি লোৱাৰ বাবে, নহ'লে আমাৰ অৱস্থা আৰু বেয়া হ'ব। মাননীয় উপাধ্যক্ষ মহোদয়, আজি ব্ৰহ্মপুত্ৰ নদী গৰাখহনীয়াত পৰিছে, ধনশিৰি নদী গৰাখহনীয়াত পৰিছে । বিশেষকৈ মই এই কথাটো এই কাৰণে ক'ব বিচাৰিছো গোৱালপাৰা, ধুবুৰী, নগাওঁ, মৰিগাওঁ, ৰূপহী সকলো সমষ্টিৰ পৰা মানুহে যেতিয়া মাটি বিচাৰি নাপায় তেতিয়া মোৰ সমষ্টিলৈ ঠেলি দিয়ে।

**মাননীয় উপাধ্যক্ষঃ** Thank you.

**শ্ৰী মজিবুৰ ৰহমান, দলগাওঁঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এক মিনিট। ইয়াৰ উদাহৰণ গৰুখুঁতিত কেইবাহাজাৰ পৰিয়াল উচ্ছেদ হ'ল, ধলপুৰত উচ্ছেদ কৰিলে, সেই মানুহখিনি, লগতে বহুত বৰপেটা বাঘবৰৰ মানুহ আছে আৰু অন্যান্য সমষ্টিৰ মানুহ আছে। মই সদনত অনুৰোধ ৰাখিম প্ৰত্যেকটো সমষ্টিত

য'ত চৰকাৰী ভূমি আছে, সেই ভূমিত তেখেতসকলক সংস্থাপন কৰক, মোৰ সমষ্টিত নকৰিব। মই হাতযোৰ কৰি অনুৰোধ কৰিছো মোৰ সমষ্টিৰ ৰাইজে এতিয়া মোক খেদি পঠিওৱাৰ অৱস্থা হৈছে। তেওঁলোকে কয় বেলেগ সমষ্টিত লৈ নাযায় কিয় ? যি সমষ্টিৰ মানুহ, সেই সমষ্টিৰ বিধায়কে লৈ যাব লাগে। মুছলমান বিধায়ক আছে, তেখেতসকলক নালাগে, আপুনি অকলে দায়িত্ব লোৱাৰ কাৰণটো কি ? এতিয়ালৈকে ৫ হাজাৰতকৈ বেছি পৰিয়াল মোৰ সমষ্টিত rehabilitate কৰিছে। মাননীয় মুখ্যমন্ত্ৰীক আৰু এটা অনুৰোধ কৰিম, তেখেতে ভিতৰৰ পৰা চাই আছে কিজানি। মুখ্যমন্ত্ৰী ডাঙৰীয়া, আপুনি যিখিনি মানুহ মোৰ সমষ্টিত পঠাই দিলে, second time eviction কৰিব নালাগে। সেই মানুহখিনিক মাটিৰ পট্টা দিব লাগে। যি সকলে মাটি ল'লে সেই সকলক কমেও কম according to the Assam Land Policy, 2019, ৩ বিঘা মাটি খেতিৰ কাৰণে আৰু ৭ বিঘা মাটি ঘৰ বনাবলৈ ম্যাদী কৰি দিব লাগে, তেতিয়া justice দিয়া হ'ব। যিসকলৰ পৰা মাটি কাঢ়ি লোৱা হ'ল চৰ অঞ্চলত, সেই অঞ্চলৰ মানুহখিনিক মাটি ম্যাদী কৰি দিলে শান্তি পাব চাৰ। কাৰণ তেখেতসকল থকা ঘৰ-দুৱাৰ থকা মাটিখিনি লৈ বেলেগক দিব লগা হ'ল। সেই ধলপুৰ গৰুখুঁটিত বসবাস কৰা মানুহখিনিক উচ্ছেদ কৰা হ'ল। মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে আৰু এটা কথা ক'ব লাগিব যে নতুনকৈ The Assam Land Policy, 2024 ইয়াতেও সংশোধন আনিব লাগিব। আব্দুৰ ৰহিম চাহাবে কোৱাৰ নিচিনাকৈ Three Generation, এই Three Generation বুলি কোৱাৰ লগে লগে ৭৫ বছৰ হ'ব। সেই ৭৫ বছৰৰ প্ৰমাণ পত্ৰ আমাৰ মানুহে দিব নোৱাৰে, ক'ত দিব পাৰিব ? আজি মই এটা উদাহৰণ দিম সেই ব্ৰহ্মপুত্ৰৰ যেতিয়া বলবলাৰ বানপানী হৈছিল , সেইসময়ত কিমান শ শ মানুহ উটি গ'ল, কাগজ-পত্ৰ উটি গ'ল। আজি চাওঁক শিৱসাগৰত কেনেকুৱা অৱস্থা, গতিকে মানুহৰ তাত কোনো নথি-পত্ৰ নাই। গতিকে Three Generation ৰ কথাটো কৈছে আমি ভাৱো ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগৰ ভাৰতীয় মানুহখিনিক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, মই কংগ্ৰেছৰ বিধায়ক সকলক এটাই

অনুৰোধ কৰিম আপোনালোকৰ চৰকাৰে যি ভুল কৰিছিল, সেই ভুলৰ কথাটো ৰাইজৰ ওচৰলৈ গৈ আপোনালোকে যোৱা নিৰ্বাচনত কোৱাৰ কাৰণে আপোনালোকক এইবাৰ ১৮ জন বিধায়কক ইয়াতে পঠাই দিছে । আপোনালোকে মুছলমানৰ হৈ কাম কৰক, আগন্তুক দিতন আপোনালোকক আৰু মৰম কৰিব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** Thank you, Next Shri Sherman Ali Ahmed. Only for three minutes.

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়া :** মাননীয় উপাধ্যক্ষ মহোদয়, আজি যিটো সংকল্প প্ৰস্তাৱ কংগ্ৰেছ দলৰ সতীৰ্থ বন্ধুসকলে আনিছে, ইয়াত তিনিটা মূল aspect আছে, এটা হ'ল যে from ab initio বহুত মানুহৰ মাটিৰ পট্টা দিয়া হোৱা নাই। আগতে ব্ৰিটিছৰ দিনত system আছিল যে কোনোবাই মাটিটো দখলত লৈ তেওঁ যদি settlement ল'বলৈ ইচ্ছা প্ৰকাশ কৰিছিল, লগে লগে তেওঁক পট্টা দিয়া হৈছিল। পিছৰফালে,  কৰিলে যে ২০ বছৰৰ মূৰে মূৰে cadastral survey হ'ব। কিন্তু আমাৰ এই অসমত ব্ৰিটিছৰ দিনতো দুই চাৰিখন গাঁৱত পট্টা দিলে, বাকী বহু গাঁৱত পট্টা নিদিলে। মোৰ যেনেকৈ এখন গাঁও হ'ল সত্ৰকণৰা, ডেৰশ বছৰ পুৰণা । মোৰ ৰামাপাৰা পঞ্চায়ত, তাত শতবৰ্ষ গৰকা কেইবাখনো স্কুল আছে, আল'পতি বাঘমৰা, সেইখিনি  অলপমান difficult area কাৰণে ব্ৰিটিছে হয়তো সেই সময়ত পট্টা নিদিলে। কিন্তু পিছৰফালে চৰকাৰে ২০  বছৰ মূৰে মূৰে যিটো ছাৰ্ভে কৰি পট্টা দিব লাগিছিল, এই কামো গোটেইখিনি অসমত হোৱা নাই, যাৰ ফলত আজি ইমান non cadastral village আছে। This is one aspect. This is the fault of the state machinery that did not perform its duty, constitutionally bound duty. দ্বিতীয়তে, erosion ৰ ক্ষেত্ৰত আমাৰ মাননীয় সদস্যসকলে কৈছে Government record মতে ২৫৩৪ খন গাঁও ব্ৰহ্মপুত্ৰৰ বুকুত জাঁহ গ'ল  ৩০ লাখ বিঘা । এইটো বহুত old figure, Govt. figure, Updated হ'লে আজি হয়তো ৪ হাজাৰ গাঁও হ'ব, প্ৰায় ৩০ লাখ পৰিয়াল হ'ব। চৰকাৰৰ পৰিত্ৰ দায়িত্ব আৰু কৰ্তব্য আছিল এই মানুহখিনিক সংস্থাপন দিয়া।

এই যে যিখিনি মানুহ আপোনাৰ গড়াঁখহনীয়া, গৃহহীন হ'ল, যিখিনি পট্টা নাপালে আৰু যিখিনি মানুহক আকৌ ভূতৰ ওপৰত দানহ পৰা দি তেওঁলোকক উচ্ছেদ কৰা হ'ল, গঁড়াখনীয়া গৃহহীন হৈছে পেটৰ তাৰণা, জীৱিকাৰ তাৰণা পূৰ্বত গৈ মানুহ জীয়াই থকাৰ এটা সহজাত প্ৰবৃত্তি, এই প্ৰবৃত্তিৰ কাৰণে ক'ৰবাত ঠাই লৈছে। Government ৰ দায়িত্ব আৰু কৰ্তব্য আছিলে এই মানুহখিনিক ক'ৰবাত সেই ঠাইত দিব নোৱাৰিলেও ক'ৰবাত alternative স্থানত সংস্থাপন দিয়া। উচ্চেদৰ মই ব্লেংকেট বিৰোধিতা নকৰো। উচ্ছেদ চলোৱাৰ পূৰ্বে এটা চাৰ্ভে হ'ব লাগে যে কোন কোন লোকৰ আন ঠাইত মাটি বা ঘৰ-বাৰী নাই, সেই মানুহখিনিক প্ৰথমে rehabilitation দি তাৰপিছত হে উচ্ছেদ চলাব লাগে আৰু যদি কাৰোবাৰ আন ঠাইত মাটি থাকে তেনেহ'লে তেওঁক উচ্ছেদ কৰি দিয়ক। কেৱল Reserve Forest বা VGR য়েই নহয় আনকি সাধাৰণ চৰকাৰী মাটিতো যদি তেনে লোকে দখল কৰি আছে, তেনেহ'লে তেওঁলোকক উচ্ছেদ কৰক, তাত আপত্তি নাই। কিন্তু উচ্ছেদ কৰাৰ পূৰ্বে চাৰ্ভে হ'ব লাগে আৰু ঠিৰাংকৈ সিদ্ধান্ত ল'ব লাগে যে সেই মানুহখিনিৰ আন ঠাইত মাটি নাই। এইক্ষেত্ৰতো এটা কথা ক'ব লাগিব যে এনেকুৱা বহুত মানুহ আছে যিসকলে নদীৰ গৰাখহনীয়াত গৃহহীন হোৱাৰ পিছতো মাটিৰ খাজনা দি থাকে এইটো ভৰষাতে যে কোনোবা দিনা নিশ্চয় তেওঁলোকে মাটিখিনি ঘূৰাই পাব। মাটি আছে নে নাই সেয়া কেৱল ৰেকৰ্ডত চালেই নহ'ব প্ৰেক্টিকেলিও চাব লাগিব যে সেই মাটিখিনি নদীৰ বুকুত যাহ গৈছে নে বাম হৈ আছে। এই মাটি নথকা মানুহ, গৰাখহনীয়াত গৃহহীন মানুহ নাইবা উচ্ছেদিত মানুহ, এইসকলে খাজনা দিয়াটো এইবোৰ কিমান দূৰ ন্যায়সংগত হৈছে ? মই ভাৰতীয় সংবিধানৰ Article 21 ৰ ওপৰত দুটামান কথা ক'ব বিচাৰিছো। Article 21 ৰ Protection of Life and Personal Liberty has been explained by Justice Bhagwati in Francis Coralie vs Union Territory of Delhi that the right to life includes the right to live with human dignity and all that goes along with it, namely, the bare necessities of life such as adequate nutrition, clothing and shelter over the head and facilities for

reading, writing and expressing oneself in diverse forms, freely moving about and mixing and commingling with fellow human beings." This is the interpretation of Article 21. আজি মহামান্য উচ্চতম ন্যায়ালয়ে judgement দিছে যে What is the connotation of fundamental rights, according to the Supreme Court, fundamental rights are the core value and the backdrop of the constitution, secondly there can be no compromise with the fundamental rights of citizens. Further, India is a signatory under different clauses, Universal declaration of human rights, গতিকে মানুহৰ life and property protection ৰ যিখিনি কথা কোৱা হৈছে, সেইখিনি আমি মানিবলৈ বাধ্য। মই মাননীয় মুখ্যমন্ত্রী মহোদয় আৰু ৰাজহ মন্ত্রী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে গোটেই বিষয়টো চালি-জাৰি চাই মাননীয় মুখ্যমন্ত্রী বা এই চৰকাৰখনে পাবলৈ নো আৰু কি বাকী আছে, বিধান সভাত আপোনালোকে ১০২ খন আসন পাইছে। মই হাত-যোৰ কৰি আপোনালোকক অনুৰোধ কৰিছো যে they are also human beings. যদি তেওঁলোক বাংলাদেশী হয় তেনেহ'লে তেওঁলোকক খেদি পঠিয়াওক। উচ্ছেদ কৰাৰ পিছত তেওঁলোকে উঠি গৈ ক'ৰবাত পুনৰ থিতাপি ল'ব, এনেদৰে কেনেকৈ অসমখন ৫ নম্বৰলৈ যাব ? যদিহে তেওঁলোক এই দেশৰে নাগৰিক তেনেহ'লে তেওঁলোকক সংবিধান অনুসৰি সংস্থাপন দিয়ক আৰু যি three generations ৰ কথা কোৱা হৈছে মই তাৰ বিৰোধী নহয়। কিন্তু পূৰ্বৰ ৩ টা generation ৰ documents available হ'ব লাগিব । এই সদনত দাখিল কৰা তথ্য মতে ১৯৫১ চনৰ NRC ৬খন জিলাত নাই। ১৪০০ খন গাঁৱত NRC পাবলৈ নাই, চৰকাৰৰ হাতত তাৰ আগৰ ভোটাৰ লিষ্টখন আছে, সেইখন উলিয়াই দিয়ক। ৩ টা generation ৰ নাগৰিকত্ব প্ৰমাণ কৰিব পৰা যাব। যদিহে documents খিনি দিব নোৱাৰে, তেনেহ'লে ১৯৫১ চনতো compromise কৰি ১৯৭১ কৰক। আজি কংগ্ৰেছ দলে বিষয়টো আনিছে, তাত মই ভাল পাইছো। কিন্তু মাননীয় মুখ্যমন্ত্ৰীয়ে এই সদনত কোৱাৰ দৰে ময়ো ক'ব খোজো যে ইমান দিন ধৰি যে

আপোনালোকে ৰাজ্যত শাসন চলালে, স্বনামধন্য ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলী আহমেদ আৰু আমি সদায় বন্দনা কৰি থকা ইদ্ৰিছ আলী ডাঙৰীয়াও এটা সময়ত ৰাজহ মন্ত্ৰী আছিল, আপোনালোকে ৬০ বছৰীয়া শাসন কালত তেওঁলোকক যে deprive কৰি আহিলে, তাৰবাবে আপোনালোকে এবাৰ ক্ষমা খুজিলেনে? মাননীয় সদস্যসকল অন্তত: এবাৰ এই মানুহখিনিৰ ওচৰত আপোনালোকে ক্ষমা খুজি লৈ তাৰ পিছত demand দিয়ক। মাননীয় উপাধ্যক্ষ মহোদয়, কংগ্ৰেছ চৰকাৰৰ দিনত ২০১০ চনৰ ৪ মে' তাৰিখে ADC, Circle Officer আৰু local MLA ৰে গঠিত এখন তিনি জনীয়া কমিটিয়ে এখন চাৰ্কুলাৰ ইছ্যু কৰিছিল যে গৰাখহনীয়াত যি সকল মানুহ ভূমিহীন হ'ল সেই সকলোকে মাটি দিব লাগে, পট্টা দিব লাগে। মজিবুৰ ৰহমান ডাঙৰীয়াই এনেয়ে কোৱা নাই যে পৰিয়ালৰ চকুলো, নিৰ্বাচন আহিছে আৰু আহি থাকিব, আপোনালোকক ৰাজপাট লাগে, কিন্তু তাৰ আগতে এবাৰ ক্ষমা খুজি লওঁক.....

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) :** আপুনিও ক্ষমা খোজক......

........................(সদনত হুলস্থূলীয়া পৰিৱেশ)...................

**শ্ৰী শ্বেৰমান আলী আহমেদ (মন্দিয়া) :** ... চিঞৰ-বাখৰ কৰিব পাৰিব কিন্তু সত্য ঢাকিব নোৱাৰে ......

........................(সদনত হুলস্থূলীয়া পৰিৱেশ)...................

**মাননীয় উপাধ্যক্ষ :** Thank you, please be seated.

........................(সদনত হুলস্থূলীয়া পৰিৱেশ)...................

**শ্ৰী শ্বেৰমান আলী আহমেদ (মন্দিয়া) :** ......... ৰকিবুল হুছেইন ডাঙৰীয়াই মোক পেংলাই কৰিছিল, মোক সদনৰপৰা বহিষ্কাৰ কৰা হৈছিল। আপোনালোকে এবাৰ ক্ষমা খোজক......

........................(সদনত হুলস্থূলীয়া পৰিৱেশ)...................

**শ্ৰী শ্বেৰমান আলী আহমেদ (মন্দিয়া) :** ......... সেই কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে আপোনাৰ পাবলৈ আৰু একো বাকী নাই, ১০২ খন আসন আপোনালোকে পাইছে

........................(সদনত হুলস্থূলীয়া পৰিৱেশ)...................

আপুনি নাম ৰাখি যাওঁক ইতিহাসত, আপোনাক সকলো মানুহে আশীৰ্বাদ কৰিব ....

**মাননীয় উপাধ্যক্ষ :** Please, your time is over.

........................(সদনত হুলস্থূলীয়া পৰিৱেশ)...................

**শ্ৰী শ্বেৰমান আলী আহমেদ (মন্দিয়া) :** ......... আপুনি বুজাই দিয়ক যে ভোট নিদিয়া স্বত্বেও আমি কামটো কৰিলো। কংগ্ৰেছে অন্তত: এবাৰ ৰাজহুৱাভাৱে মিডিয়াৰ আগত ক্ষমা খোজক...

........................(সদনত হুলস্থূলীয়া পৰিৱেশ)...................

**শ্ৰী আব্দুৰ ৰহিম আহমেদ (চেঙা) :** আমি প্ৰস্তাৱ আনিছো, তেওঁলোকে অনা নাই, আমাৰ প্ৰস্তাৱক সমৰ্থন কৰক....

........................(সদনত হুলস্থূলীয়া পৰিৱেশ)...................

**মাননীয় উপাধ্যক্ষ :** Thank you, Please be seated. There is an announcement A presentation on Key National's and State Health Program is going to be presented before the Hon'ble MLAs on 24th July 2026 at 4:00 PM in the GNB Hall of Assam Legislative Assembly. Hon'ble Health Minister has requested all the Hon'ble MLAs to attend the said presentation**.** Now next Member Mehboob Muktar. Try to conclude within 3 mins.

**শ্ৰী মেহবুব মোক্তাৰ, (ধিং) :** মাননীয় উপাধ্যক্ষ মহোদয়, এই গুৰুত্বপূৰ্ণ বিষয়টোৰ ওপৰত বক্তব্য দিয়াৰ সুযোগ দিয়াৰ বাবে মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো । মই আজি ধিং আৰু লাহৰীঘাট সমষ্টিৰ হাজাৰ হাজাৰ গড়াখহনীয়াগ্ৰস্থ ভূমিহীন আৰু দুৰ্ভগীয়া পৰিয়ালৰ দু:খ-দুৰ্দশাৰ বিষয়ে দৃষ্টি আকৰ্ষণ কৰিববলৈ সদনত থিয় হৈছো। যিসকলৰ পিতৃ পুৰুষৰ ভেঁটি-মাটি, ঘৰ-দুৱাৰ, কৃষি ভূমি, বিদ্যালয়, মন্দিৰ-মছজিদ, শ্মশান-কবৰস্থান সকলো ব্ৰহ্মপুত্ৰৰ বুকুত বিলীন হোৱাৰ অসীম বেদনা বুকুত লৈ আজিও জীৱন সংগ্ৰাম কৰি

আছে। গড়াখহনীয়াই কেৱল মাটি কাঢ়ি নিয়া নাই। বহু পৰিয়ালৰ সন্মান-স্বাভিমান আৰু জীৱিকাৰ আধাৰো কাঢ়ি লৈছে। যিসকল কৃষকৰ ঘৰত এসময়ত ৭-৮ জন শ্ৰমিকে কাম কৰিছিল, আজিৰ দিনত সেইসকল কৃষকে পেটৰ তাড়নাত দিন হাজিৰা কৰিবলৈ বাধ্য হৈছে। অসমৰ বিভিন্ন জিলাত আনকি বহিঃৰাজ্যলৈ ও গৈ কঠোৰ পৰিশ্ৰম কৰি পৰিয়াল চলাবলৈ চেষ্টা কৰিছে। দুৰ্ভাগ্যজনকভাৱে গড়াখহনীয়াত সৰ্বোচ্চ হেৰুৱা একাংশই সামাজিক মাধ্যম আৰু প্ৰশাসনিক অন্যায়ৰো সন্মুখীন হৈছে। উপযুক্ত ভাৰতীয় নাগৰিকৰ নথি-পত্ৰ থকা স্বত্বেও বহুক্ষেত্ৰত বিদেশী সন্দেহৰ গোচৰত হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়া হৈছে। এনে ঘটনা দেখা গৈছে যে তেওঁলোকৰ পিতৃ-মাতৃ ভাৰতীয় নাগৰিক হিচাপে স্বীকৃত। কিন্তু তেওঁলোকৰ সন্তান বিদেশীৰ গোচৰত হাৰাশাস্তি লাভ কৰি আছে। এনে অসংগতি এখন গণতান্ত্ৰিক ৰাজ্যৰ বাবে অত্যন্ত উদ্বেগজনক। ইয়াৰোপৰি জীৱিকাৰ সন্ধানত অন্য ঠাইলৈ যোৱা বহু শ্ৰমিক বিভিন্ন ধৰণৰ শোষণ-নিৰ্যাতন আদিৰ সন্মুখীন হ'বলগীয়া হৈছে। বহু সময়ত কেতিয়াবা নিজৰ ৰাজ্যৰ বাহিৰত জীৱিকাৰ সন্ধানত যোৱা দৰিদ্ৰ শ্ৰমিক কিছুমানে উগ্ৰ জাতীয়তাবাদী সংগঠনৰ হাতত শাৰীৰিক নিৰ্যাতন আৰু শোষণৰ সন্মুখীন হ'বলগীয়া হয়। বিশেষকৈ কৰ্ম্মত নিয়োজিত শ্ৰমিকসকলক কাম কৰোৱাৰ পিছতো নায্য মজুৰী নিদি ভয়-ভাবুকি প্ৰদান কৰি খেদি পঠোৱাৰ ঘটনা সংঘটিত হোৱাৰ বহু উদাহৰণ আছে। কাৰণ তেওঁলোক অসহায়, দৰিদ্ৰ আৰু জীৱিকাৰ তাড়নাত ঘৰৰ পৰা বহু দূৰত ওলাই যাবলগীয়া হয়। এনে শোষণ আৰু নিৰ্যাতন কোনো সভ্য সমাজত গ্ৰহণযোগ্য হ'ব নোৱাৰে। এই দুৰ্ভগীয়া পৰিয়াল সমূহৰ পুৰুষসকলে যি ধৰণে বহিঃৰাজ্যলৈ গৈ শ্ৰম কৰি জীৱিকা নিৰ্বাহ কৰে ঠিক তেনেদৰে মহিলা সকলেও প্ৰতিদিনে ৭-৮ কিলোমিটাৰ গৈ আনৰ ঘৰত বা হোটেলত ঘৰুৱা কাম কৰি সন্তানৰ পঢ়া-শুনা আৰু পৰিয়ালৰ জীৱন নিৰ্বাহ কৰিবলৈ চেষ্টা কৰি আছে। বহু পৰিয়ালে চৰৰ ১-২ বিঘা মাটিত শাক-পাচলিৰ খেতি কৰি, কুকুৰা-ছাগলী পালন কৰি কষ্টেৰে পৰিয়ালৰ অৰ্থনীতি টিকাই ৰাখিবলৈ চেষ্টা কৰিছে। তেওঁলোকৰ একমাত্ৰ সপোন নিজ সন্তানক

শিক্ষিত কৰি এটা সন্মানজনক উপহাৰ দিয়া। অসমত বান প্ৰতি বছৰে আহে কিন্তু গড়াখহনীয়া এক নিৰৱ বিপৰ্য্যয়। বানপানী নামি যায় কিন্তু গড়াখহনীয়াই মানুহৰ ভৱিষ্যত, ইতিহাস, সংস্কৃতি আৰু পৰিচয় চিৰদিনৰ বাবে মুচি পেলায়। এজন কৃষকে যদি ১ বছৰ পথাৰত শস্য হেৰুৱায়, পিছৰ বছৰ পুনৰ খেতি কৰিব পাৰে। কিন্তু এজন গড়াখহনীয়াগ্ৰস্থ কৃষকে যেতিয়া নিজৰ মাটি নদীৰ বুকুত হেৰুৱায়, তেতিয়া তেওঁ সেই মাটিখিনি আৰু কেতিয়াওঁ ঘূৰাই নাপায়। এই ক্ষতি চিৰস্থায়ী। ধিং আৰু লাহৰীঘাট কোনো সাধাৰণ অঞ্চল নহয়। এই অঞ্চলত যুগ যুগ ধৰি অসমৰ কৃষিভিত্তিৰ অৰ্থনীতিৰ অন্যতম কেন্দ্ৰ। ইয়াত ধান, শাক-পাচলি, মৰাপাট, মাছ আৰু বিভিন্ন কৃষিজাত সামগ্ৰীৰ উৎপাদন হয়। ইয়াৰ কৃষকসকলে অসমৰ খাদ্য সুৰক্ষাত উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে। কিন্তু দুখৰ বিষয় যে যিসকল কৃষকে সমগ্ৰ অসম আৰু উত্তৰ-পূৰ্বাঞ্চলত খাদ্যৰ যোগান ধৰে সেই সকল কৃষকে আজি নিজৰ সন্তানৰ বাবে এটা স্থায়ী ঠিকনা নিশ্চিত কৰিব পৰা নাই। এখন গাওঁ বিলীন হ'লে এখন ঘৰ নাযায়, এখন গাওঁৰ ইতিহাস, সংস্কৃতি, সামাজিক সম্প্ৰীতি, বিদ্যালয়, উপাসনাস্থলী, শ্মশান-কৱৰস্থান, গছ-গছনি আৰু পুৰুষানুক্ৰমে বহন কৰি অহা স্মৃতিসমূহ ও বিলীন হৈ যায়। এনে বেদনাৰ মূল্য কোনো পৰিসংখ্যাই প্ৰকাশ কৰিব নোৱাৰে। ১৯৭৮ চনৰ পৰা ব্ৰহ্মপুত্ৰ নদীৰ তীব্ৰ খহনীয়াই মৰিগাওঁ আৰু নগাওঁ জিলাৰ ধিং আৰু লাহৰীঘাট বিধান সভা সমষ্টিৰ অন্তৰ্গত বহুকেইখন গাওঁ সম্পূৰ্ণকৈ বা আংশিকভাৱে উটুৱাই লৈ গৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, মই অসমৰ বহু গড়াখহনীয়া গাওঁলৈ গৈছিলো। মঠাউৰিত নিশা কটাইছো আৰু বহু পৰিয়ালৰ সৈতে কথা পাতিছো। এজন জ্যেষ্ঠ নাগৰিকে কোৱা কথা এটা আজিও মনত পৰে। তেখেতে কৈছিল যে পিতৃৰ মাটিও নদীত গ'ল, মোৰ মাটিও নদীত গ'ল। এতিয়া নাতিৰ বাবে এটা ঠিকনা নাই। এই বাক্যশাৰী কেৱল এজন বৃদ্ধৰ কান্দোন নহয়, ই ধিং আৰু লাহৰীঘাটৰ হাজাৰ হাজাৰ জনতাৰ বাস্তৱতা। আমি এতিয়াও গড়াখহনীয়াক কেৱল জলসম্পদ বিভাগৰ সমস্যা বুলি ভাৱি আছো। কিন্তু এইটো কেৱল এটা বিভাগৰ বিষয় নহয়। ই ভূমি, ৰাজহ আৰু দুৰ্য্যোগব্যৱস্থাপনা,

কৃষি, শিক্ষা, স্বাস্থ্য, সমাজকল্যাণ আৰু বিত্ত বিভাগৰো বিষয়। এইটো মানৱীয় অধিকাৰ আৰু মৰ্য্যদাৰো বিষয়। মই এই পৱিত্ৰ সদনৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া তথা বিভাগীয় মন্ত্ৰী মহোদয় আৰু চৰকাৰক আন্তৰিকভাৱে আহ্বান জনাইছো যে ধিং আৰু লাহৰীঘাটক কেৱল গড়াখহনীয়াৰ মানচিত্ৰত নাৰাখিব, ইয়াক পুনৰ সংস্থাপন, ন্যায় আৰু উন্নয়ণৰ মানচিত্ৰত স্থান দিয়ক। য'ত কোনো মানুহে গড়াখহনীয়াত নিজৰ পৰিচয় হেৰুৱাব নালাগে , য'ত কোনো শিশুৱে বিদ্যালয় এৰিব নালাগে, য'ত কোনো মাতৃয়ে সন্তানক লৈ মঠাউৰিত নিশা কটাব নালাগে , য'ত উন্নয়ন মানে কেৱল পথ, দলং অট্টালিকা নহয়, উন্নয়ন মানে প্ৰতিজন নাগৰিকৰ সুৰক্ষা মৰ্য্যদা আৰু ন্যায়। এইখিনিকে কৈ মই আজি সদনৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে আমাৰ খহনীয়াগ্ৰস্থ লোকসকলক পুনৰ সংস্থাপন দিয়াৰ বাবে চৰকাৰে যাতে বিশেষ পদক্ষেপ গ্ৰহণ কৰে। ধন্যবাদ।

**Hon'ble Deputy Speaker : Next speaker Md. Asraful Islam Sheikh. Please conclude within 3 mins.**

**মো: আশ্ৰাফুল ইছলাম শ্বেখ, (পৰ্বতঝোৰা) :** মাননীয় উপাধ্যক্ষ মহোদয়, অসমত ভূমিহীন লোকক ভূমি পট্টা দিয়াৰ লগতে অসমৰ ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদী সমূহৰ ফলত হোৱা গড়াখহনীয়াত ক্ষতি গ্ৰস্ত লোকসকলক ক্ষতি পূৰণ দিয়াৰ বাবে আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো। As per data of ASDMA 4.27 Lakh acore land has been sub-merged and damaged in the Brahmaputra and its adjoining areas since 1950. এই যিসকল ভূমিহীন পৰিয়ালে ককবকাই আছে তেখেতসকলে এটা ex-gratia, maturity পোৱাৰ কাৰণে বিভিন্ন অফিচে অফিচে ঘূৰিবলগীয়া হয়। আমি দেখা পাইছিলো যে ৭৫ হাজাৰ ex-gratia Assam Security RGR 785-6 dated 2015 ত ৭৫ হাজাৰকৈ টকা দিয়া হৈছিল। কিন্তু তাৰ পিছত আৰু আজিলৈকে দিয়া হোৱা নাই। সেই ৰিপোৰ্টখনত লিখা আছিল যে ADC, ZPC, AP and MLA সকলক লৈ এটা ৰেভিনিউ চাৰ্কোল লেভেল কমিটী হ'ব যিখনে যিসকল Brahmaputra and its

adjoining river ৰ গড়াখহনীয়াৰ কৱলত পৰে তেখেতসকলক এটা ex-gratia হিচাপে ৭৫ হাজাৰৰ পৰা ২ লাখ টকাকৈ ক্ষতি পূৰণ দিব। কিন্তু ২০১৫ চনতে পালে  আৰু তাৰ পিছত এতিয়ালৈকে আৰু এটকাও নাপালে। আজি অসমৰ আটাইতকৈ ডাঙৰ সমস্যা হৈছে বানপানীৰ সমস্যা । এই বানপানীত মানুহবিলাক ককবকাই আছে, মানুহৰ মৃতদেহ গছৰ লগত বান্ধি ৰাখিছে যাতে পানীৰ প্ৰৱল সোঁতত ভাঁহি নাযায়। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ পৰা পুঁজি আনি হ'লেও ব্ৰহ্মপুত্ৰৰ বানপানীৰ ফলত হোৱা গড়াখহনীয়া আৰু মহামাৰীত ককবকাই থকা লোকসকলক আৰ্থিক সহায় দিব লাগে। ২০১২ চনত যি বানপানী হৈছিল সেই বানপানীত চেন্ট্ৰলৰ পৰা ৫০০ কোটি টকা Planning Commission for River Embankment Scheme and National Calamity Contingency Fund ৰ পৰা দিয়া হৈছিল। কিন্তু তাৰ পিছতে, আকৌ ২০১৪ চনত যেতিয়া বানপানী হ'ল, তেতিয়াও Prime Minister's National Relief Fund ৰ পৰা ৫৮৫ কোটি টকা দিয়া হৈছিল। আপোনাৰ জৰিয়তে মই ক'ব খুজিছোঁ যে যিকোনো মূল্যৰ বিনিময়ত কেন্দ্ৰৰ পৰা লাগিলে অসমৰ বানপানীক এটা ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰি হলেও অসমৰ বানপানীৰ সমস্যাটো চিৰস্থায়ী ভাৱে বিদায় দিয়াৰ কাৰণে, চিৰস্থায়ী ভাৱে মষিমূৰ কৰাৰ  কাৰণে মই আপোনাৰ জৰিয়তে অনুৰোধ জনাইছোঁ। লগতে, ব্ৰহ্মপুত্ৰ গৰাখহনীয়াৰ কবলত মই আকৌ কৈছোঁ যে যিসকল নিৰুপায় মানুহ আজি তেখেতসকলে গৰাখহনীয়াৰ কবলত পৰি মাটি-ভেটি হেৰুৱাই তেওঁলোক আজি পৰি আছে, তেওঁলোক অসহায় মানুহ। এই অসহায় মানুহক আমি যিকোনো প্ৰকাৰে তেওঁলোকে আমাৰ ওচৰলৈ আহে, উপাধ্যক্ষ মহোদয়, যে বিধায়কৰ ওচৰলৈ গ'লে কিবা সুবিধা পাব নেকি? মাটি হেৰুৱাই তেওঁলোকে কান্দি থাকে আৰু সেই ভূমিহীন পৰিয়ালক উপযুক্ত সময়ত ভূমি নিদিয়াৰ কাৰণে তেখেতসকলে বিভিন্ন সময়ত ক'ৰবাত গৈ আশ্ৰয় লয়, সেই মানুহখিনিক পৰ্য্যায়ক্ৰমে সময়মতে কৈ দিয়া হয় যে এই মানুহখিনিক ক'ৰ পৰা আহিছে সেই মানুহখিনিক Government ৰ এটা Priority Duty যে এখন কল্যাণকামী ৰাজ্যৰ ভিতৰত থকা প্ৰতিজন পৰিয়ালক এটা

ভূমিপট্টা দিয়াটো এই চৰকাৰখনৰ, এখন কল্যাণকামী ৰাজ্যৰ এটা Priority Duty হয়। উপাধ্যক্ষ  মহোদয়, মই শেষত এটা কথা কৈ শেষ কৰিছোঁ যে অসমৰ এই যিবোৰ ধৰণৰ উচ্ছেদৰ কথাবোৰ, সময়ে সময়ে আমি কিমান অবৰ্ণনীয় পৰিৱেশ আমি দেখা পাওঁ, মানুহখিনি নিশা ২:০০ বজাত গৈ শিশু, বৃদ্ধ, বনিতা, ইত্যাদি আটাই সকলকে উচ্ছেদ কৰি দিয়া হয় আৰু সেই উচ্ছেদৰ ফলত মানুহখিনিৰ Human Rights Violation  নহয়? এটা আটাইতকৈ পৃথিৱীৰ ডাঙৰ ধৰ্মটো হৈছে Humanism is the best religion. You are the priest and we are the pilgrims in this temple of democracy. এই গণতন্ত্ৰৰ মন্দিৰখনত আমি প্ৰকৃত ছৱিখন আমি তুলি ধৰিব লাগিব। আজি শিশুসকলৰ শৈক্ষিক অধিকাৰ খৰ্ব কৰি দিয়া হয়। আজি যুৱকসকলৰ, বৃদ্ধ, বনিতা, একেবাৰে ৮০ বছৰৰ উৰ্ধৰ বৃদ্ধাগৰাকীৰ মানৱ অধিকাৰৰ পৰা উলংঘন কৰি দিয়া হয়।  Assam State Disaster Management Authority ৰ তথ্য মতে, ৩,৯৪,৩৭১ টা  এতিয়ালৈকে ভূমিহীন পৰিয়াল আছে। এই ভূমিহীন পৰিয়ালক, একো একোটা ভূমিহীন পৰিয়ালক ভূমিপট্টা দিয়াৰ কাৰণে মই আপোনাৰ জৰিয়তে কৰযোৰে অনুৰোধ জনাইছোঁ।

মাননীয় উপাধ্যক্ষঃ Next Hon'ble Member, Shri Mohibur Rohman.

**শ্ৰী মহিবুৰ ৰহমান, মানকাচাৰঃ** ধন্যবাদ, মাননীয় উপাধ্যক্ষ মহোদয়,  মোক এই গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত দুষাৰ ক'বলৈ সুযোগ কৰি দিয়াৰ কাৰণে। ইতিমধ্যে বহুজনে বহু কথা ক'লে। গতিকে মই সেইবোৰ Details ত নাযাওঁ। মোৰ পৰিয়াল মোৰ দেউতা ডাঃ মতিউৰ ৰহমান মণ্ডল তেখেতৰ যিটো পৰিয়াল, মোৰ যিটো ককাদেউতাৰ পৰিয়াল, আমি গৰাখহনীয়াৰ কষ্ট নিজে ভোগ কৰি আহিছোঁ। ১৭ বাৰ গৰাখহনীয়াৰ কবলত পৰিছিল আব্বা আৰু ককাদেউতা। এতিয়া কথা হ'ল যে, উপাধ্যক্ষ মহোদয়, আমি এইখন দেশত বসবাস কৰি আছোঁ। আমি মাটিৰ খাজনা দি আছোঁ। বিভিন্ন ধৰণৰ Tax দি আছোঁ। আমাৰ সম্পদ আৰু আমাৰ মাটি ৰক্ষণাবেক্ষণ দিয়াৰ দায়িত্ব নিশ্চয় চৰকাৰৰ। সেইক্ষেত্ৰত আজি যি গৰাখহনীয়া হৈ আছে, গৰাখহনীয়াৰ কবলৰ পৰা যদি

মানুহখিনিক আমি বচাব পৰা নাই, তাৰ দায়িত্ব কোনে ল'ব, উপাধ্যক্ষ মহোদয়? নিশ্চয় চৰকাৰেই ল'ব লাগিব। গতিকে, গৰাখহনীয়াৰ কবলত পৰা মানুহখিনিৰ যিখিনি কষ্ট হৈছে, মাটি যদি সিহঁতৰ গোটেইখিনি গুচি গৈছে, তেখেতসকলক সংস্থাপন দিয়াৰ দায়িত্ব নিশ্চয় আমাৰেই হ'ব। গতিকে, উপাধ্যক্ষ মহোদয়, আমি তেখেতসকলৰ ওপৰত কোনো ধৰণৰ কৰুণা কৰা নাই, কোনো ধৰণৰ দয়া কৰা নাই, কিন্তু ই আমাৰ কৰ্তব্য হ'ব লাগে। কাৰণ আমি সেই সংস্থান যিয়ে তেখেতসকলক ৰক্ষণাবেক্ষণ দিব পৰা নাই। গতিকে, উপাধ্যক্ষ মহোদয়, আমাৰ শ্বেৰমান আলী ডাঙৰীয়াই এটা খুব সুন্দৰ কথা কৈছিল যে মাটিৰ খাজনা বহু মানুহে দি আছে। আমাৰ তাতো এই অভিযোগটো আমি পাওঁ যে বহুখিনি চৰাঞ্চলৰ মাটি দেখা যায়। যিটো ব্ৰহ্মপুত্ৰৰ কবলত পৰি আছে আজিৰ দিনত, কিন্তু মানুহখিনিয়ে মাটিৰ খাজনা দি আছে। যিটো কথা ইয়াত আলোচনা হ'ল যে এজন মানুহৰ যদি ভূমি আছে, তেতিয়া হ'লে মানুহজনক পুনৰ সংস্থাপন দিয়া নহ'ব। কিন্তু ইয়াত আগতে নিশ্চয়কৈ সেই মানুহজনৰ ভূমিখিনি সঁচাকৈ বসবাস কৰাৰ যোগ্য হয়নে নহয়, সেইটো চাই লোৱা উচিত। এটা কথা ক'ব খুজিম যে, আজিৰ দিনত যিটো উচ্ছেদৰ কথা আহিছে, এই উচ্ছেদৰ কথাটো যে আহিল, ক'ৰ পৰা আহিল উপাধ্যক্ষ মহোদয়? আমাৰ তাত যদি চায় আপোনালোকে, মোৰ সমষ্টি হ'ল মানকাচৰ, মোৰ জিলা হ'ল দক্ষিণ শালমাৰা-মানকাচৰ। আপুনি নিশ্চয় জানে যে, আমাৰ যিটো দক্ষিণ শালমাৰা বুলি এটা চাব-ডিভিজন আছিল, সেইটো আজিৰ দিনত সম্পূৰ্ণৰূপে ব্ৰহ্মপুত্ৰৰ কবলত পৰি আছে। সেই ক্ষেত্ৰৰ মানুহখিনি নিশ্চয় বহুখিনি মানুহ মেঘালয়ৰ ফালে গৈছে। যিখিনি মানুহ মেঘালয়ৰ ফালে গৈছে, সেইখিনি মানুহৰ ওপৰত বিভিন্ন ধৰণৰ অত্যাচাৰ হৈছে। কিছুদিন আগতে সংঘাতত মানুহখিনিক তাৰ পৰা খেদাই দিয়া হ'ল, মানুহখিনি আকৌ কোনফালে যাব, কোনফালে নাযাব, তেনেকুৱা এটা বিপদত পৰি আছে। তাৰ পিছত আৰু দেখা গৈছে যে, কিছু সংখ্যক মানুহ হয়তো খাছ মাটিত বা যিবোৰ এলেকাত আমাৰ PRF আছে, PRF-ত যাবলৈ বাধ্য হৈছে। এতিয়া মানুহখিনি ক'ত যাব উপাধ্যক্ষ মহোদয়? আমি যদি মানুহখিনিক বসতি কৰাৰ

ব্যৱস্থা কৰি নিদিওঁ, মানুহখিনি নিশ্চয় ক'ৰবাত নহয় ক'ৰবাত থাকিব লাগিব। আমাৰ জনসংখ্যাৰ যিটো গাথনি আছে, তাতে দেখা গৈছে যে, ভূমি লাহে লাহে কমি গৈ আছে আৰু জনসংখ্যা বৃদ্ধি পাই আছে। গতিকে এইটো সমস্যা, যিটো উচ্ছেদৰ সমস্যা আহিছে, সেই সমস্যা তেতিয়ালৈকে সমাধান নহ'ব, যেতিয়ালৈকে আমি এটা ধুনীয়াকৈ পৰিকল্পনা কৰি এনেকুৱা এটা ব্যৱস্থা নকৰোঁ যে, মানুহখিনিক atlest থকাৰ ঠাইখিনি যাতে আমি কৰি দিব পাৰোঁ, তাৰ কাৰণে ব্যৱস্থা ল’ব লাগে। এটা অৱশেষত মই দীঘলীয়া নকৰোঁ। এটা কথাই কম যে, আমাৰ যিটো কোৱা হৈছে যে, বাংলাদেশী বুলি যিটো Tag লগোৱা হৈছে, সেই Tag টো বহু ক্ষেত্ৰত দেখা যায় যে উচ্ছেদৰ সময়ত লগোৱা হয়, কিন্তু পিছত দেখা যায় যে, মোটামুটি ১০০ শতাংশ মানুহেই আমাৰ ভাৰতীয় নাগৰিক হয়।

গতিকে, উচ্ছেদ যদি কৰিবই লাগে, তেতিয়া হ'লে ইয়াৰ এটা পূৰ্বপৰিকল্পনা থাকিব লাগে। এনেকুৱা হ'ব নালাগে যে, এটা বেলেগ Tag দি মানুহখিনিক উচ্ছেদ কৰোৱা হয় আৰু পিছত দেখা যায় যে মানুহখিনি আচলতে ভাৰতীয় নাগৰিক । সেইটো আমাৰ কাৰণে, আমাৰ যিসকল মানুহক উচ্ছেদ কৰা হৈছে, সেইখিনি মানুহৰ কাৰণে বহুত এটা লাজৰ কথা হৈ পৰে। সেই ক্ষেত্ৰত, মই আশা কৰিম যে, আমাৰ চৰকাৰে এটা এনেকুৱা ধৰণৰ পৰিকল্পনা কৰক। নিশ্চয় ইতিমধ্যে আমাৰ হাতত কাগজপত্ৰ আছে, যে, কিমান সংখ্যক মানুহ এতিয়াও নিজৰ ঘৰ-বাৰী নাই, সেই সংখ্যক মানুহক কেনেদৰে বসতি দিব পাৰি, কোন জিলাত কিমানখিনিক দিব পাৰি, সেইখিনি ব্যৱস্থা এটা ধুনীয়াকৈ পৰিকল্পনা কৰি যদি কৰা হয়, নিশ্চয় আমাৰ এই সমস্যা সমাধান হ’ব । এইটো সমস্যা নহয়, বিভিন্ন যিবোৰ আনুষংগিক সমস্যা আছে, সমাধান কৰিব পাৰিম। এইকাৰণে এটা কথা কৈছোঁ, আমাৰ যিখিনি কৈছিলোঁ, আমাৰ দক্ষিণ শালমাৰাৰ যিখিনি অঞ্চল, তাতে মোটামুটি তিনিখন GP, গাঁও পঞ্চায়ত সম্পূৰ্ণৰূপে ব্ৰহ্মপুত্ৰৰ গৰাহত গৈছিল। তাৰ ভিতৰত তিনিখন GP ৰ ভালেখিনি অংশ, আজিৰ দিনত চৰ হৈছে। চৰ যদিও এইটো mainland ৰ লগত connected, সেইখিনি ঠাইৰ মানুহে এটা সমস্যা পাই আছে, যিটো মই ইতিমধ্যে আমাৰ মন্ত্ৰী ডাঙৰীয়াৰ

লগত কথা পাতিছোঁ। সেইটো government খাছ কৰি দিয়া হৈছে। বহুতে হয়তো খাজানা দিয়া বন্ধ কৰি দিছিল বা কিবা হৈছিল মই নাজানোঁ, কিন্তু সেই সমস্যাটো যাতে সমাধান কৰিব পাৰে, তাৰ কাৰণে মন্ত্ৰী মহোদয়ে আৰু লগতে চৰকাৰে যাতে যত্ন কৰে, ইয়াকে আপোনাৰ জৰিয়তে মই অনুৰোধ জনাইছোঁ। ধন্যবাদ।

মাননীয় উপাধ্যক্ষঃ Now reply from Hon'ble Minister, Revenue and Disaster Management.

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি এই এটা গুৰুত্বপূৰ্ণ বিষয়, এই সংকল্প প্ৰস্তাৱটোৰ ক্ষেত্ৰত, এই সংকল্প প্ৰস্তাৱটো আনিছিলে আমাৰ বিৰোধী দলৰ মাননীয় দলপতি ৱাজেদ আলী চৌধুৰী ডাঙৰীয়া, সন্মানীয় বিধায়ক নুৰুল হুদা ডাঙৰীয়া, সন্মানীয় বিধায়ক আব্দুৰ ৰহিম আহমেদ ডাঙৰীয়া। ইয়াত আমাৰ কেইবাজনো সন্মানীয় বিধায়কে আজি ভাগ ল'লে আমাৰ জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়া, মজিবুৰ ৰহমান ডাঙৰীয়া, শ্বেৰমান আলী ডাঙৰীয়া, মেহবুব মুক্তাৰ ডাঙৰীয়া আৰু আশ্ৰাফুল হুছেইন শ্বেখ ডাঙৰীয়া, আৰু শেহতীয়াকৈ মহিবুৰ ৰহমান ডাঙৰীয়াই। গতিকে, তেখেতসকলে এই সমগ্ৰ ক্ষেত্ৰত থকা সমগ্ৰ সমস্যাটো দাঙি ধৰিবলৈ চেষ্টা কৰিছে। তেখেত সকলক মই ধন্যবাদ দিছো । প্ৰস্তাৱটো আছিল যে, অসমত স্থায়ীভাৱে বসবাস কৰি থকা ভূমিহীন, গৰাখহনীয়া, বানপীড়িত, দুৰ্যোগপীড়িত আৰু উচ্ছেদিত বৈধ ভাৰতীয় নাগৰিকসকলক চৰকাৰী নীতি-নিয়ম অনুসৰি মাটিৰ বন্দোৱস্তি তথা আৱণ্টন দি স্থায়ীৰূপত পুনৰসংস্থাপনৰ ব্যৱস্থা গ্ৰহণৰ উদ্দেশ্যে, এই সদনে চৰকাৰক উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনাই যে, এই সংকল্প প্ৰস্তাৱ গ্ৰহণ কৰা হওঁক। এতিয়া, ইয়াৰ কাৰণে বিভিন্ন সময়ত বিভিন্ন Policy আৰু আইন চৰকাৰৰ হাতত আছে। বিভিন্ন আইনত, যেনে 1886 ৰ Land Revenue Regulation Act ত, প্ৰায় বিভিন্ন সময়ত হোৱা বিভিন্ন আইনৰ গণ্ডীৰ ভিতৰত এনে সুবিধা বিলাক উপলব্ধ নোহোৱা নহয়, উপলব্ধ হৈ আছে আৰু এইক্ষেত্ৰত সংস্থাপিত কৰিবলৈ বিভিন্নখন চৰকাৰে বিভিন্ন ধৰণৰ নীতি লৈছো আৰু সেই বিভিন্ন সময়ত লোৱা যিবিলাক Policy বা নীতি, সেইবিলাকে বহুতক সংস্থাপিত

কৰিছেও, মই নাই কৰা বুলি নকওঁ। শেহতীয়াকৈ এটা খুব সহজ উপায় আগতে উলিয়াইছিল যে, MLA এজন, ADC এজন আৰু Circle Officer য়ে গোটেই কথাখিনি screening কৰি দিব। তেওঁলোকে final authority নহয়, কিন্তু LAC ত place কৰিব। LAC ত place কৰিবৰ কাৰণেও এনেকুৱা একোখন নীতি উলিয়াইছিল। সেই সময়তো হ'ব লাগিছিল, কিন্তু সেই সময়ৰ initiative টো কেৱল বিধায়কজনৰ ওপৰত আছিল। যিজন বিধায়কে initiative লৈছে, মইও জানো কাৰণ মইও বিধায়ক আছিলো সেই সময়ত। গতিকে যিজন বিধায়কে initiative লৈছে, সেই বিধায়কৰ তাত হৈছে, যিজন বিধায়কে initiative লোৱা নাই, তেওঁলোকৰ সমিষ্টত সময়ত হোৱা নাই।

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** This is half truth. আপুনি হয়তো সৌভাগ্যক্ৰমে তেতিয়া শাসক পক্ষত আছিলে। বহুত জিলাৰ উপায়ুক্ত, Circle Officer সকলে আমাৰ এইবোৰ কথা নুশুনে, কয় যে, নাই, চৰকাৰৰ order নাই।

**শ্ৰী কেশৱ মহন্ত,মন্ত্ৰীঃ** এতিয়া এনে ধৰণে বিভিন্ন সময় পাৰ হৈ গৈছে। কিন্তু আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই খুব সহানুভূতিৰে গোটেই বিষয়টো চাবলৈ চেষ্টা কৰিছে আৰু সেইমৰ্মে আমাক ইতিমধ্যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিৰ্দেশো দিছে যে, অসম ভূমি নীতি 2019, ইয়াৰ উপদফা অনুসৰি অসমৰ বানাক্ৰান্ত, গৰাখহনীয়া, ভূমিকম্প বা অন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ ফলত ভূমিহীন হৈ পৰা খিলঞ্জীয়া লোকসকলক চৰকাৰী মাটি পট্টাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়াৰ ব্যৱস্থা আছে। গতিকে এই ব্যৱস্থাটোত একেবাৰে ভূমি নীতি নাইকিয়া নহয়। তথাপিও আমাৰ Land Policy টো এতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কোৱা মতে কিছু সংশোধন হ'ব লাগে। এতিয়া সংশোধনৰ ক্ষেত্ৰত আমাৰ ইতিমধ্যে সেই পৰ্য্যায়ত কাম চলি আছে আৰু নিশ্চয় এই Land Policy খন কিছু সংশোধন হ'ব। গতিকে এতিয়া আপোনালোকে যি মাটিৰ কথা কৈছে, এই মাটি এতিয়া আপোনালোকে ক'ত পাব? মাটি যদি আছে ক'ৰবাত encroach হৈ আছে, খালি মাটি ক'তো নাই। মাটি যদি আছে কোনোবাই encroacher কৰিছে আৰু নহ'লে কোনোবা landless মানুহে কৰিছে। কোনোবা ভূমিহীন

মানুহেও ক'ৰবাত দখল দি আছে নহ'লে কাৰোবাৰ ভূমি আছে, তেওঁ কিন্তু encroacher, তেওঁলোকেও মাটি দখল কৰি আছে। এতিয়া যদি এই কথাখিনি চাওঁ, আমাৰ সন্মানীয় বিধায়ক শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই Constitution ৰ দুটা ধাৰা, case, High Court ৰ case সকলোখিনি ব্যাখ্যা দিছে right ৰ কাৰণে। এইখিনি মাটি আমাৰ সকলোৰে হয়, মানে right to stay বা right to live আৰু আমাৰ অধিকাৰ আছে। এই কথাটো তেখেতে clearly ব্যাখ্যা কৰিছে। মোৰ দৃষ্টিগোচৰ হৈছো কিন্তু কথা হৈছে যে, এইলোকসকলক মাটি দিবলৈ আমি মাটি উলিয়াব লাগিব। আমি যদি তেনেকৈ ভাবো তেতিয়া হ'লে মাটি উলিয়াব লাগিব। প্ৰায় চৰ অঞ্চল এতিয়া চৰ অঞ্চল হৈ থকা নাই, যিহেতু একেই হৈ আছে। যেনে ধুবুৰী , বৰপেটা, ধেমাজি, বঙাইগাঁও, দক্ষিণ শালমৰা, গোৱালপাৰা আৰু কামৰূপটো আছে। এইখিনি চৰ অঞ্চলত আমি survey আৰম্ভ কৰিছো আৰু এই survey ইতিমধ্যে কিছু সম্পূৰ্ণ হৈছে। আমি চেষ্টা কৰিছো যাতে এইবাৰ সোনকালে চৰ অঞ্চলৰ survey টো শেষ কৰি, তাত Map বনাম, দাগ নম্বৰ হ'ব আৰু তেতিয়া স্থায়ীভাৱে মানুহখিনিক মাটিৰ পট্টা দিব পৰা যাব। সেই ব্যৱস্থাটোৰ ক্ষেত্ৰত ৰাজহ বিভাগে যথেষ্টখিনি আগবাঢ়ি আছে। আমি আশা কৰিছো যাতে তেনেধৰণে মাটি উলিয়াই ল'ব পাৰিলে বা এই সকল ব্যক্তিক পুনৰ সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিব পৰা যাব। ঠিক তেনেকৈ, হাটশিঙিমাৰীৰ বিধায়কে এটা কথা কৈছে যে আৰু মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়াইও কৈছে যে, নদীত মাটি গ'ল। নদীত মাটি যোৱাৰ পিছত কোনোবাই খাজানা দি অপেক্ষা কৰি আছে যে, মাটিখিনি ঘূৰি আহিলে তেওঁ পাব। তেখেতে যিখিনি কথা কৈছে যে, নদীত মাটি গ'ল, ঘূৰি আহিছে কিন্তু এতিয়াও পাব পৰা নাই। নদীত যদি মাটি গ'ল, খাজানা নিদিও বুলি ভাবি মাটিখিনি যদি তেওঁৰ নামৰ পৰা কটাই দিলে তাৰ পাছত নদীয়েও যদি সেই মাটি ঘূৰাই দিয়ে, সেই ব্যক্তিজনে তাত গৈ মাটিৰ অধিকাৰ বিচাৰিব নোৱাৰে। দুটা ক্ষেত্ৰত দুটা বেলেগ বেলেগ হৈ আছে। যদি নদীত মাটি যোৱাৰ পিছটো মাটিৰ খাজানা দি থাকিল তেতিয়া হ'লে হয়টো মাটিটো উলিয়াওতে, মাটিখিনি পোৱাৰ অধিকাৰ থাকিল হেঁতেন।

হাটশিঙিমাৰীত হোৱা ঘটনাটো হ’ল যে তেওঁলোকে খাজানা এনেই ভৰি থকাতকৈ নিজৰ নাম কটাই দিলে আৰু নাম কটাই দিয়াৰ ল’গে ল’গে সেই মাটি নদীয়ে ঘূৰাই দিয়াৰ পিছতে, তেওঁলোকে সেই মাটিখিনি ঘূৰাই পোৱাৰ অধিকাৰ নাপাই। হয়টো আকৌ নতুনকৈ পুনৰ প্ৰক্ৰিয়া কৰিব লাগিব। এজন ভূমিহীন লোকক যেনে ধৰণে মাটি দিব লাগে, সেই ধৰণে হ'লে এটা নতুন প্ৰক্ৰিয়াৰ ব্যৱস্থা কৰিব লাগিব । কিন্তু পূৰ্বৰ অধিকাৰৰ ক্ষেত্ৰত এতিয়া আৰু মাটি ঘূৰাই পোৱাৰ ব্যৱস্থাটো নাই। এইধৰণে বানপানীৰ ৰাষ্ট্ৰীয় সমস্যাৰ কথাও কৈছে যে, বানপানী হ’ল এটা ৰাষ্ট্ৰীয় সমস্যা। এনে প্ৰস্তাৱ এইখন পবিত্ৰ সদনত কেইবাবাৰো হৈছে। মাননীয় অধ্যক্ষৰ leadership ত গৈ কেন্দ্ৰীয় চৰকাৰক সাক্ষাৎ কৰা হৈছে। সেইটো বিষয় কেন্দ্ৰীয় চৰকাৰৰ ওচৰত কোৱামেলা হৈছে। কিন্তু বানপানী ৰাষ্ট্ৰীয় সমস্যা, এই কথাটো যদি আমি কওঁ, বানপানীয়েই নহয়, সকলো দুৰ্যোগতে এই কথাটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে সমসাময়িকভাৱে গণ্য কৰা হৈছে। আমি যিখিনি পুঁজি পাওঁ, এই গোটেই পুঁজিখিনিৰ আমি কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা সিংহভাগ পুঁজি পাওঁ । তাৰ পিছতহে আমাৰ ৰাজ্য চৰকাৰৰ পুঁজি তাত যোগ দিওঁ। গতিকে কেন্দ্ৰীয় চৰকাৰে এই বানপানীৰ সমস্যাটোকে ধৰি এইখিনি দুৰ্যোগ ব্যৱস্থাত যথেষ্ট গুৰুত্বপূৰ্ণভাৱে এটা পদক্ষেপ লৈছে, আগৰ নিচিনা নহয়। আগৰ এই বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ Agriculture বিভাগত আছিল আৰু এতিয়া এইটো Home Ministry বা গৃহ বিভাগত আছে । এতিয়া গৃহ বিভাগৰ ফালৰ পৰা এইটো অতি গুৰুত্বপূৰ্ণ। এইবাৰ বাজেটতো কেন্দ্ৰীয় চৰকাৰে বহুখিনি টকা ইয়াত ধৰিছে, এই দুৰ্যোগৰ কাৰণে । কেৱল বানপানী বুলি নহয়, দুৰ্যোগৰ কাৰণে। গতিকে আমাৰ বানপানীৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা আমি যথেষ্টখিনি সঁহাৰি পাইছো আৰু যোৱাবাৰো পাইছো। গতিকে কেন্দ্ৰীয় চৰকাৰে যদিও এইটো ৰাষ্ট্ৰীয় সমস্যা বুলি ঘোষণা কৰা নাই, কিন্তু ৰাষ্ট্ৰীয় সমস্যাৰ দৰে ইয়াক treat কৰিছে, ইয়াক বিবেচনা কৰিছে, ইয়াক ৰাষ্ট্ৰীয় সমস্যাৰ ধৰণেই লৈছে আৰু সেইধৰণে গোটেই কামখিনিৰ কেন্দ্ৰীয় চৰকাৰৰ সঁহাৰি প্ৰতিটো পদক্ষেপত পাইছো। এতিয়া আমাৰ যি

বানপানী হৈছে শিৱসাগৰ, চৰাইদেউ, যোৰহাট বা উজনি অসমত, তাৰ মুহূৰ্তে মুহূৰ্তে কেন্দ্ৰীয় চৰকাৰে সকলো ধৰণৰ খা-খবৰ ৰাখিছে। অহা কালি, ২৫ তাৰিখে, তেওঁলোকে এটা Central Team পঠাব তাৰ পৰা। গতিকে এইখিনি কেন্দ্ৰীয় চৰকাৰে এটা Central subject ৰ নিচিনাকৈ আমাৰ এই ক্ষেত্ৰত সম্পূৰ্ণ সংযোগ ৰাখিছে আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত মাননীয় গৃহমন্ত্ৰীয়ে প্ৰতিদিনে যোগাযোগ ৰক্ষা কৰি খা-খৱৰ লৈ আছে। আমাক নিশ্চিতি দি কৈছে '' আপোনালোকে কোনো চিন্তা কৰিব নালাগে, আমি যি চাৰ্পোট কৰিব লাগে আমি কৰিম।

**মাননীয় অধ্যক্ষ:** আৰু কেইবাটাও প্ৰস্তাৱ আছে মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি বিভাগ):** এই গোটেই প্ৰস্তাৱটোৰ ক্ষেত্ৰত যিটো মূল কথা , এই সকল লোকক পুনৰ সংস্থাপিত কৰাত এই কথাটোত আমি ২০১৯ চনৰ অসম ভূমি নীতিৰ যিটো পলিচি , ইয়াৰ কিছু সংশোধন কৰি চৰ সমূহক চাৰ্ভে কৰি, তাত চাৰ্ভে হৈ আছে, এই চাৰ্ভে সম্পূৰ্ণ কৰি তাত যাতে পুনৰ সংস্থাপিত কৰিব পৰা যায় এই কথাটো বিবেচনা কৰি চৰকাৰে আগবাঢ়িছে, গতিকে মই ভাবো সংকল্প প্ৰস্তাৱ গ্ৰহণ নকৰাকৈ এই কামখিনি কৰিব পৰা যাব।.......ধন্যবাদ

**মাননীয় অধ্যক্ষ** ঃ আপোনালোকে চাওক- সংকল্প প্ৰস্তাৱ আছে ৪ টা। আপোনালোকে ১ ঘন্টা ৪০ মিনিট লৈছে। মন্ত্ৰী ডাঙৰীয়াই ১০ মিনিট উত্তৰ দিলে। মোৰ কোনো কথা নাই। আপোনালোকে এটাই দিনটোত ল'ব পাৰে – আগতে আছিল যে আমি এটাতে গোটেই দিনটো লোৱাৰ লগতে নেক্সট চেশ্যনতো লৈছিলো। এইটো এটা ৰাস্তা আছে আৰু আনটো ৰাস্তা হ'ল – ৪ টা সংকল্প প্ৰস্তাৱেই আপোনালোকে আনিব পাৰে। মই আগতে যেতিয়া স্পীকাৰ আছিলো – এটা সংকল্প প্ৰস্তাৱতে দিনটো গৈছিল, পৰৱৰ্ত্তী অধিবেশন যেতিয়া হৈছিল তেতিয়া পাৰ হৈছিল। গতিকে আপোনালোকে সিদ্ধান্ত লওক এটা সংকল্প প্ৰস্তাৱতে পাৰ কৰি দিব নে ৪ টা সংকল্প প্ৰস্তাৱে আনিব। এটা প্ৰস্তাৱত আপোনালোকে লৈছে ডেৰ ঘন্টা। মন্ত্ৰীয়ে ১০ মিনিট ল'লে- আৰু ৩ টা সংকল্প

প্ৰস্তাৱ হাতত বাকী আছে । তাৰ পিচত বিল আছে । গতিকে সিদ্ধান্তটো আপোনালোকেই লওক । যোৱাকালি ৪৯ গৰাকীয়ে ক'লে, কি**ন্তু** আচলতে ২ বজাত গিলোটিনত দিব লাগে । কিন্তু আপোনালোকে সকলোৱে কৈ থাকিল , আৰু কেইজনমান ক'বলৈ আছিলে – কিন্তু যদি ২ বজাত গিলোটিনত দিওঁ তেনেহ'লে বাকীখিনি ৰৈ যাব । গিলোটিনত দিলে হয় কি, মেম্বাৰেতো ক'ব নোৱাৰে , মিনিষ্টাৰো ক'ব নোৱাৰে । আপোনালোকে মিনিষ্টাৰৰ ৰিপ্লাই নাপালেহেঁতেন , মোক আপোনা**লো**কে বেয়া পালেহেঁতেন । আপোনালোকৰ সুবিধাৰ বাবে যোৱাকালি মই ২ বজাৰ সলনি ৩ বজাত গিলোটিনত দিম বুলি ভাবিছিলো । আপোনালোকে এইটোৰ ওপৰত যদি কৈ থাকিব বিচাৰে মোৰ কোনো আপত্তি নাই।

**শ্ৰী শ্বেৰমান আলী আহমেদ,মন্দিয়া** ঃ ছাৰ, মোৰ এটা অনুৰোধ, বাকীথকা খিনিয়ে যাতে বেয়া নাপায় পিছৰ চেশ্যনত ল'ব । এইটো ইম্পৰ্টেন্ট ইছ্যু ছাৰ, – মাত্ৰ এটা পইন্ট। মাননীয় মন্ত্ৰী মহোদয়ে কৈছে , মাটি পাবলৈ অসুবিধা, - হ'ব পাৰে , ছাৰ **one Thousand Crore was allotted by Fifteen Finance Commission –** এই ইৰোজন এফেক্টেড ফেমিলিক **rehabilitation** কৰাৰ কাৰণে কিয় অসম চৰকাৰে মাত্ৰ **61 Crore** টকাৰ **proposal** পঠিয়ালে। অন্তত **erosion affected Family** বোৰক **কিছু টকা** আগতে যেনেকুৱা পলিচি আছিলে যে, ৫ লাখ-৭ লাখ টকা দিলে তেওঁলোক ক**ৰ**বাত মাটি কিনি থাকিব পাৰিলেহেঁতেন। ছাৰ, এই যে, **Unutilization of money-** আমাৰ ইমান ডাঙৰ সমস্যা আমি **– proposal** পঠিয়ালো মাত্ৰ ৬১ কোটি টকাৰ। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ **জ্ঞা**তাৰ্থে জনাব খোজো – এই ৬১ কোটি টকাৰ প্ৰপোজেল কিহৰ কাৰণে গ'ল , যাব লাগিছিলে ৫০০০ কোটি ১০০০ কোটিৰ ঠাইত। **61 Crore proposal** গ'ল এই কাৰণে ডিচি- **এডিচিৰ** অফিচত কোনো ৰেকৰ্ড নাই। মই নিজে চাৰ্কোল অফিচাৰৰ লগত কথা পাতিছো – তেওঁ কৈছে আমাৰ ৰেকৰ্ড নাই। এইটো চিম্পুল যে, অমুক গাওঁৰ ভোটাৰ লিষ্টত কোন কোন মানুহ আছিল। সেই গাওখন নদীত জাহ গৈছে ঠিক আছে , তাৰ ভোটাৰ

লিষ্ট চাওক , ওলাই যাব। **There are ways. - where there is a will, there is a ways.** মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰো যে, **one thousand Crore** ৰ যাতে এক পইচাও **unutilized** নাথাকে। ডিচিসকলক ইনষ্ট্ৰাকশ্যন দিয়ক **on the basis of the voter list যে** অমুক গাওঁ নদীৰ গড়াখহনীয়াত জাহ গৈছে, সেই গাওঁখনৰ ১৯৬১ চ**ন**ৰ ভোটাৰ লিষ্ট চাওক ১৯৭১ চনৰ ভোটাৰ লিষ্ট চাওক। তেতিয়া ওলাই যাব যে এইখিনি মানুহ তেতিয়া আছিল। দ্বিতীয় হ'ল **–** ছাৰ যিটো 75 years- three Generation মই একেবাৰেই বিৰোধী নহয় **– 71 চনৰ** Back **কৰিলে হয়** 51 **চন আৰু** 51 **চনৰ** NRC **বা** Electrol Roll ৬ **খন** জিলাত একেবাৰেই পাবলৈ নাই **,** চৰকাৰে উদ্যোগ ল'লে নিশ্চয় কৰবাত নহয় কৰবাত পাব। গতিকে হয় **51 চনৰ** NRC completely available কৰক নহ'লে **51** চনৰ আগৰ **voter list available** কৰক। কাৰণ তথ্য **available** নকৰিলে মানুহে কেনেকৈ দিব। গতিকে এই দুটা মই অনুৰোধ ৰাখিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী**ও**ৱাজেদ আ**লী** চৌধুৰী **,** মহম্মদ **নু**ৰুল হুদা আৰু **শ্ৰী** আব্দুৰ ৰহিম আহমেদ ডাঙৰীয়া আপোনালোকে সংকল্প প্ৰস্তাৱটো উইড্ৰ' কৰিব নে **?**

**শ্ৰীওৱাজেদ আলী চৌধুৰী, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, পুনৰ সংস্থাপনৰ কাৰণে আমি যিখিনি দাবী উত্থাপন কৰিছো – এইখিনি মন্ত্ৰী মহোদয়ে ইতিমধ্যে কনচিডাৰ কৰিছে। গতিকে আমি আমাৰ প্ৰস্তাৱটো উউড্ৰ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** সদনৰ সন্মতি সাপেক্ষে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া শ্ৰী**ও**ৱাজেদ আ**লী** চৌধুৰী **,** মহম্মদ **নু**ৰুল হুদা আৰু আব্দুৰ ৰহিম আহমেদে উত্থাপন কৰা প্ৰস্তাৱটো গৃহীত কৰাৰ সন্মতি আছেনে **?** যি সকলে সপক্ষে আছে কওক 'হয়' **,** যিসকল বিপক্ষে আছে কওক নহয় **,** মই ভাবো 'নহয়' সাপেক্ষে **,** 'নহয়' সাপেক্ষে **,** 'নহয়' সাপেক্ষে **,** সংকল্প প্ৰস্তাৱটো নাকচ কৰা হ'ল। এতিয়া কাৰ্য্যসূচী নং**-**৪ মাননীয় সদস্য শ্ৰীজু**বেইৰ** আনম মজুমদাৰ

আপোনাৰ সংকল্প প্ৰস্তাৱটো সদনত উত্থাপন কৰি ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো। আপুনি একেবাৰে চৰ্টকৈ ক'ব – কাৰণ মন্ত্ৰীয়ে ৰিপ্লাই দিব লাগিব। তেতিয়া হ'লে আমি আজিয়ে শেষ কৰিব পাৰিম। আমাৰ পৰৱৰ্ত্তী ৩১ তাৰিখলৈ **Private Members business** গতিকে নতুন বিষয় দিব নোৱাৰিব। এতিয়া শ্ৰীজু**বেই**ৰ আনম মজুমদাৰ।

**শ্ৰীজুবেইৰ আনম মজুমদাৰ, (আলগাপুৰ-কাটলিচেৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি প্ৰাইভেট মেম্বাৰচ **ৰিজ'লিউশ্যনত** মোক ৰিজ'লিউশ্যন **উত্থাপন কৰিব** সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। প্ৰথমতে আমি জানি ল'ব লাগিব যে**, Gig Worker** আৰু **Platform base Gig Worker** কোন **?** আমি যেতিয়া ঘৰতে থাকি কিবা এটা বস্তু অ'ৰ্ডাৰ কৰো **swiggy – Zamato** আদিৰ হোম ডেলিভাৰী এজেন্ট বিলাক আছে , **যে**তিয়া আমি **Transport ৰ কথা কওঁ তেতিয়া Ola-Uber, Rapido driver বোৰ, যেতিয়া quick Commerce ৰ কথা কওঁ Blinkit, Instamer –delivery Agent** আৰু **On line shopping যেনে Amazon** আৰু **Flipkart** ৰ **delivery Agent** বিলাকৰ কথা ক**ওঁ**। অধ্যক্ষ মহোদয়, এইটো কোনো ইনভিজিবল্ ফ'ৰ্চ নহয়। বহু ডাঙৰ এটা পেৰেলেল ইক'**ন**'মিত চলি আছে। এইটো এটা কমপ্লিটলী ৰিয়েল মেন উইথ ৰিয়েল ফেচ এণ্ড ফ্লেট। কিন্তু আমি আজিও একন'লেজ কৰিব পৰা নাই। ধনী ধনী মানুহবিলাকে ১০-১২ তলা বিল্ডিং বনাইছে , তে**ওঁ**লোকে যেতিয়া কিবা এটা বস্তু অৰ্ডাৰ দিয়ে , তেতিয়া ডেলিভাৰী বয়টোৱে লৈ আহিলে তে**ওঁ**লোকক বিল্ডিঙৰ লিফট্ টো ইউছ কৰিব নিদিয়ে তেতিয়া ডেলিভাৰী এজেন্টজনে ডাঙৰ বেগ লৈ ১০-১২ তলা ওপৰলৈ চিৰিৰে বগাই যাবলগীয়া হয়**,** তাৰ পিচতো দেৰী হ'ল বুলি তে**ওঁ**লোকক গা**লি** দিয়ে লগতে ৰেটিংটো ক'মাই দিয়ে। এই ধনী মানুহৰ ঘৰত যি কুকুৰ থাকে সেই কুকুৰক কিন্তু লিফট্ ব্যৱহাৰ কৰিবলৈ দিয়া হয়। সেই কাৰণে মই ৰিজ'লিউশ্যনটো আনিব বিচাৰিছো। আমাৰ দেশত এটা ডাঙৰ প্ৰব্লেম আছে যে**,** আমি **Work force** ক সন্মান নকৰো **,** কাৰ কিমান পইচা আছে **,** সেইটো লৈহে আমি ডিচাইড কৰো যে**,** সন্মান জনাম নে

নজনাম। এজন ড্ৰাইভাৰক আমি সন্মান নকৰো কিন্তু এজন পাইলটক আমি সন্মান কৰো। একেই ধৰনে হোটেললৈ গ'লে সৰু ৰেইটাৰজনক সন্মান নিদিও কিন্তু এয়াৰ হোষ্টেজক সন্মান কৰো গতিকে সন্মানটো ডিপেণ্ড কৰে যে, পইচা কিমান আছে গতিকে আমাৰ এই মেন্টেলিটিটো এদিনৰ ভিতৰতে চেঞ্জ কৰিব নোৱাৰো গতিকে আমি বিল আনিব লাগিব। যাতে এই ৰ **delivery Agent** আৰু **Platform base Gig Worker** সকলে যাতে সন্মান আৰু প্ৰটেকশ্যন পায় কাৰণ তেওলোকৰ কোনো ফিক্সড চেলাৰী নাই। আজি সৰুতকৈ এটা সৰু বস্তুৰে কওক যেনে swiggy, zomato কওক। যেতিয়া খানা delivery লবলৈ যায়, যেতিয়া কালেক্ট কৰিব যায় ডেলিভাৰী পাৰ্চেলটোৰ কাৰণে বহুত সময় ৰৈ থাকিব লাগে। এইটো restaurant ৰ ওপৰত depend কৰে যে restaurant কিমান সময় লয়। কিন্তু এই যে waiting period টো এই waiting period ৰ কাৰণে সিহঁতে এটকাও অতিৰিক্ত নাপায়। সিঁহতে দিনটো কাম কৰিলে সিঁহতে offline যাব নোৱাৰে, offline হৈ গলে সিঁহতৰ rating down কৰি দিয়ে। আজি যেতিয়া তেলৰ দাম বাঢ়ি যায়, কিন্তু workers ৰ পইছা বা পেমেন্ট যিটো পায় সেইটো কোনো বৃদ্ধি নকৰে। আজিকালি যদি গাড়ী এখন বেয়া হৈ যায় সেই ড্ৰাইভাৰৰ vehicle maintenance, mobile phone, internet, loan of installments সকলো এজেন্ট কেইজনে নিজে উঠাব লাগে, এইখিনি পইছা এজেন্ট কেইজনে নিজে দিব লাগে। কিন্তু এইখিনি কোম্পানীয়ে কেতিয়াও একো নাচায়। আজি কমিশ্বন যিটো পায় তাৰ কোনো clear এটা basis নাই যে আপুনি ইমান টকা পাব। কোনো clear base দিয়া নহয় যে আপুনি ইমান টকা পাব। এইকাৰণে কোনো surety নাই। আজি এই কোম্পানীবোৰ কয় যে delivery agents বোৰক delivery agents নহয়, delivery partner বুলি কয়। কিন্তু partner এ বেচিক জানিব লাগে যে partner কিমান পইছা পাব। এইটো কিন্তু কোনো fixed income নাথাকে। আজি সিঁহতৰ কিবা এটা যদি অকণমান কোনোবাই complain কৰি দিয়ে লগে লগে সিঁহতৰ একাউন্টটো suspend কৰি দিয়ে মানে বুজিব যে তেখেতসকলৰ চাকৰি গ'ল। কাৰণ একাউন্টটো যেতিয়া গুচি যায়

তেতিয়া চাকৰিটো গুচি গ'ল। একাউন্টটো যেতিয়া deactivate কৰি দিয়ে workers বিলাকে এই issue টো লৈ raise কৰিবলৈ সিঁহতৰ কোনো ঠাই নাই, য'ত যাব পাৰে এনেকুৱা কোনো ঠাই নাই। আজি পুৰা system টো Algorithm এ চলাই আছে। মানুহ হ'ল real মানুহ কিন্তু সিঁহতৰ life decide কৰি আছে সেই এপ কেইটাৰ Algorithm. সিঁহতৰ কোনো surety নাই পুৰা কামটোৰ কাৰণে। আজি সিঁহতৰ কোনো provident fund ৰ provision নাই, কোনো paid leave ৰ provision নাই। আজি সিঁহতৰ এটা বেচিক  right to refuse যিটো certain word  সেই right টো নাই। আজিৰ তাৰিখত যদি এজন উবেৰ ড্ৰাইভাৰে যদি ভাৱে যে এইটো ঠাই বা সেইটো ঠাইলৈ নাযাও আৰু তেওঁ যদি ৰাইড টো cancel কৰি দিয়ে তাতেও ড্ৰাইভাৰৰ ৰেটিং নামি যায়।  right to refuse word এটা বেচিক ৰাইট থাকিব লাগে , যিকোনো চাকৰিত এই ৰাইটটো নাই। মাননীয় অধ্যক্ষ মহোদয়, আজি এনেকুৱা সমস্যা বহুত আছে কিন্তু problems address কৰিবলৈ আমি বহুত কেইটা মডেল ল'ব পাৰো, যেনেকুৱা কৰ্ণাটকত এখন মডেল আছে, Platform based Gig Workers Welfare Board, Karnataka Govt. বনাইছে, তেলেংগানা, বিহাৰ, ঝাৰখণ্ড আৰু ৰাজস্থান আদি ৰাজ্যৰ চৰকাৰে বনাইছে আৰু একে বস্তু আমিও adopt কৰিব পাৰো যাতে এই Gig Workers কেইজনে যাতে basic protection চৰকাৰৰ ফালৰ পৰা পায়। আজি আমি গম পাব লাগিব যে Gig Workers হ'ল এটা parallel economy ইমান ডাঙৰ এটা economy চলাই আছে আৰু without these agents পুৰা economy collapse হৈ যাব।  পুৰা economy চলি আছে এই মানুহকেইজনৰ ওপৰত। কিন্তু মানুহ কেইজনক কোনেও কিন্তু সন্মান দিয়া নাই, কোনো protection দিয়া নাই, এই protection ৰ কাৰণে চৰকাৰে কিবা এটা পদক্ষেপ ল'ব লাগে আৰু এইটো protection ৰ কাৰণে চৰকাৰে এটা constitute কৰি Assam Gig and Platform worker welfare Board এটা constitute কৰিব লাগে যাতে এইযে Workers খিনি আছে, এই যে agents খিনি আছে, এই agents খিনিয়ে at least basic protection যাতে এই চৰকাৰৰ পৰা পায়। আজি compulsory registration for

all Gig and Platform Worker operating in Assam, এইটো compulsory registration কৰিব লাগে যাতে এটা portable unique identity number থাকিব লাগে যিটো সকলোবিলাক Platform ত valid হয় । আজি mandatory registration থাকিব লাগে যে every company যিমান ডাঙৰ ডাঙৰ company ইয়াতে আহি পইছা কমাই আছে, ইয়াতে যদি পইছা কমায় আছে ইয়াৰে company ইয়াৰে চৰকাৰৰ লগত ইয়াৰে Board টোৰ লগত registration compulsory registration হ'ব লাগে আৰু representation থাকিব লাগে, এই যিখন বৰ্ড,  এই বৰ্ডত government ministers পৰা gig workers সকলোৰে এজন reprensentation থাকিব লাগে যাতে সকলোৰে কথা শুনিব পাৰে আৰু সকলোৰে কথা লৈ একেলগে এই বৰ্ডখন চলিব পাৰে। অধ্যক্ষ মহোদয়, এইটো বহুত ডাঙৰ মোৰ স্পীচ নহয়, চিম্পল আমাৰ কথাটো হ'ল যে এই কোম্পানীবোৰে ইমান পইছা কমাই আছে আমাৰ অসমৰ পৰা ইমান পইছা যেতিয়া কমাই আছে আমাৰ simple **welfare lavid** platform গোটাই থব লাগে । এটা **welfare lavid**  থব লাগে যাতে আমাৰ workers খিনিয়ে basic insurance এটা পাই । আজি insurance ৰ কথা কয় কিন্তু এই কোম্পানীৰ যিবিলাক insurance আছে ইয়াৰ কোনো fixed insurance নহয়। ক'ব ১০ লাখ টকাৰ কথা কয় upto 10 Lakhs, upto ৰ কোনো value নাথাকে, upto ৰ কোনো assurance নাথাকে । আজিৰ তাৰিখত কোনো assurance এই gig worker কেইজনে পোৱা নাই । সেইকাৰণে assurance তেতিয়াই হ'ব যেতিয়াই Government involved হ'ব আৰু Government এটা safety ৰ কাৰণে  board এটা বনাব। তেনেকুৱা সকলোবোৰ ঠাইত বাকী ৰাজ্যত যেনেকৈ Welfare Board বনিছে, মই সকলোকে আহ্বান জনাও এই সদনৰ সকলোকে আহ্বান জনাও সকলোৱে এইটোক সমৰ্থন জনাওক আৰু এটা Welfare Board platform based gig worker Welfare Board এটা যাতে আমি constitute কৰিব পাৰো আৰু এইটো আমাৰ ইয়াতে থকা house ৰ every single Honourable MLA ক মই এইটো জনাব বিচাৰো যে আপোনালোকে যিয়ে আজিলৈকে এটা খোৱা বস্তু

এটা platform ৰ পৰা আজি Swiggy use কৰিছে যদি, Zomato use কৰিছে যদি, Uber use কৰিছে যদি, Blinkit use কৰিছে যদি মনত থব আমাৰ সকলোৰে এইটো দায়িত্ব হয় যে আজি আমি workers খিনিৰ লগত থাকো আৰু workers খিনিৰ হৈ এই resolution ক আমি support কৰো কাৰণ ইয়াত কোনো Congress, BJP ৰ কথা নহয় আমাৰ কথাটো হ'ল যে আমাৰ যিখিনি workers আছে, যিখিনি সন্মান পাব লাগে, আমি এই সন্মান workers খিনিক দিব লাগে। এইখিনি কৈ এই মোৰ resolution টো **its after you**.

**মাননীয় অধ্যক্ষঃ** এতিয়া শ্ৰম আৰু কল্যাণ বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী ৰামেশ্বৰ তেলী ডাঙৰীয়াক প্ৰস্তাৱটোৰ ওপৰত উত্তৰ প্ৰদান কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী ৰামেশ্বৰ তেলী, ( শ্ৰম আৰু কল্যাণ বিভাগৰ মন্ত্ৰী**): মাননীয় অধ্যক্ষ মহোদয়, ১১৫ নং নিয়মাৱলীৰ জাননীৰ সন্দৰ্ভত মই Gig and platform ৰ ওপৰত সদনৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো সকলোৰে জ্ঞাত যে ভাৰতৰ শ্ৰমিক আইন সমূহৰ ইতিমধ্যে বৃহৎ সংশোধন অনা হৈছে। মুঠ ২৯ খন আইনক চাৰি ভাগত ভাগ কৰি (১) সামাজিক সুৰক্ষা সংহিতা ২০২০, (২) মজুৰি সংহিতা ২০১৯, (৩) উদ্যোগিক সম্বন্ধ সংহিতা ২০২০ আৰু (৪) ব্যৱসায়িক সুৰক্ষা স্বাস্থ্য আৰু কৰ্ম পৰিবেশ সংহিতা ২০২০ অধিসূচনা জাৰি কৰিছে । এই চাৰিখন সংহিতা যোৱা ২১ নৱেম্বৰ, ২০২৫ তাৰিখৰ পৰা সমগ্ৰ ভাৰতবৰ্ষত ৰূপায়ণ কৰা হৈছে। ইয়াৰে সামাজিক সুৰক্ষা সংহিতা ২০২০ অসংগঠিত শ্ৰমিক তথা gig and platform workers ৰ বাবে বিভিন্ন সামাজিক সুৰক্ষা যেনে স্বাস্থ্য, provident fund, gratuity, মাতৃকালীন চুটি আদিৰ ব্যৱস্থা কৰা হৈছে। উল্লেখযোগ্য যে সামাজিক সুৰক্ষা সংহিতা ২০২০ অনুসৰি gig and platform workers ৰ বাবে কেৱল কেন্দ্ৰ চৰকাৰেহে আঁচনি গ্ৰহণ কৰা ব্যৱস্থা সংহিতাত ৰখা হৈছে। ইয়াৰ প্ৰতিলিপি গাঠি দিয়া হ'ল।

**শ্ৰী জুবেইৰ আনম মজুমদাৰ, (আলগাপুৰ কাটলিচাৰা)ঃ** যি কথাটো কৈছে central government eShram app টোৰ কথা কৈছে। eShram তাত gig workers ক just unorganized worker হিচাপে কৰা আছে, কোনো specific

guidelines নাই যে অসমৰ কাৰণে যদি specific guidelines আৰু board এটা আনিব পাৰি তেতিয়া অসমৰ workers খিনিৰ বেছি লাভ হ'ব বেছি ভাল পাব।

**মাননীয় অধ্যক্ষঃ** মাননীয় সদস্য শ্ৰী জুবেইৰ আনম মজুমদাৰ ডাঙৰীয়া আপোনাৰ সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে ?

**শ্ৰী জুবেইৰ আনম মজুমদাৰ, (আলগাপুৰ-কাটলিচাৰা)**ঃ চৰকাৰে যদি ব্যৱস্থা লয় so obviously.

**মাননীয় অধ্যক্ষঃ** আপুনি প্ৰত্যাহাৰ কৰিবনে ? নকৰিলে মই voting ত যাব লাগিব।

**শ্ৰী জুবেইৰ আনম মজুমদাৰ, (আলগাপুৰ কাটলিচাৰা)**ঃ ঠিক আছে।

**মাননীয় অধ্যক্ষঃ** সদনৰ সন্মতি সাপেক্ষে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া মাননীয় সদস্য শ্ৰী দীপক কুমাৰ দাস, আপোনৰ সংকল্প প্ৰস্তাৱটো সদনত উত্থাপন কৰি ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

**শ্ৰী দীপক কুমাৰ দাস, (বৰপেটা)**ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া আপোনাৰ নিৰ্দেশ অনুযায়ী মই মোৰ সংকল্প প্ৰস্তাৱ আৰম্ভ কৰিছো। মাননীয় অধ্যক্ষ ডাঙৰীয়া মই আজি এনেকুৱা দুখন ঐতিহাসিক ঐতিহ্যৰে পৰিপূৰ্ণ দুখন চহৰৰ কথা কম যি দুখন চহৰ সুদীৰ্ঘ দিন ধৰি ৰেল সেৱাৰ পৰা বঞ্চিত হৈ আছে, সেই দুখন হ'ল- ঐতিহাসিক ঐতিহ্যৰে পৰিপূৰ্ণ সত্ৰ-সংস্কৃতিৰ পীঠস্থান বৰপেটা আৰু হ'ল ৩০০ বছৰীয়া শিল্প কলাৰে অসমীয়া সংস্কৃতিক প্ৰতিনিধিত্ব কৰা শিল্প – কলা নগৰী সৰুক্ষেত্ৰী। এই দুয়োখন ঐতিহাসিক ঐতিহ্যপূৰ্ণ চহৰত আজিও ৰে'ল সংযোগ হোৱা নাই। সেয়েহে মই অভয়াপুৰী বৰপেটা চহৰ- সৰ্থেবাৰী সংযোগী নতুন ৰে'ল পথ নিৰ্মাণৰ বাবে ভাৰত চৰকাৰ আৰু ৰে'ল মন্ত্ৰালয়ৰ ওচৰত বিষয়টো অগ্ৰাধিকাৰ ভিত্তিত উত্থাপন কৰি প্ৰয়োজনীয় জৰীপ, সম্ভাব্যতা, অধ্যয়ন, অনুমোদন আৰু শীঘ্ৰে কাৰ্য্যকৰীকৰণ নিশ্চিত কৰাৰ উদ্দেশ্যে ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰিবলৈ অনুৰোধ জনাই এই সংকল্প প্ৰস্তাৱটো সদনত সৰ্ব্বসন্মতিক্ৰমে গৃহীত কৰাৰ নিমিত্তে মই এই প্ৰস্তাৱটো উত্থাপন কৰিলো যাতে এই ঐতিহাসিক ঐতিহ্যৰে পৰিপূৰ্ণ দুখন চহৰ ৰে'ল

সংযোগৰ দ্বাৰা সংযুক্ত হৈ বিভিন্ন ক্ষেত্ৰত আগবাঢ়ি যায়। এই বৰপেটা আৰু সৰ্থেবাৰীৰ এক ঐতিহাসিক ঐতিহ্য আছে। আমি প্ৰশাসনৰ ফালৰ পৰা চাবলৈ গ'লে আৰু সত্ৰ-সংস্কৃতিৰ ফালৰ পৰা চাবলৈ গ'লে ই ১৫ শতিকাৰ ইতিহাসপ্ৰসিদ্ধ ঐতিহ্যৰে পৰিপূৰ্ণ আৰু এই অঞ্চলত ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ মানুহ আহে । তেওঁলোকে কেৱল road transportation টোহে ব্যৱহাৰ কৰে। তেওঁলোকে আজিলৈকে ৰে'লৰ যাতায়াত ব্যৱহাৰ কৰিব পৰা নাই। বৰপেটাৰ পৰা প্ৰায় ২০ কিঃমিঃ দূৰত বৰপেটা ৰোডত ৰে'ল যাতায়াত আছে। আনহাতে, আমাৰ শিল্প নগৰীলৈও অসমৰ বিভিন্ন ঠাইৰ পৰা মানুহ আহে। তেওঁলোকে road transportation কৰে। অধ্যক্ষ মহোদয়, আপুনি নিশ্চয় ভালদৰে জানে যে বৰপেটাত বছৰি আমাৰ আধ্যাত্মিক অনুষ্ঠান, সত্ৰ-সংস্কৃতিমূলক অনুষ্ঠান আৰু দৌল উৎসৱকে প্ৰমুখ্য কৰি যিবোৰ অনুষ্ঠান হয় তাত বছৰত প্ৰায় ৩০ লাখ মানুহৰ সমাগম হয়। এই ৩০ লাখ যাত্ৰী সাধাৰণতে road transportationৰ দ্বাৰা অহা-যোৱা কৰে । আপোনালোকে জানে যে ন-সত্ৰৰ কৃষ্ণগুৰু আন্তৰ্জাতিক সেৱাশ্ৰমত পাল নাম উপলক্ষে আৰু আমাৰ সৰ্থেবাৰী সৰুক্ষেত্ৰী কাঁহ-শিল্পৰ উপলক্ষে বিভিন্ন ধৰণৰ tourist আৰু ধৰ্মপ্ৰাণ ৰাইজ অহা-যোৱা কৰে । ইতিমধ্যে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ পৰা পালনাম উপলক্ষে আৰু এই শিল্পনগৰী চাবলৈ মানুহ আহে। বছৰি প্ৰায় ৩৫ লাখ মানুহ ইয়াত হয়। কিন্তু দুখৰ কথা যে আজিলৈকে ৰে'লৰ সংযোগ ইয়াত নাই। ইয়াৰ আন এক ইতিহাস আছে। ৰে'লৰ এক মসৃণ আৰু সোণালী ইতিহাসৰ লগত এই অঞ্চল জড়িত হৈ আছে । বৰপেটাৰ এক ঐতিহাসিক demand এই কাৰণেই যে ই এক আৱেগিক demand. আজি যদি আমি ৰে'লৰ ইতিহাস চাবলৈ যাওঁ তেতিয়া দেখিবলৈ পাওঁ যে এজন অসাধাৰণ প্ৰতিভাসম্পন্ন ব্যক্তি কৰ্ণেল গুৰুপ্ৰসাদ দাসৰ বিষয়ে হয়তো বহুতে নাজানে । বৰপেটাৰ পৱিত্ৰ ভূমিত জন্মগ্ৰহণ কৰা কৰ্ণেল গুৰুপ্ৰসাদ দাসে নিজৰ মেধা, অধ্যৱসায় আৰু উদ্ভাৱনী শক্তিৰে ৰে'ল পৰিবহণৰ ক্ষেত্ৰত এক উল্লেখযোগ্য অৱদান আগবঢ়াইছিল। তেওঁ উদ্ভাৱন আৰু উন্নত কৰা GP vacuum brake ৰ ব্যৱস্থাই আজি ৰে'ল চলাচল ব্যৱস্থা সুচল কৰি

ৰাখিছে। বিশ্ববিশ্ৰুত এইগৰাকী বিজ্ঞানীৰ জন্ম ঠাই বৰপেটা, য'ৰ তেওঁ সু-সন্তান, সেই সু-সন্তানৰ জন্মভূমি আজি ৰে'ল সংযোগৰ পৰা উপেক্ষিত হৈ আছে। ই আমাৰ বাবে এক emotional কথা। এইটো আমাৰ বহু দিনৰ ঐতিহাসিক demand. এই demand টো আমি ভাৰত চৰকাৰকো কৈছো। বৰপেটা সত্ৰৰ প্ৰতিষ্ঠা হৈছিল ১৫৮৩ খ্ৰীষ্টাব্দত। ব্ৰিটিছে Civil Sub-division আৰম্ভ কৰিছিল ১৮৪১ খ্ৰীষ্টাব্দত। Township হৈছিল ১৮৮৬ত। অসমৰ যি ৩ খন township, তাৰ ভিতৰত বৰপেটা township খন তিনিওখনৰ ভিতৰতে অন্যতম। কিন্তু ইমান পুৰণি township ত আজিলৈকে ৰে'ল লাইন নাই। ১৯৫৮ তে সৰ্থেবাৰীত township হৈছে। তাত মানুহৰ যি যাতায়তৰ ব্যৱস্থা, সেই যাতায়ত ব্যৱস্থাত আজিলৈকে কোনোধৰণৰ সু-ব্যৱস্থা হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানে যে আমাৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ডাঙৰীয়াৰ দূৰদৰ্শী নেতৃত্বত অসমত পথ, দলং, চিকিৎসালয়, শিক্ষা খণ্ড, বিমান বন্দৰ, জলপথ তথা প্ৰযুক্তি, উদ্যোগ, যোগাযোগ ব্যৱস্থাৰ ক্ষেত্ৰত নজিৰবিহীন উন্নতি সাধন কৰিছে। আজি ভাৰতবৰ্ষত double engine চৰকাৰে যাতায়তৰ ক্ষেত্ৰত সুফল ভাৱে এক অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে। মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ নেতৃত্বত Act East Policy, PM GatiShakti, National Master Plan, Vikshit Bharat 2047 ৰ লক্ষ্য হৈছে ভাৰতবৰ্ষৰ প্ৰতিটো অঞ্চলক আধুনিক আন্তঃগাঁথনিৰ জৰিয়তে উন্নয়নৰ মূল সুঁতিত সংযোগ কৰা। এই ৰাষ্ট্ৰদৃষ্টিৰ সৈতে সামঞ্জস্য ৰাখি মই অভয়াপুৰী, সৰভোগ, বৰপেটা চহৰৰ সৰ্থেবাৰী সংযোগী নতুন ৰে'লপথ নিৰ্মাণৰ বিষয়টো সদনৰ জৰিয়তে চৰকাৰৰ সদয় বিবেচনাৰ বাবে উত্থাপন কৰিছো। অসমত ৰে'লৰ ইতিহাস ১৮৮২ চনৰে ইতিহাস। সেই সময়ত ডিব্ৰুগড়ৰ মাকুমত ৰে'ল ব্যৱস্থা আৰম্ভ হৈছিল। তাৰ পিছত ই সম্প্ৰসাৰিত হৈ Assam Railway and Trading Company গৈ Northeast Railway Frontier হ'ল। তৎসত্বেও ৰে'ল যাতায়তৰ ক্ষেত্ৰত আজি বৰপেটা উপেক্ষিত হৈ আছে। এই প্ৰস্তাৱিত ৰে'লপথ কোনো এখন জিলাৰ দাবী নহয়। ই বঙাইগাওঁ, বৰপেটা, নলবাৰী জিলাৰ লাখ লাখ জনসাধাৰণৰ আশা-আকাংক্ষাৰ

প্ৰতিফলন। এই ৰে'লপথে অভয়াপুৰী, সৰভোগ, বৰপেটা চহৰ আৰু সৰ্থেবাৰীক এক নতুন উন্নয়নৰ দ্বাৰা সংযুক্ত কৰিব। ইয়াৰ জৰিয়তে নামনি অসমত এক নতুন economic growth corridor, special tourism corridor, আৰু heritage corridor গঢ়ি উঠিব। মাননীয় অধ্যক্ষ মহোদয়, বৰপেটাৰ এই পূণ্যভূমিত আপোনাৰ জন্ম। আপুনি ভালকৈ জানে যে বৰপেটা হৈছে বৈষ্ণৱ সংস্কৃতিৰ সাহিত্য, সংগীত, নাট্যকলা আৰু সামাজিক সংস্কাৰৰ অন্যতম প্ৰধান কেন্দ্ৰ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱে প্ৰতিষ্ঠা কৰা নাম বৈষ্ণৱ ধৰ্মৰ আদৰ্শৰে বৰপেটাই অসমীয়া জাতিক আধ্যাত্মিক ৰাজধানীসমূহৰ ভিতৰত অন্যতম মৰ্যাদা প্ৰদান কৰি আহিছে। এতেকে এনেকুৱা ঐতিহাসিক ঐতিহ্যপূৰ্ণ ঠাইত যদি ৰে'ল যাতায়তেৰে উপেক্ষিত হৈ থাকে তেতিয়াহ'লে বিশ্বই আমাক হাঁহিব। মই ইতিমধ্যেই কৈছো যে প্ৰতিবছৰে দৌল উৎসৱ, জন্মাষ্টমী, নাম-প্ৰসংগ, সত্ৰৰ ঐতিহ্য আদি দৰ্শন কৰিবলৈ অসম আৰু ভাৰতবৰ্ষৰ লগতে বিদেশৰ পৰাও বহু লক্ষাধিক ভক্ত, গৱেষক, পৰ্যটক বৰপেটালৈ আহে। বয়োজ্যেষ্ঠ তীৰ্থযাত্ৰী, বিদেশী পৰ্যটক আৰু গৱেষক সকলৰ বাবে এই road transportation ৰ যাত্ৰা বহুত সময়ত কষ্টকৰ হৈ পৰে। মাননীয় অধ্যক্ষ ডাঙৰীয়া মই বেছি সময় নলওঁ। কাৰণ Equality before the law. সকলোকে সময় দিলে ভাল পাম। এটা বিষয়ত ১ ঘণ্টা ৪০ মিনিট সময় ল'লে কিন্তু সত্ৰ-সংস্কৃতিৰ ক্ষেত্ৰত মোৰ ঐতিহাসিক দুখন নগৰী যিয়ে ঐতিহাসিক মান-মৰ্যাদা ৰক্ষা কৰি আছে আজি সেই নগৰী দুখনত ৰে'ল সংযোগৰ ঐতিহাসিক demand মই আনিছো। মই সদনৰ প্ৰতিজন ব্যক্তিৰে দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে মোৰ এই প্ৰস্তাৱটোক আপোনালোকে আন্তঃকৰণেৰে সমৰ্থন দিব। কাৰণ মোৰ সমষ্টিৰ কৰ্ণেল গুৰুপ্ৰসাদ দাসে ইতিমধ্যে GP Brake নিৰ্মাণ কৰি এক বিশ্ববিশ্ৰুত প্ৰসিদ্ধ বিজ্ঞানী হিচাপে বিশ্বত নাম প্ৰতিষ্ঠা কৰিছে, তেনেকুৱা এখন ঠাই যদি ৰে'ল সংযোগৰ পৰা বঞ্চিত হৈ থাকে তেন্তে ই খুব দুখৰ বিষয়। শিল্প-কলাৰ ক্ষেত্ৰ সৰ্থেবাৰী সৰুক্ষেত্ৰীৰ নিচিনা ঠাই য'ত বছৰি প্ৰায় ৩০ লাখ মানুহ আহে তেনে ঠাই যদি ৰে'ল যাতায়তৰ পৰা বঞ্চিত হৈ থাকে তেন্তে মানুহে আমাক কি ক'ব ?

এই প্ৰস্তাৱ অৰ্থনৈতিক উন্নয়নমূলক বিষয়ৰ ওপৰত সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আজিৰ যুগত যোগাযোগৰ ব্যৱস্থা কেৱল road transportation নহয়, যোগাযোগ ব্যৱস্থা মানে এখন অঞ্চলৰ কৃষি, উদ্যোগ, পৰ্যটন, বাণিজ্য, logistic, বিনিয়োগ আৰু কৰ্ম সংস্থাপনৰ নতুন দিগন্ত। অভয়াপুৰী, সৰভোগ, বৰপেটা চহৰ, সৰ্থেবাৰী অঞ্চল নামনি অসমৰ এক অত্যন্ত সম্ভাৱনাময় ঐতিহাসিক কৃষি, পৰ্যটন, উদ্যোগভিত্তিক অঞ্চল। এই অঞ্চল ধান, সৰিয়হ, শাক-পাচলি, মৎস্য, দুগ্ধ, বাঁহ-বেতৰ সামগ্ৰী, কাঁহ-পিতলৰ শিল্পৰে ভৰপূৰ। এই কাঁহ-পিতল শিল্প আমদানি আৰু ৰপ্তানি কৰাৰ ক্ষেত্ৰত আৰু ব্যৱসায়িক প্ৰতিযোগিতাৰ বাবে যদি ৰে'লপথটো হয় তেন্তে সৰ্থেবাৰীৰ যিসকল Artisan আছে তেওঁলোকৰ বাবে বৰ উপকাৰ কৰা হ'ব। লগতে, মই কৈছো যে আজি এই বঞ্চিত লোক সকলক যদি ৰেল লাইন স্থাপন কৰা হয়, দেশ-বিদেশৰ পৰ্য্যটনৰ আকৰ্ষণ স্থলী হ'ব। পৰ্য্যটনৰ ক্ষেত্ৰত নতুন সম্ভাৱনা হ'ব। কৃষিজাত সামগ্ৰীৰ দ্ৰুতভাৱে উত্তৰ-পূৱ ভাৰত আৰু দেশৰ অন্যান্য বজাৰ প্ৰেৰণ কৰিব পৰা যাব। কৃষকৰ পৰিবহণ ব্যয় কমিব, কৃষিভিত্তিক উদ্যোগ আৰু খাদ্য প্ৰক্ৰিয়াৰ উদ্যোগ স্থাপন কৰিব৷ এতেকে মই কৰযোৰে প্ৰাৰ্থনা কৰিছো, আজিৰ সদনক, হে মহামান্য সদন, আপানালোকৰ জ্ঞান আৰু গৰিমাৰে আজিৰ এই ঐতিহাসিক প্ৰস্তাৱটো বৰপেটা সৰ্থেবাৰী অভয়াপুৰী সৰভোগ বৰপেটা সৰ্থেবাৰীক নতুন ৰেল সংযোগৰ মাজেৰে যাতায়াতৰ ব্যৱস্থাৰ দ্ৰুত উন্নয়ণ কৰাৰ ক্ষেত্ৰত আজি মোৰ প্ৰস্তাৱৰ সৈতে সহমত হওঁক আৰু ই এক দিগদৰ্শন আৰু আজিৰ এই সদন এক ঐতিহাসিক প্ৰস্তাৱক সন্মতি দিয়াৰ ক্ষেত্ৰত নজিৰ ৰাখক। এইখিনি কৈ মই আপোনাক পুনৰবাৰ ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰীশ্বেৰমান আলী আহমেদ। ১ মিনিট সময়।

**শ্ৰীশ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰীদীপক কুমাৰ দাস ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে, অত্যন্ত গুৰুত্বপূৰ্ণ আৰু মই সম্পূৰ্ণৰূপে সমৰ্থন জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, আপোনাক

অনুৰোধ জনাইছো, আপোনাৰ নেতৃত্বত আজি বিধান সভাই Private Member ৰ বিলখন আজি accept কৰি এক নজিৰ স্থাপন কৰক আৰু মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক অনুৰোধ জনাব খুজো, মই বুজি পাওঁ Adopting the resolution is not the end আমাৰ কামটো হ'ব লাগিব, আপুনিও সন্মত হ'ব, আপোনাৰ নেতৃত্বত আমাৰ বৰপেটা জিলাৰ সকলো বিধায়কক লৈ আমাৰ মুখ্যমন্ত্ৰী মহোদয়ৰ সহযোগিতাত লাগিলে আমি এবাৰ দিল্লীলৈ যাওঁ, ৰেল মন্ত্ৰণালয়ৰ লগত কথা পাতো, এইক্ষেত্ৰত আপুনি উদ্যোগ ল'ব বুলি মই আশা কৰিলো আৰু আপোনাক অনুৰোধ কৰিলো।

**শ্ৰী দীপক কুমাৰ দাস, বৰপেটাঃ** মাননীয় অধ্যক্ষ মহোদয়, ১ মিনিট সময় লৈছো। ইতিমধ্যে এই বিষয়টো আমি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই আৰু শ্ৰী ভূপেন ৰয় ডাঙৰীয়াই এখন memorandum দিছিলো। যোৱা ১০-০৭-২০২৬ তাৰিখে আৰু ইতিমধ্যে তেখেতে নিৰ্দেশ দিছে আমাৰ মাননীয় ডিবেদী ডাঙৰীয়াক EDA এখন submit কৰি পঠোৱাৰ কাৰণে। গতিকে এই বিষয়টো আপোনাৰ জ্ঞাতাৰ্থে প্ৰকাশ কৰিলো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী ভূপেন ৰয়।

**শ্ৰী ভূপেন ৰয়, অভয়াপুৰীঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়াক মই ধন্যবাদ জনাইছো আৰু লগতে মই মাননীয় সদস্য শ্ৰীদীপক কুমাৰ দাস ডাঙৰীয়াকো মই ধন্যবাদ জনাইছো। তেখেতে এই বিষয়টো সদনত উত্থাপন কৰিছে আৰু ইয়াত মোৰ ব্যক্তিগতভাৱে সমৰ্থন থকাৰ লগতে আমি বঙাইগাওঁ জিলা তথা সূদুৰ আপোনাসকলে নিশ্চয় ইতিমধ্যে অৱগত যে নিউ মইনাগুৰি যোগীঘোপা বুলি এটা নতুন ৰেল লাইন স্থাপন হৈছে আৰু সেই ৰেল লাইনৰ পৰা আমি অভয়াপুৰীৰ পৰা বৰপেটা হাজো হৈ একেবাৰে আমি আমিনগাওঁলৈকে এই ৰেল লাইনটো ব্ৰহ্মপুত্ৰৰ ওপৰত আন এখন নতুন দলং হ'ব। আমি সংযোগ কৰিবৰ কাৰণে দাবী উত্থাপন কৰি আহিছো। মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপোনালোক সকলোৱে জানে যে আমাৰ ভাৰতবৰ্ষৰ ওপৰত যি ভাবুকি, বিশেষকৈ বাংলাদেশ আৰু চীনৰ ফালৰ পৰা যি ভাবুকি আৰু এই ভাবুকিৰ ফলত তেখেতসকলে যি

টাৰ্গেট কৰিছে, এই শত্ৰু দেশ বিলাকে এই টাৰ্গেটৰ ভিতৰত আমাৰ যিটো chicken neck বুলি কোৱা হয়। বিশেষকৈ পশ্চিমবংগৰ পৰা শিলিগুৰি হৈ  যিটো corridor এই chicken neck টোৰ প্ৰয়োজনীয়তা যিখিনি আমাৰ আছে, এই কথাটোৰ প্ৰতি আমি সামৰিক বিষয়ত মোকামিলা কৰিবৰ কাৰণে বিশেষকৈ এই chicken neck ৰ যোগেদি আহি আমি নিউ মইনাগুৰি হৈ আহি একেবাৰে আমাৰ অভয়াপুৰী আৰু অভয়াপুৰীৰ পৰা বৰপেটা তেনেধৰণে হাজোলৈকে এই ৰেলপথচোৱা গুৰুত্বপূৰ্ণ। এই বিষয়ে আমি  parliament তটো আমাৰ বৰপেটাৰ সাংসদ ডাঙৰীয়াই বক্তব্য ৰখা শুনিছিলো কিন্তু আমি এইক্ষেত্ৰত বহুবাৰ দাবী উত্থাপন কৰি আহিছো  । যিটো আমাৰ শ্ৰীদীপক দাস ডাঙৰীয়াই যি দাবী উত্থাপন কৰিছে, মই ভাবো, আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত নাইবা আপুনি মাননীয় অধ্যক্ষ ডাঙৰীয়াই আমাৰ এইক্ষেত্ৰত হস্তক্ষেপ কৰি আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই নেতৃত্বত আমি ৰেল মন্ত্ৰণালয়ক এই কথাটো জনাবৰ কাৰণে এটা ব্যৱস্থা যাতে কৰে, যিটো মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী ডাঙৰীয়াই উত্থাপন কৰিছে, তেনেহ'লে আমাৰ এই পিছপৰা অঞ্চলৰ অৰ্থনৈতিক যাতায়াতৰ লগতে সকলোখিনি দিশ আমাৰ পৰিপূৰ্ণ হ'ব আৰু শত্ৰু দেশৰ যি ভাবুকি এইক্ষেত্ৰতো আমি অন্ততঃ সবল হ'ব পাৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** শ্ৰী আব্দুৰ ৰহিম আহমেদ।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, চেঙাঃ** মাননীয় অধ্যক্ষ মহোদয় ধন্যবাদ। এটা ঐতিহাসিক প্ৰস্তাৱ মই ক'ম। কাৰণ ইয়াৰ আগতেও বহুবাৰ সদনত আলোচনা হৈছে। অভয়াপুৰী সৰভোগৰ পৰা বৰপেটা চহৰ হৈ আমাৰ একেবাৰে হাজো হৈ গুৱাহাটীলৈ যিটো বিকল্প ৰেলপথ, যিটো নতুনকৈ আৰম্ভ কৰাৰ প্ৰস্তাৱ, এই প্ৰস্তাৱক ১০০ শতাংশ আমাৰ যদি শাসক পক্ষৰ বিধায়কে আনিছে, আমি বিৰোধী বিধায়ক হিচাপে বিশেষকৈ আমি বৰপেটাৰ বাসিন্দা হিচাপে সগৌৰৱে আমি এই প্ৰস্তাৱক সমৰ্থন জনাইছো আৰু চাব, এটা কথা ক'ম যে আমাৰ বৰপেটা বিধায়ক ডাঙৰীয়াই কৈছে কৰ্ণেল গুৰুপ্ৰসাদ ডাঙৰীয়াই ৰেলৰ

ভেকুৱাম আৱিষ্কাৰ কৰিছিল, আমাৰ ৰেলৰ মুখ্য বস্তুৱেই বৰপেটাৰ পৰা আৱিষ্কাৰ হৈছে অথচ, সেই চহৰখন আজিলৈকে আমি ৰেল সংযোগ কৰিব পৰা নাই৷ গতিকে অভয়াপুৰীৰ পৰা ইতিমধ্যে state highway হৈ আছে বৰপেটাৰ পৰা এইখিনি আমাৰ National Highway হৈ আছে। গোটেইখিনি আমি উত্থাপন কৰিছিলো National Highway road হ'ব লাগে। অভয়াপুৰীৰ পৰা হাজো হৈ গুৱাহাটী আৰু বিকল্প পথ হিচাপে ৰেল লাইনটো যদি হৈ যায়, আমাৰ এই অঞ্চলটো অত্যন্ত পিছপৰা অঞ্চল হৈ আছে এতিয়াও, আমি উন্নয়ণৰ কাৰণে এটা সাংঘাতিক ধৰণে পৰিৱৰ্তন আমি আনিব পাৰিম । এই অঞ্চলসমূহ ব্যাপকহাৰে আমি উন্নয়ণ কৰিব পাৰিম। গতিকে এই প্ৰস্তাৱটো ১০০ শতাংশ সমৰ্থন কৰি আৰু আপুনি নেতৃত্ব লৈ প্ৰস্তাৱটো পাছ কৰি ৰেল বিভাগৰ লগত শাসক বিৰোধী সকলো বিধায়কক লগত লৈ আপুনি উদ্যোগ লওঁক, আমি যাবলৈ সাজু আছো। ধন্যবাদ৷

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰীজাকিৰ হুছেইন সিকদাৰ৷

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, পাকাবেটবাৰীঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় বিধায়ক শ্ৰীদীপক কুমাৰ দাস ডাঙৰীয়াই অভয়াপুৰী, সৰভোগ অঞ্চল, বৰপেটা চহৰ, সৰ্থেবাৰী অঞ্চল হৈ আমিনগাওঁলৈ যি ৰেলপথৰ সংযোগ কৰাৰ কথা কৈছে তাতে পূৰ্ণ সমৰ্থন জনাই দুআষাৰ ক'বলৈ ওলাইছো । মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপুনিও সত্ৰ নগৰী বৰপেটাতে জন্মগ্ৰহণ কৰিছে । আপোনাৰ ককাদেউতা আমাৰ ককাদেউতা, আপোনাৰ পিতা, আমাৰ পিতা আৰু আমি এই বৰপেটা চহৰত ৰেল পথেৰে সংযোগ কৰাৰ কাৰণে অভয়াপুৰীৰ পৰা বৰপেটা হৈ আমিনগাওঁলৈ ৰেলপথেৰে সংযোগ কৰাৰ কাৰণে দাবী আগৰ পৰাই জনাই আহিছো আমিও জনাইছো। আজি এই গুৰুত্বপূৰ্ণ প্ৰস্তাৱ পৱিত্ৰ বিধান সভাই গৃহীত কৰিব লাগে যাতে আমাৰ পৰৱৰ্তী প্ৰজন্মই এই দাবী লৈ যাতে আৰু কোনো কথা পাতিব নালাগে, কোনো আন্দোলন কৰিব নালাগে। পূৰ্বৰ পৰাই বৰপেটা চহৰখনক ৰেল পথেৰে সংযোগ কৰাৰ বহু দাবী কৰিছে, বহু আন্দোলন হৈছে, বহু আশা কৰিছে, বহু দাবী কৰা মানুহ ইতিমধ্যে চিৰদিনৰ

বাবে পৃথিৱীৰ পৰা গুচি গৈছে। গতিকে অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ নেতৃত্ব লোৱাৰ কথা কৈছে। মইও অনুৰোধ জনাও আপুনি নেতৃত্ব লৈ অভয়াপুৰীৰ পৰা বৰপেটা চহৰখনক সংলগ্ন কৰি আমিনগাওঁলৈ এই ৰেলপথ কৰিব লাগে আৰু আমিনগাওঁ, য'ত এই ৰেলপথ আহি connectivity মিলিব, যিটো মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সমষ্টি হয়। কিন্তু এই গোটেইখিনি কৰিবলৈ যাওঁতে আমাৰ ৰেল বিভাগে নতুন ৰেলপথ কৰাৰ ক্ষেত্ৰত কেইটামান নিয়ম নীতি মানি চলে। তাৰে এটা হৈছে যাত্ৰী আৰু মালবাহী চাহিদা। যথেষ্ট যাত্ৰী ইয়াতে পাব, যথেষ্ট মাল ইয়াতে পাব। মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই অঞ্চলত উৎপাদিত ধান সমগ্ৰ অসমৰ লগতে দেশৰ বিভিন্ন ৰাজ্যলৈ যায়। আজিকালি মাকৈ খেতি নতুন কৰা হৈছে। মাকৈ খেতি ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চললৈ যায়, মৰাপাট বিভিন্ন অঞ্চললৈ যায়। ইয়াৰ গাখীৰ অসমৰ বিভিন্ন প্ৰান্তলৈ যায়। ইয়াৰ মাছ অসমৰ লগতে ভাৰবৰ্ষৰ বিভিন্ন অঞ্চললৈ যায়। ইয়াৰ যি কৃষিজাত সা-সামগ্ৰী ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চললৈ যায়। মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানে যে সত্ৰ নগৰী বৰপেটালৈ বিভিন্ন পৰ্য্যটক সকল আহে। সৰ্থেবাৰী কাঁহ-পিতল উদ্যোগলৈ বিভিন্ন পৰ্য্যটক সকল আহে। কাঁহ-পিতলৰ সা-সামগ্ৰী ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চললৈ যায়। বস্ত্ৰ নগৰী শুৱালকুছিৰ কথা আমি সমগ্ৰ অসমে জানে, ভাৰতবৰ্ষই জানে, বিশ্বই জানে যে বস্ত্ৰ নগৰীৰ পৰা বিভিন্ন বস্ত্ৰ, বিভিন্ন দেশ-বিদেশলৈ গৈ থাকে। ইয়াতে হয়গ্ৰীৱ মাধৱ মন্দিৰ, পোৱামক্কা হাজোৰ বিষয়ে আমি সকলোৱে জানো। পৰ্য্যটক সকল বিভিন্ন আহে। কয়াকুছিৰ ঢাৰি উদ্যোগৰ কথা সকলোৱে জানো। যি ঢাৰি ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যলৈ যায়। গতিকে ইয়াতে যিখিনি যাত্ৰী আৰু মালবাহীৰ কথা কৈছে , যথেষ্টখিনি ইয়াতে সম্ভাৱনা আছে আৰু যথেষ্টখিনি ভাল হ'ব। অৰ্থনৈতিক লাভা লাভৰ কথা কৈছে . ইয়াতে যদি ৰেলৰ প্ৰকল্পটো হৈ যায়, ৰেল বিভাগ যথেষ্টখিনি লাভান্বিত হ'ব। ইয়াতে বিস্তৃত প্ৰকল্পৰ প্ৰতিবেদনৰ কথা কৈছে, মাটিৰ কথা কৈছে, মাননীয় অধ্যক্ষ ডাঙৰীয়া আপোনাৰ নেতৃত্বত আমি যিসকল বিধায়ক এই অঞ্চলত আছে সকলো একত্ৰীত হৈ অসম চৰকাৰখনক ৰেল বিভাগক আমি যথেষ্টখিনি

সহায়-সহযোগিতা কৰিম। মাটিৰ ক্ষেত্ৰত কোনো ধৰণৰ অসুবিধা নাথাকিব। এইখিনি ভূমি অধিগ্ৰহণ কৰিব পাৰিব। বন আৰু পৰিৱেশৰ এইটো clearance ৰ কথা কৈছে, এন.অ' চি ৰ কথা কৈছে। এই অঞ্চলত ফৰেষ্টৰ ৰ কোনো এলেকা নাই। যিখিনি অলপ এলেকা পৰিব তাত কোনো অসুবিধা নহয়। মাননীয় অধ্যক্ষ মহোদয়, মই অনুৰোধ জনাইছো আপুনি নেতৃত্ব লওঁক, অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এইক্ষেত্ৰত আমাক সম্পূৰ্ণ সহযোগিতা আগবঢ়াওঁক আৰু আমি  সকলো বিধায়ক একত্ৰিত হৈ এদিন আমি এখন মিটিং কৰি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক সাক্ষাৎ কৰি, দিল্লীত গৈও আমি মাননীয় ৰেল মন্ত্ৰী ডাঙৰীয়াক সাক্ষাৎ কৰি এই বৰপেটা, সৰভোগ, হাজো, সৰ্থেবাৰী, শুৱালকুছি অঞ্চলৰ ৰাইজৰ দীৰ্ঘদিনৰ যিটো দাবী এই দাবী যাতে পবিত্ৰ বিধান সভাই নিশ্চিতভাৱে আজি এই দাবীটোক মান্যতা দি পৰৱৰ্ত্তী সময়ত ৰেলপথ যাতে হয় তাৰ আশা ৰাখি মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ । এতিয়া মাননীয় লোকনিৰ্মাণ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই হৈ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই এই প্ৰস্তাৱটোৰ ওপৰত উত্তৰ দিব।

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী):** মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টো ভাৰত চৰকাৰৰ ৰেল বিভাগৰ নিয়ন্ত্ৰণাধীন। এই বিষয়টোত আমি তেখেতসকলৰ পৰা উত্তৰ হে বিচাৰিছো । কিন্তু সকলো বিধায়কৰ কথাখিনি মই শুনিলো । বিষয়টো গুৰুত্বপূৰ্ণ । যদিও তেখেত সকলে চাৰ্ভে কৰিছিল, তেখেত সকলে ক'লে যে বৰপেটাৰোডৰ পৰা হাউলী, বৰপেটা, ভেল্লা, সৰ্থেবাৰী, টিহুলৈ দৈৰ্ঘ্য ৯৭.৮০ কিলোমিটাৰ । সৰ্থেবাৰীৰ পৰা ৰামপুৰ, মুকালমুৱা, আদাবাৰী, হাজো, চেঁচামুখ হৈ চাংসাৰীলৈ দৈৰ্ঘ্য ৫৯.৩৫ কিলোমিটাৰ । এইবিষয়ত .তেখেতসকলে জনাইছে যে - ওপৰোক্ত প্ৰস্তাৱিত ৰেলপথ দুটাৰ বাবে RET অৰ্থাৎ Reconnaissance Engineering cum Traffic Survey কৰা হৈছিল। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, তেওঁলোকে এই প্ৰস্তাৱ দুটা স্থগিত ৰাখিছে । মই এটা কথা ক'ব খুজিছো যে গুৰুত্ব কিন্তু নথকা নহয় ।

আপুনিও সেই অঞ্চলৰ এগৰাকী ব্যক্তি। আটাইকেইজন বিধায়কৰে মই ভাষণ শুনিলো। এটা কথা অনস্বীকাৰ্য্য যে ৰেল বিভাগ বা লোকনিৰ্মাণ বা NHAI এ যদি কৰ'বাত এটা ৰাস্তা বনায়, দলং বনায় তাৰ feasibility test কৰে৷ commodious কিমান হ'ব বা খৰচ কিমান হ'ব এই কথাবিলাকৰ ওপৰত নিৰ্ভৰ কৰি নতুন এটা ৰাস্তা, নতুন এটা ৰেলপথ, নতুন এখন দলং, নতুন এটা Airport নিৰ্মাণ কৰে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, তেখেতসকলে বহুত বিতংকৈ কোৱা নাই কিন্তু তেখেত সকলে কৈছে যে তেখেতসকলে RET Survey কৰিছিল, Reconnaissance Engineering cum Traffic Survey কৰিছিল আৰু তেওঁলোকে ইয়াক স্থগিত ৰাখিছে । নিশ্চয়কৈ ইয়াত অলপ সমস্যা আছে । হয়তো commodious কম বা feasibility কম। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, মই আকৌ কৈছো যে যদি আপুনি ভাৱে যে বিধান সভাৰ বাবে প্ৰস্তাৱটো গ্ৰহণ কৰাত মোৰ আপত্তি নাই কিন্তু গোটেই বিষয়টো যিহেতু কেন্দ্ৰীয় চৰকাৰৰ ৰেল বিভাগৰ নেতৃত্বাধীন, আমি তেখেতসকললৈ প্ৰস্তাৱটো প্ৰেৰণ কৰিব পাৰিম।

**মাননীয় অধ্যক্ষঃ** যিহেতু এই বিষয়টো মাননীয় বিধায়ক শ্ৰী দীপক কুমাৰ দাস ডাঙৰীয়াই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছে, নিশ্চিত ৰূপত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ভাৰত চৰকাৰলৈ ইতিমধ্যে পত্ৰ প্ৰেৰণ কৰাকে আদি কৰি তেখেতে যিহেতু যোগাযোগ অব্যাহত ৰাখিছে মই ভাবো যে ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰী দুয়োগৰাকীয়ে যিহেতু কানেকটিভিটিৰ ক্ষেত্ৰত সদিচ্ছা আছে গতিকে Rail, Air, Water connectivity ৰ আধাৰত নিশ্চিতভাৱে আমি আগন্তুক দিনত এই বিষয়টো আশা কৰিব পাৰো। এইক্ষেত্ৰত কেৱল বঙাইগাওঁ বা বৰপেটা জিলাৰে সুবিধা হ'ব তেনে কথা নহয়, যিহেতু ৰেলপথটো হ'ব তেতিয়া সমগ্ৰ অসমৰ মানুহেই তাত যাব পাৰিব । সদনৰে কিছু সংখ্যক সদস্যলৈ আমি আগন্তুক দিনত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগতে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াকো লগ ধৰিম আৰু তেখেতৰ আগ্ৰহৰ আধাৰত আমি আগন্তুক দিনত ভাৰত চৰকাৰৰ ৰেল মন্ত্ৰীৰ লগতো যোগাযোগ কৰিব পাৰিম বুলি আশা ৰাখিছো। সেয়েহে মই আপোনাক সুধিব

বিচাৰিছো যে মাননীয় সদস্য শ্ৰীদীপক কুমাৰ দাস ডাঙৰীয়া আপুনি আপোনাৰ সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিব নে ?

**শ্ৰী দীপক কুমাৰ দাস, (বৰপেটা):** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সংকল্প প্ৰস্তাৱটো ৰাখিলে ভাল হয়।

**মাননীয় অধ্যক্ষঃ** আপুনি যিহেতু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত এই বিষয়টো যোগাযোগ কৰিছিল গতিকে যোগাযোগ কৰাৰ পিছত আপুনি তাৰ ফলাফলটো পোৱা নাই । সেয়েহে এই বিষয়টো মাজতে যদি ধৰি ৰাখে তেতিয়াহ'লে এইটো দেখাত বেয়া হ'ব । যিহেতু আমি সদনৰ পৰা সকলো এইবিষয়টোৰ ওপৰত আলোচনা কৰাৰ কাৰণে যাম বুলি ভাবিছো । গতিকে আপুনি সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিব নে ?

**শ্ৰী দীপক কুমাৰ দাস, (বৰপেটা):** মাননীয় অধ্যক্ষ মহোদয়,ঠিক আছে । ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** সদনৰ সন্মতি সাপেক্ষে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া আমাৰ দুটা সংকল্প প্ৰস্তাৱ আছে। আমাক আৰু প্ৰায় আধা ঘন্টা মান সময় লাগিব । সেয়েহে যদি ২ টা বাজি যায় তেতিয়াহ'লে মই এতিয়াই ঘোষণা কৰিলো যে আজি সদনৰ সময় আধা ঘন্টা বৃদ্ধি কৰা হ'ল। আজিয়েই গোটেইখিনি শেষ কৰি দিব পাৰিলে ভাল হয়।

এতিয়া কাৰ্য্যসূচী নং ৬।

সংকল্প প্ৰস্তাৱ, মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ , আপোনাৰ সংকল্প প্ৰস্তাৱটো সদনত উত্থাপন কৰিলো আৰু ইয়াৰ ওপৰত আপোনাৰ বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ ( কাটিগড়া সমষ্টি:-):** ধন্যবাদ অধ্যক্ষ মহোদয়। রুল ১১৫ এর আণ্ডারে এটা উত্থাপন করার  সুযোগ দেওয়ার জন্য ধন্যবাদ জ্ঞাপন করছি। অধ্যক্ষ মহোদয়, বিশ্বাস এবং প্রার্থনা—এই দুইটাই অদৃশ্য জিনিস। কিন্তু দুটোর মধ্যে অশেষ শক্তি। অধ্যক্ষ মহোদয়, সমভাবে আমাদের মুখ্যমন্ত্রীর উপর আমাদের আস্থা, আমাদের বিশ্বাস এবং সমস্ত আসামবাসীর

একটা ভরসার জায়গা। অধ্যক্ষ মহোদয়, আমাদের দেশ স্বাধীন হয়েছিল এবং তার পর ধর্মের ভিত্তিতে দেশ বিভক্ত হয়। পাকিস্তান ইসলামিক দেশ হিসেবে রূপান্তরিত হয় এবং ইসলামিক দেশীয় ঘোষণা করা হয়। আমাদের দেশ ভারতবর্ষ সেকুলার কান্ট্রি, অর্থাৎ ধর্মনিরপেক্ষ দেশ। কিন্তু আমাদের দেশে এমন কিছু আইন করা হয়েছিল যার জন্য আমরা প্রশ্নের সম্মুখীন হয়েছিলাম। আমরা দেখেছি যে ৩৭০ ধারা, আবার দেখেছি ওয়াকফ বোর্ড, আমরা দেখেছি ট্রিপল তালাক এবং বিভিন্ন এই ধরনের বিলের মাধ্যমে আমরা প্রশ্নের সম্মুখীন ছিলাম অধ্যক্ষ মহোদয়। আমরা দেখেছি আমাদের প্রধানমন্ত্রী এবং আমাদের মুখ্যমন্ত্রী দৃঢ় সংকল্প নিয়ে ইউসিসি বিল আনা হয়েছে, আমাদের ইউসিসি বিল লাগু করা হয়েছে, ৩৭০ ধারা উইথড্র করা হয়েছে। এই যে মুখ্যমন্ত্রী এবং প্রধানমন্ত্রীর দৃঢ়তা, সংকল্প—বিধায়ক হিসেবে আমার কৃতজ্ঞতা জ্ঞাপন করছি অধ্যক্ষ মহোদয়।

অধ্যক্ষ মহোদয়, ১৯৪৬ সালে ক্যাবিনেট মিশনের প্ল্যান অনুযায়ী গ্রুপিং সিস্টেমের ফাঁদে আসামের পূর্ব পাকিস্তানের সঙ্গে যুক্ত হওয়ার প্রবল সম্ভাবনা তৈরি হয় অধ্যক্ষ মহোদয়, আমরা সবাই জানি। এই সংকটময় পরিস্থিতিতে আসামকে ভারতের অন্তর্ভুক্ত রাখতে আমাদের প্রিয় নেতা, প্রয়াত নেতা, লোকপ্রিয় গোপীনাথ বরদলৈ এবং শ্যামাপ্রসাদ মুখার্জি—উনাদের যে ঐতিহাসিক ভূমিকা ছিল, আমরা বিধায়ক হিসেবে আমরা শ্রদ্ধার সঙ্গে আজকে স্মরণ করছি উনাদের এই বলিষ্ঠ ভূমিকার জন্য। অধ্যক্ষ মহোদয়, সেই সময়ে আমরা দেখেছি যে রাজনীতি আসামের জন্য এবং নিজের ভূমির জন্য কতটুকু টান এবং কতটুকু উনার একাত্মবোধ। সেই সময় কংগ্রেসের নেতৃত্ব জওহরলাল নেহরু এবং মাওলানা আবুল কালাম আজাদের সঙ্গে আমাদের নেতা, লোকপ্রিয় গোপীনাথ বরদলৈ সেই গ্রুপিং সিস্টেমে, বিশেষ করে আসামকে সি গ্রুপে অন্তর্ভুক্ত না করার জন্য উনি যেভাবে লড়াই করেছিলেন এবং সঙ্গে আমাদের নেতা শ্যামাপ্রসাদ মুখার্জি যেভাবে একত্রিত হয়ে সেই চিন্তাধারাকে রাষ্ট্রীয় স্তরে নিয়ে গিয়ে আসামকে যেভাবে রক্ষা করেছিলেন এবং আজকের দিনে তার

জন্যই ভারতের সঙ্গে আমরা  সবাই এখানে আছি। সেই সময় উনারা যদি ভূমিকা নিতেন না, হয়তোবা আজ আসাম  সেইভাবে থাকতো না। আজকে হয়তোবা পূর্ব পাকিস্তানের সঙ্গে আমরা যুক্ত হতাম। আজকে সেই সময় আমাদের নেতা, আমাদের বলিষ্ঠ নেতা উনার ভূমিকার জন্য আজকে এখানে দাঁড়িয়ে বিধায়ক হিসেবে আমি কথা বলতে পারছি অধ্যক্ষ মহোদয়।

অধ্যক্ষ মহোদয়,  আজকে যে বিষয়টা, সেই বিষয়টা বলতে গেলে যে দেশ যখন বিভক্ত হলো  বিভক্ত হওয়ার সঙ্গে সঙ্গে এই অঞ্চলে যারা ইসলাম ধর্মাবলম্বীরা ছিলেন, অনেকে পূর্ব পাকিস্তান চলে যান । পূর্ব পাকিস্তান থেকে অনেকেই ভারতবর্ষে আসেন।  ভারত থেকে যারা পূর্ব পাকিস্তান গেলেন, বাংলাদেশে গেলেন, ওদেরকে কিন্তু এনিমি প্রপার্টি অ্যাক্ট-এর আণ্ডারে ওদেরকে জায়গা দেওয়া হলো বা বিশেষ করে পূর্ব পাকিস্তানে  জায়গা দেওয়া হলো ইসলাম ধর্মাবলম্বীদের। কিন্তু হিন্দুরা যারা ভারতবর্ষে আসলেন, বিশেষ করে আমাদের কাটিগোড়া অঞ্চলে সেখানে আমরা দেখতে পারলাম যে এই অঞ্চলে আসার পর এখানে তাদেরকে কোনো পুনর্বাসনের ব্যবস্থা হয়নি । সেখানে প্রায় ৭,৯৬০ বিঘা জায়গা আছে অধ্যক্ষ মহোদয়। এখানে অ্যাক্ট করা হয়েছিল, 'এনিমি প্রপার্টি অ্যাক্ট ১৯৬৮'। অ্যাক্ট করার পর প্রভিশন দেওয়া হয়েছিল অধ্যক্ষ মহোদয়, কিন্তু তারপর দুঃখের সঙ্গে বলতে হচ্ছে আজ অবধি একজনকেও আমরা পুনর্বাসনের ব্যবস্থা করতে পারলাম না। যে হিন্দুরা এখানে এসেছে তাদেরকে ৭,০০০ বিঘা জায়গার মধ্যে ওদেরকে  পাট্টা দেওয়া সম্ভব হলো না এই আইনের জন্য। আজকে এই বিষয়টা এজন্যই উত্থাপন করলাম অধ্যক্ষ মহোদয় যাতে আমাদের সবার জানতে হবে এই বিষয়ে। অধ্যক্ষ মহোদয়, মুখ্যমন্ত্রীর উপর আমাদের অগাধ বিশ্বাস এজন্য বলছি যে, এরকম আরেকটা ইস্যু ছিল যে স্বাধীনতার সময় যারা ওইপার থেকে এসেছিলেন, ওদেরকে আর.আর. ভিলেজ করা হয়েছিল। আর.আর. ভিলেজ করে ওদেরকে এখানে সংস্থাপিত করা হয়েছিল। সেই কথাগুলো যখন মুখ্যমন্ত্রীকে আমি বললাম যে আর.আৰ. ভিলেজ করে এখানে অনেকগুলো মানুষ আছে যাদেরকে

পাট্টা দেওয়া সম্ভব হচ্ছে না । সঙ্গে সঙ্গে ১৬-১০-২০২৫-এ সেখানে নোটিফিকেশন বের করা হয়েছে । আমাদের জয়েন্ট সেক্রেটারি রেভিনিউ একটি নোটিফিকেশন বের করেছেন, ইতিমধ্যে পাট্টা দেওয়ার কাজ চলছে অধ্যক্ষ মহোদয়। এখানে ক্লিয়ারলি বলা আছে: **"I am directed to convey that the Governor of Assam is pleased to accord approval for conversion of RR Khas land under Katigorah Revenue Circle to General Khas land for allotment and settlement in favour of the present occupant."**

অধ্যক্ষ মহোদয়, স্বাধীনতার পর এই মানুষগুলো যারা এখানে আছে, যাদেরকে পাট্টা দেওয়ার জন্য মুখ্যমন্ত্রী মহোদয় সেই নোটিফিকেশন বের করেছেন। তাই আমাদের বিশ্বাস এই যে সমস্যা এতদিন থেকে, এই মানুষগুলো এখানে আছে স্বাধীনতার পর থেকে, কিন্তু আজ অবধি ওদেরকে পাট্টা দেওয়া হচ্ছে না। আব্দুল মালিক বলে একজন মানুষ আসে। এসে উনি এই জায়গার মধ্যে এক কেয়ার জমি থাকা সত্ত্বেও দেখা যায় যে উনি অনেক ক্ষেত্রে ডিপার্টমেন্টে গিয়ে বাংলাদেশ থেকে মানুষ পাঠানো হয় যাতে এই জায়গাগুলো আবার উনারা নিয়ে যাবেন, সেইরকম একটা পরিবেশ সৃষ্টি হয়। অধ্যক্ষ মহোদয়, আজ এই পবিত্র সদনে আমি দাবি রাখছি, যেভাবে আর.আর. ভিলেজকে জেনারেল খাস করা হয়েছে, সমভাবে সেই এনিমি প্রপার্টিকে যাতে জেনারেল খাস করে সেই মানুষদের মধ্যে পাট্টা দেওয়া হয়। কারণ সেই দুঃখ, সেই যন্ত্রণা, সেই বেদনার কথা আমাদের মুখ্যমন্ত্রী উপলব্ধি করেছেন, আমাদের প্রধানমন্ত্রী উপলব্ধি করেছেন । আমাদের মুখ্যমন্ত্রী উপলব্ধি করেছেন বলেই নোটিফিকেশন বের করেছেন। আমি বিশ্বাস করি, আমাদের মুখ্যমন্ত্রীর সেই মানসিকতা যাতে সামনের দিন এনিমি প্রপার্টির ক্ষেত্রে যাতে সেগুলো লাগু করা হয়। আমরা বাই চান্স নয়, বাই চয়েস হিন্দুরা এই দেশে আমরা আছি। তাই এই দেশের অখণ্ডতা, এই দেশের সার্বভৌমত্ব, এই দেশকে রক্ষা করা আমাদের

দায়িত্ব-কর্তব্য। তাই সামনের দিন যাতে  মুখ্যমন্ত্রী এবং আমাদের ডিপার্টমেন্ট সেরকম যাতে ব্যবস্থা নেয়, সেটাই অনুরোধ রাখছি।

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক জনে ভুল বাৰ্তা দি আছে। তেখেতৰ মতে তাৰ পৰা মুছলমান মানুহে আহিয়ে মাটি দখল কৰি আছে। আপুনি তালিকাখন দিয়ক কোন ধৰ্মৰ মানুহ আহিছে।

**মাননীয় অধ্যক্ষঃ** আহমেদ ডাঙৰীয়া আপুনি বহক।

...........**(সদনত হুলস্থুল)................**

**শ্ৰী কমলাক্ষ  দে পুৰকায়স্থ,  কাটিগড়াঃ** আমাৰ হাতত উত্তৰ আছে।

আপোনাৰ কথামতে কিয় তালিকা দিম

............... **(সদনত হুলস্থুল) ..............**

**মাননীয় অধ্যক্ষঃ** আহমেদ ডাঙৰীয়া আপুনি বহক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, কাটিগড়াঃ** মই কৈছো যে আমাৰ ভাৰতবৰ্ষৰ পৰা বহুত মানুহ বাংলাদেশলৈ বা পাকিস্তানলৈ গৈছিল। আৰু পূব পকিস্তানৰ পৰা বহুত মানুহ স্বাধীনতাৰ সময়ত ভাৰতলৈ আহিছিল  আৰু বাংলাদেশৰ Enemy Property খিনি মুছলমান মানুহে পাই গ'ল । আমাৰ ভাৰতবৰ্ষত Enemy Property আইন কৰা হৈছে যদিও আজিলৈকে কেইজন মানহে মাটিৰ পট্টা পালে। গতিকে এইখিনি সাধাৰণ শ্ৰেণী কৰি হিন্দু মানুহক মাটিৰ পট্টা দিব লাগে।

**শ্ৰী শ্বেৰমান আলী আহমেদ,  মন্দিয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, তাৰ মানে পূব পাকিস্তানৰ পৰা মানুহ আহি মাটি দখল কৰিছে।

...............**(সদনত হুলস্থুল) ..........**

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, কাটিগড়াঃ** কিছুমান দালাল আছে।

...............**(সদনত হুলস্থুল) ..........**

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি কোনোবা দালাল আছে সিহতক Arrest কৰক। আপুনি বিষবাস্প নিবিয়াপ।

**মাননীয় অধ্যক্ষঃ** আপুনি বহক । এতিয়া মাননীয় ৰাজহ আৰু দূৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰী পীয়ুষ হাজৰিকা, মন্ত্ৰীঃ** অধ্যক্ষ ডাঙৰীয়া, বিষয়টো গুৰুত্বপূৰ্ণ । ঐতিহাসিক ভাৱে শ্বেৰমান আলী ডাঙৰীয়াৰ লগত মোৰ দ্বিমত আছে। এই খন যিহেতু অসম ইয়াত অসমীয়া মানুহ আছিল। কিন্তু পৰবৰ্তী সময়ত বাংলাদেশৰ পৰা ইয়ালৈ মানুহ অহাটো সত্য। ১৯৪৭ চনত দেশ বিভাজন হ'ল দুটা সূত্ৰত। এখন দেশ হব মুছলমানৰ আৰু এখন দেশ হব হিন্দুৰ। কিছুমান মানুহ ইয়াত থাকি গ'ল আৰু কিছুমান মানুহে সাল-সলনি কৰিলে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, পাকিস্তানলৈ যিমান মুছলমান গৈছিলে তাতকৈ বেছি মুছলমান ভাৰতত আছিল । কাৰণ তেওঁলোকে দেশ বিভাজন হোৱাটো বিচৰা নাছিলে । আমি তেওঁলোকৰে সন্তান । আমাৰ হাতত বিকল্প ব্যৱস্থা থকা স্বত্বেও আমাৰ পিতৃ পুৰুষ সকল যোৱা নাছিলে।

...............**(সদনত হুলস্থুল) ..........**

**শ্ৰী পীয়ুষ হাজৰিকা, মন্ত্ৰীঃ** অধ্যক্ষ ডাঙৰীয়া, প্ৰধান সমস্যাটো আছে তাত। ১৯৪৭ চনৰ আগতে যিমান বাংলাদেশী মূলৰ মানুহ ভাৰতত আছিল বৰ্তমান তাতকৈ ১০/২০ গুণ বেছি আছে। আমি সেই সকল মানুহক বিদেশী বুলি কওঁ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই সময়ত বাংলাদেশ নাছিল।

**শ্ৰী পীয়ুষ হাজৰিকা, মন্ত্ৰীঃ** অধ্যক্ষ ডাঙৰীয়া,১৯৪৭ চনৰ ১৫ আগষ্টলৈকে পূব পাকিস্তান আছিল সেইটো আমি মানিছো। কিন্তু ১৯৪৭ চনৰ ১৬ আগষ্টৰ পৰা যে মানুহ আহিয়ে থাকিল তেওঁলোক বাংলাদেশী নহয় নে কি ? তেওঁলোক সেই সময়ৰ পূৱ পাকিস্তানী আৰু বৰ্তমান বাংলাদেশী। আপোনালোকৰ কিমান জনৰ বংশধৰ পূৱ- পাকিস্তানৰ নাজানো। আপোনালোকৰ কিমান জনৰ লগত পূৱ পাকিস্তানৰ সম্পৰ্ক আছে। আমি ১৯৭১ চনটো মানিব নালাগে কাৰণ গোটেই ভাৰতবৰ্ষত ১৯৭১ নামানে অসমে কিয় মানিব লাগে। এইটো এটা ঐতিহাসিক ভুল। কাৰণ গোটেই ভাৰত বৰ্ষত ১৯৫১,১৯৫৭,। অসম ভাৰতৰ পৰা বাহিৰত নেকি ? অসমত যে ১৯৭১ এইটো অসমৰ ক্ষেত্ৰত অন্যায় কৰা হৈছে। মই

আপোনালোকক ১৯৭১ চনৰ বুলি নাভাৱো। মই আপোনালোকক ১৯৫১ চনৰ বুলি ভাবিছো।

...............**(সদনত হুলস্থুল) ..........**

মোক কবলৈ দিয়ক। মই কল্পনাপ্ৰসূত ভাৱে মানি লৈছো শ্বেৰমান আলী ডাঙৰীয়াৰ পূৰ্বপুৰুষ ১৯৫১ চন বা ১৯৪৭ চনৰ আগত অহা। কিন্তু বহু ব্যক্তি তাৰ পিছতো অহা। তাৰ মানে অসমে বাংলাদেশীৰ ভৰ ল'ব লগীয়া হ'ল। এইটো অসমৰ কাৰণে অন্যায় হ'ল নে নাই, মাননীয় অধ্যক্ষ মহোদয়।

( বিৰোধী দলৰ ফালৰ পৰা ওফৰি অহা উক্তি – হিন্দু বাংলাদেশী)

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** হিন্দু বাংলাদেশী কেনেকৈ হ'ব। দেশ দুখন, হিন্দু আৰু মুছমানৰ মাজত ভাগ ভাগ হৈছে। হিন্দু অহাৰ অধিকাৰ আছে।

( বিৰোধী দলৰ ফালৰ পৰা ওফৰি অহা উক্তি – আমি দেশ বিভাজনৰ কথা কোৱা নাছিলো, আইনখন কিয় আনিলে )

--- সদনত হুলুস্থুল ...

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সাম্প্ৰদায়িকতাৰ কথা কোৱা নাই, যুক্তিৰে কৈছো। ১৯৪৭ চনৰ পিছত মুছলমান মানুহ অহা অধিকাৰ (right) ভাৰতবৰ্ষত নাই। কিন্তু হিন্দু অহাৰ অধিকাৰ আছে।

..... সদনত হুলস্থুল ...

**শ্ৰী শ্বেৰমান আলি আহমেদ, মন্দিয়াঃ** We did not avail the option, because we loved India more than Pakistan. We were not in favour of partition. Our forefathers were not in favour of partition, সেই কাৰণে পাকিস্তানকৈ বেছি মুছলমান মানুহ ইয়াত আছে।

..... সদনত হুলস্থুল ...

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী মানৱ ডেকা ডাঙৰীয়াই কৈ আছে, মই তাকে কবলৈ খুজিছো, there is a big question ? আপোনালোক পাকিস্তানৰ বিৰুদ্ধে আছিল, সেইটো সচাঁ। আপোনালোকে ক'ব লাগে it should be the deadline of 1951,

.... সদনত হুলস্থুল ...

(বিৰোধী দলৰ  ফালৰ পৰা ওফৰি অহা উক্তি যে document উলিয়াই দিয়ক, মানি লম )

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** আজি আপোনালোকে কওঁক, we all are  not in favour of 1971, আপোনালোকে কওঁক we people are in favour of 1951.

... সদনত হুলস্থুল ...

(বিৰোধী দলৰ  ফালৰ পৰা ওফৰি অহা উক্তি যে document উলিয়াই দিয়ক, মানি লম )

**মাননীয় অধ্যক্ষঃ** তেওঁলোকে support কৰিছে।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, দেশ এখনে, বেলেগটো হ'ব নোৱাৰে। কোন পাৰ্টীয়ে কৰিলে মই নকওঁ, অসমক এইটো অন্যায় কৰিলে।

**মাননীয় অধ্যক্ষঃ** তেখেতসকলে ১৯৫১ support কৰিছে।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্বেৰমান আলি আহমেদ ডাঙৰীয়াই support কৰিছে।

... সদনত হুলস্থুল ....

**শ্ৰী শ্বেৰমান আলি আহমেদ, মন্দিয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, I declared on record that I support 1951 provided NRC in all its entirety is made available or any electrical roll before 1951. 1948, 1949 electrical roll is made available. I do stand by 1951.

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, হ'ব।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো তেনেকুৱা নহয়। আপোনালোকে ৩ টা জেনেৰেশ্যনৰ মাটিৰ ওপৰত কাগজ উলিয়াই দিব নোৱাৰে।

... সদনত হুলস্থুল...

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, কবলৈ বেয়া, আপোনালোকৰ হাতত জাপ জাপ কাগজ থাকে।

... সদনত হুলস্থুল...

**শ্ৰী পিযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ কাৰণে এইটো অসহ্যকৰ বোজা। অসমৰ কাৰণে এইটো বিপদজনক। গোটেই দেশত বিদেশীৰ সংঘাটতো উলিয়াই দিলে ১৯৫১ আৰু অসমত উলিয়াই দিলে ১৯৭১। অসমত অকল কংগ্ৰেছ পাৰ্টীয়ে এইটো কৰিলে।

... সদনত হুলস্থুল...

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো হয়, তাৰ পিছত কিছু ব্যক্তি ইয়াৰ পৰা গুছি গ'ল। মই ৰহা সমষ্টিৰ বিধায়ক থাকোতে মই তেনেকুৱা বহুত ঠাইত পাইছিলো। কিছু ব্যক্তি গ'ল, কিছু ব্যক্তি আকৌ আহিল। অহা মানুহখিনিয়ে এতিয়াও মাটিৰ ভোগ পোৱা নাই। সেইখিনিৰ কাৰণে সন্মানীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থই যিটো প্ৰস্তাৱ আনিছে, সেইটো important, ছাৰ।

**মাননীয় অধ্যক্ষ** : তেওঁৰ বিষয়টো সেইটোৱেই।

**শ্ৰী শ্বেৰমান আলী আহমেদে, মন্দিয়া:** তেওঁ ক'লে এতিয়াও বোলে মুছলমান মানুহে দালালৰ জৰিয়তে আহি তেওঁলোকৰ মাটি দখল কৰি আছে।

....(সদনত হুলস্থুল)

**শ্ৰী কৃষ্ণেন্দু পাল, Minister**: আমাৰ constituency পাথাৰকান্দি। Partition ত তেওঁলোকে amicably, দুই পাৰ্টি গ'ল Muslims Bangladesh-লৈ গ'ল, Hindu India-লৈ আহিল। আকৌ...

.....(সদনত হুলস্থূল)...

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এখেত বাংলাদেশী। এওঁ নিজেই কৈছে, ছাৰ। শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই বাংলাদেশী বুলি স্বীকাৰ কৰিছে, ছাৰ।

.....(সদনত হুলস্থুল)...

**শ্ৰী ওৱাজেদ আলি চৌধুৰী, বিৰোধী দলৰ দলপতিঃ** মাননীয় অধ্যক্ষ মহোদয়, এইবিলাক আলোচনাৰ কোনো অৰ্থ নাই। গতিকে কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই যি বিষয় আনিছে, সেই বিষয়ত উত্তৰ দিয়ক।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰ দি আছো। ইয়াতে কৈ দিলে—"আমাৰ মানুহ আহি আছে", বাংলাদেশী আহি আছে বুলি ক'লে। শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই স্বীকাৰ কৰিলে যে তেওঁ বাংলাদেশী।

**মাননীয় অধ্যক্ষ:** তেওঁ দুইটাই কলে।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে দুয়োটাই ক'লে। এই কথাটো আমি গুৰুত্ব সহকাৰে বিবেচনা কৰিম। যিখিনি মানুহে exchange কৰিছিল, সকলোতো হ'ব নোৱাৰে, যিখিনি মানুহে মাটি exchange কৰিছিল, পৰ্যায়ক্ৰমে তেওঁলোকক পট্টা দিবলৈ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ**: সন্মানীয় বিধায়ক কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিলে, সেই বিষয়টো লৈ আমিও জৰ্জৰিত হৈ আছো। কাৰণ মোৰ নিজৰ সমষ্টিত Kismat Dwarika বুলি এখন ঠাই আছে। সম্পূৰ্ণ মাটিখিনি exchange হৈছিল। সেই সময়ত exchange হৈছিল simple কাগজত। কিন্তু exchange হোৱাৰ পিছতো এতিয়াও সেই মানুহখিনিৰ নামত মাটিৰ নামজাৰীৰ বা কোনো document নাই। যাৰ কাৰণে সেই মানুহখিনিয়ে অৰুনোদয়ে হওঁক, বিভিন্ন ধৰণে বঞ্চিত হৈ আছে। ভাৰতবৰ্ষত থাকিও তেওঁলোকে বঞ্চিত হৈ আছে। তথাপি এই বিষয়টোত নিশ্চিতৰূপত মাননীয় মন্ত্ৰী ডাঙৰীয়াই আগন্তুক দিনত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰিব, যাতে exchange হোৱা মানুহখিনিৰ মাটিখিনি তেওঁলোকৰ নামত নামজাৰী হয় আৰু তেওঁ সেইটোৱেই বিচাৰিছে। সেইটোত এওঁলোকৰো আপত্তি নাই। গতিকে এতিয়া সন্মানীয় বিধায়ক কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াক আপোনাৰ সংকল্প প্ৰস্তাৱটো পৰিহাৰ কৰিবনে?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, কাটিগড়াঃ** মাননীয় অধ্যক্ষ মহোদয়, নিশ্চয়, চৰকাৰৰ ওপৰত আমাৰ বিশ্বাস আছে। যিহেতু চৰকাৰে ইমান ভাল এটা reply দিছে, withdraw-টো কৰিবই লাগিব। মই মাত্ৰ শ্বেৰমান আলি আহমেদ ডাঙৰীয়াক ক'ব খোজে যে Parliament ত "Palestine Zindabad" এইবিলাক ক'ব নালাগে। কাৰণ আমি তদন্ত বিচাৰোঁ। Parliament ত যদি কোনোবাই "Palestine Zindabad" কয়, এইটোৰ বিৰোধিতা কৰিব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ:** ঠিক আছে, আপুনি প্ৰত্যাহাৰ কৰিছে।

....(সদনত হুলস্থুল)....

**মাননীয় অধ্যক্ষ:** Please sit down. মাননীয় বিধায়ক কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াৰ প্ৰস্তাৱটো, যিহেতু চৰকাৰে এই ক্ষেত্ৰত বিবেচনা কৰিব বুলি আমি আশাবাদী। মোৰ সমষ্টিতো তেনেকুৱা দুৰ্ভগীয়া মানুহ আছে। সেই মানুহখিনিয়ে, যিহেতু পঞ্চাশ বছৰৰো অধিক সময় ধৰি বসবাস কৰি আছে, তেওঁলোকৰ মাটিৰ নথিপত্ৰ যাতে হয়, চৰকাৰে নিশ্চিতভাৱে এই বিষয়ত দৃষ্টি ৰাখিব। সেয়েহে তেখেতৰ কথাৰ ভিত্তিত এই প্ৰস্তাৱটো নাকচ কৰা হ'ল।

এতিয়া Rule 131-ৰ অধীনত এটা প্ৰস্তাৱ আহিছে। এতিয়া মই মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই আনিছে। আপোনাৰ প্ৰস্তাৱটো সদনত উত্থাপন কৰিবলৈ (মই পাঁচ মিনিটৰ ভিতৰত বক্তব্য ৰাখিবলৈ) অনুৰোধ জনাইছোঁ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পাকাবেতবাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, Rule 131 ৰ জৰিয়তে ''পাকা বেতবাৰী সমষ্টিৰ মাজেৰে বৈ যোৱা কালদিয়া, পহুমাৰা, টিহু, পল্লা আৰু বেঁকী নদীৰ দুয়োপাৰে শীঘ্ৰে মথাউৰি নিৰ্মাণ আৰু প্ৰয়োজনীয় গৰাখহনীয়া প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণৰ প্ৰস্তাৱ'' উত্থাপন কৰাৰ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছোঁ। ধন্যবাদ জনাইছো। অধ্যক্ষ ডাঙৰীয়া, বৰপেটা জিলাৰ পাকাবেতবাৰী বিধানসভা সমষ্টিৰ মাজেৰে পাঁচখন নদী বৈ গৈছে আৰু এই নদীসমূহে প্ৰত্যেক বছৰ দুই-তিনিবাৰ বানপানীৰ সৃষ্টি কৰে। বানপানীৰ ফলত মানুহৰ ঘৰ-দুৱাৰ, অনুষ্ঠান-প্ৰতিষ্ঠান, ৰাস্তা-ঘাট, পুখুৰী,

মানুহৰ ব্যৱসায়-বাণিজ্য যথেষ্ট ক্ষতিসাধন কৰে আৰু এই নদীসমূহৰ গড়াখহনীয়াৰ ফলত হাজাৰ বিঘাৰ ওপৰত ইতিমধ্যে মাটি নদীৰ বুকুত জাহ গৈছে, বহু মানুহৰ ঘৰ-দুৱাৰো জাহ গৈছে, বহু গাঁও নিঃচিহ্ন হৈ গৈছে। অধ্যক্ষ মহোদয়, পাকাবেতবাৰী  সমষ্টিৰ মাজেৰে বৈ যোৱা নদী বেঁকী নদীৰ দৈৰ্ঘ্য হ'ল প্ৰায় ১২ কিলোমিটাৰ, পাকাবেতবাৰী সমষ্টিৰ মাজেৰে বৈ যোৱা পহুমাৰা নদীৰ দৈৰ্ঘ্য হ'ল প্ৰায় ২৯ কিলোমিটাৰ, কালদীয়া নদীৰ দৈৰ্ঘ্য হ'ল প্ৰায় ২০ কিলোমিটাৰ, টিহু নদীৰ দৈৰ্ঘ্য হ'ল প্ৰায় পাঁচ কিলোমিটাৰ আৰু পল্লা নদীৰ দৈৰ্ঘ্য হ'ল প্ৰায় ৪০ কিলোমিটাৰ আৰু টিহু, কালদীয়া আৰু পহুমাৰা নদী একত্ৰিত হৈ বৰপেটা সমষ্টিলৈ সোমাইছে। এই নদীৰ দৈৰ্ঘ্য প্ৰায় 1.5 কিলোমিটাৰ। গতিকে সৰ্বমুঠ যদি নদীসমূহৰ আমি দৈৰ্ঘ্য দেখোঁ, প্ৰায় ১০৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ নদী এটা সমষ্টিৰ মাজত। অধ্যক্ষ মহোদয়, এটা সমষ্টিৰ মাজত যদি নদীৰ দৈৰ্ঘ্য ১০৫ কিলোমিটাৰ হয়, তেনেহ'লে সেই সমষ্টিৰ মাজেৰে কেৱল নদী, নদী, নদী। আৰু এই নদীসমূহ ভূটানৰ পৰা বৈ আহিছে। ভূটানৰ পৰিশ্বৰ নদীৰ যি বান্ধ দিছে, সেই বান্ধ দিয়াৰ পিছত এই নদীৰ যিটো ধ্বংসলীলা আৰু বৃদ্ধি হৈ গৈছে। অধ্যক্ষ মহোদয়, আপুনিও প্ৰতিনিধিত্ব কৰা Sarbhog–Bhawanipur বিধানসভা সমষ্টি বা আগৰ Bajali সমষ্টি, পাটাচাৰকুছি সমষ্টি, আগৰ এতিয়া বৰ্তমানৰ Bajali এই নদীসমূহ এই দুটা সমষ্টিৰ মাজেৰে বৈ আহিছে। গতিকে নদীসমূহৰ ধ্বংসলীলাৰ বিষয় আপুনি জানে। পবিত্ৰ বিধানসভা বা চৰকাৰে বা Departmentয়ে সাধাৰণতে ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ কথা বিভিন্ন সময়ত উত্থাপন কৰে, কৰিবও লাগিব। কিন্তু সেই সৰু সৰু নদীসমূহেও যে যথেষ্ট ক্ষতি সাধন কৰে, এই বিষয়ে আজি সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়া যেতিয়া জল সম্পদ বিভাগৰ মন্ত্ৰী আছিল নিশ্চিতভাৱে গোটেই অসমৰ নদীসমূহক অধ্যয়ন কৰিছে আৰু আমাৰ এই এলেকাৰ নদীসমূহৰ বিষয়ে জানে। তেওঁ আগতে আমাক কিছু Fund দিছিল, গড়াখহনীয়া ৰোধৰ ক্ষেত্ৰত। সেই Fund সমূহৰ জৰিয়তে আমি কিছু সকাহ পাইছোঁ, কিছু উপকৃত হৈছোঁ। গতিকে অধ্যক্ষ মহোদয়, সেই নদীসমূহৰ এটা মথাউৰীও নাই। পাকাবেতবাৰী সমষ্টিৰ যে এশ পাঁচ কিলোমিটাৰ নদী, ১০০

মিটাৰো মথাউৰী নাই। ইতিমধ্যে Department য়ে তাক স্বীকাৰ কৰিছে। মোৰ এটা লিখিত প্ৰশ্নৰ উত্তৰত তেওঁলোকে সেইটো স্বীকাৰ কৰিছে। গতিকে মথাউৰী যেতিয়া নাথাকে, মথাউৰী আমাৰ উজান অঞ্চলত, Sarbhog–Bhawanipur বা Bajali অঞ্চলবিলাকত, এই নদীসমূহৰ মথাউৰী আছে। মথাউৰী থকাৰ কাৰণে পানী যেতিয়া বাঢ়ি যায় নদীত, সেই পানীবোৰ উফন্দি আহি যায় আৰু আহি আহি আমাৰ অঞ্চলবিলাকত, পাকাবেতবাৰীত যেতিয়া মথাউৰী নাথাকে, পথাৰত সোমাই যায়। পথাৰত সোমাই গৈ একেবাৰে ৰাস্তা-ঘাট, অনুষ্ঠান-প্ৰতিষ্ঠান, সকলোতে যথেষ্ট ক্ষতি সাধন কৰে। আমাৰ কৃষিজীৱী মানুহ, আমাৰ মৎসজীৱী মানুহ যাৰ কাৰণে যথেষ্ট ক্ষতি সাধন হয়। যাৰ কাৰণে এই অঞ্চলবিলাকত মানুহে কোটি কোটি টকা লোকচান ভৰিব লগা হয়। আমি দীৰ্ঘদিন ধৰি, 2016 চনৰ পৰাই মই বিধায়ক হোৱাৰ পিছৰে পৰা ইয়াৰ কাৰণে দাবী জনাই আহিছোঁ। আশ্বাস দিছে, কিন্তু যোৱাবাৰ আমি কেইবাকোটি টকা পাইছিলোঁ। তাৰ আগতে কোনো টকা-পইচা আমি পোৱা নাই। গতিকে আপোনাৰ জৰিয়তে মাননীয় বিভাগীয় মন্ত্ৰী যদিও নাই সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়া আছে তেখেতক অনুৰোধ জনাওঁ যে, পাকাবেতবাৰী সমষ্টিৰ মাজেৰে যোৱা এই নদীসমূহৰ দুয়োপাৰে মথাউৰী নিৰ্মাণ কৰিব লাগে আৰু গড়াখহনীয়া, প্ৰত্যেকটো গড়াখহনীয়া কৰিছে অধ্যক্ষ ডাঙৰীয়া, আপোনাক কথাটো জনাইছো যে আমি যেতিয়া এটা নদী বান্ধৰ যদি মথাউৰীৰ ব্যৱস্থা নকৰো আৰু যদি আমি গড়াখহনীয়া ৰোধ নকৰো, কি কি বিপদত পৰিম, আমাৰ পহুমাৰা ১৪ খন গাঁৱৰ মাজেৰে বৈ গৈছে। পহুমাৰা নদীৰ এই ব্যৱস্থা নকৰিলে আমাৰ ১৩ খন এল পি স্কুললৈ ভাবুকি আহিছে, 6 খন ME Schoolলৈ ভাবুকি আহিছে, 3 খন High Schoolলৈ ভাবুকি আহিছে, 7 খন Anganwadi Centreলৈ ভাবুকি আহিছে, এটা Health Sub-Centreলৈ ভাবুকি আহিছে, এটা JJM আঁচনিলৈ ভাবুকি আহিছে, এটা Post Officeলৈ ভাবুকি আহিছে, এটা GP Officeলৈ ভাবুকি আহিছে। ঠিক তেনেকৈ Kaldia River, Kaldia Riverৰ যদি গড়াখহনীয়া আৰু মথাউৰিৰ ব্যৱস্থা আমি নকৰোঁ, 18 টা LP Schoolলৈ ভাবুকি

আহিব, এখন ME Madrasaলৈ ভাবুকি আহিব, 4 খন High Schoolলৈ ভাবুকি আহিব, 2 খন Collegeলৈ ভাবুকি আনিছে, 4 খন Anganwadi Centreলৈ ভাবুকি আনিছে, দুটা Health Sub-Centreলৈ ভাবুকি আনিছে, এটা Model Hospitalলৈ ভাবুকি আনিছে, এটা Veterinary Sub-Centreলৈ ভাবুকি আনিছে, এখন GP Officeলৈ ভাবুকি আনিছে। ঠিক তেনেকৈ টিহু নৈখন, টিহু নৈখন চাৰিখন গাঁৱৰ মাজেৰে বৈ গৈছে আৰু Tihu River খনে এটা LP Schoolলৈ ভাবুকি আনিছে, এটা ME Schoolলৈ ভাবুকি আনিছে, এটা High Schoolলৈ ভাবুকি আনিছে, 2 টা Anganwadi Centreলৈ ভাবুকি আনিছে। ঠিক তেনেকৈ আমি Chaulkhowa River যিটো 3 খন নদী একলগ হৈ 1.5 কিলোমিটাৰ আমাৰ সমষ্টিৰ মাজেৰে বৈ গৈছে, সেইখনে এখন LP Schoolলৈ ভাবুকি আনিছে, এটা Anganwadi Centreলৈ ভাবুকি আনিছে, এটা Health Sub-Centreলৈ ভাবুকি আনিছে। ঠিক তেনেকৈ Palla River, 15খন গাঁৱৰ মাজেৰে বৈ গৈছে। তাত 15 খন LP Schoolলৈ ভাবুকি আহিছে, চাৰিখন ME Schoolলৈ ভাবুকি আহিছে, চাৰিখন High Schoolত ভাবুকি আহিছে, ছয়খন Collegeলৈ ভাবুকি আহিছে, এখন Health Sub-Centreলৈ ভাবুকি আহিছে, এখন Model Hospitalলৈ ভাবুকি আহিছে। ঠিক তেনেকৈ Beki River, ২৪ খন গাঁৱৰ মাজেৰে বৈ গৈছে। অধ্যক্ষ মহোদয়, আপোনাৰ সমষ্টিৰ মাজেৰেও বৈ আহিছে। আপোনাৰ সমষ্টিতো যথেষ্ট ক্ষতিসাধন কৰি আছে। এৰ্কৈশখন LP Schoolলৈ বেঁকী নদীয়ে ভাবুকি আনিছে পাকাবেতবাৰীত, দুখন ME Schoolলৈ ভাবুকি আনিছে, এখন High Schoolলৈ ভাবুকি আনিছে, এখন Anganwadi Centreলৈ ভাবুকি আনিছে, এখন JJM Centre লৈ ভাবুকি আনিছে। ইয়াৰ পিছতো অধ্যক্ষ মহোদয়, এইকেইবাখনো নদীয়ে বহু Masjid, Kabarsthan, Kali Mandir, Namgharলৈ ভাবুকি আনিছে। গতিকে অধ্যক্ষ ডাঙৰীয়া, এই কামখিনি যদি আমি ক্ষিপ্ৰতাৰে নকৰোঁ, এই কামখিনিত যদি নদীৰ মথাউৰী আৰু গড়াখহনীয়া ৰোধৰ ক্ষেত্ৰত চৰকাৰে যদি ব্যৱস্থা নলয়, কিমান বিপদ হ'ব পাৰে, আপোনাক সেই কথাই কৈছোঁ। বিভিন্ন PWD ৰাস্তা, গাঁৱলীয়া ৰাস্তা ইতিমধ্যে ভাঙি গৈছে, ৰাস্তা বন্ধ হৈ গৈছে আৰু ৰাস্তা

ভাঙি যাব। কোটি কোটি টকা লোকচান হ'ব চৰকাৰখনৰ। গতিকে আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰীডাঙৰীয়াক মই অনুৰোধ জনাইছোঁ Pahumara, Kaldia, Tihu, Palla, Beki আৰু Chaulkhowa নদীৰ দুয়োপাৰে মথাউৰী নিৰ্মাণ কৰি, যিসমূহ অঞ্চলত গড়াখহনীয়া হৈ আছে, তাক ৰোধ কৰি চৰকাৰে এই পাকা বেতবাৰী সমষ্টিখনক ৰক্ষা কৰিব লাগে। তাৰে দাবীৰে মোৰ বক্তব্য সমাপ্ত কৰিছোঁ।

**মাননীয় অধ্যক্ষ** :- মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী। Reply please.

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ)** :- সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, আমি যেতিয়া জলসম্পদ মন্ত্ৰী আছিলোঁ, আমি কেইটামান নতুন নিয়ম কৰিছিলোঁ। অধ্যক্ষ মহোদয়, আপুনি জ্ঞাত পহুমৰা নদীত আমি দুয়োকাষে Geo Megabag দি Protection কৰিছিলোঁ। সেইটো আমাৰ Pilot Project আছিল। অধ্যক্ষ মহোদয়, আমাৰ Pilot Project আছিলে, সেইটো বেছি Expensive আছিল। কাৰণ আমি নাজানিছিলো, আমি ৩ টা ৩ টা Geo Megatube দি গোটেই পহুমৰা নদীখন আমি দুইফালে Strengthening কৰিছিলোঁ। অধ্যক্ষ মহোদয়, পহুমৰা নদীখন মই যেতিয়া Water Resources Minister আছিলোঁ, প্ৰথম 3 বছৰ 3 বাৰে ভাঙিছে। কিন্তু যেতিয়া অধ্যক্ষ মহোদয় আমি এনেকৈ Geo Megatube দিলোঁ, তাৰ পাছত পহুমৰা নদীখনৰ য'ত ভাঙিছিল সেই অংশ নাভাঙিল। অধ্যক্ষ মহোদয়, আমি এনেকুৱা এতিয়া ব্ৰহ্মপুত্ৰৰ কথাটো অলপ বেলেগ, কিন্তু যিখিনি উপনদী, উপনদীসমূহত যদি আমি অধ্যক্ষ মহোদয়, এই Geo Megatube দি নতুন মথাউৰি বনাওঁ, আমি Mandatory কৰিছিলোঁ। আমি লাষ্টৰ 2 বছৰ Mandatory কৰিছিলোঁ। য'ত য'ত মথাউৰি হ'ব, নতুন মথাউৰি হ'ব, প্ৰথম Geo Megatube দিয়েই এইটো Mandatory আছিল। অধ্যক্ষ মহোদয়, আমি এইটোলৈকে আমি ফল পাইছিলোঁ। য'ত আমি Geo Megatube লগাইছিলোঁ। Geo Megatube মানে অধ্যক্ষ মহোদয়, ২৫ মিটাৰ এটা Tube, তাত 20 Trucks বালি সোমায়। 20 Trucks বালি সোমায় যেতিয়া সেইটো দাঙিবলৈ কিমানখন Truck লাগিব? 30 খন Trucks

লাগিব। মানে হয়তো 10 টা মান হাতী লাগিব। আৰু সেইটোত যেতিয়া মাটি দি দিয়ে, সেই Tube টোক যেতিয়া মাটি দি দিয়ে Companyয়ে, Geo Bag Company য়ে দাবী কৰে যে এইটোৰ Longevity 100 Years. কিন্তু মই ভাৱো at least 50 Years হ'ব। কিন্তু ৰ'দত থাকিলে, ৰ'দ পৰি থাকিলে অলপ সেইটো ক্ষয় হ'ব। গতিকে অধ্যক্ষ মহোদয়, উপনদীসমূহৰ দুইটা কামেই হৈ যাব যদি Geo Megatube দিয়া যায়। Geo Megatube যদি দি মাটি দি দিয়া যায়, সেইটো আৰু কেতিয়াও breach নহ'ব আৰু লগে লগে অধ্যক্ষ মহোদয়, এই যে গড়াখহনীয়া সেইটোও ৰৈ যাব। গড়াখহনীয়া হৈ হৈ আহিব আহি য'ত Megatube পাব তাত গড়াখহনীয়া ৰৈ যাব । গতিকে এইটো double benefit. আৰু সেইটো আমি introduce কৰিছো । অধ্যক্ষ ডাঙৰীয়া, মই ইতিমধ্যে কেইবাবাৰো কৈছো, যে অসমত Visibility থকা এই মুহূৰ্তত খুব বেছি ১৩০ কিলোমিটাৰ মথাউৰী কৰিব লগীয়া আছে । তাতকৈ বেছি নাই । কিছুমান ঠাইত feasibility নাই, adverse reaction হ'ব  আৰু কিছুমান ঠাইত high density population আছে। গতিকে সন্মানীয় সদস্য গৰাকীৰো তেনেকুৱা এটা অৱস্থা আছে । তাত আমি মথাউৰি বনাব নোৱাৰো কাৰণ তাত মথাউৰি বনাব হ'লে বহুত মানুহ eviction কৰিব লাগিব । গতিকে অধ্যক্ষ ডাঙৰীয়া, পৰৱৰ্ত্তী সময়ত আমি কি কৰিম, যদিও মই বিভাগটো এৰিছো, সুশান্ত বৰগোহাঁঞিৰ লগত মই আলোচনা কৰিছো । ভৱিষ্যতে এই ১৫০ কিঃমিঃ বা ১৩০ কিঃমিঃ য'ত আছে, তাত হয়তো ৭৫ কিঃমিঃ Earth Embankment with mega tube বনাব পাৰিম। যদিও ৭৫ কিঃমিঃ আমি বনাব নোৱাৰো তাৰকাৰণে আমি flood wall কৰিব লাগিব। কিন্তু flood wall বিলাক অলপ expensive. অধ্যক্ষ ডাঙৰীয়া, আমি Geo mega tube দি মাটিৰ যিটো মথাউৰি বনায়, সেইটোৱে বহুত কাম দিছে । য'ত এবাৰ হৈছে সেইটো বহু দিনলৈ ভাঙিব নোৱাৰে। সেইটো  অলপ কম খৰছতে হ'ব – প্ৰতি ১ কিঃমিঃত  ১ কোটি বা ১.৫ কোটি বা ৭০ লাখ তেনেকুৱা। কিন্তু য'ত brick wall লাগিব বা flood wall লাগিব তাত ৫ কোটিমান টকা  প্ৰতি কিঃমিঃ ত খৰছ হ'ব। অধ্যক্ষ ডাঙৰীয়া, মই আকৌ কৈছো এতিয়া খুৱ বেছি মথাউৰিৰ কাম

কৰিবলগীয়া নাইয়ে। কিন্তু অধ্যক্ষ ডাঙৰীয়া, বিভাগটোত কি কৰিবলগীয়া আছে, মই সেইটোও কওঁ যে আমি প্ৰায় ৯৫০ ৰ পৰা ১০০০ কিঃমিঃ মথাউৰি বনালো। তাৰে ৫০০ কিঃমি ত আমি Geo mega tube দিলো, কাৰণ প্ৰথমে আমি introduce কৰা নাছিলো। পাছতহে আমি শিকিলো। অধ্যক্ষ ডাঙৰীয়া, আমাৰ অসমত maximum Water Resources Department গুৰুত্বপূৰ্ণ কাম কি থাকিব, এইযে পুৰণা ৪,০০০ কিঃমিঃ মথাউৰি আছে, তাত যদি আমি এটা এটা Geo tube বা mega tube কৰি দিওঁ, তেতিয়াহ'লে অসমত কেতিয়াও breach নহ'ব। এইক্ষেত্ৰত আমাৰ চৰকাৰে কাম কৰি আছে । আমি নিশ্চয়কৈ সন্মানীয় সদস্যগৰাকীৰ সমষ্টিত যদিও বহুত বেছি নাই, feasibility থকা, আমি কম খৰছত কৰিম। ---interruption----

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, (চেঙা)ঃ** ছাৰ, মথাউৰি নহয়, য'ত অনুষ্ঠান – প্ৰতিষ্ঠান আছে, atleast সেইখিনিৰ protection ৰ ব্যৱস্থা কৰক।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা):** Protection ৰ কাৰণে ব্যৱস্থা কৰা হয়েই । Temporary protection ৰ কাৰণে বিভাগৰ হাতত আজিকালি যথেষ্ট বস্তু থাকে। য'ত feasibility আছে সেইখিনি সোনকালে কৰাৰ ব্যৱস্থা কৰা হ'ব। য'ত feasibility নাই, তাত আমি flood wall কৰাৰ ব্যৱস্থা ভৱিষ্যতে কৰিম।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** माননীয় অধ্যক্ষ মহোদয়, মই এটা কথা ক'ম, মাননীয় মন্ত্ৰী মহোদয় Water Resource মন্ত্ৰী থাকোতে বেকী নদীৰ কাৰণে World Bank ৰ পৰা যথেষ্টখিনি কাম কৰিলে। তাৰবাবে মই তেখেতক ধন্যবাদ জনাইছো। মোৰ এতিয়াও মনত আছে, মোৰ মইনবৰী অঞ্চলত যিধৰণে ভাঙিছিলে আপুনি সেইখিনিৰ বাবে within a very short time ৪০ কোটি টকা দিছিলে । সেইবাবে আজি এই অঞ্চলটো protection হৈ আছে । এতিয়া মই মাননীয় মন্ত্ৰী মহোদয়ক জনাব খোজো যে বেকী নদীৰ প্ৰায় আধা breach protection নোহোৱাকৈ থাকি গ'ল। ----interruption----

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা):** World Bank ৰ second phase ৰ কাম চলি আছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** ঠিক আছে, যিমান সোনকালে পাৰে এইখিনি কৰি দিলে ভাল হ'ব।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা):** Under process.

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (পাকাবেতবাৰী)ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিটো কথা কৈছে যে মথাউৰিৰ ক্ষেত্ৰত ঘন বসতিয়েই হওঁক বা বিভিন্ন মাটি এৰি নিদিয়াৰ কথা কৈছে কিন্তু মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম যে আপুনি বিভাগক নিৰ্দেশ দিব লাগে, যি কেইখনত মই নিজে থাকিম, য'ত য'ত কৰিব পৰাৰ সম্ভাৱনা আছে সেইখিনি কৰা যাব। মানুহেও কথা দিছে তেওঁলোকে সেইখিনি মাটি এৰি দিব। গৰাখহনীয়া মূল এটা সমস্যা। গতিকে এইক্ষেত্ৰত দৃষ্টি দিবলৈ মই অনুৰোধ জনালো।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা):** মাননীয় অধ্যক্ষ মহোদয়, temporary কাম কৰিবলৈ বিভাগক নিৰ্দেশ দিয়া হ'ব।

**মাননীয় অধ্যক্ষঃ** সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই যিটো উত্তৰ দিলে,নিশ্চিতভাৱে সন্তুষ্টিজনক। সেয়েহে মাননীয় সদস্য জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়া, আপুনি আপোনাৰ প্ৰস্তাৱটো withdraw কৰিবনে ?

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (পাকাবেতবাৰী):** হ'ব ছাৰ। গতিকে আমি আশা কৰিলো গৰাখহনীয়া ৰোধ কৰক আৰু এইক্ষেত্ৰতো ব্যৱস্থা লওঁক৷ এইটো আশাৰে মই মোৰ প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিলো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং-৮। মাননীয় মন্ত্ৰী ড০ ৰণোজ পেগু ডাঙৰীয়াই "The Majuli University of Culture (Amendment) Bill, 2026".বিধেয়কখন উত্থাপন কৰিবলৈ সদনত অনুমতি বিচাৰিব।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী):** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে "The Majuli University of Culture (Amendment) Bill, 2026" সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে ? যিসকলে সপক্ষে আছে কওঁক ‘হয়’,

যিসকল বিপক্ষে আছে কওঁক ‘নহয়’,

মই ভাৱো ‘হয়’ৰ সাপেক্ষে, ‘হয়’ৰ সাপেক্ষে, ‘হয়’ৰ সাপেক্ষে প্ৰস্তাৱটো গৃহীত হ’ল।

এতিয়া মাননীয় মন্ত্ৰী গৰাকীয়ে বিধেয়কখন উত্থাপন কৰিব।

**ড০ ৰণোজ পেগু, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই “The Majuli University of Culture (Amendment) Bill, 2026” সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** The House Adjourned till 9:30 am on 27-07-2026. Thank you.